# প্ৰবন্ধ গৰিমা

## প্ৰবন্ধ সংকলন

প্ৰফুল্ল শৰ্মা ভাগৱতী

**PRABANDHA GARIMA :** A collection of article written by Mr. Prafulla Sarmah Bhagawati, published by District Sahitya Sabha, Lakhimpur.

প্ৰথম প্ৰকাশ ঃ চেপ্তেম্বৰ, ২০২৫

অক্ষৰ বিন্যাস ঃ ঘনকান্ত বৰা, প্ৰেৰণা প্ৰিন্টাৰ্চ, বিহপুৰীয়া

মূল্য ঃ ২০০ টকা মাত্ৰ

শ্ৰী প্ৰফুল্ল শৰ্মা ভাগৱতীৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত।

ড° বসন্ত কুমাৰ গোস্বামী
সভাপতি

# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১

আঞ্চলিক কাৰ্যালয়
ৰাংছিনা ভৱন, ডিফু-৭৮২৪৬০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১
ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড়-৭৮৬০০৩
শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১
উত্তৰ লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লক্ষীমপুৰ-৭৮৭০০১
কমলাদেৱী তোদী স্মৃতিভৱন, মহীচন্দ্ৰ বৰা পথ, নগাঁও-৭৮২০০১
অচ্যুত নিবেদিতা মেধি সাহিত্য ভৱন, জালাহ-৭৮১৩২৭
সাহিত্য সভা প্ৰকল্প, মঙলদৈ, দৰং-৭৮৪১২৫
১/১৪ বি-সৎসঙ্গ বিহাৰ মাৰ্গ, ব্লক এ, কুটুব ইন্সটিটিউচেনেল এৰিয়া, নতুন দিল্লী, ১১০০৬৭

প্ৰসংগ নং ঃ .............................................     তাৰিখ ঃ ১৯-০৮-২০২৫

## শুভেচ্ছা বাৰ্তা

অসম সাহিত্য সভাৰ এগৰাকী নিষ্ঠাবান সেৱক বিহপুৰীয়াৰ প্ৰফুল্ল ভাগৱতীয়ে অসমীয়া সাহিত্যৰ অমৃতভাণ্ডাৰ মন্থন কৰি ৰচনা কৰা লেখাসমূহ ইতিমধ্যে বিভিন্ন কাকত-আলোচনী, স্মাৰকগ্ৰন্থাদিত প্ৰকাশ পোৱাটো আনন্দৰ বিষয়। এই লেখাসমূহে লেখকগৰাকীৰ প্ৰজ্ঞা আৰু মনীষাক নিশ্চয় প্ৰতিফলিত কৰাবলৈ সক্ষম হৈছে।

ইতিমধ্যে প্ৰকাশিত এই প্ৰবন্ধৰাশি লেখকে পুনঃ নিৰীক্ষণ আৰু বিধিৱৎ সম্পাদনাৰে একত্ৰ সংকলনৰূপে আগবঢ়ালে নিশ্চয়কৈ পাঠকসমাজ উপকৃত হ'ব। লেখক ভাগৱতীলৈ শুভেচ্ছা জনালোঁ।

বসন্তকুমাৰ গোস্বামী

(ড° বসন্তকুমাৰ গোস্বামী)
*সভাপতি, অসম সাহিত্য সভা*

**ঘৰৰ ঠিকনা** ঃ পোহৰ, সুবাগপুৰ, চোলাধৰা, তৰুণৰাম ফুকন পথ, যোৰহাট, অসম, ভ্ৰাম্যভাষ ঃ ৮৪৭৩৯০৭১৯৪, ৯৪৩৫২৬৪৫০৯
ই-মেইল ঃ drbkgoswami3@gmail.co

## লেখকৰ একাষাৰ......

সাহিত্য-সংস্কৃতিৰ প্ৰতি ৰাপ থকাৰ বাবে এই বাটেৰে ভাষা জননীৰ সেৱা কৰাৰ মনোবৃত্তি পুহি ৰাখিছিলো। শিক্ষকতা কৰি থকা কালছোৱাত চেগা-চোৰোকাকৈ এনে কৰ্মত হাত দিছিলো যদিও অৱসৰৰ পৰৱৰ্তী সময়ছোৱাতহে সণ্ঢালনিকৈ এই সেৱা কৰ্মত অগ্ৰসৰ হৈছিলো। নিজাকৈ কিছু লিখাৰ উপৰিও বিভিন্ন সামাজিক অনুষ্ঠানৰ স্মৃতিগ্ৰন্থ, স্মাৰক গ্ৰন্থ, মুখপত্ৰ আদিত অনুষ্ঠানসমূহে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই পাঠকৰ সন্তুষ্টিৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন দিশৰ প্ৰবন্ধ লিখি উলিয়াইছিলো। ইয়াৰ মাজৰ পৰা ৩০ টা প্ৰবন্ধ গ্ৰন্থ আকাৰে প্ৰকাশ কৰিবলৈ শুভাকাংক্ষী সকলে দিয়া তাগিদাত প্ৰকাশৰ দিহা কৰিলো। লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সম্পাদক তথা আমাৰ বৌদ্ধিক কৰ্মসমূহৰ সহযোগী ভাতৃপ্ৰতিম প্ৰবীণ হাজৰিকাই গ্ৰন্থখনি জিলা সাহিত্য সভাত প্ৰকাশৰ মঞ্চ দিয়াৰ বাবে হাজৰিকাদেৱলৈ ধন্যবাদ যাচিলো। অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি ড° বসন্ত গোস্বামীদেৱে এটি শুভেচ্ছাবাণী পঠাই গ্ৰন্থভাগৰ সৌষ্ঠৱ বৃদ্ধি কৰাত সহায়ক হোৱাৰ বাবে শ্ৰদ্ধাৰ গোস্বামীছাৰলৈ কৃতজ্ঞতা জনালো। বিহপুৰীয়াৰ প্ৰেৰণা প্ৰিন্টাৰ্চৰ ঘনকান্ত বৰাই ডিটিপিসমূহ কৰি দিয়াৰ বাবে তেওঁলৈকো শুভাশীষ জনালো।

শেষত ভুল-ত্ৰুটীৰ বাবে মাৰ্জনা বিচাৰিলো।

# সূচীপত্ৰ

১। ভাগৱতৰ ভক্তিৰস
২। ভক্ত ভগৱন্ত, আত্মা পৰমাত্মাৰ মহামিলন
৩। শ্ৰীমন্ত শঙ্কৰদেৱ অধ্যয়ন আমাৰ চিন্তন
৪। শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ নাহৰআটী থানৰ ইতিহাস
৫। ধৰ্ম, বিজ্ঞান আৰু সমাজ ব্যৱস্থা
৬। নৱ বৈষ্ণৱ ধৰ্মত সংহতি বিভাজন
৭। নাট-ভাওনাত ৰস বিচাৰ
৮। শ্ৰীমন্ত শঙ্কৰদেৱৰ সৃষ্টিৰাজিৰ মূল্যয়ন
৯। শ্ৰীশ্ৰী কমলাবাৰী সত্ৰৰ ইতিবৃত্ত
১০। বিনে গুৰু চৰণ
১১। সত্ৰীয়া নৃত্য-গীতৰ সম্পৰ্কে যৎকিঞ্চিত
১২। অংকীয়া ভাওনা ভক্তি ধৰ্ম প্ৰচাৰৰ এক অনবদ্য অৱদান
১৩। মায়ামৰা সমাজৰ ইতিবৃত্ত
১৪। মাধৱ বৈকুণ্ঠে গ'ল গোপাল উদয় ভৈল
১৫। শংকৰদেৱৰ ধৰ্মীয় দৰ্শন
১৬। ৰাজদ্ৰোহী, দেশদ্ৰোহী
১৭। ছাত্ৰ-ছাত্ৰীৰ নৈতিক, আধ্যাত্মিক উৎকৰ্ষ সাধনত অভিভাৱক আৰু শিক্ষাগুৰুৰ ভূমিকা
১৮। বদলা পদ্ম আতাৰ গুৰু প্ৰাপ্তি
১৯। শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ সাহিত্য-সংস্কৃতিৰ অৱদান
২০। বিধৱা বনাম কল্যাণী

# ভাগৱতৰ ভক্তিৰস

নাৰদৰ উপদেশ সৰোগত কৰি ব্যাসদেৱে একমাত্ৰ কৃষ্ণ নাম গুণ শ্ৰৱণ কীৰ্তনৰ ব্যৱস্থা থকা এভাগ শাস্ত্ৰ প্ৰণয়ন কৰিবলৈ সংকল্প লৈ তাৰ বাবে ভগৱন্ত পুৰুষৰ পৰা পথ নিৰ্দেশনা পোৱাৰ মানসেৰে ধ্যানস্থ হ'ল। ধ্যানত দৰ্শন পালে হৃদয়ৰ মধ্যত ভগৱান বিৰাজমান। তেওঁৰ বাওঁকাষত মায়া মাতৃ আৰু সোঁকাষত ভক্তি মাতৃ। বিষ্ণুমায়া এই দুই মাতৃ সংসাৰ চক্ৰত প্ৰয়োজন। মায়াৰ অবিহনে সৃষ্টি বৃদ্ধি নহয়। সমস্ত জগতেই মায়াৰ অধীন। আনকি সৃষ্টিকৰ্তা ব্ৰহ্মাদেৱো মায়াৰ কৱলৰ পৰা মুক্ত নহয়। ধন, জন, ঐশ্বৰ্য্য, বিভূতি দি মায়া মাতৃয়ে সংসাৰখনকেই মায়াময় কৰি তোলে। আনহাতে ভক্তি মাতৃয়ে ঈশ্বৰৰ প্ৰেম ভক্তি জন্মায় জীৱক মুক্তিৰ পথ দিয়ে। ভক্তি অবিহনে জীৱই মুক্তি লাভ কৰিব নোৱাৰে। ব্যাসদেৱে দেখিলে-

"মায়াৰে বান্ধন্ত ভক্তি মাতৃ মেলাৱন্ত।
দুইহানো মধ্য ভাগে আছে ভগৱন্ত।।
বন্ধৰ মোক্ষৰ হেতু দেখি ব্যাস ঋষি।
ভাগৱত শাস্ত্ৰ পাছে কৰিলা হৰিষি।।"

ব্যাসদেৱে পথ নিৰ্দেশনা পাই গ'ল। একমাত্ৰ ভক্তিয়েহে মায়াক মৰ্দ্দন কৰি জীৱক মুক্তিৰ পথ দিব পাৰে। সেয়েহে কৃষ্ণ ভক্তিকে মূল আধাৰ ৰূপে লৈ ভাগৱত শাস্ত্ৰ ৰচনা কৰিলে, যি শাস্ত্ৰৰ স্কন্ধে স্কন্ধে ভক্তিৰ নিজৰা প্ৰৱাহিত হৈছে।

বেদান্তৰ নিৰ্গুণ নিৰাকাৰ পৰম ব্ৰহ্মাক ব্যাসদেৱে ভাগৱত শাস্ত্ৰত সাকাৰ কৃষ্ণৰূপে প্ৰক্ষেপ কৰিছে। বাৰ স্কন্ধ ভাগৱতৰ প্ৰতিটো স্কন্ধতে বিভিন্ন ৰসাল কাহিনী উপস্থাপন কৰি তাৰ মাধ্যমেৰে কৃষ্ণ ভক্তিৰ নৈ বোৱাইছে যাতে এই ভক্তি নদীত সাঁতুৰি পাৰ হৈ জীৱই মোক্ষ লাভ কৰিব পাৰে। কৰ্মতকৈ জ্ঞান শ্ৰেষ্ঠ, জ্ঞানতকৈ ভক্তি শ্ৰেষ্ঠ। কোনো লোকে যদি পৰম জ্ঞানীও হয় কিন্তু ভক্তিৰ অভাৱ তেন্তে তেওঁ নিজেই আত্মশ্লেঘাৰ দাবানলত দগ্ধ হৈ নিৰ্বাপিত হ'ব। ব্যাস ঋষিৰ ওঠৰ পুৰাণৰ মধ্যে এই ভাগৱত পুৰাণেহে নিৰ্গুণ ভক্তিৰ সন্ধান দিছে। সেইবাবেই ভাগৱত পুৰাণ সূৰ্যৰূপে জন মানসত বিদ্যমান।

আউনীআটী সত্ৰৰ বৰ্তমানৰ অধিকাৰ শ্ৰীশ্ৰী পীতাম্বৰদেৱ গোস্বামী প্ৰভুৱে তেৰাৰ ভাগৱত দৰ্পনত ভা-গ-ৱ-ত শব্দৰ গৱেষণামূলক এক অধ্যাত্মিক অৰ্থ প্ৰকাশ কৰিছে।

ভা- পোহৰ বিলোৱা। যি শাস্ত্ৰই সকলো লোককে জ্ঞানৰ পোহৰ বিলায়।

গ- গান গোৱা। সনক, সনন্দ, সনতকুমাৰ আৰু নাৰদ আদি ঋষিয়ে যি শাস্ত্ৰ কীৰ্তন কৰিছিল।

ৱ- বৃত্তি থকা অৰ্থাৎ যি শাস্ত্ৰত ঋক, যৰ্জু, সাম এই তিনি বেদৰ তত্ত্ব নিহিত হৈ আছে।

ত- ত্ৰাণকৰ্তা। যি শাস্ত্ৰই সকলোকে ৰক্ষা কৰে।

তাহানি দেৱাসুৰে সাগৰ মন্থন কৰি অমৃত উলিয়াইছিল। আমিও ভক্তিৰ সাগৰৰূপী ভাগৱত মন্থন কৰি অমৃত উলিয়াব পাৰো। সেই অমৃত হ'ল ৰসামৃত।

নিগম কল্পতৰু গলিতং ফলং শুকমুখাদমৃত দ্ৰৱ সংযুতম্।
পিৱত ভাগৱতং ৰসমালায়ম্ মুহুৰহো ৰসিকাঃ ভুৱি ভাবু কাঃ।।

নামঘোষাত মাধৱপুৰুষে ভাঙিছে এইদৰে-

সকল নিগম কল্পতৰু তাৰ ফল মহাভাগৱত
শুক মুখে আসি ভূমিত ভৈলা বিদিত।
ৰসত চতুৰ যিটোজন কৃষ্ণৰ চৰণে দিয়া মন
পৰম সন্তোষে পিয়োক ফল অমৃত।।

এতিয়া প্ৰশ্ন হ'ল ৰসামৃত আমি কেনেকৈ পান কৰিম। শঙ্কৰ গুৰুৱে ইয়াৰ সুগম পথ নিৰ্দেশনা দেখুৱাই থৈ গৈছে। শ্ৰৱণ, কীৰ্তন, অৰ্চন, বন্দন, স্মৰণ, পদসেৱন, দাস্য, সখীত্ব আৰু আত্ম নিবেদন এই ন-বিধ ভক্তিৰ আমি ৰস আস্বাদন কৰিব পাৰো। অৱশ্যে গুৰুজনে শ্ৰৱণ কীৰ্তনকেই শ্ৰেষ্ঠ পন্থা বুলি মতামত দি গৈছে। যিজনে নাম কীৰ্তনেই

কৰক কিম্বা ভাগৱত পঠনেই হওক তেওঁৰ কণ্ঠাদেশৰ মাজেদি পৰম ব্ৰহ্মৰ নাম গুণ বাৰে বাৰে উচ্চাৰিত হৈছে। যদি শুদ্ধভাৱে আৰু একান্তভাৱে এই কাৰ্য সমাপন কৰিছে নিশ্চয় তেওঁ ভগৱৎ প্ৰীতি লাভ কৰিছে। আৰু যিজনে একান্ত ভাৱে সেইয়া শ্ৰৱণ কৰি হৃদয়ঙ্গম কৰিছে তেৱোঁ সমানেই ভগৱৎ অনুগ্ৰহ লাভ কৰিছে। অৱশ্যে কলিত অল্পমতি আৰু ধৈৰ্য শক্তিহীন মনুষ্যই মায়াক নিগ্ৰহ কৰি একাগ্ৰচিতে কৃষ্ণত মন প্ৰাণ অৰ্পণ কৰিব পৰা কাৰ্যও ইমান সহজ নহয়। তথাপি সৎসঙ্গৰ পাশত থাকি সংসাৰ চক্ৰৰ সকলোবোৰ সমস্যা একাষৰীয়াকৈ থৈ পৰম নিৰ্মল ভাগৱত শাস্ত্ৰ পঠন শ্ৰৱণ মনন কৰিলে সংসাৰ চক্ৰৰ ত্ৰি তাপ আধিদৈৱিক, আধিভৌতিক আৰু আধ্যাত্মিক তাপ মুক্ত হৈ ভগৱৎ ভক্তি লাভ কৰিব পাৰে। ভাগৱতৰ তৃতীয় স্কন্ধত গুৰুজনে লিখিছে-

সাধু সঙ্গ লৈয়া কৰা শ্ৰৱণ কীৰ্তন।
এহিসে কেৱল ভক্তি কৰিবে তাৰণ।।

শ্ৰীকৃষ্ণই উদ্ধৱক কৈছিল-

"ন সাধ্যয়তি মাং যোগেন সাংখ্যং ধৰ্ম উদ্ধৱ।
ন স্বাধ্যায় স্তুপম্ ত্যাগো যথা ভক্তি মাৰ্গে জিতা।। (ভাগৱত)

অৰ্থাৎ হে উদ্ধৱ ভক্তিৰে যিমান সহজে মোক জয় কৰিব পাৰে যোগ, সাংখ্য, বেদ অধ্যয়ন আনকি তপ জপ আদিৰেও সিমান সহজে জয় কৰিব নোৱাৰে।

ভক্তিয়ে যে সহজে ভগৱৎ প্ৰাপ্ত কৰাব পাৰে তাৰ উদাহৰণ গোপীসকল। মহা মহা যোগীগণেও যোগ তপস্যাৰ যোগেদি পাবলৈ সক্ষম নোহোৱা ভগৱন্তৰ প্ৰসাদ ব্ৰজৰ গোপীসকলে প্ৰেম ভক্তিৰ যোগেদিয়েই সহজে লাভ কৰিছিল।

সেয়েহে ভাগৱত, ভক্তি ৰত্নাৱলী, ভক্তি ৰত্নাকৰ, ভক্তি প্ৰদীপ আটাইকেইখন শাস্ত্ৰই ভগৱৎ তুষ্টিৰ বাবে ভক্তিকেই সৰ্বোত্তম পন্থা বুলি এক মুখে প্ৰকাশ কৰিছে।

তাহানি মহা মহা যোগীগণেও ধ্যানত লগ নোপোৱা ভগৱান কৃষ্ণক ব্ৰজৰ গোপীসকলে প্ৰেম ভক্তিৰ ডোলেৰে বান্ধি বশ কৰিছিল-

কৃষ্ণৰ নিমিত্তে কৰ্ম ভকতে কৰন্তে।
যদি ছিদ্ৰ পড়ে মনে কৃষ্ণক স্মৰন্তে।।
তথাপি সাফল কিঞ্চিতেকো নাই বৃথা।
সেহি মতে ভৈল সব গোপীকাৰ কথা।। (দশম)

এতিয়া ঘোৰ কলি কালত ভগৱানক ভক্তি কৰিবলৈ ক'ত লগ পাম। ভাগৱতে ইয়াৰো বিধান দিছে।

ভকতেসে মোৰ হৃদি জানিবা নিশ্চয়।
ভকতজনৰ জানা আমিসে হৃদয়।। (কীৰ্তন)

অৰ্থাৎ শুদ্ধ ভকতক সেৱা শুশ্ৰূষাৰ যোগেদিয়েই আমি ভগৱৎ ভক্তি কৰিব পাৰো। ভকত সন্তুষ্টি হ'লে ভগৱন্তও সন্তুষ্ট।

কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।। (বৈকুণ্ঠ প্ৰয়াণ)

আমাৰ হৃদয়ত ঈশ্বৰ স্থিতি থকাৰ দৰেই কুকুৰ, শিয়াল আদি ইতৰ প্ৰাণীৰ হৃদয়তো ভগৱানৰ স্থিতি আছে। সেয়েহে এই প্ৰাণীসকলৰ প্ৰতি হিংসুক হোৱাৰ পৰিবৰ্তে সহানুভূতি প্ৰদৰ্শন কৰিলেও ঈশ্বৰ সন্তুষ্টি হ'ব।

তপ জপ যজ্ঞদান সবে বিড়ম্বন।
কেৱলে ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।।

# ভক্ত-ভগৱন্ত, আত্মা-পৰমাত্মাৰ মহামিলন

ভাৰতীয় দৰ্শনে আত্মা-পৰমাত্মাৰ মিলনৰ পথৰ সন্ধান দিছে। সেই অনুক্ৰমে জীৱই নিজৰ সৎ কৰ্মফল অনুযায়ী দেহান্তৰৰ অন্তত পৰমাত্মাৰ সৈতে মিলিত হোৱাৰ সুযোগ পায়। এয়াই বহু আকাংক্ষিত মোক্ষ বা বিদেহ মুক্তি। কিন্তু সাংখ্য আৰু বৌদ্ধ দৰ্শনে আৰু এক মুক্তিৰ সন্ধান দিছে। সেইয়া হ'ল জীৱমুক্তি, যিটো অত্যন্ত দুৰ্লভ। আমাৰ আলোচ্য বিষয়টি ভক্তই জীৱ মুক্তিৰ মাজেৰে পৰমাত্মাৰ সৈতে মিলিত হোৱাৰ অনুপম দৃষ্টান্ত।

দ্বাপৰ যুগত পূৰ্ণব্ৰহ্ম ভগৱান শ্ৰীকৃষ্ণই মানৱ ৰূপ ধাৰণ কৰি ভক্তৰূপী ব্ৰজৰ গোপীসকলৰ সৈতে শৰতৰ পূৰ্ণ চন্দ্ৰমাৰে পুলকিত যমুনাৰ ৰূপোৱালী বালিত পৰম আনন্দময় কাম কেলিৰে কৰা নৃত্যানুষ্ঠানেই হ'ল ৰাসলীলা। তাহানিৰ কৃষ্ণ-গোপীৰ এই নৃত্যানুষ্ঠান আজিও মানৱ হৃদয়ত আনন্দৰ লহৰি তুলিব পৰা অমৃতময় অনুষ্ঠান ৰূপে পৰিচয় বহন কৰি আহিছে।

তাত্বিক বিশ্লেষণমতে এই ৰাসলীলা হৈছে সপ্ৰেম ভকতিৰ এক অপূৰ্ব নিদৰ্শন। যি ক্ৰীড়াৰ মাধ্যমেৰে ভক্তই সাংসাৰিক কামনা, বাসনা, মায়া মোহ পৰিহাৰ কৰি শুদ্ধভাৱাপন্না হৈ ব্ৰহ্মৰ লগত একীভূত হ'বলৈ প্ৰয়াস কৰে। অৰ্থাৎ জীৱই বিশুদ্ধ হৈ আনন্দময় পৰম ব্ৰহ্মৰ আলিঙ্গন লাভ কৰিব পৰাটোৱেই ৰাসলীলাৰ তাৎপৰ্য। এইয়া ভক্ত-ভগৱন্তৰ, আত্মা-পৰমাত্মাৰ মিলনৰ এক সুগভীৰ পথ।

ৰাসৰ উৎপত্তি সম্পৰ্কত ঋগ্‌বেদত কিছু ব্যাখ্যা পোৱা যায়। ইন্দ্ৰানী নামৰ এগৰাকী দেৱীয়ে "বসন" নামৰ এটি সামাজিক তথা আধ্যাত্মিক অনুষ্ঠান অনুষ্ঠিত কৰি ইয়াৰ যোগেদি পতি প্ৰেমৰ এক নিৰ্মল আদৰ্শ দাঙি ধৰিছিল। কালক্ৰমত এই পতি প্ৰেমৰ উৎসৰেই ভিন্ন ৰূপ গ্ৰহণ কৰি ভাগৱত, হৰিবংশ, পুৰাণ আদিত ৰাস নামৰ আধ্যাত্মিক অনুষ্ঠানৰ ৰূপ গ্ৰহণ কৰি সমাজত আদৰণীয় হৈ পৰিল। ভাগৱত পুৰাণকে ধৰি আটাইবোৰ ধৰ্মশাস্ত্ৰৰ ঘাই শিপা যিহেতু ঋগ্‌বেদেই গতিকে এই ব্যাখ্যাটোৰ তাৎপৰ্য নথকা নহয়।

ভক্তৰ ইন্দ্ৰিয় বৃত্তিবোৰে যেতিয়া মায়া ছেদ কৰি পাৰ্থিৱ কামনা বাসনাৰ পৰা মুক্ত হৈ ভগৱতমুখী হয় তেতিয়াই ভক্তিয়ে পূৰ্ণতা পায়। গোপীসকলৰ জাগতিক কাম ভাৱ কৃষ্ণ প্ৰেমলৈ ৰূপান্তৰিত হ'ল আৰু তেওঁলোকৰ শৃংগাৰ ৰস পৰিশোধিত হৈ ভক্তি ৰসত নিমজ্জিত হৈ দেহ, মন, প্ৰাণ, কৃষ্ণময় হৈ পৰিল। মায়া সৃষ্টিকাৰী ভগৱন্ত নিজেই মায়াপাশত বন্দী হৈ গোপীনীৰ বশ হ'ল।

এতিয়া এটা প্ৰশ্নৰ অৱতাৰণা কৰিব পাৰি। মহা মহা যোগীগণেও কঠোৰ তপস্যা বা ধ্যানৰ যোগেদিও দৰ্শন পাবলৈ সক্ষম নোহোৱা কৃষ্ণস্ত্ত ভগৱান স্বয়মক গোপীসকলে কি শক্তিৰ বলত নিবিড়ভাৱে লগ পাবলৈ সক্ষম হ'ল।

ব্যভিচাৰী দুষ্টা ব্ৰজ যুৱতী।
তথাপি কৃষ্ণত ভৈলা ভকতি।। (কীৰ্তন)

ত্ৰেতা যুগত বনবাসৰ কালছোৱাত ৰামচন্দ্ৰই মায়া মৃগ নিধন কৰি সীতাহীন শূণ্য পৰ্ণকুটীৰ দেখি বিচলিত হৈ হা সীতা, হা সীতা বুলি আকুলভাৱে সীতাক বিচাৰি চলাথ কৰিছিল। তৃণ-তৰু, পশু-পক্ষী সকলোকে সীতাৰ সম্ভেদ বিচাৰিছিল। দণ্ডকাৰণ্যৰ ঋষিগণে ৰামচন্দ্ৰৰ স্বৰ শুনি আচৰিত হ'ল। এইয়া দেখোন জীৱাত্মাই পৰমাত্মাক বিচৰাৰ পৰিবৰ্তে পৰমাত্মাই জীৱাত্মাক বিগলিত কণ্ঠেৰে বিচাৰি ফুৰিছে। পৰমাত্মাৰূপী ৰামচন্দ্ৰৰ এই আকুলতাত মন্ত্ৰমুগ্ধ হৈ মহাভক্ত ঋষিগণে তেওঁক আলিঙ্গি তৃপ্ত হ'বলৈ প্ৰাৰ্থনা জনালে। তুষ্ট হৈ ৰামচন্দ্ৰয়ো দ্বাপৰত তেওঁলোকৰ বাঞ্ছা পূৰণ হ'ব বুলি আশিস প্ৰদান কৰিলে।

গোকুলত কৃষ্ণ অৱতাৰ হুইবো মঞিও।

গোপীৰূপে আলিঙ্গিবা তোৰা গোপীচয়।।

পূৰ্ব চুক্তিমতে ঋষিসকল আহি গোকুলত গোপীৰূপে জন্ম ল'লেহি আৰু ৰামচন্দ্ৰই পূৰ্ণ কৃষ্ণ অৱতাৰ লৈ মানৱী লীলা প্ৰদৰ্শন কৰিলেহি। পূৰ্ব জন্মৰ কৰ্মফল অনুযায়ী যোগীৰো অসাধ্য সাধন কৰি সোঁ-শৰীৰে স-প্ৰেম ভকতিৰ যোগেদি গোপীসকলে কৃষ্ণৰ সৈতে দেহ মন একীভূত কৰি জীৱমুক্তি লাভ কৰিবলৈ সক্ষম হ'ল।

বস্ত্ৰহৰণ পৰ্ব ৰাসলীলাৰ পাতনি। গোপীসকলে কৃষ্ণক পতিৰূপে পাবৰ বাবে আঘোন মাহত কাত্যায়নী ব্ৰত পালন কৰিছিল।

মহামায়া কাত্যায়নী দিয়ো ইষ্টবৰ।
আমাৰ হোন্তোক স্বামী নন্দৰ কুমাৰ।। (দশম স্কন্ধ)

এমাহযোৰা ব্ৰতৰ অন্তত তেওঁলোকে বিবস্ত্ৰে যমুনাত স্নান কৰাৰ সময়ত অন্তৰ্য্যামী শ্ৰীকৃষ্ণই তেওঁলোকৰ ব্ৰতৰ উদ্দেশ্য বুজিব পাৰি গোপীসকলক বাঞ্ছিত ফল দিবৰ বাবে সাজু হ'ল-

"গোপী সমস্তৰ দিবে লাগি কৰ্মফল।
চিন্তিলা উপায় পাছে ভকতবৎসল।" (দশম স্কন্ধ)

যোগেশ্বৰ কৃষ্ণই গোপীসকলৰ মায়া ছেদ কৰাৰ উদ্দেশ্যে মায়াৰূপী বস্ত্ৰসমূহ আনি জ্ঞানৰূপী কদম্ব গছৰ ডালত আঁৰিলেহি। কাৰণ যেতিয়ালৈকে জীৱই মায়া মোহ, লাজ, ভয় আদি সাংসাৰিক মায়াৰ আৱৰণৰ পৰা মুক্ত হ'ব নোৱাৰিব তেতিয়ালৈকে তেওঁলোকৰ মনোবাঞ্ছা পূৰ্ণ নহ'ব অৰ্থাৎ ভগবৎ প্ৰাপ্তি নহ'ব।

শ্বেতাস্বেতৰ উপনিষদত কৈছে- "পতি পতিনাং পৰমং পৰস্তাৎ।" অৰ্থাৎ তেঁৱেই পতিৰো পতি পৰাৎপৰ পৰম পুৰুষ। ব্ৰজনাৰীসকলে এইজন পৰম পুৰুষকে পতিৰূপে পাবলৈ বাঞ্ছা কৰিছিল।

বেদত কৈছে- "ব্ৰহ্মাৰ বাহিৰে দ্বিতীয় বস্তুত মন সমৰ্পিত হ'লে জীৱৰ সংসাৰ বন্ধন হয়। গতিকে এক কৃষ্ণত তেওঁলোকৰ মন-প্ৰাণ সমৰ্পিত হৈছে নে নাই তাক পৰীক্ষা কৰাৰ বাবেই এই বস্ত্ৰহৰণ কাণ্ড। গোপীসকলে প্ৰথমে মায়া ছেদ কৰিব নোৱাৰিছিল যদিও অন্তৰ্য্যামী কৃষ্ণৰ প্ৰচেষ্টাত সফল হ'ল। তেওঁলোকে লাজ, শঙ্কা পৰিহাৰ কৰি বিবস্ত্ৰে দুই হাতেৰে কৃষ্ণক প্ৰণাম জনালে। কৃপালু কৃষ্ণই তেওঁলোকক তত্ত্বোপদেশ প্ৰদান কৰি শৰতৰ পূৰ্ণিমাত তেওঁলোকক বাঁহীৰ সুৰেৰে আমন্ত্ৰণ জনাব বুলি প্ৰতিশ্ৰুতি দি বস্ত্ৰসমূহ ওভোতাই দিলে। ফলত কৃষ্ণ পৰশত তেওঁলোকে বুজি পালে পৰমাত্মাৰ সান্নিধ্য লাভ কৰিবলৈ হ'লে মায়াৰ বন্ধনৰ পৰা সম্পূৰ্ণ মুক্ত হৈ পৰমাত্মাৰ চৰণত দেহ মন একাগ্ৰচিত্তে সমৰ্পণ কৰিব লাগিব। এইয়াই বস্ত্ৰ হৰণৰ তাৎপৰ্য।

কিন্তু ভকতবৎসল কৃষ্ণই তেওঁলোকৰ ব্ৰতৰ অভিলাষ সফল হ'ব বুলি কোৱাৰ লগতে এই সফলতা যে দীৰ্ঘস্থায়ী নহ'ব সেইয়াও সোঁৱৰাই দিলে।

মোতেসে একান্ত চিত্ত যাৰ তাক
নকৰে কাম অপৰ্থ।
নিশ্চয় জানিবা যেন ভজা ধান
গজিব নুহি সমৰ্থ।। (৯১৬ দশম স্কন্ধ)

অৰ্থাৎ কৃষ্ণক চিত্ত অৰ্পণ কৰাৰ পিছত তেওঁলোকৰ কাম ভাৱ কৃষ্ণতেই লয় পাব।

ইতিমধ্যে ব্ৰজৰ যুৱতী নাৰীসকলৰ বহু আকাংক্ষিত শৰতৰ পূৰ্ণিমাৰ লগণ সমাগত হ'ল। ভকতৰ মনোবাঞ্ছা পূৰণৰ এইয়াই উপযুক্ত সময় বুলি বংশীধৰ শ্ৰীকৃষ্ণই তেওঁৰ মোহন বাংশীত ফুঃ দিলে। যাৰ কাণৰ মলিনতা দূৰ হৈছে, যাৰ অন্তৰ কৃষ্ণভক্তি ৰসত বিধৌত হৈছে সেইসকলেহে সেই বাংশীৰ আহ্বান শুনিবলৈ পায়। গতিকে

ব্ৰজৰ অন্যালোকৰ কাণত স্পৰ্শ নোহোৱা বংশীধ্বনি ভক্ত গোপীসকলে ঠিকেই শুনিবলৈ পালে আৰু সেই ধ্বনিৰ আহ্বানত গৃহকাৰ্য, পতি-পুত্ৰাদি সকলো এৰি প্ৰাণবল্লভ কৃষ্ণৰ পাশলৈ উধাতু খাই ঢপলিয়াই আহিল। গুৰুজনে কীৰ্তনত লিখিছেঃ

শুনি কামে উত্ৰাৱল হুয়া গোপীগণে।
দিলেক লৰৰ গীত ধ্বনী নিৰক্ষণে।।

পথত হ'ব লগা বাধা-বিঘিনি, ভয়-শঙ্কা, একোকে নগনি অহা কাৰ্যক শ্ৰীশঙ্কৰদেৱে পটন্তৰ দিছে এনেদৰে-

বিমোহিত হুয়া সৱে লৰৱে গোপিনী।
হৰি ভকতৰ যেন নলংঘে বিঘিনি।।
আপদকো নগনি হৰিত কৰে ৰতি।
সেই মত ভৈল গোপী সমস্তৰ গতি।। (দশম- ১২২৬)

ভগৱন্তৰ চৰণ প্ৰাৰ্থীয়ে পদে পদে পৰীক্ষা দিব লাগে। পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰিলেহে তেৰাৰ পদতলত স্থান পায়। গোপীসকলে সপ্ৰেম ভক্তিৰ যোগেদি কৃষ্ণক দৈহিক প্ৰেমৰ মাজেদি পাবলৈ বাঞ্ছা কৰিছিল। মহা মহা ঋষিগণেও যাৰ চৰণ স্পৰ্শ কৰিবলৈও সক্ষম নহয় তেনে পৰম পুৰুষৰ চৰণ স্পৰ্শ নহয় বৰঞ্চ দেহ, প্ৰাণ সকলো আকাংক্ষা কৰা গোপীসবৰো যে কঠিন পৰীক্ষা হ'ব সেয়া সহজে অনুমেয়। ইতিমধ্যে বস্ত্ৰ হৰণৰ যোগে প্ৰথম পৰীক্ষা হৈ গৈছেই।

**দ্বিতীয় পৰীক্ষা ঃ প্ৰাণৰ ভয়**

দুৰ্ঘোৰ ৰজনী প্ৰেত পিশাচৰ গতি।
ঐত নাথাকিবা তোৰাসৱ স্ত্ৰী মতি।।
চৰে বাঘ ঘোঙ বৰাহৰ হুক হুকি।
পুৰুষৰ ভয় ভালুকৰ শুনি উকি।। (দশম)

উত্তৰত গোপীসকলে তেওঁক পাবলৈ যে নিজৰ প্ৰাণৰ ভয়ো তুচ্ছ বুলি অটল হৈ দেখুৱাই দিলে।

**তৃতীয় পৰীক্ষা ঃ লৌকিক ভয়**

"তোমাসাক নেদেখিয়া পিতৃ মাত্ৰ চয়।
তাসম্বাৰ মনে মহা মিলিব সংশয়।।

পতি, পুত্ৰ, পিতৃ-মাতৃৰ প্ৰতি থাকিব লগা দায়িত্ব আৰু কৰ্তব্যৰ সকীয়নি দি গৃহলৈ ঘূৰি যাবলৈ দিয়া পৰমৰ্শতো গোপীসকল অধোমুখ হৈ ৰ'ল। **ইয়াৰ পিছৰ পৰীক্ষা- ধৰ্ম ভয় ঃ**

স্বামীৰেসে সেৱা কুলস্ত্ৰীৰ মহাধৰ্ম।
পুৰুষক পুষিবা কৰিয়া গৃহকৰ্ম।।
উপপতি সমে ক্ৰীড়া কৰ্ম গৰিহিত।
পৰ্বত সমান পাপ সৌকাৰ্য কিঞ্চিত। (দশম)

ধৰ্মনাশ আৰু সদাচাৰ নাশ। এইয়া হিন্দু ৰমনীৰ বাবে এৰাব নোৱাৰা কাৰ্য। এই ভয়েও গোপীসকলক টলাব নোৱাৰিলে। তাহানি হিৰণ্যকশিপুৱে প্ৰহ্লাদক বিভিন্ন প্ৰকাৰে প্ৰাণৰ ভয় দেখুৱাইয়ো বিচলিত কৰিব নোৱাৰাৰ দৰেই ব্ৰজবধূসকলকো এনেবোৰ যুক্তি দেখুৱাই টলাব নোৱাৰিলে।

তেওঁলোকে লৌকিক-অলৌকিক সৰ্বভয়ৰ পৰা মুক্ত হৈ পৰমপুৰুষ কৃষ্ণৰ সান্নিধ্য লাভ কৰাটোহে

একমাত্ৰ কাম্য সেইয়া প্ৰতিপন্ন কৰিলে।

গোপীসকল সৰ্ব পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত মূৰুলীধৰ কৃষ্ণৰ সৈতে লীলা কৰা পথ মুকলি হ'ল। আৰম্ভ হ'ল ভক্ত ভগৱন্তৰ কাম কেলিৰে পূৰ্ণ বা আস্বাদনৰ নৃত্যানুষ্ঠান আৰু সঙ্গীতানুষ্ঠান। কৃষ্ণ পৰশনত ব্ৰজ যুৱতীসকল পৰম আহ্লাদিত হ'ল, পূৰ্ণ হোৱাৰ পথত আগবাঢ়িল তেওঁলোকৰ মনোকামনা। কিন্তু ইয়াতো লাগিল কেনা। পৰমপুৰুষৰ সান্নিধ্য লাভ কৰিবলৈ মায়া মোহৰ লগতে গৰ্ব অভিমানো ত্যাগ কৰি শুদ্ধ ভাৱাপন্ন হ'বই লাগিব।

স্বভাৱতে নাৰীজাতি উচ্চাকাংক্ষী আৰু আত্মাভিমানী আৰু চঞ্চল প্ৰকৃতিৰ। মাধৱৰ অকৃত্ৰিম প্ৰীতি দেখি তেওঁলোকৰ অন্তৰ গৰ্বত ফুলি উঠিল। গোপজায়াসকলে নিজকে পৰম সৌভাগ্যৱতী বুলি ভাবিলে। ধাৰণা হ'ল কৃষ্ণক তেওঁলোকৰ ৰূপ গুণে বশ্য কৰিলে। গোপীসকলৰ অহমৰ্ম ভাৱ গোবিন্দৰ সহ্য নহ'ল। নোহোৱাৰ কথাই। ব্ৰহ্মা, ৰুদ্ৰ আনকি তেওঁৰ সুহৃদ জায়া লক্ষ্মীদেৱীৰো অহঙ্কাৰ তেওঁ সহ্য কৰা নাই। বৃন্দাবনৰ পৰা গো-বৎস চুৰ কৰি আনি নিজৰ শ্ৰেষ্ঠত্ব দেখুৱাবলৈ প্ৰয়াস কৰা ব্ৰহ্মায়ো মাধৱৰ কাষত ক্ষমা প্ৰাৰ্থী হৈছিল। "দহি আছো মদনক আউৰ শঙ্কা নাই" বুলি গৰ্ব কৰা মহাযোগী শিৱয়ো মোহিনীৰূপী বিষ্ণুৰ মায়াত লটি- ঘটি হৈ দৰ্প-চুৰ্ণ হৈছিল। লক্ষীমাতৃয়েও বিষ্ণুজায়া হোৱাৰ সুবাদতে নিজকে জগতৰ সৰ্বশ্ৰেষ্ঠ নাৰী বুলি অভিমানী ভাৱ দেখুৱাইছিল আনকি শিৱজায়া পাৰ্বতীকো তেওঁতকৈ তল খাপৰ দেৱী বুলি গণ্য কৰিছিল। নিজ পত্নীৰ এনে ভাৱত বিষ্ণু ক্ৰোধান্বিত হৈছিল। জগতৰ মাৰ হৈ যদি তেনে অহঙ্কাৰ ভাৱ থাকে তেন্তে জগতবাসীক তেওঁ কি আদৰ্শ দেখুৱাব। কৃষ্ণৰ হাতৰ পৰশত অজেয় হোৱা সুদৰ্শন চক্ৰই নিজকেই অজেয় বুলি গৰ্ব কৰিলে। দুয়োৰে একেলগে দৰ্প-চুৰ কৰাৰ বাবে ভক্ত হনুমন্তক বাছি লোৱা হ'ল। প্ৰভু ৰামচন্দ্ৰই মাতিছে বুলি খবৰ দিয়াত হনুমান যথাস্থানত উপস্থিত হ'ল। সুদৰ্শন চক্ৰক দায়িত্ব দিয়া হ'ল যাতে অন্দৰ মহলত কোনো সোমাব নোৱাৰে। মাধৱে নিজে ৰামৰূপ ধাৰণ কৰিলে, লক্ষ্মীদেৱীকো সীতাৰূপ ধাৰণ কৰি কাষত বহিবলৈ কোৱা হ'ল। সুদৰ্শন চক্ৰই হনুমন্তক বাধা দিয়াতো বাদেই হনুমানৰ নেজতে লাগি গ'ল। লক্ষ্মী আইয়েও ততাতৈয়াকৈ ৰামৰ সোঁহাতে আসন ল'লে। হনুমন্ত আচৰিত হ'ল। কাৰণ সীতা মাতৃ প্ৰভু ৰামচন্দ্ৰৰ সোঁফালে কেতিয়াও নবহে। বিনয়েৰে কথাষাৰ বুজাই দিয়াত লক্ষ্মী আই লজ্জিত হ'ল। আনহাতে সুদৰ্শন চক্ৰৰ বিলৈ দেখি সকলোৱে হাঁহিলে। গতিকে এনে এজন দৰ্পহাৰীয়ে গোপীসকলৰ দৰ্প কেনেকৈ সহ্য কৰিব।

আগতে নেদেখে মোক অন্ধ ভৈল মতি।
দৰ্প-চূড় কৰো মোত বাঢ়োক ভকতি।। (দশম)

ভক্ত বিপথগামী হ'লে শুদ্ধ পথলৈ ঘূৰাই আনোতা ভগৱন্তৰ দায়িত্ব। সেয়েহে কৃষ্ণ হঠাৎ অদৃশ্য হ'ল। কৃষ্ণবিহীন গোপীসকলে অন্ধকাৰ দেখিলে। তেওঁলোকে কৃষ্ণক সাধাৰণ প্ৰেমিকৰূপে আচৰণ কৰি যি মহা ভুল কৰিলে সেইয়া বুজি কৃষ্ণক বিচাৰি ব্যাকুল হৈ অনেক তুতি-নতি কৰাৰ অন্তত তেওঁলোকৰ অন্তৰ শুদ্ধ হৈছে বুলি জানি গোবিন্দই পুনৰ দেখা দিলে। আকৌ মহাৰঙ্গে শৰতৰ শুভ্ৰ জোনাকত যমুনাৰ ৰূপোৱালী বালিত কাম কেলিৰে ভকতৰ মনোবাঞ্ছা পূৰ্ণ কৰিলে। যমুনাৰ বালি ভক্ত ভগৱন্তৰ মহা মিলনৰ থলীলৈ ৰূপান্তৰিত হ'ল।

পূৰ্ণকাম হৰি যদি জগত ঈশ্বৰ।
তথাপি সাধন্ত অতি প্ৰীতি ভকতৰ।। (দশম)

গীতাত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক কৈছিল ঃ

"যে যথানাং প্ৰপদান্তে তাং স্তথৈৱ ভজাম্যহম্'- অৰ্থাৎ যি যেনেকৈ মোক ভজনা কৰে তেনেকৈয়ে পায়।

কংসৰজাই খাওঁতে, শোওঁতে, উঠোতে, বহোতে সকলো সময়তে ভয়তে কৃষ্ণৰূপ দেখা পাইছিল। সেয়েহে তেওঁ কৃষ্ণৰূপ লৈ বিদেহ মুক্তি লাভ কৰিছিল। উদ্ধৱ, বিদূৰ আদি ভক্তসকলে দাস্য ভক্তিৰ যোগেদি ভগৱন্তৰ শ্ৰীচৰণ লাভ কৰি জীৱমুক্তি পাবলৈ সক্ষম হৈছিল।

যশোদাই নিভাঁজ বাৎসল্য প্ৰেমৰ মাজেদি আৰু অৰ্জুনে সখিত্বৰ মাজেৰে কৃষ্ণপদ লাভ কৰিছিল। ব্ৰজৰ গোপীসকলে শৃংগাৰ ৰসৰ মাজেদি গোবিন্দক পতিৰূপে পাবলৈ ব্যাকুল হৈছিল। তেওঁলোকে সেই উদ্দেশ্যৰে লৌকিক, বৈদিক আনকি তিৰোতাৰ ভূষণ লজ্জা পৰ্যন্ত ত্যাগ কৰি পতিৰো পতি পৰমপতিৰ ওচৰত আত্মনিবেদন কৰি আশ্ৰয় বিচাৰিলে। ভগৱন্ত ভকতৰ অধীন।

ভকতেসে মোৰ হৃদি জানিবা নিশ্চয়।
ভকতজনৰ জানা আমিসে হৃদয়।। (কীৰ্তন)

সেয়েহে ভক্তবাঞ্ছা কল্পতৰু শ্ৰীমধুসূদনে তেওঁলোকক পতিভাৱেই প্ৰাৰ্থিত বস্তু দান কৰিলে। ভক্তৰ মনোবাঞ্ছা পূৰণ কৰিবলৈ ভগৱন্তই কৰা আদিৰস যুক্ত লীলাই হ'ল ৰাসলীলা। ব্ৰজবধুসকলৰ হয়তো প্ৰথম আকৰ্ষণত কৃষ্ণৰ প্ৰতি পাৰ্থিৱ কামনা আছিল কিন্তু সেই আকৰ্ষণেই তেওঁলোকক টানি টানি কৃষ্ণপ্ৰেমৰ সমুদ্ৰত নিমজ্জিত কৰিলে। কৃষ্ণৰ কৃপাত তেওঁলোকে কাম ৰোগৰ পৰা নিবৃত্তি পালে।

এইখিনিতে মধ্য ভাৰতৰ এগৰাকী কৃষ্ণ প্ৰেমত ব্যাকুল হোৱা মীৰাবাঈ নামৰ এগৰাকী ভক্তাৰ নাম উল্লেখ কৰিব পাৰি। মীৰাবাঈয়ে কৃষ্ণকে পতিৰূপে গণ্য কৰি কৃষ্ণ গুণানুকীৰ্তনেৰে ভজন গাই ফুৰিছিল। তেওঁৰ এই কাৰ্য দেখি স্থানীয় লোকসকলে তেওঁক পাগলী আখ্যা দিছিল। মীৰাবাঈয়ে তেওঁক ইতিকিং কৰা নাৰীসকলক কৈছিল-"আপ অপনী স্বামী কো ভগৱান মানতে হে, মে ভগৱান কো স্বামী মানতা হু। ইচমে মেৰা ক্যা কচুৰ হে।" (আপোনালোকে নিজৰ পতি দেৱতাক ভগৱান জ্ঞান কৰে আৰু মই ভগৱানক পতি জ্ঞান কৰো। ইয়াত মোৰ অপৰাধ ক'ত।)

দ্বাপৰত ব্ৰজবধূসকলে কৃষ্ণক পতিৰূপে পাবলৈ বাঞ্ছা কৰা কাৰ্য কলিযুগত মীৰাবাঈয়ে অনুকৰণ কৰিছিল। কিন্তু যিমান তুতি-নতি নকৰিলেও কলিত ভগৱান সোঁ-শৰীৰে কোনো ভক্তক দেখা নিদিয়েহি। বৈকুণ্ঠ প্ৰয়াণৰ মুহূৰ্তত ভক্ত উদ্ধৱে ইয়াৰ পিছত তেওঁক ক'ত কেনেকৈ লগ পাব জানিব বিচৰাত কৃষ্ণদেৱে জনাইছিল কলিত ভগৱন্তৰ বাংময় মূৰ্ত্তি ভাগৱতত প্ৰকাশিত হ'ব। প্ৰথমে ব্ৰহ্ম শাপগ্ৰস্তা পৰীক্ষিত ৰজাই এই ভাগৱত শ্ৰৱণ কৰিয়েই মুক্তি লাভ কৰিছিল।

**ৰাসলীলাৰ ওপৰত বিভিন্নজনৰ মন্তব্য ঃ**

তাহানিৰ পৰীক্ষিত ৰজাৰ পৰা ধৰি আধুনিক যুগৰ বৰেণ্য ব্যক্তিলৈকে ৰাসলীলাৰ ওপৰত কটু মন্তব্য দিয়া লোকো নোহোৱা নহয়। পৰীক্ষিত ৰজাই শুকক প্ৰশ্ন কৰিছিল- ধৰ্ম ৰক্ষাৰ্থে অৱতাৰ গ্ৰহণ কৰা ঈশ্বৰ কৃষ্ণই পৰ গোপনাৰীক ৰমন কৰি পাপ কৰা নাইনে? শুকদেৱৰ পোনপটীয়া উত্তৰ- পৰম ঈশ্বৰে কৰে অকৰ্ম।
তেজস্বীত কিছু নাহি অধৰ্ম।।
সৰ্বভক্ষ বহ্নি সবাকো শোযে।
তথাপিতো কিছু নোচোৱে দোযে।

অৰ্থাৎ জগতৰ পতি ঈশ্বৰক ধৰ্ম-অধৰ্ম, পাপ-পুণ্য একোৱে স্পৰ্শ কৰিব নোৱাৰে। যিজনৰ নাম লৈ মহা পাতকীয়েও নিস্তাৰ পাই সেইজন পৰমপুৰুষক পাপে কেনেকৈ স্পৰ্শ কৰিব। তাৰ বিপৰীতে মহাপুৰুষ শঙ্কৰদেৱে ইয়াৰ সমিধান দিছে-

ইটো ৰাসক্ৰীড়া কেলি নামে কামজয়।
কৰিলা ভৃত্যৰ পদে কৃষ্ণ কৃপাময়।।
আক শুনে ভনে যিটোজনে অবিশ্ৰাম
বাঢ়িবে ভকতি অতি জিনিবেক কাম।। (কীৰ্তন)

সমাজ সংস্কাৰক ৰাজা ৰামমোহন ৰায়ে ভাগৱতৰ দশম স্কন্ধৰ পাঁচটি অধ্যায়ত অশ্লীল কথা থকাৰ বাবে পৰিত্যাজ্য হ'ব লাগে বুলি কোৱা উত্তৰত স্বামী বিবেকানন্দই কৈছিল- "ৰাজা ৰামমোহন ৰায়ে ৰাসলীলা সম্পৰ্কে যি মন্তব্য দিলে সি তেওঁৰ জীৱনৰ মান হ্ৰাস কৰিলে। যেনেকৈ পিঞ্জৰাবদ্ধ বিহঙ্গমে মুক্ত আকাশৰ পক্ষীগণৰ সুখ অনুভৱ কৰিব নোৱাৰে ঠিক তেনেদৰে বাসনাবদ্ধ জীৱই বাসনামুক্ত গোপীসকলৰ কৃষ্ণ প্ৰেমৰ মাধুৰ্য বুজি নোৱাৰে।"

ৰামকৃষ্ণ পৰমহংসদেৱক এজন ভক্তই এজন সাহিত্যিকৰ মনোবৃত্তি জনাইছিল যে তেওঁৰ শ্ৰীকৃষ্ণৰ জীৱনলীলাৰ ওপৰত এখন বিখ্যাত পুথি ৰচনা কৰিছে, কিন্তু তেওঁ বৃন্দাবনলীলা নামানে। উত্তৰত পৰমহংসদেৱে কৈছিল- "ৰাজ্য শাসন, সন্ধি-বিগ্ৰহ মানুহেও কৰিব পাৰে। শ্ৰীকৃষ্ণ ঈশ্বৰৰ বৃন্দাবনলীলাত বৃন্দাবনক বাদ দিলে তেওঁৰ ঈশ্বৰত্ব থাকিব ক'ত।"

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱে ৰাসলীলাৰ ওপৰত মন্তব্য দি কৈছে- "ৰাসলীলাৰ ওপৰ ভাগত প্ৰাকৃত শৃঙ্গাৰ ৰসৰ ঢাকনি আছে। সেইদেখি ওপৰ চকুৱাসকলে তাত অশ্লীলতা দেখে। শ্ৰীমদ্ভাগৱতৰ তত্ত্বদৰ্শী মহাযোগী শুকদেৱে কৈছে-

ৱিক্ৰীড়িতং ব্ৰজৱধুভি বিদং চ বিষ্ণুঃ
শ্ৰদ্ধাদ্বিতোঃ হনুশুনুয়াদথ ৱনবেৎ ষঃ।

অৰ্থাৎ ব্ৰজবধূসকলৰ সৈতে বিষ্ণুৱে ক্ৰীড়া কৰা যি এই ৰাসলীলা শ্ৰদ্ধাৰে সৈতে শ্ৰৱণ বা বৰ্ণনা কৰে তেওঁ অচিৰেই পৰা ভক্তি লাভ কৰিয়েই কামৰোগৰ নিবৃত্তি হয়।

মহাপুৰুষ শঙ্কৰদেৱে ভাগৱতত বিস্তাৰিত ভাৱে থকা এই আখ্যানক ১৮ টা কীৰ্তনেৰে সামৰিছে। গুৰুজনে ৰাসলীলাৰ শৃঙ্গাৰ ৰস ভক্তি ৰসলৈ পৰিবৰ্তিত কৰি এই ৰাসতত্ত্বক অধিক মনোগ্ৰাহী কৰি তুলিছে। তাৰোপৰি তেৰাৰ ৰচিত কেলি গোপাল নাটকেই ৰাসলীলাৰ আৰম্ভণি বুলি পণ্ডিতসকলে মত পোষণ কৰে।

গুৰুজনে ৰাসলীলাৰ ওপৰত এনে আধ্যাত্মিক আৰু পাৰমাৰ্থিক তত্ত্ব তেৰাৰ ৰচিত কীৰ্তনত উল্লেখ কৰিছে। যিখিনি পঢ়াৰ পিছত কোনেও ৰাসলীলাৰ ওপৰত লঘু মন্তব্য দিব নোৱাৰে, বৰঞ্চ স-ভক্তিৰে গ্ৰহণ কৰে। সেয়েহে মহাপুৰুষ জনাৰ আদৰ্শকেই ভিত্তি কৰি ১৭৬২ খ্ৰীষ্টাব্দত দক্ষিণপাট সত্ৰত শুভাৰম্ভ হোৱা ৰাসোৎসৱ বৰ্তমান মাজুলীকে মুখ্য কৰি সমগ্ৰ অসমত এক জনপ্ৰিয় অনুষ্ঠানলৈ উন্নীত হৈছে।

# শ্ৰীমন্ত শংকৰদেৱ অধ্যয়ন- আমাৰ চিন্তন

খ্ৰীষ্টীয় ষষ্ঠ শতিকাত তামিল দেশত আলোৱাৰসকলে পাতনি মেলা ভাগৱতকেন্দ্ৰীক ভক্তি আন্দোলন কৰ্ণাটকলৈ প্ৰসাৰিত হৈ গুৰ্জ্জৰ দেশত (গুজৰাট) জীৰ্ণতা প্ৰাপ্ত হয়। নৱম শতিকাত আলোৱাৰ সকলৰ আন্দোলন স্তিমিত হয়। ইয়াৰ ঠাইত শ্ৰীবৈষ্ণৱ নামৰ এচাম আচাৰ্যই ভক্তি মাৰ্গৰ সৈতে জ্ঞান মাৰ্গৰ সংযোগ ঘটাই বৈষ্ণৱ ধৰ্মটোক বেদান্তমুখী কৰি তোলাত ই সৰ্বজনগ্ৰাহ্য হৈ পৰিল। যিহেতু ইতিমধ্যে ভাৰতভূমিত চলি থকা হিন্দুধৰ্মত বহুদেৱতাবাদ আৰু ধৰ্মৰ নামত ব্যয়বহুলতাই সৰ্বসাধাৰণৰ মনত বিৰকতি জন্মাইছিল। ইয়াৰ পৰিত্ৰাণৰ অৰ্থে বৌদ্ধ আৰু জৈন ধৰ্ম প্ৰৱৰ্তন হ'ল যদিও বৌদ্ধ ধৰ্মই বেদ আৰু ঈশ্বৰ বিমুখ হোৱাৰ বাবে ভাৰতৰ মাটিৰ পৰাই বাহিৰ হৈ গ'ল। জৈন ধৰ্মই ভাৰতীয় ধৰ্ম দৰ্শনক স্বীকৃতি দি জীয়াই থাকিল যদিও অতি কঠোৰ অনুশাসনৰ বাবে ভাৰতবাসীৰ সমৰ্থন লাভ কৰিব নোৱাৰিলে। সেয়ে ভক্তি ধৰ্ম বেদান্তমুখী হোৱাৰ বাবে এই ধৰ্মটোক বিৰোধ কৰিবলৈ থল নাথাকিল। তেৰ শ শতিকাত এই ভক্তিধৰ্ম ৰামানন্দৰ নেতৃত্বত উত্তৰ ভাৰতত প্ৰচাৰিত হয়।

পোন্ধৰ শ শতিকাৰ শেষাৰ্দ্ধত এই ভক্তি আন্দোলনৰ সোঁত অসমলৈ বোৱাই আনিলে অসমৰ জনমানসৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ যুগাগ্ৰগামী মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে। এই ভক্তি নদীত স্নান কৰি পৰিশোধিত হৈ অসমবাসীয়ে দ্বিজত্ব লাভ কৰিলে। গুৰুজনে অসমবাসীৰ বহিঃজীৱন আৰু অন্তঃজীৱনৰ সৰ্বাত্মক পৰিৱৰ্তন সাধন কৰি অকলেই নৱজাগৰণৰ সৃষ্টি কৰি থৈ গ'ল। অৱসান ঘটিল অসম মূলুকত ধৰ্মৰ নামত চলি থকা বিজতৰীয়া সংস্কৃতিৰ।

**শঙ্কৰ প্ৰতিভা ঃ**

যুগদ্ৰষ্টা মনিষীসকল, মহান চিন্তাবিদ, দাৰ্শনিকসকল, আধ্যাত্মিক সাধকসকল হ'ল জ্যোতিমণ্ডল য'ৰ পৰা বিচ্ছুৰিত হোৱা আলোকৰাশিয়ে জনজীৱন পোহৰাই তোলাৰ লগতে অনাগত দিনলৈও সম্প্ৰাসাৰিত হয়। যুগোত্তীৰ্ণ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ তেনে এক উজ্জ্বল জ্যোতি যাৰ চিন্তাৰ আলোকমালাই উজ্জীৱিত হৈ পৰিছে অসমৰ জনজীৱন।

এইটো নিঃসন্দেহে সত্য যে প্ৰাক শঙ্কৰী কালতেই হওক কিম্বা শঙ্কৰোত্তৰ কালতেই হওক বিশ্বৰ ভিন্ন প্ৰান্তত অনেক ধৰ্ম প্ৰৱৰ্তক, প্ৰচাৰক, তত্ত্বজ্ঞ দাৰ্শনিক, সমাজ সংস্কাৰক আধ্যাত্মিক গুৰুৱে জন্ম গ্ৰহণ কৰি মানৱ জাতিৰ কল্যাণৰ অৰ্থে আত্মনিয়োগ কৰি গৈছে। কিন্তু শঙ্কৰদেৱ এইসকলৰ মাজত অনন্য। যিহেতু একেটি ব্যক্তিত্বৰ মাজত তত্ত্বজ্ঞ দাৰ্শনিক, বিদ্বান, সাধু গৱেষক, কবি, লিখক, নাট্যকাৰ, নাট্য আৰু সঙ্গীত কলাবিদ, অভিনেতা, সমাজ সংস্কাৰক, সৰ্বোপৰি দাস্য ভক্তিৰ মাধ্যমেৰে এক শক্তিশালী মাত্ৰাৰে নৱ বৈষ্ণৱ আন্দোলনক অসমৰ জনজীৱনৰ লগত ৰজিতা খুৱাই গতিশীল কৰি তোলা ধৰ্ম প্ৰচাৰকৰ প্ৰতিভা আৰু বৈশিষ্ট্যই সমন্বিত ৰূপ একমাত্ৰ শঙ্কৰদেৱৰ ক্ষেত্ৰতহে দেখা গৈছে। বিশ্বৰ কোনো সন্তৰ মাজত শঙ্কৰদেৱৰ দৰে বহুমুখী প্ৰতিভাৰ একত্ৰ সমাৱেশ ঘটা নাই। সেয়েহে শঙ্কৰদেৱক নিঃসন্দেহে বিশ্বশ্ৰেষ্ঠ আখ্যা দিব পাৰি। বৰ্তমান আধুনিক পণ্ডিতসকলে গুৰুজনৰ প্ৰতিভাক বহুমুখী বুলি নকৈ অনন্তমুখী বুলি ক'ব বিচাৰে, কাৰণ যি দৃষ্টিৰেই তেওঁক প্ৰত্যক্ষ কৰা হয় সেই দৃষ্টিৰেই আৱিস্কাৰ কৰিব পাৰি।

গুৰুজনৰ বিশাল কৰ্মৰাজিৰ লগতে ধৰ্মাদৰ্শনৰ ওপৰতো অনেকজন স্বনামধন্য পণ্ডিতে মূল্যবান

লেখনীৰে গুৰু বন্দন কৰি আহিছে। সেয়েহে আমি মূল বিষয়বস্তুলৈ নগৈ আনুসঙ্গিক কেইটিমান দিশহে প্ৰকাশ কৰিছো।

শ্যেক্সপীয়েৰক বিশ্বৰ প্ৰথম মুকলি মঞ্চৰ উদ্ভাৱক বুলি লণ্ডনবাসীয়ে বিশ্বজুৰি জয়ঢোল কোবালে। কিন্তু শঙ্কৰদেৱে তেওঁতকৈ ডেৰশ বছৰৰ আগেয়ে মুকলি নাট মঞ্চৰ উদ্ভাৱন কৰিলে। পাৰ্থক্য এটাই এজনে বিশ্বজুৰি প্ৰচাৰ লাভ কৰিলে। প্ৰকৃতজন প্ৰচাৰ বিমুখ হৈয়েই থাকিল।

সমাজবাদৰ নাম ওলালেই আমাৰ এচামৰ মুখত মাৰ্ক্স, এঞ্জেলচ্, লেনিন আদিৰ নাম আখৈ ফুটাদি ফুটে। কিন্তু তেওঁলোকতকৈ বহু বছৰৰ আগেয়ে জাতি বৰ্ণৰ পৰিধি নেওচি পৰ্বত, ভৈয়াম সম্বন্বিতে সমাজবাদৰ বীজ সিঁচিছিল। ব্ৰাহ্মণ চণ্ডাল নিবিচাৰি কুল, দাতাত চোৰত যেন ধৰি একতুল (কীৰ্তন)। গুৰুজনে পাতনি মেলা এই সমাজবাদী আন্দোলন পৰৱৰ্তী ধৰ্মাধিকাৰসকলে যদি সঠিকভাৱে আগবঢ়াই নিলেহেঁতেন বৰ অসম কেতিয়াও এনেকৈয়ে খণ্ড বিখণ্ড নহ'লহেঁতেন, যিহেতু ধৰ্মৰ এনাজৰীডাল বৰ কটকটীয়া।

বৰ্তমান বিশ্বৰ গোলকীয় উষ্ণতা, সঘন প্ৰাকৃতিক দুৰ্যোগ আদিৰ পৰা পৰিত্ৰাণ পাবলৈ পৰিৱেশ বিজ্ঞানীসকলে বৃক্ষৰোপণ আৰু প্ৰাকৃতিক ভাৰসাম্য অটুত ৰাখিবৰ বাবে বন্যপ্ৰাণী সংৰক্ষণৰ হকে মাত মাতি সজাগতা সৃষ্টি কৰিছে। পঞ্চদশ শতিকাতেই শ্ৰীমন্ত শঙ্কৰদেৱে এই বিষয়ে চিন্তা কৰি মানৰ সমাজলৈ দিয়া বাণী- "এক বৃক্ষ দশ পুত্ৰসম।" আকৌ বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰতো গুৰুজনে লিখি থৈ গৈছে- "সমস্ত প্ৰাণীক দেখিবেক আত্মসম....., কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম......।" শঙ্কৰদেৱে নিজে বট্ৰদ্ৰৱা থানত ফল আৰু ফুলৰ বৃক্ষ ৰোপণ কৰিছিল। ভকতসকলকো এই পৰামৰ্শ দিছিল। তেৰাৰ বন্যপ্ৰাণীৰ প্ৰতি থকা দৰদ গুৰু চৰিতত উল্লেখ আছে। এদিন তেওঁ অৰণ্যৰ মাজৰ ঠেক পথেদি ভক্তসকলৰ লগত কৰা যাত্ৰা পথত এটি হৰিণ ব্যাধৰ জালত লাগি থকা দেখি সেই ঠাইত আধলী এটা থৈ হৰিণটোক এৰি দিলে। কিছুদূৰ যোৱাৰ পিছত ডালত এটা মৈৰা লাগি থকা দেখি সিকি এটা সোধাই মৈৰাটোক এৰি দিলে। ব্যাধদুজনে নিজৰ ভুল বুজি পাই গুৰুজনৰ পাশত ক্ষমাভিক্ষা মাগোতে শঙ্কৰদেৱে তেওঁলোকক এনে অমানৱীয় কৰ্ম নকৰিবলৈ পৰামৰ্শ দিলে।

আধ্যাত্মিক সাধনাও যে জাতীয় সংহতিৰ প্ৰতীক হ'ব পাৰে সেই যুক্তি জনমানসত সৃষ্টি কৰাৰ বাবেই গুৰুজনে নামঘৰ সৃষ্টি কৰিলে। তীৰ্থ ভ্ৰমণ কৰি আহি দেশৰ বিভিন্ন ঠাইত দেখি অহা সু-উচ্চ মন্দিৰসমূহে গুৰুজনৰ চিত্ত আকৰ্ষণ কৰিব নোৱাৰিলে। ইয়াৰ বিপৰীতে কোনো খনিকৰৰ সহায় নোলোৱাকৈয়ে স্থানীয় ৰাইজৰ সমূহীয়া শ্ৰমেৰে বাৰীত থকা কাঠ, বাঁহ, বেত আদিৰে নামঘৰ নিৰ্মাণ কৰা হ'ল। দুচলীয়াকৈ বনোৱা গৃহটিত কোনো আঁৰ বেৰ নথকা তত্ত্বৰ মাজেদি বুজোৱা হ'ল এই হৰিনাম ধৰ্মত কোনো গোপনীয়তা নাই। জাতি বৰ্ণ নিৰ্বিশেষে সকলোৰে শাৰী পাতি বহি নাম-কীৰ্তন কৰাৰ ব্যৱস্থা গুৰুজনে দিলে। এফালে অসমৰ থলুৱা লোকসকলৰ গৃহ নিৰ্মাণৰ লগত ৰজিতা খুৱাই নামঘৰ নিৰ্মাণৰ যোগেদি এটি জাতীয় ঐক্য সংহতি গঢ়ি তোলাৰ ব্যৱস্থা কৰা হ'ল আনফালে ধূপ ধূনা নৈবেদ্য আগবঢ়াই আধ্যাত্মিক ভাৱেৰে সমূহীয়াকৈ নাম কীৰ্তন, ভাগৱত পাঠ আদি ধৰ্মীয় পালনীয় কৰ্ত্তব্যবোৰো সম্পাদন কৰা হ'ল। স্থানীয় ভাৱে সামাজিক, অৰ্থনৈতিক আনকি বিবাদ আদিৰো নিষ্পত্তিৰ স্থানৰূপে বাছি লোৱা হ'ল। নামঘৰ হৈ পৰিল জাতীয় সংহতিৰ যাদুঘৰ। নামঘৰৰ কৰ্মত অংশ গ্ৰহণৰ পথ সুচল কৰি তুলিবলৈ গুৰুজনে নামঘৰৰ ভেটিতে নিৰ্মাণ কৰিলে অঙ্কীয়া নাট ভাওনাৰ আদৰ্শ। শিল্পকাৰজনৰ জীৱনৰ সৰ্বোত্তম

কীৰ্ত্তি ভাওনাই এফালে অসমীয়া সমাজত অভিনয়ৰ পৰা আহাৰ্যলৈ আনফালে সঙ্গীত নৃত্যৰ পৰা বাদ্য নিৰ্মাণলৈ চিত্ত বিনোদনৰ পৰা ভক্তি সঞ্চাৰলৈ এক নতুন সাংস্কৃতিক কৰ্মযজ্ঞৰ সূচনা কৰিলে।

ধৰ্মীয় কৰ্ত্তব্যবোৰ সম্পাদন কৰিবলৈও এটা সুস্থ শৰীৰৰ প্ৰয়োজন। সেই কথা শঙ্কৰদেৱে উপলব্ধি কৰিয়েই বিভিন্ন শাৰীৰিক অনুশীলনৰ সৃষ্টি কৰিছিল। ইয়াৰ বাবে ৬৪বিধ মাটি আখৰা প্ৰৱৰ্তন কৰিছিল। মাটি আখৰাক সত্ৰীয়া নৃত্যৰ ব্যাকৰণ বোলা হৈছিল। এইসমূহ ব্যায়ামৰ যোগেদি শৰীৰৰ জড়তা ভাঙি নাম গুণ গোৱা, তাল খোল আদি বাদ্য বজোৱা, নৃত্য কৰাৰ আদি কৰ্মৰ উপযোগী কৰি তোলা হৈছিল। তাৰোপৰি আৰ্থিক স্বচ্ছলতাৰ বাবে ভকতসকলক থলুৱাভাৱে গছা, কৰণি, ঠগী, গুৰুৰ আসন, খোল, ডবা আদি তৈয়াৰ কৰিবলৈ দেখুৱাই শিল্পী, বাঢ়ৈ, খনিকৰ আদি লোকৰ সৃষ্টি কৰিছিল। তাৰোপৰি তাঁতীসকলৰ সহায়ত বৃন্দাবনী বস্ত্ৰ তৈয়াৰ কৰাৰ উপৰিও নিত্য প্ৰয়োজনীয় ধূতি, চেলেং, গামোছা, ৰিহা, মেখেলা, পাগ আদি তৈয়াৰ কৰাইছিল যিখিনি বস্ত্ৰ বৰ্তমানেও অসীয়াৰ জাতীয় সাজপাৰ ৰূপে বৰ্ত্তি আছে।

**আমাৰ চিন্তন ঃ**

চৰিত পুথি সমূহৰ লিখনীৰ অচিলাৰে শঙ্কৰ গুৰুৰ লগতে মাধৱদেৱকো সাক্ষাৎ কৃষ্ণ বলৰাম ৰূপত সজাই বৈষ্ণৱ সমাজে তেৰাসকলৰ লিখনি থাপনাত সজাই গুণ গানেৰে নাম কীৰ্তন কৰি, মাহ প্ৰসাদ খাই চাৰিশ বছৰ অতিক্ৰম কৰিলে। ভাগ্যে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে এই মহাপুৰুষ দুজনাক থাপনাৰ পৰা উলিয়াই আনি মাটিৰ মানুহৰ ৰূপ দি তেৰাসৰৰ প্ৰতিভাৰ এখন বাস্তৱ প্ৰতিচ্ছবি জগতবাসীৰ সন্মুখত দাঙি ধৰিলে। বেজবৰুৱাদেৱে শঙ্কৰদেৱ সম্পৰ্কত মন্তব্য ৰাখিছে- "সেই মহাপুৰুষৰ মহাজীৱনীৰ অক্ষয় ভাণ্ডাৰৰ পৰা আমাৰ জীৱন গঢ়িবৰ নিমিত্তে সঁজুলি গোটাই আনি মনুষ্য জীৱন সফল কৰিব পাৰো। লগতে এটা জাতিক সকলো পিনে সৰ্বঙ্গসুন্দৰ কৰি থিয় কৰিবৰ নিমিত্তে যি যি আৱশ্যক সকলোবোৰ সেই মহাপুৰুষে দি গৈছে।" বেজবৰুৱাদেৱেই শঙ্কৰদেৱক আধুনিক সমাজ নিৰ্মাণৰ দ্ৰষ্টা পুৰুষৰূপে প্ৰক্ষেপ কৰিছে। তেখেতৰ এই আশাশুধীয়া প্ৰচেষ্টাৰ বাবে সকলোৱে গম পালে অসম মূলুকত এজন মহা প্ৰতিভাধৰৰ জন্ম পোন্ধৰ শ শতাব্দীতে হৈছিল যিজন বিশ্বৰ সৰ্বশ্ৰেষ্ঠ প্ৰতিভাধৰ সকলতকৈ কোনো গুণে কম নহয়।

বেজবৰুৱাদেৱৰ পৰৱৰ্তী সময়ত অনেকজন গুণী জ্ঞানী লোকে গুৰুজনৰ বহুমূলীয়া অৱদানৰ সম্পৰ্কত বিস্তৃত ব্যাখ্যা আগবঢ়াই মূল্যৱান গ্ৰন্থ ৰচনা কৰাৰ পিছত ৫০ ৰ দশকৰ পৰাই মহাপুৰুষজনৰ বিশাল ব্যক্তিত্ব আৰু বহুমুখী বৰগুণিৰ সম্পৰ্কত ন ন অধ্যয়ন হৈছে। সন্দেহ নাই জাতিটোৰ প্ৰতি দায়বদ্ধতা থকা প্ৰতিজন গুণমুগ্ধ অসমীয়াই গুৰুজনক হিয়াৰ বেদীত স্থাপন কৰি বন্দন কৰি আহিছে। লগতে ধৰ্মাদৰ্শনত মিল নথকা সকলেও গুৰুজনৰ প্ৰতিভাৰ প্ৰতি শ্ৰদ্ধাশীল হৈ আছিল।

কিন্তু, ইমানখিনিৰ পিছতো এইখন অসমতে যোৱা ৫৫০ বছৰ ধৰি পুৰুষানুক্ৰমে এচাম লোক আছে যিসকলে শঙ্কৰ প্ৰতিভাক মূল্যাঙ্কন কৰিব জনা নাই বা কৰিব খুজিও ব্যৰ্থ হৈছে। নিজকে অতি বিদ্বৎ বুলি ভবা এচামৰ মন্তব্য শঙ্কৰদেৱৰ কোনো নিজা দৰ্শন নাই, বেদান্ত দৰ্শনেই তেওঁৰ কেন্দ্ৰীয় দৰ্শন। সঁচা কথা গুৰুজনে নিজে দৰ্শনৰ টোকা ভাষ্য লিখি দাৰ্শনিকসকলৰ শাৰী পূৰাবলৈ যোৱা নাছিল। তাৰোপৰি শঙ্কৰদেৱৰ ধৰ্মাদৰ্শ সৰ্বভাৰতীয় বৈষ্ণৱ আন্দোলনৰে অংশ বিশেষহে। সেয়েহে গুৰুজনে মূলতত্ত্বসমূহ বেদৰ জ্ঞান কাণ্ড, সৰ্বোপনিষদ সাৰ গীতা আৰু ভক্তি সৎসঙ্গ ভাগৱতৰ পৰা পোনে পোনে গ্ৰহণ কৰিছে। কিন্তু গুৰুজনৰ ধৰ্মাচৰণ পদ্ধতি কোনোজন বৈষ্ণৱ গুৰুৰ লগত নিমিলে। গুৰুজনে এক নিজস্ব দৰ্শনে

অসমৰ জন সমাজ ব্যৱস্থাৰ সৈতে ৰজিতা খুৱাই ধৰ্মীয় আচৰণ সমূহ প্ৰস্তুত কৰিছে। গতিকে বেজবৰুৱাৰ ভাষাৰেই-"যিজন সন্তই এটা জাতিক সৰ্বাঙ্গ সুন্দৰ কৰি তুলিব পৰা আটাইবোৰ উপাদান দান কৰি গ'ল নিজস্ব দৰ্শন নোহোৱাকৈ ইমান পৰিশীলিত ভাৱে অতবোৰ উপাদান দিয়াতো সম্ভৱনে? যিজনৰ প্ৰতিভা আৰু প্ৰভাৱ বিশাল মহীৰুঢ় হৈ অসমীয়া জাতীয় জীৱন আৰু কলা-সংস্কৃতি চৌপাশ জুৰি আছে সেইজনৰ সঁচাকৈয়ে নিজস্ব দৰ্শন নাইনে?" সেইখিনি বিচাৰি ল'ব নজনা সকলৰ বিদ্যায়তনিক দিশটো সঁচাই চিন্তনীয়।

তাৰোপৰি গুৰুজনৰ লিখনীত অদ্বৈত ব্ৰহ্মৰ প্ৰসঙ্গ ওলালেই তেনেচাম লোকেই সেইয়া শঙ্কৰাচাৰ্যৰ পৰা ধাৰ কৰা আৰু সগুণ ব্ৰহ্মৰ কথা অৱতাৰণা হ'লেই সেইয়া ৰামানুচাৰ্যৰ পৰা ধাৰ কৰা বুলি ক'ব খোজে। কিন্তু সেইসকলে সামান্য অধ্যয়ন কৰিলেই গম পাব শঙ্কৰদেৱৰ দৰ্শন দাৰ্শনিক দুগৰাকীৰ অদ্বৈত আৰু বিশিষ্ট দ্বৈত্যবাদৰ দৰ্শনৰ লগত সমূলি মিল নাই। এই দুজন দাৰ্শনিকৰ চিন্তাধাৰাৰ লগত শঙ্কৰদেৱৰ দৰ্শনৰ পাৰ্থক্যখিনি দেখুৱাবলৈ বিচৰা হৈছে।

প্ৰথমে চাওঁ অন্যান্য দাৰ্শনিক পণ্ডিতসকলৰ লগত শঙ্কৰী দৰ্শনৰ পাৰ্থক্যসমূহ-

**শঙ্কৰাচাৰ্যৰ অদ্বৈতবাদী দৰ্শন ঃ** শঙ্কৰাচাৰ্যই উপনিষদৰ অদ্বৈত ধাৰণাক ভিত্তি কৰি অদ্বৈতবাদী দৰ্শন প্ৰতিষ্ঠা কৰিছে য'ত এটা অদ্বৈতবাদী উক্তিৰে ব্যক্ত কৰিছে "ব্ৰহ্ম সত্যং জগন্মিথ্যা জীৱো ব্ৰহ্মৈব নাপৰঃ অৰ্থাৎ নিৰ্গুণ ব্ৰহ্মহে সত্য এই জগত প্ৰ-পঞ্চ মিছা, জীৱ আৰু ব্ৰহ্ম জীৱাত্মা পৰমাত্মা অভিন্ন।

অদ্বৈত বেদান্তৰ মতে ঈশ্বৰ, জীৱ জগত এই বিলাক ব্যৱহাৰিক অৰ্থতহে প্ৰয়োগ হৈছে পাৰমাৰ্থিক ক্ষেত্ৰত কোনো অস্তিত্ব নাই। আচলতে এইবোৰ মায়াৰ সৃষ্টি। মায়া আঁতৰিলে ঈশ্বৰ জগত সকলো বিলুপ্তি হ'ব। থাকিব মাত্ৰ শুদ্ধ চৈতন্যময় ব্ৰহ্ম। মায়া বা অবিদ্যাৰ বাবেই মানুহে এই জগতৰ অস্তিত্ব আছে বুলি জ্ঞান কৰে।

মোক্ষৰ ক্ষেত্ৰতো শঙ্কৰাচাৰ্যৰ মতামত- অবিদ্যা বা অজ্ঞানতাৰ বাবেই জীৱৰ বন্ধন হয়। তত্বজ্ঞানে বন্ধন ৰহিত আৰু অবিদ্যাৰ অৱসান ঘটোৱাৰ ফলত জীৱই বন্ধন মুক্তি হৈ মোক্ষ লাভ কৰে।

মহাপুৰুষীয়া দৰ্শনতো এক অদ্বৈতবাদ ব্ৰহ্মৰ স্বীকাৰ কৰা হৈছে বাকীবোৰ অসত্য আৰু অসন্ত-

তুমি সত্য ব্ৰহ্ম তোমাত প্ৰকাশে
জগত ইটো অসন্ত।
জগতকো সদা তুমিও প্ৰকাশা
অন্তৰ্যামী ভগৱন্ত।। (কীৰ্তন বেদস্তুতি)

আপাতদৃষ্টিত শঙ্কৰাচাৰ্যৰ বক্তব্যৰ লগত মহাপুৰুষীয়া বক্তব্যৰ মিল আছে যেন লাগে। কিন্তু শঙ্কৰাচাৰ্যই এই জগতক অলীক বোলাৰ বিপৰীতে শঙ্কৰদেৱৰ মতে এই জগত অলীক বা ভ্ৰম নহয়, সৃষ্টিৰ প্ৰকৃত স্বৰূপটো মানৱৰ দৃষ্টিগোচৰ নহয় বুলিহে কৈছে। তাৰোপৰি জগতখনক অসত্য বুলি কোৱা নাই অথিৰ বুলিহে কৈছে। আকৌ মায়াৰ সম্পৰ্কতো গুৰুজনে লিখিছে-

ব্ৰহ্ম ব্যতিৰেকে মিছা যত দেখা আন।
জড়িত উপজি আছে যেন সৰ্পজ্ঞান।। (ভাগৱত)

গুৰুজনৰ এই দুয়োটা উক্তিয়েই শঙ্কৰাচাৰ্যৰ অদ্বৈত দৰ্শনৰ লগত মিল আছে কিন্তু এই উক্তিসমূহৰ জৰিয়তে শঙ্কৰদেৱক শঙ্কৰাচাৰ্যৰ অনুগামী বা সমৰ্থক বুলি দেখুৱালে নিশ্চয় ভুল হ'ব। তুমি সত্য ব্ৰহ্ম

জগত ইটো অসন্ত বুলি কোৱাৰ অৰ্থ হৈছে পৰম ব্ৰহ্ম যিদৰে নিত্য, চিৰশাশ্বত সেইদৰে জীৱ জগতখন চিৰ নিত্য নহয়। শঙ্কৰাচাৰ্যই জীৱজগতক অলীক কোৱাৰ বিপৰীতে গুৰুজনে অনিত্য বুলিহে কৈছে।

আকৌ মায়াৰ ক্ষেত্ৰতো শঙ্কৰাচাৰ্যই মায়াক অবিদ্যা বোলাৰ বিপৰীতে শঙ্কৰদেৱে ভাগৱতৰ মত অনুযায়ী মায়াক ঈশ্বৰৰ বিভূতি বুলিহে স্বীকাৰ কৰিছে-

তোমাৰেসে অংশ আমি যত জীৱজাক
তোমাৰ মায়াৰে প্ৰভু বান্ধিলা আমাক (বেদস্তুতি)

মোক্ষৰ ক্ষেত্ৰতো শঙ্কৰাচাৰ্যৰ উক্তি "অবিদ্যাৰ বাবে জীৱৰ বন্ধন হয় তত্বজ্ঞানৰ জৰিয়তে বন্ধনমুক্ত হৈ মোক্ষ লাভ কৰিব পাৰে। এই জ্ঞান মাৰ্গী দৰ্শনক মান্যতা দিয়াৰ পৰিবৰ্তে চাৰি পুৰুষাৰ্থৰ চতুৰ্থ স্থান মোক্ষতকৈও ভক্তি শ্ৰেষ্ঠ বুলিছে। গুৰুজনৰ মতে জ্ঞানৰ কন্টকাকীৰ্ণ পথেদি য'ত ওলাবগৈ পাৰি ভক্তিয়ে সহজে সেই ঠাইলৈ নিব পাৰে-

মুকুতিক কৰি যেন ভকতি গৰিষ্ঠ আতি
কহো শুনা সাৱধান মনে।
সাযুজ্য মোক্ষকো ইটো নবাঞ্চয় কদাচিত
আমাৰ একান্ত ভক্ত গণে।।

উপৰোক্ত আলোচনাৰ জৰিয়তে এইটো প্ৰতীয়মান হয় যে শঙ্কৰাচাৰ্যৰ অদ্বৈতবাদৰ লগত শঙ্কৰদেৱৰ ধৰ্ম দৰ্শনৰ কোনো মিল নাই। দুয়োজনৰ মৌলিক বিৰোধবোৰ থোৰতে এনেদৰে দেখুৱাব পাৰি-

(১) শঙ্কৰাচাৰ্য জ্ঞানবাদী কিন্তু শঙ্কৰদেৱ ভক্তিবাদী।
(২) শঙ্কৰাচাৰ্য ব্ৰহ্মবাদী, শঙ্কৰদেৱ ঈশ্বৰবাদী।
(৩) শঙ্কৰদেৱৰ অদ্বৈতবাদত শক্তিবাদ (Cult Sekti)ৰ স্থান আছে কিন্তু শঙ্কৰদেৱ দৰ্শনত আছে এক শৰণ আৰু একেশ্বৰবাদ (Monotheism)।

পৰৱৰ্তী বৈষ্ণৱ আচাৰ্য সকলেও শঙ্কৰাচাৰ্যৰ অদ্বৈতবাদ মত খণ্ডন কৰি ভক্তিবাদ প্ৰতিষ্ঠা কৰিছিল। একমাত্ৰ মোক্ষ লাভৰ বাবেহে ভক্তিৰ প্ৰয়োজন বুলি তেওঁৰ উক্তিৰ সম্পৰ্কত ড° বাণীকান্ত কাকতিৰ মন্তব্য। ভট্টদেৱৰ শৈৱ সম্প্ৰদায়ৰ টিঙত বহুওৱা আৰু শঙ্কৰাচাৰ্যক বৈষ্ণৱ সম্প্ৰদায়ৰ গুৰিত বহুওৱা একে কথা।

**ৰামানুচাৰ্যৰ বিশিষ্ট দ্বৈতবাদী দৰ্শন ঃ** শঙ্কৰাচাৰ্য অদ্বৈতবাদী দৰ্শনক নস্যাৎ কৰি বিশিষ্ট দ্বৈতবাদী ৰামানুচাৰ্যই বৈষ্ণৱ ভক্তি মাৰ্গ আৰু বেদান্ত দৰ্শনৰ সঙ্গতি স্থাপন কৰিছে। বৈষ্ণৱ মাৰ্গক বেদান্ত ভিত্তিক কৰি তোলাত তেওঁৰ যথেষ্ট অৱদান আছে। ৰামানুজৰ মতে জীৱ হ'ল ব্ৰহ্মাৰ অংশ, ব্ৰহ্ম প্ৰত্যেক জীৱতে ব্যাপ্ত আৰু জীৱক নিয়ন্ত্ৰণ কৰে। জীৱ ব্ৰহ্মাৰ অংশ হ'লেও শৰীৰ ধাৰণ কৰি সাংসাৰিক দুখ, শোক ভোগ কৰাৰ উপৰিও জন্মৃ-মৃত্যুৰ চক্ৰত অৱস্থান কৰে। তেওঁৰ মতে ঈশ্বৰ, আত্মা আৰু জড় পদাৰ্থ তিনিওটা যথাৰ্থ সত্বা আৰু তিনিওটা পৰম ব্ৰহ্মাক স্বীকাৰ কৰাৰ বাবে তেওঁৰ বেদান্তৰ নাম বিশিষ্ট দ্বৈতবাদ।

অদ্যপিও এচাম অসমীয়া বুদ্ধিজীৱিয়ে শঙ্কৰদেৱৰ লিখনীত অদ্বৈতবাদৰ প্ৰসঙ্গ ওলালেই সেইয়া শঙ্কৰাচাৰ্যৰ পৰা ধাৰ কৰা আৰু যেতিয়া তেৰাই ভগৱন্তৰ লীলা অৱতাৰৰ কথা, সগুণ আৰু নিৰ্গুণ কৃষ্ণৰ কথা ভক্তিৰ যোগেদিহে কেৱল মায়াৰ বান্ধোন ছিন্ন কৰাৰ কথা কয় সেইসকলেই গুৰুজনাক ৰামনুজচাৰ্যৰ

অনুৰৰ্তী বুলি ক'ব খোজে। শঙ্কৰদেৱে ব্ৰহ্মই যে শেষ সত্য সেইয়া দ্ব্যৰ্থহীন ভাৱে স্বীকাৰ কৰিও ব্ৰহ্মাৰ সগুণ আৰু নিৰ্গুণ দুয়োযা বিভাগকে ইপিঠি সিপিঠি কৰি দেখুৱাইছে। অৰ্থাৎ পৰমব্ৰহ্ম নিৰ্গুণ হৈও সগুণ। নিৰ্গুণ ব্ৰহ্ম ধেয়হে হ'ব পাৰে ভক্তি কৰাৰ কোনো উপায় নাই। সেয়েহে ধৰ্ম সংস্থাপনৰ বাবে নিৰ্গুণ ব্ৰহ্ম মায়াৰ উপাধি ধাৰণ সগুণ হয়।

জগতক মোক্ষ দিবো বুলিও মনত।
নিজ ব্ৰহ্ম স্বৰূপে কৃষ্ণ ভৈলন্ত বেকত।। (দশম)

গতিকে আলোচনাৰ পৰা দেখা গ'ল যে মহাপুৰুষীয়া দৰ্শনত সগুণ আৰু নিৰ্গুণ ব্ৰহ্মাৰ সমাৰ্থক নহয়। তাৰোপৰি ব্ৰহ্মাক সকলো চেতন আৰু অচেতন পদাৰ্থৰ সমাহাৰ বুলি বিশিষ্ট দ্বৈতবাদ দৰ্শনে আগবঢ়োৱা ব্যাখ্যাটো শঙ্কৰী দৰ্শনৰ পৰা পৃথক।

সমস্ত ভূততে ব্যাপি আছো মঞিঃ হৰি।
সবাকো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি।।

তাৰোপৰি ৰামানুজচাৰ্যই ব্ৰহ্মাক নিৰ্গুণ নিৰাকাৰ বুলি শঙ্কৰদেৱৰ দৰে কোৱা নাই। ৰামানুজচাৰ্যৰ অৰ্চ, বিভৱ, বৃহৎ, সূক্ষ্ম, অন্তৰ্যামী ভগৱানৰ এই পঞ্চ উপাসনাক শঙ্কৰদেৱে গ্ৰহণ কৰা নাই তাৰ বিপৰীতে শ্ৰৱণ-কীৰ্তনৰ সহজ পদ্ধতিহে গ্ৰহণ কৰিছে।

গতিকে যিদৰে শঙ্কৰদেৱক শঙ্কৰাচাৰ্যৰ অদ্বৈতবাদৰ সমৰ্থক বুলি ক'ব নোৱাৰি তেনেদৰেই ৰামানুজচাৰ্যৰ বিশিষ্ট দ্বৈতবাদৰো সমৰ্থক বুলিব নোৱাৰি।

প্ৰকৃততে কোনো ভক্তিবাদী দৰ্শনৰ সৈতে শ্ৰীশঙ্কৰদেৱৰ তুলনা কৰিব নোৱাৰি, যিহেতু গুৰুজনৰ এক শৰণ আৰু অব্যভিচাৰী ভক্তি ধৰ্ম অন্য কোনো পন্থাতে দেখা পোৱা নাযায়। অদ্বৈতবাদ, বিশিষ্ট দ্বৈতবাদ, শুদ্ধ দ্বৈতবাদ আদি যি বাদেই নহওক কিয় সেইসকলে বেদান্তই দেখুওৱা এক পৰম ব্ৰহ্মাক ভজনা কৰাত স্ব-বিৰোধী নীতি গ্ৰহণ কৰিছে। অদ্বৈত বেদান্তবাদী শঙ্কৰাচাৰ্যৰ দৰ্শনত জগত, ঈশ্বৰ এইবোৰ অলীক মায়াৰ ৰচনা বুলি বৰ্ণনা কৰিছে। ঈশ্বৰৰ অস্তিত্বকে নমনা এই দাৰ্শনিক গৰাকীয়ে বাস্তৱত বহুত্ববাদী হৈ পঞ্চদেৱতাৰ উপাসনা কৰিছিল। শিৱ তেওঁৰ ঘাই উপাস্য দেৱতা আছিল। ঠিক তেনেদৰে ৰামানুজচাযইয়ো উপনিষদে দেখুওৱা এক পৰম ব্ৰহ্মাৰ বিপৰীতে অৰ্চা, বিভৱ আদি পঞ্চদেৱতাৰ পূজা কৰে। দ্বৈতবাদী মত আগবঢ়োৱা মধাচাৰ্যইয়ো ঈশ্বৰৰ লগতে লক্ষ্মীকো সৰ্বব্যাপিনী আৰু চিৰন্তনী বুলি উল্লেখ কৰিছে। শুদ্ধ দ্বৈতবাদৰ স্ৰষ্টা বল্লবাচাৰ্যইও ঈশ্বৰৰ লগতে ৰাধাকো সমানে স্থান দিছে। চৈতন্য সম্প্ৰদায়েও ৰাধাক কৃষ্ণৰ হলাদিনী শক্তি বুলি উল্লেখ কৰি ৰাধা কৃষ্ণ উভয়কে উপাস্যৰূপে গ্ৰহণ কৰিছে।

সেয়েহে এই কথা স্বীকাৰ কৰিবই লাগিব সনাতন ধৰ্মত কোনেও শঙ্কৰদেৱৰ দৰে ধৰ্ম আৰু দৰ্শনৰ সমন্বয় সাধন কৰিব পৰা নাই। তেখেতসকলৰ দাৰ্শনিক মতবোৰ আনৰ বাবেহে প্ৰস্তুত কৰিছিল, কাৰ্যক্ষেত্ৰত নিজ দৰ্শনৰ পৰিপন্থী আছিল।

গতিকে বিভিন্ন প্ৰকাৰৰ তুলনাৰ পৰা দেখা গ'ল শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰ্শন আটাইবোৰ দাৰ্শনিক মতবাদৰ পৰা পৃথক আৰু মৌলিক। তেৰাৰ দৰ্শনক অদ্বৈতবাদ, বিশিষ্ট দ্বৈতবাদ, শুদ্ধ দ্বৈতবাদ আদি কোনো নামেৰে অভিহিত কৰিব নোৱাৰি। শঙ্কৰদেৱে একেটা সময়তে পৰম ব্ৰহ্মকো পৰম সত্য বুলি স্বীকাৰ কৰিছে আকৌ এজন সগুণ ঈশ্বৰৰ অস্তিত্বও মানি লৈছে। ব্ৰহ্ম আৰু ঈশ্বৰৰ সৃষ্টিকো অভিন্ন বুলি

মানি ঘোষণা কৰিছে, ভক্ত আৰু ভগৱানৰ মাজৰ ব্যৱধান তেওঁ স্বীকাৰ কৰিছে।

গুৰুজনে মহাভাৰতৰ সাকাৰ কৃষ্ণৰ লগত নিৰ্গুণ পৰম ব্ৰহ্মৰূপী কৃষ্ণৰ এনে অভেদতা ঘটালে যাৰ ফলত সাকাৰ কৃষ্ণ নিৰাকাৰ পৰম ব্ৰহ্মত মিলি গ'ল। ভাগৱতত ব্যাসে নাৰদক ভাগৱত ৰচনা কৰিবলৈ দিয়া কাহিনীতেই অৰ্ন্তনিহিত হৈ বেদৰ গুপুত নাৰায়ণক সাকাৰ কৃষ্ণৰ মাজত প্ৰতিষ্ঠা কৰা। সেয়েহে সু-সাহিত্যিক "বিষয় শঙ্কৰদেৱ" গ্ৰন্থৰ ৰচিয়তা ড° নগেন শইকীয়াৰ মন্তব্য- "সেই কাৰণে মোৰ বাৰে বাৰে ক'বৰ মন গৈছে শঙ্কৰদেৱৰ একশৰণ নামধৰ্মৰ দাৰ্শনিক আধাৰ অভেদ ভক্তিবাদ।"

এই প্ৰসঙ্গতে এটা কথা উল্লেখ কৰিব পাৰি যে গোটেই জীৱনত মাত্ৰ চাৰিটা শ্লোক ৰচনা কৰা মহাপ্ৰভু শ্ৰী চৈতন্যদেৱক বঙ্গবাসীয়ে "অচিন্ত ভেদাভেদ" নামৰ দৰ্শনৰ প্ৰবক্তাৰূপে বিশ্ববাসীৰ লগত পৰিচিত কৰি দিলে। কিন্তু ভক্তি ৰত্নাকৰৰ দৰে গভীৰ দাৰ্শনিক তত্ত্বৰ ৰচিয়তা, গীত, নৃত্য আদিৰে অসমীয়া জাতিক নতুনকৈ মাত্ৰা দিওঁতা এই মহাপ্ৰতিভাধৰ জনৰ দাৰ্শনিক আধাৰটি আজিকোপতি চিহ্নিত কৰিব নোৱাৰাটো চৰম পৰিতাপৰ বিষয়।

যি সময়ত শঙ্কৰদেৱক বিশ্বশ্ৰেষ্ঠৰূপে প্ৰক্ষেপ কৰি তেৰাৰ ধৰ্ম দৰ্শন, কলা-সংস্কৃতি জগতবাসীৰ ওচৰত সাৰ্থকভাৱে তুলি ধৰিব লাগিছিল সেই সময়তে সমাজৰ এচামে সংকীৰ্ণ বৰ্ণবাদী মানসিকতাৰে মহাপুৰুষজনক শূদ্ৰ সজাইছে। ব্ৰাহ্মণে শূদ্ৰৰ পাশত ধৰ্মবস্তু ল'ব নেপায়। সেই সকলেই দামোদৰদেৱ আৰু হৰিদেৱকো শঙ্কৰদেৱৰ পৰা আঁতৰাই নি বেলেগ ধৰ্মমত প্ৰকাশ কৰাৰ চেষ্টা চলাইছে। শঙ্কৰদেৱক শূদ্ৰ ভবা সকলক ক'ব পাৰি শঙ্কৰদেৱ ব্ৰাহ্মণো নহয়, কায়স্থও নহয়, শূদ্ৰও নহয়, তেওঁ এজন মহা প্ৰতিভাধৰ মহাপুৰুষ। যেতিয়া মহাপুৰুষসকলৰ বোধশক্তিয়ে চৰম পৰ্যায়ত অৱস্থান কৰে জাত পাত সংকীৰ্ণতাৰ পৰা সেইসকল মুক্ত হয়, আনকি পাৰ্থিৱ সুখ দুখৰ প্ৰতিও সেইসকল নিৰ্লিপ্ত হয়। গুৰুজন যে জাত পাতৰ উৰ্দ্ধত আছিল সেইয়া প্ৰমাণ দিয়াৰ কোনো প্ৰয়োজন নাই। কিন্তু পাৰ্থিৱ সুখ দুখৰ প্ৰতিও যে নিৰ্লিপ্ত তাৰ এটা প্ৰমাণ হ'ল- গাংমৌত থাকোতে গুৰুজনৰ প্ৰথম পুত্ৰ জন্ম হোৱা খবৰ চন্দৰীয়ে দিলেহি। আমাৰ দৰে সামান্য নৰ মনিচ হোৱা হ'লে পুত্ৰ জন্মৰ আনন্দ কৰিলোহেঁতেন। কিন্তু গুৰুজনাই আনন্দ কৰাৰ পৰিবৰ্তে প্ৰাৰ্থনা গৃহলৈ গৈ কাতৰেৰে ভগৱানৰ পাশত আহ্বান জনালে কিয় প্ৰভুৱে তেওঁক মায়াময় সংসাৰৰ মাজলৈ টানি নিব বিছাৰিছে। চিৰ সেউজ বৰগীতটি- পাৰে পৰি হৰি কৰোহো কাতৰি, সেই মুহূৰ্তত তেৰাৰ মুখেদি প্ৰকাশ হৈছিল। গতিকে তেনে এজন সংসাৰ নিৰ্লিপ্ত মহাত্মাক সংকীৰ্ণ জাত পাতৰ আওতালৈ অনাতো নিতান্তই নিন্দনীয়।

চিহ্নযাত্ৰাৰ শেষত শঙ্কৰৰ মহিমা দেখি গুৰু মহেন্দ্ৰ কন্দলীকে ধৰি ব্ৰাহ্মণ গুৰুসকলে শঙ্কৰদেৱৰ পাশত ধৰ্ম ধৰিলে। গুৰুজনেও ব্ৰাহ্মণৰ মান ৰাখি গোপী উদ্ধৱ সংবাদ পুথিখন লিখি তাতে সেৱা ধৰাই শৰণ মন্ত্ৰ দিলে। বেজবৰুৱাদেৱে গুৰুজনৰ পাশত ধৰ্ম ধৰা ব্ৰাহ্মণসকলৰ এখন দীঘল তালিকা প্ৰকাশ কৰিছিল। ১৮ শ শতিকাত বঙ্গদেশীয় তান্ত্ৰিক পণ্ডিত কৃষ্ণৰাম ভট্টাচাৰ্যৰ অসম আগমনে অসমৰ বৈষ্ণৱ সমাজলৈ কাল ধুমুহা মাতি আনিলে। ইয়াৰ আগেয়ে জাত পাতক লৈ কোনো সমস্যা উদ্ভৱ নোহোৱা ব্ৰাহ্মণ সমাজক কৃষ্ণৰামেই এই তত্ব দিলে শঙ্কৰদেৱ শূদ্ৰ। তেওঁৰ ধৰ্ম ব্ৰাহ্মণে গ্ৰহণ কৰিব নাপায়। ফুলেশ্বৰী কুঁৱৰীক শিখণ্ডি সজাই তেঁৱেই একেদিনাই ৰাজ আজ্ঞাৰে ৫ হাজাৰ ব্ৰাহ্মণক মতাই আনি তান্ত্ৰিক দীক্ষা দিয়াৰ লগতে ব্ৰাহ্মণসকলক শঙ্কৰদেৱৰ বিৰুদ্ধে ব্যৱহাৰ কৰিলে। সৌভাগ্যৰ কথা অসমৰ বহুত ব্ৰাহ্মণ

কৃষ্ণৰামৰ পাল্লাত নোসোমাল।

দ্বিতীয়তে এচামৰ ধাৰণা শঙ্কৰদেৱৰ বৈদিক আচাৰ নীতিৰো বিৰোধ আছিল। সেইয়াও সম্পূৰ্ণ ভ্ৰান্ত ধাৰণা। গুৰুজনে শৰণীয়া ব্ৰাহ্মণ সকলক কস্মিনকালেও ব্ৰাহ্মণৰ বৈদিক ৰীতি-নীতি এৰিবলৈ পৰামৰ্শ দিয়া নাছিল। এচাম কৰ্মকাণ্ডী ব্ৰাহ্মণে গুৰুজনক পদে পদে অসুবিধাত পোলোৱাত যেনেকৈ সত্য, ঠিক তেনেদৰে এচাম পণ্ডিত ব্ৰাহ্মণে শঙ্কৰদেৱৰ ধৰ্ম প্ৰচাৰত সোঁহাত হৈ থকাটোও সত্য। এইসকলৰ ভিতৰত হৰিদেৱ, দামোদৰদেৱ, অনন্ত কন্দলী, কণ্ঠভূষণ, জগন্নাথ মিশ্ৰ, ৰামগুৰু আদিয়েই প্ৰধান। গুৰুজনে কৰ্মকাণ্ডকহে সমৰ্থন নকৰিছিল। কৰ্মকাণ্ড বুলিলে ব্ৰাহ্মণৰ নৈতিক কৰ্ম বা হোম নুবুজায়। ই এটা সুকীয়া মাৰ্গ। তেওঁ কৰ্মকাণ্ডী ব্ৰাহ্মণক শৰণো নিদিছিল আৰু ভক্তসকলকো বাৰণ কৰি গৈছিল। গতিকে গুৰুজনৰ ব্ৰাহ্মণ বিৰোধ ধাৰণা নিতান্তই গুৰুজনৰ চিন্তাৰ পৰিপন্থী আৰু অমূলক।

বিংশ শতিকাৰ চতুৰ্থ দশক মানৰ পৰা ব্ৰাহ্মণ আৰু সত্ৰসমূহৰ বিৰোধৰ এক জাগৰণ আৰম্ভ হ'ল। ব্ৰাহ্মণক শঙ্কৰদেৱৰ পৰা আঁতৰাই অনা অবাঞ্চনীয় প্ৰচেষ্টা আৰু সত্ৰসমূহৰ বান্ধোনৰ পৰা মুক্ত হৈ নিজস্ব অস্তিত্ব প্ৰতিপন্ন কৰাটোৱেই এই জাগৰণৰ এক উদ্দেশ্য। এই জাগৰণে প্ৰসাৰতা লাভ কৰিলে যদিও গুৰুজনৰ সাম্যবাদী ধৰ্ম দৰ্শনত আঘাট হানিলে। বৈষ্ণৱ সমাজ খণ্ডিত হ'ল। ফলত কিছু সৰু সৰু কথাই মূল বিষয়ক তল পেলালে। পিতৃ-মাতৃ হানি হ'লে চুলি খুৰাবনে, বিয়াত হোম যজ্ঞ কৰাসকলে বা কি কৰিব ইত্যাদি ইত্যাদি।

যিজন শঙ্কৰদেৱে এবাৰ দুবাৰ নহয় ছয়ছল্লিশবাৰ ভাৰত প্ৰশংসা কৰিছিল সেইজন মহাপুৰুষক আজিও ভাৰতবাসীয়ে শুদ্ধকৈ চিনি নোপোৱাটো কম পৰিতাপৰ কথা নহয়। যিসকলে চিনিচে চৈতন্যদেৱৰ অনুগামী ৰূপেহে চিনিচে। অসমীয়া জাতিক লজ্জানত কৰা কাৰণ ইয়াতকৈ কি হ'ব পাৰে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে, চৈতন্যদেৱৰ জন্ম ১৪৮৬ খ্ৰীষ্টাব্দ আৰু মহাপ্ৰয়াণ ১৫৩৫ খ্ৰীষ্টাব্দ। শঙ্কৰদেৱৰ প্ৰথম তীৰ্থযাত্ৰা ১৪৮১ খ্ৰীষ্টাব্দ, চৈতন্যদেৱৰ জন্মই হোৱা নাই। আকৌ দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণৰ কাল ১৫৫০ খ্ৰীষ্টাব্দ। ইয়াৰ বহু বছৰ আগেয়েই চৈতন্যদেৱৰ দেহাৱসান হয়। গতিকে শঙ্কৰদেৱে চৈতন্যদেৱক লগ পোৱা বা অনুগামী হোৱা কথাৰ কোনো ঐতিহাসিক সত্যতা নাই। বঙ্গৰ লিখকসকলেও এই কথা মানি লৈছে। গতিকে এচাম পাবত গজা পণ্ডিতে এনে অমূলক তথ্যৰে গুৰুজনক হেয় কৰিবলৈ চেষ্টা কৰিছিল।

অসমীয়া জাতিৰ জাতীয় হীনমন্যতা আৰু নিজৰ মাজত থকা খাম-খেয়ালীৰ বাবেই আমি গুৰুজনক বিশ্ববন্দিত কৰিব পৰা নাই। তথাপি ইয়াৰ মাজতে এচেৰেঙা পোহৰ অহাদি শঙ্কৰদেৱৰ বিশাল প্ৰতিভা নৃত্যং গীতং বাদ্যং ত্ৰয়ং শেহতীয়াকৈ বিদেশত প্ৰচাৰ হোৱাই নহয় বৰঞ্চ বিপুল জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে।

১৯৭৫ চনত ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমেদৰ লগত অসমৰ কমলাবাৰী সত্ৰৰ পৰমানন্দ বৰবায়ন, কমল গায়ন, ৰসেশ্বৰ শইকীয়া, বিজয়কৃষ্ণ গোস্বামী আদি যোল্লজনীয়া দলে ইন্দোনেচীয়াত ৰাম বিজয় ভাওনাৰ লগতে সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰি ভূয়সী প্ৰশংসা লাভকৰিবলৈ সক্ষম হৈছিল। বিদেশত হোৱা এই প্ৰচাৰৰ ফলশ্ৰুতিতে নাদিম ডেলপেচ নামৰ এগৰাকী ফৰাচী লোকে কেইবাবাৰো মাজুলী ভ্ৰমণ কৰি ফৰাচী ভাষাত এখন উপন্যাস (**দ্বীপীয় ভকতৰ নৃত্য**) আৰু এজন লোকে **"দি মাজুলী"** নামেৰে এখন

তথ্যচিত্রও মুকলি কৰে। এনে পৰিৱেশৰ মাজত ড° ভবানন্দ বৰবায়নকে মুখ্য কৰি কমলাবাৰীৰ ভকতসকলৰ লগত এইসকল ফৰাচী লোকৰ সম্পৰ্ক গাঢ় হৈ উঠাত ২০০৬ চনৰ জুলাই মাহত কমলাবাৰী সত্ৰ আৰু অন্যান্যসহ ১২ জন ভকত ড° ভবানন্দ বৰবায়নৰ নেতৃত্বত ফ্ৰান্স যাত্ৰা আৰম্ভ কৰি বিভিন্ন ঠাইত সত্ৰীয়া নৃত্য গীত প্ৰদৰ্শন কৰি ফৰাচী লোকৰ বিপুল সমৰ্থন আদায় কৰে। ফ্ৰান্সৰ বহু পুৰুষ নাৰীয়ে সত্ৰীয়া সঙ্গীত শিকিবলৈ আগ্ৰহ কৰাৰ বাবে ফ্ৰান্সত ড° ভবানন্দ বৰবায়নদেৰৰ নেতৃত্বত বিভিন্ন অনুশীলনৰ যোগেদি সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ দিবৰ বাবে কেইবাবাৰো পেৰিচ ভ্ৰমণ কৰিব লগা হয়। ফ্ৰান্সৰ উপৰিও ইউৰোপ, এচিয়াৰ ২০খন দেশৰ লগতে আমেৰিকাতো ড° ভবানন্দ বৰবায়নৰ নেতৃত্বত সত্ৰীয়া নৃত্য-গীতৰ প্ৰশিক্ষণ বিভিন্ন স্থানত চলি আছে। অৱশ্যে এইয়া এপাচি কচু শাকত এটি জালুকৰ দৰেহে হৈছে। তথাপি গুৰুজনক বিদেশত বন্দিত কৰা এই মহৎ প্ৰচেষ্টাৰ বাবে এই দলটি অসমবাসীৰ ধন্যবাদৰ পাত্ৰ।

ড° ভবানন্দ বৰবায়নদেৱে যুগুত কৰা এটি প্ৰৱন্ধৰ আত ধৰি আমাৰ এনে এটা ভাৱ আহিছে যে Sanskrit is a dead Language বুলি মন্তব্য দিয়া মহান ভাৰতীয়সকলৰ উত্তৰপুৰুষ এই বিষয়ত গৱেষণা কৰিবৰ বাবে জাৰ্মানীলৈ যাব লগীয়া হোৱা পৰিৱেশ সৃষ্টি হোৱাৰ দৰে হয়তো শঙ্কৰী সংস্কৃতিৰ ওপৰত গৱেষণা কৰিবলৈ আমাৰ উত্তৰপুৰুষসকল ফ্ৰান্সলৈ যাব লগা পৰিৱেশ সৃষ্টি হ'ব পৰাটো একো আচৰিত কথা নহ'ব। যিহেতু আমি গুৰুজনৰ সৃষ্ট বৃন্দাবনী বস্ত্ৰভাগ চাবলৈ ইচ্ছা কৰিলে লণ্ডন বা পেৰিচৰ যাদুঘৰলৈ যাব লাগে।

নৃত্য-গীতৰ বাদেও মহাপুৰুষজনৰ ধৰ্ম দৰ্শন আৰু বিশাল কৰ্মৰাজি বিদেশত প্ৰণালীবদ্ধভাৱে প্ৰসাৰিত হ'লে শঙ্কৰদেৱক জগতগুৰু আখ্যা দিয়া অভিধাটো সাৰ্থক হ'ব।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

(১) বিষয় শঙ্কৰদেৱ ঃ ড° নগেন শইকীয়া

(২) শ্ৰীমন্ত শঙ্কৰদেৱ সাহিত্য, কলা, দৰ্শন ঃ সম্পাদনা- ড° ধ্ৰুৱজ্যোতি নাথ

**(বি. দ্ৰ. ঃ অসম সাহিত্য সভাৰ নাৰায়ণপুৰ অধিবেশনৰ স্মৃতিগ্ৰন্থত প্ৰকাশিত)**

# শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ আৰু নাহৰআটী থানৰ ইতিহাস

প্ৰাচীন বৰনাৰায়ণপুৰ প্ৰাক শঙ্কৰী যুগৰ পৰাই ধৰ্ম, শিক্ষা, সংস্কৃতি আদিৰ বাবে বিখ্যাত আছিল। ইয়াৰ পৰিসীমা সম্পৰ্কে ভিন্নমত দেখা যায় যদিও বৰ্তমানৰ ধলপুৰ, নাৰায়ণপুৰ, খেৰাজখাট, বিহপুৰীয়া মৌজাৰ লগতে লালুক মৌজাৰ পশ্চিমাঞ্চললৈকে বিস্তৃত বুলি ধৰা হয়। এয়েই সেই পবিত্ৰ স্থান য'ত বাৰজন বৈষ্ণৱে জন্ম গ্ৰহণ কৰি পদৰেণুৰে ৰঞ্জিত কৰিছিল। এই বাৰজনৰ মাজৰে এজন মায়ামৰা সমাজৰ প্ৰতিষ্ঠাতা আদ্যগুৰু ভূঞাৰ পো অনিৰুদ্ধ যিজন শঙ্কৰ, মাধৱ, গোপালৰ শিষ্য হৈয়ো নিজস্ব বৈশিষ্টতাৰে বিশিষ্ট আছিল।

**বংশ পৰিচয় আৰু জন্ম ঃ**

মায়ামৰা সত্ৰাধিকাৰ উৎসবানন্দ আৰু চিদানন্দ দেৱে সুকীয়া সুকীয়া চৰিত পুথিত পূৰ্বজসকলৰ বিস্তৃত বিৱৰণ দিছে যদিও অনিৰুদ্ধদেৱে পঞ্চমস্কন্ধ ভাগৱতৰ ভাঙনি কৰোতে দিয়া কবি পৰিচয় এনে ধৰণৰ—

(ক) উপৰিপুৰুষ ঃ মহীপাল

↓

গঙ্গানৰগিৰি

↓

গোন্দাগিৰি বা গোবিন্দগিৰি

↓

হৰকণ্ঠ অনিৰুদ্ধ

(খ) জন্মস্থান ঃ ধলপুৰৰ দকুৱা অঞ্চলৰ বিষ্ণু বালিকুঞ্চি গ্ৰাম

(গ) পিতৃ ঃ গোবিন্দগিৰি

মাতৃ ঃ আজলী (শঙ্কৰদেৱৰ খুড়াকৰ জীয়েক)

পিতৃদত্ত নাম ঃ হৰকণ্ঠ

জন্মৰ চন তাৰিখ ঃ চৰিত পুথিৰ ভাষাৰে

চন্দ্ৰ বেদ ঘোৰা বান শকে জন্ম ভৈলা তান
পঞ্চাদশ দিনে বৈশাগত
শুকুলা নৱমী তিথি সৰ্ব শুভ গ্ৰহ দৃষ্টি
গুৰুবাৰে ভৈলন্ত বেকত।।

চন্দ্ৰ-১, বেদ- ৪, ঘোৰা-৭, বান- ৫

অৰ্থাৎ ১৪৭৫ শক, বহাগ মাহৰ ১৫ তাৰিখ, ইং ১৫৫৩ খ্ৰীষ্টাব্দ

সেই সময়ত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰ অঞ্চলত ভূঞাসকলে জমিদাৰ হৈ ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য পাতি শাসন কৰিছিল। অনিৰুদ্ধৰ পূৰ্বপুৰুষ মহীপালেও পঞ্চপুৰৰ (কলংপুৰ, নাৰায়ণপুৰ, ঢলপুৰ, গহপুৰ আৰু বিহপুৰ) অধিপতি আছিল। চুহুংমুং ৰজাই ভূঞাসকলক দমন কৰি তেওঁলোকৰ ৰাজ্য উৎখাত কৰিছিল। মহীপালকো জমিদাৰী আঁতাৰাই গোমোস্তা উপাধিৰে ৰাজকৰ্মচাৰী পাতিছিল।

**বিষ্ণু বালিকুঞ্চি নামেই যাৰ পৰিচয় ঃ** বাৰ বৈষ্ণৱৰ স্থান হ'লেও সেই সময়ত বৰনাৰায়ণপুৰত তান্ত্ৰিক শাক্ত হিন্দু

**উৎসৱানন্দদেৱৰ মতে শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ বংশাৱলী**

পৰম ব্ৰহ্মগিৰি
↓
হৰিবৰগিৰি
↓
মহীপাল
↓
বৃহদলপতি | নন্দীদলৈ | গঙ্গানৰগিৰি

গঙ্গানৰগিৰি
↓
গোবিন্দগিৰি
↓
অনিৰুদ্ধ | মোহনমুৰাৰী | নিৰঞ্জনদেৱ | ৰূপনাৰায়ণ | বাল্মিকীদেৱ

**চিদানন্দদেৱৰ মতে শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ বংশাৱলী**

যদুবংশী
↓
শশবিন্দু
↓
ভগদত্ত
↓
ৰামবৰ | হৰিবৰ

ৰামবৰ
↓
মহীপাল
↓
বৃহদ্দলপতি | নন্দীদলৈ | গঙ্গানৰগিৰি

গঙ্গানৰগিৰি
↓
গোণ্ডাগিৰি
↓
শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ

ধৰ্মৰহে পাদুৰ্ভাৱ আছিল। পেটুৱা গোসাঞিৰ থান, বৰ কালিকা থান, মাঘনোৱা দৌল আদি তাৰ প্ৰমাণ। বিশাল বালিচৰৰ মাজত এমুঠি বালিৰ দৰে অনিৰুদ্ধদেৱে পূৰ্বপুৰুষসকল শাক্তলোকে ভৰি থকা ঠাইত বৈষ্ণৱ হৈ বৰ্তি আছিল। সেইবাবে এই স্থানৰ নাম বিষ্ণু বালিকুঞ্চি হৈছিল।

ব্ৰাহ্মণ, কায়স্থ আদি লোকসকলৰ বাসভূমি হোৱাৰ বাবে ধলপুৰ অঞ্চলত কেইবাখনো ছত্ৰশাল গঢ়ি উঠিছিল। তাৰে কন্দলী উপাধিধাৰী এজন লোকৰ ছত্ৰশালত অধ্যয়ন কৰি হৰকন্ঠ পণ্ডিত হৈ পৰিছিল। তথাপি আধ্যাত্মিক গুৰুৰ ছত্ৰছায়াৰ অবিহনে ভক্তি মুক্তি দাতা আন নাই এই কথা উপলব্ধি কৰি এজন আধ্যাত্মিক গুৰুৰ

সন্ধান কৰিলে। ইতিমধ্যে শঙ্কৰ, মাধৱ দুয়োজন গুৰুৰ মহাপ্ৰয়াণ ঘটিছে। ভৱানীপুৰত গোপাল আতা নামৰ এজন গুৰুৱে ভক্তি ধৰ্ম বিলোৱাৰ কথা জানি হৰকণ্ঠই সেইজন গুৰুৱেই উপযুক্ত হ'ব বুলি উপলব্ধি কৰি গোপালদেৱৰ কালঝাৰ সত্ৰলৈ ৰাওনা হ'ল। ৩ বছৰ ৬ মাহ কাল গুৰুৰ পাশত থাকি (১৫৯৭-১৬০০) গুৰুৰ পৰা ধৰ্মজ্ঞান আৰু পাৰমাৰ্থিক জ্ঞান লাভ কৰাৰ অন্তত গোপালদেৱে তেওঁক গুৰু প্ৰদত্ত নাম "অনিৰুদ্ধ" নাম দি সেই নামৰ যথাৰ্থতা ৰক্ষা কৰিবলৈ পৰামৰ্শ দি উজনীত ধৰ্ম প্ৰচাৰৰ বাবে ধৰ্মাচাৰ্য নিয়োগ কৰিলে। অনিৰুদ্ধেদেৱেও গুৰুবাক্যৰ যথাৰ্থতা ৰক্ষা কৰি অধিক বিপ্লৱী মনোবৃত্তিৰে প্ৰচাৰ কাৰ্যত লিপ্ত হৈছিল।

শঙ্কৰ মাধৱৰ বৈকুণ্ঠিৰ পিছত অসমত বৈষ্ণৱ মাৰ্গত অনেক বিভ্ৰান্তিৰ সৃষ্টি হ'ল। ফলস্বৰূপে চাৰি সংহতিৰ বিভাজন ঘটিল। এই সংহতি বিভাজনত শঙ্কৰদেৱৰ নাতিবোৱাৰী কনকলতা আইয়ে গুৰু ভূমিকা গ্ৰহণ কৰিছিল। গোপালদেৱেও কাল সংহতি নামেৰে চতুৰ্থ সংহতি সৃষ্টি কৰিলে। এই সংহতিৰ নীতি আদৰ্শ বাকীকেইটা সংহতিতকৈ কিছু বেলেগ হ'ল। অৰ্থাৎ এই সংহতি এক দেৱ, এক সেৱৰ ক্ষেত্ৰত আপোচবিহীন বিপ্লৱী সংগঠনৰূপে স্বীকৃত হ'ল। তাৰোপৰি তেওঁৰ বাৰজন ধৰ্মাচাৰ্যক মূল ধৰ্মমত একেই ৰাখি, সমাজ জীৱনত ইচ্ছা অনুসৰি নীতি-নিয়ম প্ৰৱৰ্তনৰ স্বাধীনতা দিলে। তাৰেই সুযোগ লৈ অনিৰুদ্ধদেৱে অধিক বিপ্লৱী মনোবৃত্তিৰে ইতিমধ্যে উল্লেখ কৰা ধৰণে নিজস্ব বৈশিষ্ট্যৰে বিশিষ্ট হৈ পৰিল।

**সত্ৰ স্থাপন ঃ** চৰিত পুথিৰ বৰ্ণনা অনুসৰি অনিৰুদ্ধদেৱে জন্মস্থান বিষ্ণু বালিকুঞ্চিতে নামঘৰ মণিকূট স্থাপন কৰি ১৬০০ খ্ৰীষ্টাব্দত মাঘ মাহৰ ২৫ তাৰিখে প্ৰথম ধৰ্ম প্ৰচাৰৰ খোজ পেলাই অশৰণীয়া পিতৃ-মাতৃক শৰণ দিলে। লগতে ধেলি নামৰ এজন মুছলমান লোককো শৰণ দি বৰা উপাধি প্ৰদান কৰিলে। সেই সময়ত বসবাস কৰা কৈৱৰ্ত্ত, মটক, চুতীয়া আদি অন্যান্য ধৰ্মাচাৰ্য সকলৰ অৱহেলিত লোকসকলে শৰণ ল'লেহি।

**মাজুলীত সত্ৰ স্থাপন ঃ** ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ ডীন ড° সৃষ্টিধৰ দত্তই তেখেতৰ গৱেষণা পুথিত মাজুলীত সত্ৰ পতাৰ বিৱৰণ দিছে। 'During the 1st half of 17th century a new development took place in upper Assam : Aniruddhadev (1553-1626 AD) a disple of Gopal Ata established a new Satra in Majuli island on the bank of the pond called *Moamari Bil* on the extreme western part of the island and began to peach among the fishing Community (Kaivarta) in habiting there'

**মায়ামৰা, মোৱামৰীয়া ঃ** চৰিত পুথিত উল্লেখ নাথাকিলেও দত্তদেৱৰ বক্তব্যৰ গ্ৰহণীয়তা আছে যিহেতু অনিৰুদ্ধদেৱৰ শিষ্যসকলক মোৱামৰীয়াহে বোলা হৈছিল। কিতাপে পত্ৰই আনকি বুৰঞ্জীতো মোৱামৰীয়া নামহে আছে। চিদানন্দদেৱে ১৯৩৩ চনত চৰিত পুথি প্ৰণয়ন কৰি তাত "মায়ামৰা" নামকৰণ কৰাৰ পিচতহে এই নামটো প্ৰচাৰ হৈছে। গতিকে মাজুলী মোৱামৰা বিলৰ পাৰত সত্ৰ পতাতো অমূলক নহয়। আনহাতে চিদানন্দদেৱে "মায়ামৰা" নামৰ উৎপত্তিৰ এটি সৰস যুক্তি দিছে। "খোৱাৰজাই অনিৰুদ্ধদেৱৰ মহত্বৰ প্ৰমাণ চাবলৈ এটা মাটি কলহৰ ভিতৰত পাগুৰি ভৰাই ইয়াত কি আছে ক'বলৈ দিয়াত অনিৰুদ্ধদেৱে কালসৰ্প আছে বুলি ক'লে। সঁচাকৈয়ে তাৰ পৰা এটা ফেটিসাপ ওলাই আহিল। ৰজাৰ অনুৰোধত মায়াসৰ্প নিবাৰণ হ'ল আৰু তেতিয়াৰ পৰা মায়ামৰা নাম পালে। কাহিনীটো মায়ামৰা সকলৰ মুখে মুখে যদিও ই ইতিহাসসিদ্ধ নহয়।

আনজন চৰিতকাৰ উৎসৱানন্দ গোস্বামীয়ে এটি গ্ৰহণযোগ্য বৰ্ণনা দিছে।

উত্তৰ হাটীৰ সমীপতে আছে বিল।
তাতে সৰে মোৱা মাছ বঞ্চে অবিকল।।

সেহি হ্রদ কোলে ভৈলা সত্র বিচক্ষণ।
এতেকেসে মোৰামৰা বোলয় বচন।।

আকৌ মায়ামৰা নামৰ ক্ষেত্রত-

আৰ যিটো আনে লৈল শৰণ ভজন।
মায়াপাশ ভকতৰ হোৱে নিবাৰণ।।
সিকাৰণে মায়ামৰা বোলয় নৃপগণ।।

উৎসৱানন্দ দেৱৰ যুক্তি সমৰ্থন কৰি বেণুধৰ শৰ্মাদেৱে মোখনি মাৰিছে- "মোৰামৰা বিলৰ কানত থকা সত্ৰৰ নাম মোৰামৰা আৰু তাৰ মানুহখিনি মোৰামৰীয়া- এইটো লৌকিক স্থানবাচক আৰু মায়ামৰা নামকৰণ অলৌকিক গুণবাচক"। (১৯৬৮ চনত তিনিচুকীয়াত মটক সন্মিলনত দিয়া ঐতিহাসিক ভাষণ)।

অৱশ্যে দত্তদেৱে উল্লেখ কৰা মাজুলী সেই সময়ত নদী দ্বীপ নাছিল। যোল শ শতিকাৰ আগৰ পৰা দিহিং আৰু ব্ৰহ্মপুত্ৰৰ মাজৰ V আকৃতিৰ উপদ্বীপটোক মাজুলী বোলা হৈছিল। সেই সময়ত ব্ৰহ্মপুত্ৰ নদী মাজুলীৰ উত্তৰে বৰ্তমানৰ লুইত আৰু খেৰকটীয়া সুঁতিয়েদি বৈছিল আৰু মাজুলীৰ দক্ষিণ ফালেদি প্ৰবাহিত হৈ আছিল দিহিং আৰু কপিলী। ১৬৯১ খ্ৰীষ্টাব্দত গদাধৰ সিংহৰ ৰাজত্বকালত এটা ডাঙৰ বানপানী হোৱাত ব্ৰহ্মপুত্ৰই গতি সলাই দিহিঙৰ লগত মিলিত হোৱাৰ বাবেই বৰ্তমানৰ মাজুলী নদী দ্বীপ সৃষ্টি হ'ল বুলি ঠাৱৰ কৰা হৈছে। (মাজুলী গ্ৰন্থৰ সহায় লৈ)

**নাহৰআটী সত্ৰ স্থাপন ঃ** চৰিত পুথিৰ মতে বিষ্ণু বালিকুঞ্চিৰ পৰা ১৬০৬ খ্ৰীষ্টাব্দত ডফলাৰ উপদ্ৰৱত থাকিব নোৱাৰি বৰ্তমান ডিক্ৰুঙৰ পূব পাৰে বালিকুঞ্চিৰ পৰা ২৫ কিঃমিঃ নিলগলৈ সত্ৰ স্থানান্তৰ কৰা হয়। আনহাতে দত্তদেৱে মাজুলীৰ পৰাহে উত্তৰ পাৰলৈ সত্ৰ স্থানান্তৰ কৰা হয় বুলি উল্লেখ কৰিছে।

ভূঞাসকলক দমন কৰাৰ পিচত বৰ্তমান বিহপুৰীয়াৰ পৰা কন্দলী হৈ ইতিমধ্যে বেদখলকাৰীৰ দ্বাৰা নিঃচিহ্ন হোৱা পাভ ৰিজাৰ্ভলৈকে (য'ত মটক ভেটি আজিও বিদ্যমান) দিহিঙীয়া ৰজাই মটক, আহোম আদি লোকক বহুৱাইছিলহি। অনিৰুদ্ধদেৱে এই ঠাইখণ্ডতে নিৰাপদ স্থল হ'ব বুলি অনুভৱ কৰি বৰ্তমান নাহৰআটী থান অৱস্থিত স্থানলৈ সত্ৰ স্থানান্তৰিত কৰে। বিহপুৰীয়াৰ পৰা সেই ঠাইলৈ স্থলভাগ অভিন্ন আছিল কাৰণ ডিক্ৰুং নদীখন বৰ্তমান বৈ থকা ঠাইত নাছিল। নাৰায়ণপুৰৰ কাষেদি বৈ গৈছিল। ১৮৯৬ চনৰ পৰাহে ডিক্ৰুঙে গতি সলাই যেনিতেনি বৈ গৈছিল। বৰ্তমান নাহৰআটী থানৰ পূবত থকা মৰণৈখনো সেই সময়ত বৈ যোৱা ডিক্ৰুংহে।

চাৰিওফালে ওখকৈ চাৰি ঢাপ মাৰি শাৰী শাৰীকৈ কাৰোবাৰ মতে ৫০০ জোপা, কাৰোবাৰ মতে ৮০০ জোপা নাহৰগছ ৰোপণ কৰা হ'ল। তাৰ মাজত নামঘৰ, মণিকূট, চাৰি হাটী নিৰ্মাণ কৰাই সুন্দৰকৈ পথ বনোৱাৰো ব্যৱস্থা হ'ল। সত্ৰৰ ভিতৰত দক্ষিণ পশ্চিমত আৰু উত্তৰ দিশত তিনিটা পুখুৰী খন্দা হ'ল। পুখুৰীৰ পাৰতো নাহৰ পুলি ৰুই এটা সুন্দৰ প্ৰাকৃতিক পৰিৱেশ সৃষ্টি কৰা হ'ল। পুখুৰীত নাগ মাৰিৰ তলৰ তাম্ৰপত্ৰত ৰহ ঢালি পানী নুশুকোৱাৰ ব্যৱস্থা কৰা হ'ল। তাৰোপৰি ৩০ ফুট বহল আৰু ওখকৈ ঢাপ মাৰি প্ৰায় ১৬ বিঘা মাটিৰ এটি পুখুৰী খন্দাইছিল যিটো বৰ্তমানেও আধা খন্দা অৱস্থাত ৰ'ল।

এইদৰে সুন্দৰ প্ৰাকৃতিক পৰিৱেশত সত্ৰভাগ নিৰ্মাণ কৰাই ১৫২৮ শকৰ আঘোন মাহৰ এটা শুভ দিনত সত্ৰ ভাগ আনুষ্ঠানিক ভাৱে মুকলি কৰা হ'ল। নাহৰ গছেৰে পৰিবৃত্ত হোৱাৰ বাবে নামকৰণ কৰা হ'ল নাহৰআটী সত্ৰ।

এই নাহৰআটী সত্ৰই আদ্যগুৰুজনৰ ধৰ্মক্ষেত্ৰ, কৰ্মক্ষেত্ৰ আৰু সমাধিক্ষেত্ৰলৈ পৰিবৰ্তিত হ'ল। নাহৰআটীত থকা ২০ বছৰ কালত ধৰ্মাচাৰ্যজনে ১০ হেজাৰ লোকক শৰণ, ভজন দিয়াৰ উপৰিও তেৰাৰ সাহিত্য চৰ্চাই ইয়াত পূৰ্ণৰূপ পালে।

**সাহিত্য সম্ভাৰসমূহ ঃ** (১) মাধৱদেৱৰ নামঘোষাৰ আৰ্হিৰে গীতা, পদ্মপুৰাণ, নাৰদীয় পুৰাণ আদি শ্লোক ভাঙি ৮০৫ টি ঘোষাৰে এখনি অমূল্য পুথি ৰচনা, যাক মায়ামৰাসকলে ভাগৱত আখ্যা দিয়ে। নামকৰণ হ'ল "ভক্তি মঙ্গল ঘোষা"।

(২) ভাগৱতৰ চতুৰ্থ স্কন্ধৰ ২৫-৩১ লৈকে পুৰঞ্জন উপাখ্যান ভাঙনি।

(৩) পঞ্চম স্কন্ধ ভাগৱতৰ প্ৰাঞ্জল ভাঙনি।

(৪) ১৮২ ভাগ গীতেৰে এভাগী ভক্তিমূলক গীত শাস্ত্ৰ।

(৫) নিজ শাস্ত্ৰ (গদ্য ৰূপত)

ইয়াৰে নিজ শাস্ত্ৰৰ বাদে বাকীসমূহ ছপা হৈ ওলাইছে। গোপালদেৱে এভাগী গোপনীয় শাস্ত্ৰ প্ৰণয়ন কৰিবলৈ দিয়া দিহা অনুসৰি অনিৰুদ্ধদেৱে জীৱনৰ বিয়লি বেলাত সেই সময়ৰ শাস্ত্ৰ প্ৰণয়নৰ ধাৰা পদ ছন্দৰ বিপৰীতে গদ্য ছন্দত প্ৰণয়ন কৰে। এই শাস্ত্ৰভাগ পাৰমাৰ্থিক তত্ব লোৱা সকলেহে অতি গোপনে পাঠ কৰিবলৈ দঢ়াই দঢ়াই গুৰুজনে কৈ গৈছে বুলি পৰৱৰ্তী সত্ৰাধিকাৰ সকলে সদৰি কৰে। গতিকে এই শাস্ত্ৰ অ-মায়ামৰাতো বাদেই মায়ামৰা সকলৰো উচ্চ পৰ্যায়ৰ ভকতেহে এই শাস্ত্ৰ দেখা আৰু শুনাৰ অধিকাৰ লাভ কৰে। বছৰত এবাৰ মাঘ বা ফাগুন মাহৰ ৰাতি এভাগ সেৱা পাতি এই শাস্ত্ৰ সত্ৰাধিকাৰসকলে নিৰ্বাচিত কৰি থোৱা পাঠকেহে পাঠ কৰাৰ অনুমতি আছে। পাৰমাৰ্থিক তত্বপূৰ্ণ শাস্ত্ৰভাগ যাতে অশৰণীয়া সকলৰ হাতত পৰি মৰ্যদা হেৰুৱাব লগা নহয় তাৰ বাবেই বোধহয় এই ব্যৱস্থা। ড° ডম্বৰুধৰ নাথ, ড° বীৰেন্দ্ৰনাথ গোঁহায়ে ইয়াৰ এটা আভাষ দিছে।

শৰণ, যুগধৰ্ম, নিষ্কাম ভকতি, জ্ঞান, বিজ্ঞান তদং, ৰহস্য, ন-বিধ ভক্তি, মায়া, ভকতৰ শ্ৰেণী, ভক্তি ব্যভিচাৰ আদি বিভিন্ন পাৰমাৰ্থিক তত্বমূলক বিষয় মূল শ্লোকৰ উদ্ধৃতিৰে সংস্কৃত আৰু অসমীয়া দুয়োটা ভাষা ব্যৱহাৰ কৰি গদ্যত প্ৰকাশ কৰা এইখন ব্যতিক্ৰমী গ্ৰন্থ।

১৬২৬ খ্ৰীষ্টাব্দত পুহ মাহৰ ১১ তাৰিখে মায়ামৰাসকলৰ আদ্যগুৰুজনে বৰ্ণাঢ্য জীৱনৰ সামৰণি পেলাই নৰনাট সামৰে। পিতৃৰ ইচ্ছানুসৰি বৰপুত্ৰ কৃষ্ণদেৱে ধৰ্মাচাৰ্য হৈ তিনি বছৰ থকাৰ পিছত অসুবিধা পাই পূৰ্বে অনিৰুদ্ধদেৱে সত্ৰৰ বাবে খুটি পুতি নিৰ্বাচিত কৰি অহা দিহিঙৰ পাৰলৈ সত্ৰভাগ স্থানান্তৰিত কৰে। নাম দিয়া হ'ল খুতিয়াপোতা সত্ৰ। এই খুটিয়াপোতা সত্ৰই চূড়ান্ত উৎখানৰ লগে লগে বেলি মাৰ যোৱাৰো সাক্ষ্য বহন কৰিছে।

**নাহৰআটী থান (১৬২৯) ঃ** সত্ৰ ভাগ দক্ষিণ পাৰলৈ উঠাই নিয়াৰ পিচতেই নাহৰআটী সত্ৰৰ পৰিচয় হেৰাই গ'ল। ইয়াতেই অনিৰুদ্ধদেৱৰ সমাধিৰ লগতে একালৰ প্ৰিয়সখী পৰৱৰ্তী সময়ত বৈৰী বৰ যদুমনিদেৱৰো বিশেষ পৰিস্থিতিত সমাধিস্থ কৰা হৈছিল। সেয়েহে এই স্থান সত্ৰৰ পৰা থানলৈ পৰিবৰ্তিত হ'ল যদিও বিষ্ণু বালিকুঞ্চিৰ দৰে একেই অৱস্থা প্ৰাপ্ত হ'ল। হাবি জংঘলেৰে পৰিপূৰ্ণ হৈ বনৰীয়া জীৱ জন্তুৰ আবাসস্থল হ'লগৈ। তাৰ মাজতে কেইজনমান সেৱকে অশেষ কষ্ট কৰি হাবিৰ মাজেদি লুংলুঙীয়া বাট উলিয়াই গুৰুজনৰ সমাধিত চাকি বন্তি দি থাকিল। দূৰণিৰ পৰা অহা সেৱক সকলেও ভয়ে ভয়ে সেৱা কৰি লগত অনা দ্ৰব্যবস্তু ভালেখিনি আঁতৰত মুকলি ঠাইত গ্ৰহণ কৰে। এইদৰে সুদীৰ্ঘ ৩০০ বছৰ অতিক্ৰম কৰিলে।

অৱশ্যে এই পৰিস্থিতি উদ্ভৱৰ কাৰণো নথকা নহয়। এক দেউ, এক সেৱ, এক বিনে নাই কেউ মন্ত্ৰত দীক্ষিত হৈ নামঘৰ পাতি মাহ প্ৰসাদ খাই এটা সহজ সৰল জীৱন যাপন কৰা মায়ামৰাসকলে "মৰি যাওঁ মৰি যাওঁ

গুৰুৰ ঋণ সুজি যাওঁ” ধ্বনিৰে নিজৰ বঙহ আহোম স্বৰ্গদেউৰ বিৰুদ্ধে অস্ত্র ধৰি ৩৭ বছৰ কাল মৰণ পণ সংগ্ৰাম কৰিব লগা হ'ল। লাখ লাখ শিষ্যৰে সৈতে চূড়ান্ত শিখৰত উপনীত হোৱা খুটিয়াপোতা সত্র উছন্ন হ'ল। ধৰ্মাধিকাৰ হ'বলৈ কোনো জীয়াই নাথাকিল। ৮ লাখ মায়ামৰাই নিজৰ জীৱন হেৰুৱাব লগা হ'ল। জীয়াই থকাসকলো পৰ্বতে পাষণ্ডে পলাই থাকি কোনোমতে প্ৰাণটো বচাই ৰাখিলে। মায়ামৰা সত্ৰসমূহৰ অনিৰুদ্ধদেৱৰ বংশধৰ সকলো নিপাত হ'ল। গতিকে ধৰ্মাসন শূণ্য হোৱাৰ বাবে বাচি থকা সেৱকসকলে গুৰুবিহীন হৈ দিক্‌বিদিক অন্ধকাৰ দেখিলে যিহেতু তেওঁলোকৰ সমাজখনৰ মূল চালিকা শক্তি গুৰুসকলেই। তেওঁলোকে গুৰুক সাক্ষাৎ ভগৱান বুলি ভাৱে।

গুৰুবিহীন হোৱা যান্ত্ৰণাৰ উপশম ঘটাবলৈ আগবাঢ়ি আহিল আউনীআটীয় সত্ৰাধিকাৰ প্ৰাণহৰিদেৱে। তেওঁলোকক এজন সত্ৰাধিকাৰ দি শান্ত কৰিবৰ বাবে সত্ৰাধিকাৰ গৰাকীয়ে ৰজা গৌৰীনাথ সিংহক আহ্বান জনালে। ৰজাদেৱেও সঁহাৰি জনাই উত্তৰাধিকাৰী এজন বিচাৰিবলৈ কোৱাত নগা পাহাৰত লুকাই থকা পীতাম্বৰদেৱক বিচাৰি পোৱা হ'ল। মণিৰাম দেৱানৰ বুৰঞ্জী বিবেক ৰত্নৰ মতে “পীতাম্বৰদেৱ অনিৰুদ্ধদেৱৰ ভাতৃৰ জীয়াৰী ফালৰ নাতি। তেওঁকেই ধৰ্মাসনত বহুৱাই ৰজাই মাজুলীৰ অগ্নি চাপৰিত সত্র পাতি দিয়ে। এই সত্ৰভাগ শেষত চাবুৱাৰ দিনজান নদীৰ পাৰত দিনজয় সত্র নামে প্ৰতিষ্ঠিত হোৱাত তাৰ পৰাই পুলি পোখা মেলি বৰ্তমান বাৰখনমান সত্র হৈছেগৈ।

১৯৩৩ চনত এই সত্ৰৰ অধিকাৰ চিদানন্দদেৱে প্ৰণয়ন কৰি যোৱা চৰিত পুথিভাগ অষ্টাদশ অধিকাৰ হৃদয়ানন্দই ছপা কৰি দিয়াত পুনৰ মায়ামৰা ভকতসকলৰ মাজত নতুন জাগৰণ আহিল। ইয়াতে সন্তোষিত হৈ সত্ৰাধিকাৰজনে অনিৰুদ্ধদেৱৰ জন্ম আৰু সমাধিস্থান বিচাৰি বড়িগাঁও নামঘৰ পালেহি। ইয়াতেই তেখেতৰ মৃত্যু হোৱাত বৰপুত্ৰ বৈষ্ণৱানন্দক স্থানীয় ৰাইজে জন্মস্থানতে ১৪ বিঘা মাটিৰে সত্র নিৰ্মাণ কৰি দিয়াত সুদীঘ ৩২৯ বছৰৰ মূৰত বিষ্ণু বালিকুঞ্চিয়ে প্ৰাণ পালে। লগে লগে নাহৰআটী থানেও নতুন জীৱন পালে। সত্ৰলৈ অহা ভক্তগন থানলৈও অহাত থানভাগৰ পৰিবৰ্তন আহিল।

১৯৩৫ চনৰ পিচত থানৰ নামত এটি সৰু নামঘৰ আৰু গুৰুৰ আসন প্ৰতিষ্ঠা কৰা হ'ল। অনিৰুদ্ধদেৱৰ সমাধিক্ষেত্ৰ বেড়ি তাতে চাকি বন্তি জ্বলোৱাৰ ব্যৱস্থা হ'ল যদিও চাৰিওফালে কেৱল নাহৰ গছৰ মাজত অলপ মান মুকলি ঠাই। বৰ্তমান দুলিয়াজানৰ টিলিঙা মন্দিৰত শ শ টিলিঙা অঁৰাৰ নিচিনাকৈ থান ভাগতে নাহৰ গছৰ পাতবোৰত শ শ ৰূপৰ ফুল গুজি থোৱা দেখিবলৈ পোৱা গৈছিল। তাৰ এপাহ ফুলো কোনেও নিনিয়ে। দূৰ-দূৰণিৰ ভক্ত সকলে মনোকামনা সিদ্ধিৰ উদ্দেশ্যে এই ৰূপৰ ফুলবোৰ আগবঢ়াই কিন্তু সংৰক্ষণৰ ব্যৱস্থা নথকাত নাহৰ গছতি গুজি থৈ যায়। আমি ৭০ দশকৰ শেষৰফালে থান চাবলৈ গৈ সেই দৃশ্যই প্ৰত্যক্ষ কৰিছিলো। নাহৰ গছৰ মাজেদি এটা সৰু ৰাষ্টাই থানলৈ যাব লাগিছিল।

অৱশ্যে ১৯৬৫ চনত থান সংৰক্ষণ কমিটি গঠন হোৱাত থানভাগে আধুনিকতাৰ পৰশ পালে। দ্বিতীয়খন কমিটি থান উন্নয়ন কমিটি। ১৯৮৬ চনৰ ৯ মাৰ্চৰ পৰা দুয়োখন কমিটি একত্ৰিত কৰি শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ থান উন্নয়ন কমিটি নাম দি উক্ত কমিটিখনে থানভাগ উন্নতিৰ অৰ্থে সৰ্বতো প্ৰকাৰ চেষ্টা অব্যাহত ৰাখিছে। বৰ্তমান থানভাগ চৰকাৰী অনুদান লাভ কৰি এখন জাকতজিলিকা থানলৈ পৰিবৰ্তিত হৈছে। মাঘ মাহৰ পৰা বহাগ মাহলৈ উজনী অসমৰ ১৩ খন জিলাৰ অনেক ভক্ত থানলৈ আহে।

বৰ্তমান থানত ২ ভাগ নামঘৰ আৰু মণিকূট, আলহী ঘৰ, বাটচ'ৰা আদিয়ে শোভা বৰ্দ্ধন কৰিছে। তাৰোপৰি ভক্ত সকলৰ সিদ্ধান্ন গ্ৰহণৰ বাবেও ভালেকেইটা সৰু সৰু গৃহ নিৰ্মাণ কৰা হৈছে। আদ্যগুৰুজনৰ সমাধিভাগ প্ৰায়

১ কঠা মাটি পকী বেৰ দিয়া হৈছে। উক্ত স্থানলৈ কেৱল আধ্যাত্মিক ভাৱাপন্ন ভকতসকলহে যাব পাৰে। যাত্ৰীসকলে সন্মুখতে চাকি বন্তি দিয়াৰ ব্যৱস্থা আছে। অনিৰুদ্ধদেৱৰ সমাধিৰ ভৰিৰ ফালে বৰযদুমনিদেৱৰ সমাধিও নিৰ্মাণ কৰা হৈছে।

তাৰোপৰি থানৰ ১৩ বিঘা মাটি এখন হাইস্কুল পতাৰ বাবে দান কৰা হৈছে। উক্ত ভূমিত বৰ্তমান এখন চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় গঢ়ি উঠিছে। থান ভাগ বৰ্তমান মায়ামৰা সকলৰেই নহয় বৰঞ্চ অ-মায়ামৰা সকলেও থানখনলৈ সেৱাৰ দ্ৰব্য আগবঢ়াই।

থানভাগ এখন জাকতজিলিকা থানত পৰিণত হওক, এয়াই আমাৰ কামনা।

**প্ৰবন্ধ লিখকৰ ইতিমধ্যে প্ৰকাশিত পুথি ঃ** শ্ৰীশ্ৰী গোপালদেৱ, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ সাম্যবাদী ধৰ্মাদৰ্শ আৰু মায়ামৰা বৈষ্ণৱ সমাজ।

# ধৰ্ম, বিজ্ঞান আৰু সমাজ ব্যৱস্থা

ধৰ্ম আৰু বিজ্ঞান মানৱ সমাজৰ বাবে দুয়োটাই অপৰিহাৰ্য। ধৰ্মই সৎ আৰু শৃংখলাবদ্ধ তথা আধ্যাত্মিক চিন্তা-চৰ্চাৰে পৰিপুষ্ট জীৱন কটাবৰ বাবে পথ নিৰ্দেশনা দিয়ে য'ত দয়া, ক্ষমা আদি মানৱীয় গুণবোৰ অন্তৰ্নিহিত হৈ থাকে। আনহাতে বিজ্ঞানে নিত্য নতুন আৱিস্কাৰেৰে যুগৰ লগত খাপ খুৱাই এটা উন্নত যুক্তিনিষ্ঠ মানবিশিষ্ট মন লৈ জীৱন নিৰ্বাহ কৰাৰ সকলো সুবিধা আগবঢ়ায়। ধৰ্ম অনাদি কালৰ পৰা প্ৰৱাহমান, বিজ্ঞানৰ জয়যাত্ৰা বহুদিনীয়া নহয়। যোল্ল শতিকাৰ পৰা সামান্য ভাৱে আগবাঢ়ি বৰ্তমান চূড়ান্ত শিখৰত অৱস্থান কৰিছে। অৱশ্যে প্ৰাচীন বৈদিক যুগত বিশেষকৈ ঋক্ বেদত পদাৰ্থ বিজ্ঞান আৰু জ্যোৰ্তিবিজ্ঞানৰ সমল পোৱা যায়। যদিও সেইয়া আধুনিক বিজ্ঞানৰ সংজ্ঞাৰ আওতাত নপৰে।

দেখাত ধৰ্ম আৰু বিজ্ঞানৰ এখন শীতল যুদ্ধ চলি থকা যেন লাগে। কাৰণ বিজ্ঞানীসকলৰ বহুতৰ মতে ধৰ্মৰ আওপুৰণি চিন্তা-চৰ্চা আৰু ভেদাভেদে সমাজ ব্যৱস্থাত গতিশীলতা অনাৰ পৰিবৰ্তে ক্ষতি সাধন কৰিছে। সেয়হে প্ৰায়সকল বিজ্ঞানীয়ে প্ৰকাশ্যে ধৰ্মীয় মতবাদ আৰু দৰ্শনসমূহ নস্যাৎ কৰি ঈশ্বৰ নামানে বুলি মতামত দি ধৰ্মীয় উপাসনাস্থলীসমূহ সততে বৰ্জন কৰি চলে। আনহাতে ধৰ্মীয় দৰ্শনৰ প্ৰৱক্তাসকলৰ বক্তব্য "বিজ্ঞানে মানৱজাতিক আধ্যাত্মিক দৰ্শন অৰ্থাৎ ঈশ্বৰমুখী হোৱা দিশটোৰ পৰা আঁতৰাই আনি সম্পূৰ্ণৰূপে ভোগবাদী আৰু বস্তুবাদী কৰি পেলাইছে যাৰ ফলত মানুহে সামাজিক অপৰাধ কৰিবলৈ কুণ্ঠাবোধ নকৰা হৈছে।"

অৱশ্যে এই অঘোষিত মতান্তৰ চলি থাকিলেও ধৰ্ম আৰু বিজ্ঞানৰ মাজত এক এৰাব নোৱাৰা সম্পৰ্কহে আছে। বিজ্ঞানী আইনষ্টাইনৰ মতে "ধৰ্ম অবিহনে বিজ্ঞান খোৱা আৰু বিজ্ঞান অবিহনে ধৰ্ম অন্ধ।"। তেওঁৰ মতে বিজ্ঞানৰ জয়যাত্ৰা অব্যাহত ৰাখিবলৈ হ'লে ধৰ্মৰ সহায় ল'ব লাগিব। এক কথাত ক'বলৈ হ'লে য'তেই বিজ্ঞানৰ জয়যাত্ৰাৰ অশ্বমেধ ঘোঁৰা থমকি ৰয় তাৰ পৰাই ধৰ্মই গতিপথত আগবাঢ়ে।

বিজ্ঞানকো পথ নিৰ্দেশনা দিয়া ধৰ্মৰ গুণাগুণেই বা কি? ধৃ ধাতুৰ পৰা ধৰ্মৰ উৎপত্তি। ইয়াৰ অৰ্থ ধাৰণ কৰা। অৰ্থাৎ ধৰ্ম হ'ল জীৱন-ধাৰণৰ এক অৱলম্বন যাৰ দ্বাৰা সৰ্বশক্তিমান ঈশ্বৰক সাধনা কৰি মানসিক প্ৰশান্তি লাভ কৰা যায়। আধ্যাত্মিক চিন্তাৰ প্ৰসাৰ ঘটাই মনটোক ঈশ্বৰমুখী কৰি তুলিবলৈ, অশান্ত মনক শান্ত কৰিবলৈ, অসৎ চিন্তা, অসৎ কৰ্মৰ পৰা মনটোক আঁতৰত ৰাখিবলৈ ধৰ্মৰ প্ৰয়োজন। তাৰোপৰি মানসিক অশান্তিৰ পৰা পৰিত্ৰাণ পাবলৈ বা মনৰ উচ্চ অভিলাষ পূৰণৰ বাবে ধৰ্মক অৱলম্বন কৰা হয়। মনুস্মৃতিয়ে ধৰ্ম অৱলম্বনৰ দহটা পথ নিৰ্দেশনা এনেভাৱে দিছে-

ধৃতি ক্ষমা দমোৎস্তেয় শৌচমিন্দ্ৰিয়া নিগ্ৰহ
ধী বিদ্যা সত্যমক্ৰোধে দশকং ধৰ্ম লক্ষণ।।

এই দহটা লক্ষণৰ এটা চমু আভাস দিবলৈ চেষ্টা কৰা হৈছে।

(১) ধৃতি ঃ মানৱ জীৱনটো সুখ-দুখ, আনন্দ-বিষাদ, শান্তি-অশান্তিৰ সমষ্টি। গতিকে গীতাৰ ভাষাত যি দুখ শোকতো ভাগি নপৰি ধৈৰ্যৰে অতিক্ৰম কৰিব পাৰে তেঁৱেই অৱশেষত ভগৱানৰ কৃপা লাভ কৰে।

(২) ক্ষমা ঃ অপকাৰ কৰা জনৰ ওপৰত প্ৰতিশোধ ল'বলৈ চেষ্টা কৰাৰ বিপৰীতে ক্ষমা কৰিলেহে মহত্ব প্ৰকাশ পায়।

(৩) দম ঃ নিজৰ ইন্দ্ৰিয়সমূহৰ অধীন হৈ লোভ, মোহ, কাম, ক্ৰোধ আদি ৰিপুৰ আজ্ঞাবাহী হোৱাৰ বিপৰীতে ইন্দ্ৰিয়সমূহ দমন কৰি মনটোক বিকাৰহীন কৰি তোলাটোৱেই দম।

(৪) অস্তেয় ঃ 'পৰ দ্ৰৱে লোভে যিটো সেহিসে দুৰ্জন' কথাযাৰ উপলব্ধি কৰি চুৰিৰ দৰে অসৎ কাৰ্যৰ পৰা বিৰত থকাতো ধৰ্মৰ লক্ষণ। সৎ ভাৱে উপাৰ্জন কৰাটোৱেই অস্তেয়।

(৫) শৌচ ঃ 'আচাৰো পৰম ধৰ্ম'। গতিকে শৌচাচাৰৰ যোগে বিভিন্ন কাৰণত অশুচি হোৱা দেহাটোক স্নান

আদিৰে শুচি কৰাৰ লগতে মনৰ মাজত থকা মলিবোৰো সৎ চিন্তাৰে মনটোক শুচি কৰি লোৱাটো ধৰ্মৰ এক বিশেষ লক্ষণ।

(৬) ইন্দ্ৰিয় নিগ্ৰহ ঃ মানুহে নিজৰ সুখ ভোগৰ বাবে অনেক অপকৰ্মত লিপ্ত হয়। গতিকে ইন্দ্ৰিয়সমূহ নিগ্ৰহ কৰিলে সৎভাৱে জীৱন যাপন কৰিব পৰা যাব।

(৭) ধী ঃ শাস্ত্ৰাদিৰ জ্ঞান আহৰণ কৰি তত্বদৰ্শী হ'ব পাৰিলে ঈশ্বৰ আৰাধনাৰ প্ৰকৃত তথ্য উপলব্ধি কৰিব পাৰে। যাৰ আত্মজ্ঞান থাকে সেইয়া বিদ্যা আৰু আত্মজ্ঞানহীনেই হ'ল অবিদ্যা। বিদ্যাই অবিদ্যাক আঁতৰ কৰি জীৱাত্মাৰ সৈতে পৰমাত্মাৰ সম্পৰ্কৰ সন্ধান দিছে।

(৮) ক্ৰোধ ঃ তম্ গুণৰ পৰাই ক্ৰোধৰ উৎপত্তি। ক্ৰোধে মানুহক সৰ্বনাশ কৰিব পাৰে। গতিকে ধৰ্মজ্ঞান লাভ কৰিবলৈ হ'লে ক্ৰোধ সম্বৰণ কৰাৰ শক্তি আহৰণ কৰিব লাগিব।

(৯) সত্য ঃ সত্যই ব্ৰহ্ম অৰ্থাৎ য'ত সত্য থাকে তাতেই ভগৱান বিৰাজ কৰে। গতিকে সত্যবাদী হোৱাটো ধৰ্মৰ এক প্ৰধান লক্ষণ।

আনহাতে বিজ্ঞান বুলিলে আমি বৈদিক যুগৰ আৰ্যভট্ট, ৰোহিণী, ভাস্কৰ আদিৰ দৰে জ্যোৰ্তি বিজ্ঞানীৰ পৰা আৰম্ভ কৰি ১৬শ শতিকাত গেলিলিওৱে নিজে দূৰবীণ যন্ত্ৰ সাজি পৃথিৱী আৰু গ্ৰহ নক্ষত্ৰৰ স্থিতি সম্পৰ্কে দিয়া মতবাদলৈকে আৰু তাৰ পৰা আৰম্ভ কৰি বৰ্তমান বিজ্ঞানে চূড়ান্ত অৱস্থা পোৱা পৰ্যায়লৈকে সকলো বিলাকেই ধৰিব লাগিব। বিজ্ঞানৰ অগ্ৰগতিয়ে এনে এক চৰম পৰ্যায় পাইছেগৈ যে বিশ্বৰ মানৱ সমাজৰ একাংশই ঈশ্বৰৰ অস্তিত্বক অস্বীকাৰ কৰি তাৰ ঠাইত বিজ্ঞানীসকলকে সৰ্বশক্তিমান ৰূপে অভিহিত কৰিবলৈও কুণ্ঠাবোধ কৰা নাই। নিউৰ বিজ্ঞানী কাৰ্জৱেইলে তেওঁৰ "Age of the spiritual Machine" নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে, "২০১৯ চনত প্ৰতি চেকেণ্ডত দহ লক্ষ কোটি গণনা কৰা কম্পিউটাৰ বিজ্ঞানীসকলে তৈয়াৰ কৰিব। ২০২৯ চনত এনে কম্পিউটাৰ দহ হাজাৰ মানৱ মগজুৰ সমান হ'বগৈ যাৰ দ্বাৰা মানুহে নিজে কাম নকৰি ৰবটৰ দ্বাৰা কাম কৰাব পাৰিব।" প্ৰযুক্তিবিদ্যাৰ এই উদ্ভাৱনীবোৰে যেনেকৈ মানৱ সমাজৰ সুখ স্বাছন্দ্য সীমাহীন পথলৈ গতি কৰিছে তাৰ বিপৰীতে বহুতো অশনি সংকেত কঢ়িয়াই আনিছে। এই আৱিস্কাৰবোৰে বিশ্বৰ উন্নত আৰু উন্নয়নশীল দেশসমূহৰ কোটি কৌটি মানুহক কৰ্মহীন কৰি তুলিব যিটো অত্যন্ত উদ্বেগজনক। উদাহৰণস্বৰূপে এটা মাথাউৰি নিৰ্মাণ কৰোতে হাজাৰ হাজাৰ বনুৱাৰ প্ৰয়োজন হৈছিল আৰু শিক্ষা-দীক্ষা নথকা দৰিদ্ৰ বনুৱাসকলে এইদৰেই কৰ্ম সংস্থাপন পাইছিল। বৰ্তমান তেনে কাৰ্য সম্পাদন কৰিবৰ বাবে কৰ্মীৰ কোনো প্ৰয়োজন নাই, কেইখনমান ড্ৰেজাৰেই যথেষ্ট।

এতিয়া আমি আহো বৰ্তমান সমাজ ব্যৱস্থাত ধৰ্ম আৰু বিজ্ঞানৰ ভূমিকা কি? বিজ্ঞানে আমাক জীৱনটো উপভোগ কৰিবলৈ সীমাহীন সমল দিছে, কিন্তু মানসিক শান্তি দিব পাৰিছে জানো? পৰা হ'লে বৰ্তমান সমাজত হত্যা, লুণ্ঠন, ধৰ্ষণ আদিৰ দৰে চৰম অপৰাধজনিত কৰ্মবোৰ সম্পাদিত নহ'লহেঁতেন। তাৰোপৰি দয়া, ক্ষমা, মানৱতা আদি গুণবোৰ গৱেষণাগাৰত প্ৰস্তুত কৰিব নোৱাৰি। এই গুণবোৰ আহৰণ কৰিবৰ বাবে ইতিমধ্যে ধৰ্মৰ সংজ্ঞাত উল্লেখিত আধ্যাত্মিক চিন্তা প্ৰসূত ধৰ্মীয় ভাৱনাৰ সৈতে সংযুক্ত হ'ব লাগিব। স্বামী বিবেকানন্দই এই দিশত এটি সুন্দৰ উদাহৰণ আগবঢ়াইছে। আধুনিক বিজ্ঞানে এখন শক্তিশালী বুলড'জাৰ নিৰ্মাণ কৰিব পাৰে কিন্তু সেইখন চলাই নিয়া অৱস্থাত ৰাস্তাত চুচৰি থকা কণমানি শিশুটিৰ গাৰ ওপৰেদি চলাই নিনিবৰ বাবে যি নৈতিকতা বা মানৱীয়তাৰ প্ৰয়োজন, সেই শিক্ষা চালকজনক বিজ্ঞানে দিব নোৱাৰে। তাৰোপৰি বিজ্ঞানে যিবোৰ পৰমাণু বোমা তৈয়াৰ কৰিছে, সেইবোৰে মুহূৰ্ততে বিনন্দীয়া সৃষ্টিখন ধ্বংস কৰিব পাৰে, কিন্তু সেই বিজ্ঞানে এজন মানুহৰ জীৱন ঘূৰাই দিব পাৰিবনে? তদুপৰি মানৱ সমাজ সম্পূৰ্ণভাৱে প্ৰযুক্তিবিদ্যাৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ আগলৈকে কৰ্মীসকলে যথেষ্ট শাৰিৰীক পৰিশ্ৰম কৰিব লগা হৈছিল। বৰ্তমান বিজ্ঞানে এই পৰিশ্ৰমবোৰৰ পৰা বহু পৰিমাণে ৰেহাই দিছে। ফলস্বৰূপে এতিয়া সকলোৰে হাতত অফুৰন্ত সময়। এই সময়বোৰ অপব্যৱহাৰ কৰি মানুহ এলেহুৱা, আৰামপ্ৰিয় হৈ পৰিছে আৰু ফলত মেদ বহুলতা, বহুমুত্ৰ, গাঁঠিৰ বিষ আদি অনেক বেমাৰৰ চিকাৰ হৈছে।

আমাৰ দৈনন্দিন খাদ্য তালিকাত ফৰমেলিন, কাৰ্বাইড, বিভিন্ন কীটনাশক দ্ৰব্য আৰু শৰীৰৰ বাবে অপকাৰী অনেক ৰাসায়নিক দ্ৰব্যৰ অপপ্ৰয়োগেৰে অন্তৰ্ভুক্ত হোৱাৰ বাবে নিত্য নতুন বিভিন্ন দুৰাৰোগ্য ব্যাধিৰ আক্ৰান্ত হৈ বহুতো সম্ভাৱনীয় লোকেও অকালতে প্ৰাণ এৰিব লগা হৈছে। এনে বহু উদাহৰণ আছে যিবোৰৰ যোগেদি বিজ্ঞানে মানৱজাতিক ধ্বংসৰ পথলৈ আগবঢ়াই নিছে।

বিজ্ঞানক অভিশাপ বুলি ভবাৰ বিপৰীতে আশীৰ্বাদ বুলি ভাবিবৰ পৰ্যায় পোৱাবলৈ হ'লে ধৰ্মৰ সহায় ল'বই লাগিব। তাৰে এটি উদাহৰণ হ'ল বিশ্বৰ প্ৰথম পাৰমাণৱিক বোমাৰ প্ৰস্তুতকাৰী সকলৰ পিতৃস্বৰূপ পদাৰ্থবিজ্ঞানী J. Roberloppem Heimer য়ে কান্দি উঠিছিল যেতিয়া তেওঁৰ নিজৰেই সৃষ্টি আণৱিক বোমাৰে হিৰোছিমা আৰু নাগাচাকিৰ লাখ লাখ মানুহৰ প্ৰাণ লৈছিল। তেওঁ ভাৰতীয় দৰ্শনৰ গীতাৰ পৰা প্ৰেৰণা লৈ কৈছিল-"Now I am become death destroyer of the World." তেওঁৰ দৰে এই মানৱীয় দৰ্শনসমূহ বিজ্ঞানৰ সৈতে একাত্মবোধ হ'ব পাৰিলেই তাৰ পৰা সমাজলৈ আমূল পৰিবৰ্তন আহিব। তেনে চিন্তাৰে বিশ্বৰ মানৱতীবাদী বিজ্ঞানীসকলে আধ্যাত্মিকতাৰ সৈতে বিজ্ঞানৰ মিশ্ৰণৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছে। বিখ্যাত মহাকাশ বিজ্ঞানী কাৰ্ল ছাগনৰ উক্তি "বিজ্ঞান আধ্যাত্মিকতাৰ সৈতে সামঞ্জস্যপূৰ্ণই নহয়, ই আধ্যাত্মিকতাৰ গভীৰ উৎস।"

আধুনিক সমাজ ব্যৱস্থাত আধ্যাত্মিকতাৰ দৰ্শনসমূহেও সুফল দিব নোৱাৰিব যদিহে ইয়াত যুগোপযোগী সংস্কাৰসমূহ অন্তৰ্ভুক্ত নহয়। সংস্কাৰ বন্ধ পানী নহয় বৰঞ্চ ই চিৰ প্ৰৱাহিত। গতিকে ইয়াৰ প্ৰৱাহ বন্ধ কৰিবলৈ গ'লে বিষাক্তহে হ'ব। আমাৰ দেশত অন্য ধৰ্মৰ কথা নকওঁ বিশেষকৈ হিন্দু সমাজত প্ৰাচীন ঋষি-মুনি সকলে কিছুমান সামাজিক সংস্কাৰ প্ৰৱৰ্তন কৰি গৈছিল। সেই সময়ত সেইবোৰেই সমাজ ব্যৱস্থাৰ লগত খাপ খাইছিল। বৰ্তমান সেই সমাজ ব্যৱস্থাত আমূল পৰিবৰ্তন ঘটিছে। এটা উদাহৰণ দিয়া হওক- আমাৰ পূৰ্ব পুৰুষসকলে মাটিৰ চৌকাত খৰিৰে ভাত ৰান্ধি খাইছিল। আমি যদি বোপা-ককাৰ নিয়ম এৰিম কিয় বুলি যুগোপযোগী সুন্দৰকৈ নিৰ্মাণ কৰা গৃহৰ মাৰ্বল পাথৰৰ মজিয়াত জুই ধৰি ৰন্ধনৰ ব্যৱস্থা কৰো তেতিয়া যি অৱস্থা হ'ব, পুৰণিকলীয়া সমাজ ব্যৱস্থাবোৰো চলি থাকিবলৈ দিলে একেই অৱস্থা হ'ব। সমাজৰ উচ্চ সম্প্ৰদায়ৰ লোকসকলৰ জাতটো ইমান থুনুকানে যে কোনোবা এজন সদস্যই অসামাজিক কৰ্ম কৰিলেই তেওঁ জাত এৰি বিজতৰীয়া হ'ব। কোনো পুত্ৰ বা কন্যাক পিতৃ-মাতৃয়ে সমাজ ব্যৱস্থাৰ বিৰুদ্ধে যোৱা কৰ্ম কৰিবলৈ প্ৰেৰণা নিদিয়ে আৰু সমাজেও তেওঁক উৎসাহিত নকৰে। তথাপি সমাজ ব্যৱস্থাক ভ্ৰূকুটি দেখুৱাইয়ে হওক বা উপায়হীন হৈ হওক তেনে অসামাজিক কৰ্ম কৰে তেওঁলোকক নীতি-নিয়মৰ মাজেদি সমাজভুক্ত কৰাৰ প্ৰয়োজন, ই সময়ৰ আহ্বান। ইয়াক আমি স্বীকাৰ কৰিবই লাগিব। সোণ জুইত পুৰিলে ক'লা নহয় বৰঞ্চ উজ্জ্বলহে হয়।

# নৱবৈষ্ণৱ ধৰ্মত সংহতি বিভাজন

খৃষ্টীয় ষষ্ঠ শতিকাত তামিল দেশত ভূমিষ্ঠ হোৱা ভাগৱত কেন্দ্ৰীক ভক্তি ধৰ্ম ১৪ শ শতিকাত উত্তৰ ভাৰতলৈ সম্প্ৰসাৰিত হ'ল। ১৫ শ শতিকাৰ শেষাৰ্ধত এই ভক্তি ধৰ্মৰ সোঁত অসমলৈ বোৱাই আনিলে এগৰাকী যুগান্তকামী মহাসন্তই। ইতিমধ্যে ধৰ্মৰ নামত টেটুলৈকে পোত খোৱা ব্যভিচাৰৰ অৱসান ঘটাই এই যুগদ্ৰষ্টাজনে এক নতুন পথৰ সন্ধান দিলে। এই পথ ভক্তিৰ পথ, এই পথ মানৱতাৰ পথ আৰু এই পথ জটিল আৰু ব্যয়বহুল ব্যৱস্থাৰ মাজেদি অনেক দেৱ-দেৱীক অৰ্চন-বন্দন কৰা পথৰ বিপৰীতে সহজ-সৰল, অনাড়ম্বৰ ভাৱে ঈশ্বৰ কৃষ্ণক ভজনা কৰাৰ পথ। এক শৰণ হৰিনাম ধৰ্মৰ মাজেৰে জীৱক মোক্ষ লাভৰ পথ নিৰ্দেশনা দিয়া এইজন ধৰ্মগুৰু অসমৰ জন মানসত নৈতিক, আধ্যাত্মিক, সামাজিক আৰু সাংস্কৃতিক দিশৰ গুৰু ৰূপেও বন্দিত হ'ল। গুৰুজনে অসমৰ অন্তঃজীৱন আৰু বহিঃজীৱনৰ সৰ্বাত্মক পৰিৱৰ্তন সাধন কৰি অকলেই নৱজাগৰণৰ সৃষ্টি কৰি গ'ল। এই মহান প্ৰতিভাধৰ জনেই হ'ল অসমৰ জনমানসত সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ তথা মহাপুৰুষ বিশেষণেৰে বিভূষিত শ্ৰীমন্ত শঙ্কৰদেৱ।

মাৰ্ক্স, লেনিন আদি সমাজবাদৰ প্ৰবক্তা সকলতকৈও বহু আগেয়ে শঙ্কৰদেৱে অসম ভূমিত সমাজবাদৰ বীজ অংকুৰিত কৰি পৰ্বত-ভৈয়াম, জাতি-উপজাতি সকলোকে একতাৰ ডোলেৰে বান্ধি ধৰ্ম বিলাইছিল। সেই উদ্দেশ্যে নগা, গাৰো, মিৰি, যৱন সকলোকে ধৰ্মৰ ডোলেৰে বান্ধিছিল। গুৰুজনে আশা কৰিছিল তেৰাৰ অবৰ্তমানতো অনুগামীসকলে সম দৰ্শনেৰে ধৰ্ম বিলাওক।

কিন্তু গুৰুজনাৰ বৈকুণ্ঠিৰ পিছতেই এনে উদাৰ আদৰ্শত ঘূণে ধৰিলে। তেৰাৰ ধৰ্ম ৰাজ্যতো আউল লাগিল। পৰৱৰ্তী ধৰ্মাচাৰ্য সকলৰ উচ্চাকাংক্ষা আৰু সংকীৰ্ণ মনোবৃত্তিয়েই ইয়াৰ মূল কাৰণ।

গুৰুজনে প্ৰতিভাধৰ মাধৱক ঠিকেই চিনিছিল। সেয়েহে তেৰাই বৈকুণ্ঠিৰ সময়ত মাধৱকে উত্তৰাধিকাৰী ৰূপে মনোনীত কৰি থৈ গৈছিল। মাধৱৰ প্ৰতিভাসমূহ বিকশিত কৰাৰ ব্যৱস্থা কৰিছিল গুৰুজনেই। তেৰাই নিজে বাৰকুৰি বৰগীত লিখিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ সেইয়া বনজুইত জাহ গ'ল। ইচ্ছা কৰা হ'লে নিজে লিখা বৰগীতসমূহ পুনৰ লিখিব পাৰিলেহেঁতেন, কিন্তু নিলিখিলে। কাৰণ মাধৱক প্ৰতিভা বিকাশৰ সুযোগ দি মাধৱকে আজ্ঞা কৰিলে বৰগীত ৰচনা কৰিবলৈ। আকৌ বিষ্ণুপুৰী সন্যাসী প্ৰণীত ভক্তি ৰত্নাৱলী ভাগ ব্ৰহ্মানন্দই শঙ্কৰদেৱলৈ বুলি পঠাইছিল। সেই পুথিভাগো নিজে ভাঙনি নকৰি মাধৱক দায়িত্ব দিলে। সেই একে উদ্দেশ্যতে অৰ্থাৎ মাধৱক উত্তৰাধিকাৰী ৰূপ গঢ় দিয়ে।

অন্যহাতে দামোদৰদেৱকো গঢ় দিয়াত আছিল গুৰুজনাৰ নিৰলস প্ৰচেষ্টা। তেওঁক পাটবাউসী সত্ৰত থাপি প্ৰথমজন শৰণ আচাৰ্য ৰূপে আজ্ঞা কৰা হ'ল।

শুনা দামোদৰ মোৰ আদেশ শুনিয়ো।
ব্ৰাহ্মণ সৱক তুমি শৰণ কৰাইয়ো।।
এহি বুলি তাঙ্ক ভাগৱত মূৰ্তি: দিলা।
দেৱ দামোদৰ নাম সেহি দিনা ভৈলা।। (আদি গুৰু চৰিত)

দায়িত্ব লাভ কৰি দামোদৰদেৱেও নিজৰ সাংগঠনিক দক্ষতা দেখুৱাই অনেক লোকক ধৰ্মবস্তু প্ৰদান কৰিলে। ইয়াৰে পাঁচজনক আচাৰ্য পাতি ধৰ্ম প্ৰচাৰৰ বাবে চৌদিশে প্ৰেৰণ কৰিলে। পূব দিশত বংশী গোপাল,

পশ্চিমত বলদেৱ, উত্তৰে ভগৱানদেৱ, দক্ষিণে সপ্তভূষণ আৰু মধ্যত ভট্টদেৱক নিয়োগ কৰা হ'ল। সেই সকলেও অনেক সত্ৰ স্থাপন কৰি নৱ বৈষ্ণৱ আন্দোলনক অধিক গতিশীল কৰি তুলিলে।

গুৰুজনে বৈকুণ্ঠিৰ পূৰ্বেই মাধৱক উত্তৰাধিকাৰী পাতি থৈ যায়। ইয়াতেই পয়মাল লাগিল। দামোদৰৰ ধাৰণা তেওঁ মাধৱতকৈ জ্যেষ্ঠ. তাৰোপৰি উচ্চ বৰ্ণৰ ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোক। তাৰোপৰি মাধৱতকৈ আগতেই তেওঁ শৰণাচাৰ্যৰ দায়িত্ব লাভ কৰিছে। সাতে সোতৰই মিলি তেওঁহে ধৰ্মৰ ভাৰখন পাব লাগিছিল। ইয়াৰ বহিঃপ্ৰকাশ ঘটিল গুৰুজনৰ কাজ-কৰ্মৰ আগেয়ে। দামোদৰদেৱে নিজে নাহি এক নাও দ্ৰব্যবস্তু পঠাই দিলে। মাধৱেও বিলম্ব নকৰি দ্ৰব্যবস্তুৰ নাও ডুবাই এক প্ৰকাৰ অঘোষিত যুদ্ধ আৰম্ভ কৰিলে। তাৰোপৰি নীতি কাষ্ঠা অমান্য কৰাৰ অপৰাধত মাধৱে এৰা দিয়া কেইজনমান ভকতক দামোদৰদেৱে মাৰ্জনা কৰি সুমাই ল'লে।

ইয়াৰ পিছত মাধৱৰ লগত সম্পৰ্ক ছেদ কৰি দামোদৰে স্বকীয়মতে ধৰ্ম প্ৰবৰ্তাই থাকিল। কাশী ধামত পাঁচ বছৰ ভাগৱত অধ্যয়ন কৰি জগন্নাথ ক্ষেত্ৰত ভাগৱত পাঠ কৰি ভাগৱতাচাৰ্য উপাধি পোৱা পণ্ডিত হৰিদেৱে বহৰি সত্ৰত থিতাপি লয়হি। এইজন হৰিদেৱেই শঙ্কৰদেৱ পাটবাউসীত থকা কালছোৱাত বহৰিৰ পৰা ১৫ মাইল খোজকাঢ়ি আহি পাটবাউসীত শংকৰ আৰু দামোদৰদেৱৰ সৈতে ধৰ্মীয় আলাপ কৰিছিল আৰু শঙ্কৰদেৱৰ ধৰ্মমতৰ সৈতে একাত্মা হৈছিল। গুৰুজনৰ অবৰ্তমানত হৰিদেৱ আহি দামোদৰৰ লগ লাগেহি। এই দুজনৰ যুটীয়া গোটটোক বামুণীয়া নামেৰে জনাজাত হ'ল। মাধৱৰ পৰা আঁতৰ হ'লেও কিন্তু সংহতি বিভাজন হোৱা নাছিল।

শঙ্কৰদেৱৰ দুই নাতি পুৰুষোত্তম ঠাকুৰ আৰু চতুৰ্ভুজ ঠাকুৰ সৰুতে পিতৃহাৰা হোৱাৰ পিছঝতে মাধৱেই তেওঁলোকৰ চোৱা-চিতাৰ দায়িত্ব লৈছিল। আমাৰ অসমীয়া সমাজত সৎ চিন্তা কৰা লোকৰ অভাৱ হ'লেও নিন্দুকৰ অভাৱ নাছিল। এই নিন্দুকসকলেই পুৰুষোত্তম ১৮ বছৰ হোৱাৰ লগে লগে প্ৰশ্ন তুলিলে। গুৰু আৰু গুৰু পুত্ৰ যিহেতু বৈকুণ্ঠি হ'লেই, গতিকে নাতি পুৰুষোত্তমক ধৰ্মভাৰ দি মাধৱে অব্যাহতি ল'ব লাগে। ভকতৰ দাবীক সন্মান জনাই মাধৱদেৱে দুয়ো গুৰু নাতিক ধৰ্মবস্তু প্ৰদান কৰি ধৰ্মাচাৰ্যৰ দায়িত্ব অৰ্পণ কৰিলে।

**মাধৱৰ বৈকুণ্ঠি আৰু চাৰি সংহতি বিভাজন ঃ** ১৫১৮ শক (১৫৯৬ খ্ৰীষ্টাব্দ) মাধৱদেৱে নৰনাট সামৰি বৈকুণ্ঠি হ'ল। শেষ বয়সত গুৰুজনে পুৰুষোত্তমৰ উপৰিও গোপাল আতা, মথুৰাদাস বুঢ়া আতা আৰু গাৰ বদল দি উজনিত ধৰ্ম প্ৰচাৰৰ দায়িত্ব দিয়া পদ্ম আতা এই তিনিওজনকো ধৰ্মাচাৰ্য নিয়োগ কৰিছিল। বৈকুণ্ঠিৰ আগেয়ে শিষ্যসকলে সুধিছিল ঈশ্বৰো আৱিৰ্ভাৱ তিৰোভাৱ থাকে। তোম্ৰাৰ অবিহনে এই ধৰ্মবস্তু কোনে ল'ব। গুৰুজনে নিৰুত্তৰ হৈ থাকি তিনি দিনৰ পিছত জনালে 'আমি তিনিদিনে চিন্তা কৰিও একো নিৰ্ণয় কৰিব নোৱাৰিলো। আমাৰ বল, বীৰ্য, শক্তি, ভক্তি সকলো ঘোষা পুথি ভাগতে থোৱা আছে, যি ক'ব লগা আছে, তাতেই কোৱা হৈছে। ইয়াৰ অৰ্থ বুজি পোৱা সকলে আমাক পাব। ইয়াকে কৈ তেওঁ নীৰৱ হ'ল। কিন্তু গোপালদেৱৰ চৰিতকাৰ ৰামানন্দ আৰু পূৰ্ণানন্দৰ মতে- গুৰুজনে ৰাম আতাক বিৰলে মাতি আনি বাক্য কৰিলে-

মোৰ বাক্যে ভৱানীপুৰত তুমি যাইবা।
কথা সাগৰত মোৰ আদেশ কহিবা।।

আচাৰ্য পাতিয়া মই যাওঁ গোপালক।
হৰি ভক্তি ধৰ্ম কৰি তৰিব লোকত।
ভকতি প্ৰদীপ লগাই শঙ্কৰ হৈলন্ত।।
তাতে তৈল দিবাক আমাক বুলিলন্ত।।
শঙ্কৰৰ আদেশক শিৰোগত কৰি।
তেল বত্তি দিয়া আছো তমুলকে ধৰি।।
সেহি প্ৰদীপক যাবে গোপালে বঢ়াইব।
লোকৰ অজ্ঞান যত আন্ধাৰ গুচাইব।।

মাধৱদেৱৰ বৈকুণ্ঠিৰ লগে লগেই ধৰ্মভাৰ কাক দিয়া হ'ব মতানৈক্য আৰম্ভ হ'ল। গুৰুজনৰ নাতি বোৱাৰী আই কনকলতাই বিষয়টোত হস্তক্ষেপ কৰি শঙ্কৰৰ নাতি পুৰুষোত্তম ঠাকুৰহে এই দায়িত্ব পাব লাগে বুলি সজোৰে দাবী উত্থাপন কৰাত গোপালদেৱৰ শিষ্যসকল জাঙুৰ খাই উঠিল। তেওঁলোকে কোনোপধ্যে পুৰুষোত্তমক মানি ল'বলৈ অমান্তি হোৱাত বিভাজন অৱশ্যম্ভাৱী হৈ উঠিল। তেওঁলোকৰ মতে মাধৱদেৱে গোপালকহে এই দায়িত্ব দি গৈছে। বিষয়টো এনে পৰ্যায় পালেগৈ বিভাজন অৱশ্যম্ভাৱী হৈ পৰিল।

আই কনকলতাই পুৰুষোত্তম ঠাকুৰ আৰু চতুৰ্ভুৰ্জ ঠাকুৰৰ দালটিক প্ৰথমেই ফালি আনি পুৰুষ সংহতি নাম দিলে। এইদৰে শঙ্কৰদেৱৰ নাতি বোৱাৰী কনকলতাই প্ৰথমেই অসমত নৱ বৈষ্ণৱ ধৰ্মৰ বিভাজনৰ মূল কাণ্ডাৰী ৰূপে পৰিচিত হ'ল। এই গৰাকীয়েই চতুৰ্ভুৰ্জ ঠাকুৰৰ প্ৰথমা পত্নী কনকলতা যি নিজে নিঃসন্তান হোৱাৰ বাবে ঠাকুৰৰ দ্বিতীয় পত্নীৰ একমাত্ৰ পুত্ৰ সন্তানক সতিনীৰ জ্বালা সহিব নোৱাৰি বিহ কাপোৰ দি হত্যা কৰি শঙ্কৰদেৱৰ পুৰুষ নামাৰ শেষ বংশধৰ জনকো নিপাত কৰে। ড° মহেশ্বৰ নেওগৰ মতে "শঙ্কৰ মাধৱৰ দিনত অসমত বৈষ্ণৱ সম্প্ৰদায়ত বিভাজন নাছিল। পৰৱৰ্তী সময়ত সম্প্ৰদায়, কাষ্ঠা আৰু আচাৰভেদে চাৰি সংহতিৰ সৃষ্টি হ'ল। আই কনকলতাৰ যত্নত শঙ্কৰৰ জীয়াৰী বংশই অসমত থিতাপি লোৱাৰ পৰাই এই সংহতি বিভাজন ওলাইছে। পুৰুষোত্তম ঠাকুৰ আৰু চতুৰ্ভুৰ্জ ঠাকুৰৰ দলটি প্ৰথমেই বিভাজিত হৈ পুৰুষ সংহতি নামেৰে নামকৰণ কৰিলে।

দামোদৰদেৱে যদিও স্বকীয়ভাৱে চলিছিল তথাপি বিভাজনৰ কথা ভৱা নাছিল। কিন্তু পুৰুষ সংহতি প্ৰতিষ্ঠা হোৱাত তেৱোঁ বামুণীয়া সত্ৰসমূহ একত্ৰিত কৰি ব্ৰহ্ম সংহতি নামেৰে দ্বিতীয় বিভাজন আনিলে। গোপাল আতাই তেওঁৰ শিষ্যসমূহক লৈ কাল সংহতি নামৰে তৃতীয়টি গোট গঠন কৰিলে। মধৱদেৱে জীৱিত কালত নীতি, কাষ্ঠা, সদাচাৰৰ ওপৰত অধিক গুৰুত্ব দিছিল। মথুৰাদাস বুঢ়া আতা আৰু বদুলা পদ্ম আতাই লগ হৈ গুৰুজনৰ নীতি, কাষ্ঠা সমূহকে মূলধন হিচাপে লৈ নিকা সংহতি নামৰ চতুৰ্থটি বিভাজন আনিলে। এইদৰে মাধৱৰ দেহান্তৰৰ পিছতেই চাৰি সংহতি বিভাজিত হৈ শঙ্কৰদেৱৰ সাম্যবাদী ধৰ্মৰাজ্যত মোক্ষম আঘাত হানিলে।

## চাৰি সংহতিৰ কাৰ্যাৱলী আৰু বিস্তাৰৰ বিৱৰণ

**ব্ৰহ্ম সংহতি ঃ** দামোদৰদেৱ হৰিদেৱে চলাই নিয়া সংহতিয়েই হ'ল ব্ৰহ্ম সংহতি। ড° কেশৱানন্দ গোস্বামীৰ মতে শঙ্কৰদেৱৰ প্ৰৱৰ্তিত বৈষ্ণৱ মাৰ্গত অন্য কেতবোৰ কথা অন্তৰ্ভুক্ত কৰি দামোদৰ দেৱে মূল সম্প্ৰদায়টিৰ

লগত পাৰ্থক্য দেখুৱাবলৈ যত্ন কৰিছে। অৱশ্যে এইটো সত্য যে দামোদৰদেৱে বৈষ্ণৱ মাৰ্গৰ পৰিপন্থী নোহোৱা কিছুমান বৈদিক ৰীতি-নীতি অন্তৰ্ভুক্ত কৰিছিল যিবোৰ ৰীতি-নীতি বৰ্তমান বৈষ্ণৱ সমাজত প্ৰচলিত হৈ আছে। আহোম ৰজাৰ ৰাজত্ব কালত ব্ৰহ্ম সংহতিৰ চাৰি সত্ৰ ক্ৰমে আউনীআটী, দক্ষিণপাট, গড়মূৰ আৰু কুৰুৱাবাহীয়ে ৰাজসত্ৰৰ মৰ্যাদা লাভ কৰি সমৃদ্ধিশালী হৈ উঠে।

ব্ৰহ্ম সংহতিৰ মূল কাণ্ডাৰী দামোদৰদেৱৰ নিজা সত্ৰ হ'ল পাটবাউসী, বৈকুণ্ঠপুৰ সত্ৰ, দামোদৰ ধাম আৰু বেদুৱা সত্ৰ। তেৰাৰ আজ্ঞাপৰ সকলৰ ভিতৰত পূৰ দিশত ধৰ্ম প্ৰচাৰৰ বাবে পঠোৱা বংশী গোপালদেৱে উজনী অসমত ৪৫ খন সত্ৰ পাতিছিল। ইয়াৰে বহু সত্ৰ লুপ্তপ্ৰায় যদিও সত্ৰ স্থাপনৰ বাবে মাটি চহাই অনুকুল পৰিৱেশ সৃষ্টি কৰা মূল কাণ্ডাৰীজনেই হ'ল বংশী গোপালদেৱ। কুৰুৱাবাহী গোপালদেৱৰ নিজা সত্ৰ আৰু গড়মূৰ, আউনাআটীকে ধৰি ভালেকেইখন সত্ৰ বংশীগোপালদেৱৰ আজ্ঞাপৰ সত্ৰ। শঙ্কৰদেৱৰ সংহতি বিহীন ধৰ্ম ৰাজ্যত বংশীগোপালক ঘাই সেনাপতি বুলি ক'লে অত্যুক্তি কৰা নহয়। তেওঁ নিজে যদিও কোনো সংহতিত অন্তৰ্ভুক্ত নাছিল। কিন্তু পৰৱৰ্তী সময়ত গোপালদেৱৰ আজ্ঞাপৰ সত্ৰসমূহ ব্ৰহ্ম সংহতিৰ অন্তৰ্ভুক্ত হয়। ব্ৰহ্ম সংহতিৰ অন্য এজন কাণ্ডাৰী হৰিদেৱে নিজে বহৰি আৰু মানেৰিত সত্ৰ পাতিছিল আৰু আজ্ঞাপৰ সকলেও নামনি অসমত ভালেকেইখন সত্ৰ পাতিছিল। বৰ্তমান উজনি অসমৰ ঘাৰমৰা, মাহৰা, আধাৰ আৰু পটীয়ৰী হৰিদেৱী সত্ৰ। অসমৰ সত্ৰ পৰিচয় নামৰ পুথিখনত ২৫০তকৈও অধিক ব্ৰহ্ম সংহতিৰ সত্ৰ আছে বুলি প্ৰকাশ কৰিছে।

বৰ্তমান এই সংহতিৰ কিছু সত্ৰই শঙ্কৰ মাধৱৰ পৰা আঁতৰি আহি তান্ত্ৰিকতাৰ ফালে ঢাল খাইছে যদিও মূল গুৰু দামোদৰদেৱে বৈষ্ণৱ মাৰ্গৰ পৰা কিঞ্চিতো আঁতৰি অহা নাছিল। কৰ্মকাণ্ডী ব্ৰাহ্মণৰ হেচাত কোঁচৰজা ৰঘুদেৱে তেওঁ মূৰ্তি পূজা নকৰিলে দেশান্তৰিত হ'ব বুলি আদেশ শুনোৱাৰ পিছত অকনো বিচলিত নহৈ কৈছিল-

পঞ্চভূত দেহা যাৰত থাকয়
তাৰত নাম নেৰিবো।
ইদেহা পৰিলে যেহি যোনি পাওঁ
জন্মে জন্মে নাম লৈবো।। (গুৰু লীলা)

ধৰ্মৰ চাৰি খুটি গুৰু, দেৱ নাম ভকতৰ পৰা ব্ৰহ্ম সংহতিয়ে 'দেৱ'ক প্ৰাধান্য দিছে।

পুৰুষ সংহতি ঃ শঙ্কৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰ এই সংহতিৰ আদি পুৰুষ। তেওঁ নিজে ধৰ্মবস্তু লৈ জনিয়াত সত্ৰ পাতে। পৰৱৰ্তী সময়ত মধুপুৰলৈ যায়গৈ। ইয়াত বাৰজন ধৰ্মাচাৰ্য পাতি তেওঁলোকক ধৰ্ম প্ৰচাৰৰ দায়িত্ব দি অসমৰ বিভিন্ন ঠাইলৈ পঠাই। এওঁলোকক বাৰজনীয় বোলে। এই সকল হ'ল- (১) বাসুদেৱ- চতমী সত্ৰ (২) ৰামকৃষ্ণ- গোমোঠা সত্ৰ (৩) পৰমানন্দ- ৰতনপুৰ সত্ৰ (৪) পৰশুৰাম- পুনিয়া সত্ৰ (৫) বাপুকৃষ্ণ- এলেঙী সত্ৰ (৬) হৰিচৰণ- সাওকুছি সত্ৰ (৭) কমললোচন- কাঠবাপু সত্ৰ (৮) মুৰাৰি- বেঙেনাআটী সত্ৰ (৯) কৃষ্ণচৰণ- চুপহা সত্ৰ (১০) গোপীনাথ- চোকৰাতলী সত্ৰ।

এইজন পুৰুষোত্তমে ন-ঘোষা প্ৰণয়ন কৰিছিল। কিন্তু মাধৱদেৱৰ নামঘোষা থাকোতে আৰু এখন ঘোষা কেলৈ বুলি নিন্দুকে প্ৰশ্ন কৰাত তেওঁ ঘোষাভাগ জুইত পুৰি পেলায়। এজন ভকতে থাপ মাৰি আনোতে ১৫ ফাকিমান ঘোষাহে উদ্ধাৰ হ'ল। ১৬১৯ চনত মাত্ৰ ৫৫ বছৰ বয়সতে ভায়েক চতুৰ্ভূজক

দায়িত্ব দি ঠাকুৰদেৱ স্বৰ্গী হয়। তেওঁৰ তিনি গৰাকী কন্যা সন্তান আছিল।

**চতুৰ্ভুজ ঠাকুৰ ঃ** শঙ্কৰদেৱৰ দ্বিতীয় পুত্ৰ হৰিচৰণৰ পুত্ৰ চতুৰ্ভুজ। তেওঁ সুন্দৰীদিয়াৰ পৰা গৈ গোৱালপাৰাৰ তামৰঙা বিলৰ পাৰত বিষ্ণুপুৰ নামে সত্ৰ পাতিছিল। জ্যেষ্ঠ ভাতৃৰ আৰ্হিত তেৰোঁ ৬ জন ব্ৰাহ্মণ আৰু **৬** জন অব্ৰাহ্মণক লৈ বাৰজন ধৰ্মাচাৰ্য পাতি ধৰ্ম প্ৰচাৰৰ বাবে পঠাইছিল। এইসকলক সৰু বাৰজনীয়া বোলে। ঠাকুৰৰ তিনি গৰাকী পত্নীৰ ভিতৰত প্ৰথম গৰাকী কনকলতা নিঃসন্তান আছিল। দ্বিতীয় গৰাকীৰ একমাত্ৰ পুত্ৰ সন্তানকো কনকলতাই বিহ কাপোৰ দি হত্যা কৰাত শঙ্কৰদেৱৰ পুৰুষডালৰ পৰিয়াল উচন হ'ল। ঠাকুৰেও মাকৰ অস্থি গংগাত লগাবলৈ গৈ ৫৪ বছৰ বয়সতে মৃত্যু মুখত পতাৰ তেওঁৰ তোলনীয়া পুত্ৰ ভাগিন দামোদৰ ধৰ্মাচাৰ্য হ'ল। কনকলতা আয়ে দামোদৰক লৈ তামৰঙা পাৰত সত্ৰ পাতে যদিও মুছলমানৰ অত্যাচাৰত থাকিব নোৱাৰি উজনীলৈ আহি আহোম ৰজা জয়ধ্বজ সিংহৰ আশ্ৰয় বিচাৰে। স্বৰ্গদেৱেও দামোদক আতাক শঙ্কৰদেৱৰ ধৰ্ম বিভাজন কেনেকৈ হ'ল বুলি প্ৰশ্ন কৰে-

কতো সবে বোলে দেখো আমি বামুণীয়া।
কতো কতো মেধি বোলে আমি ঠাকুৰীয়া।।
কতো সকলকো মধুপুৰীয়া বোলয়।
কালজৰীয়া কতো সককে কহয়।।

ৰজাৰ আদেশত দামোদৰে চাৰি সংহতিৰ বিশদ বিৱৰণ দাঙি ধৰিলে-

বামুণীয়া মত- শুনা মহাৰাজা তুমি থিৰ কৰি মন।
দামোদৰ নামে এক আছিল ব্ৰাহ্মণ।।
মহা শুনৱান্ত ধীৰ অতি শুদ্ধাশয়।
সৰ্বদায়ে মুখে ৰাম নামক নেৰয়।।
হেন ভাৱ দেখিয়া শঙ্কৰ তুষ্ট ভৈলা।
ব্ৰাহ্মণ সবাকো মেধি তাহাক পাতিলা।
দামোদৰে পাচে বলোদেৱক থাপিলা।
বলোদেৱে ৰান্ধনি দেৱত সমৰ্পিলা।।
বনমালী ৰহান্ধনিত প্ৰীতি কৰিলন্ত।
এহি পৰম্পৰা বামুণীয়া বুলি কন্ত।

**ঠাকুৰীয়া বা পুৰুষ সংহতি ঃ** শঙ্কৰৰ তিনি পুত্ৰ অনুপম।
হৰিচৰণ, কমললোচন, ৰমানন্দ নাম।।
ৰমানন্দ পুত্ৰ পুৰুষোত্তম খ্যাত।
হৰিচৰণত চতুৰ্ভুজ ভৈলা জাত।।
এহিমতে শঙ্কৰৰ পুত্ৰ নাতিচয়।
ঠাকুৰীয়া বুলি ৰাজা আমাক বোলয়।।

**মধুপুৰীয়া বা নিকা সংহতি ঃ** লক্ষী নাৰায়ণ পুত্ৰ বীৰ নাৰায়ণ।
বেঙেনা বাৰীক তেহে কৰিলা গমন।।

তাতে মাধৱৰ সত্ৰ আছে সুশোভন।
ভকতসকলে কৰে চৈদ্ধয় প্ৰসংগ।।
ৰাজা বোলে দধি দুগ্ধ অনেক ভুঞ্জিলো।
সবাত অধিক নামতেহে স্বাদ পালো।।
জানা বৈকুণ্ঠৰ ইটো ফল অনুপম।
থৈলোহো ইহাৰ মই মধুপুৰ নাম।।

**কালঝৰীয়া বা কাল সংহতি ঃ** ভৱানীপুৰত এক গোপাল আছিল।
মাধৱৰ সংগে তেহে ভকতি কৰিল।।
পৰম আনন্দে তাক পাতিলা সত্ৰীয়া।
সেহি কালঝাৰে কাচে সত্বৰে তেহো গৈলা।
কালঝাৰে কোষে যাতু ভকতি কৰিলা।
কালঝৰীয়া লোকে তাতেহে বুলিলা (কনকলতা চৰিত পুথি)

দামোদৰ আতাৰ বৰ্ণনাত সন্তুষ্টি লাভ কৰি স্বৰ্গদেৱে দামোদৰৰ ইচ্ছা অনুসৰি শঙ্কৰদেৱৰ জন্মভেটি বৰদোৱা পুনৰুদ্ধাৰ কৰিলে। নৰোৱা নাম দি তেওঁক সত্ৰ পাতি দিলে।

**নিকা সংহতি ঃ** মধুপুৰ সত্ৰক কেন্দ্ৰ কৰি সৃষ্টি হোৱা গোটটোক মধুপুৰীয়া বোলা হয়। এইটো গোটৰ গোঁসাই, ভকত সকলৰ ধৃতি-নীতি, বাচ-বিচাৰ অতি বেছি কাৰণে ইয়াক নিকা সংহতি বোলা হয়। এই সংহতিত শঙ্কৰদেৱক জগতগুৰু আৰু মাধৱদেৱক গুৰুৰূপে বন্দিত কৰা হয়।

গুৰুজনৰ ধৰ্মৰ চাৰিখুটিৰ অন্তৰ্গত এই সংহতিত ভকতক অধিক গুৰুত্ব দিয়া হয়। কাৰণ গুৰু, দেৱ, নাম জড় অৱস্থাত থাকে। ভকতেহে চৈতন্য কৰে। নিকা সংহতিৰ উল্লেখযোগ্য সত্ৰকেইখন হ'ল- কমলাবাৰী, বৰপেটা, মধুপুৰ। বৰ্তমান এই সত্ৰৰ সংখ্যা ১২৬ খন।

**কাল সংহতি ঃ** নিয়মৰ বশৱৰ্তী নহৈ কাল অনুযায়ী সেৱা পদ্ধতি অৱলম্বন কৰি চলাৰ বাবে গোপাল আতাই প্ৰতিষ্ঠা কৰা গোটটোক কাল সংহতি বোলাৰ থল আছে। এই সংহতিৰ উপাস্য দেৱতা একমাত্ৰ কৃষ্ণ। কলিযুগত কৃষ্ণ নামত কালপ্ৰাপ্ত হ'লে নিৰ্বাণ লাভ কৰে বুলি এইসকল লোকৰ বিশ্বাস। সেয়েহে কাল সংহতি ৰূপে এই গোটটো প্ৰসিদ্ধ। এই সংহতিত গুৰুকাষ্ঠা অতি প্ৰবল। গুৰু নহ'লে ধৰ্মও নহয়, ভক্তি নিসিজে। ভক্তি নহ'লে মুক্তিও নহয়। আধ্যাত্মিক জ্ঞানদাতা গুৰুক ঈশ্বৰ জ্ঞান কৰিববৈলে শঙ্কৰদেৱে ভক্ত সকলক দিয়া উপদেশত গোপালৰ মন ইমান দ্ৰবীভূত হ'ল যে পৰৱৰ্তী জীৱনত গুৰু সেৱাকেই প্ৰকৃত ধৰ্ম বুলি মানি ল'লে। এই সংহতিৰ বিশেষ দিশবোৰ হ'ল-

(১) কাল সংহতিৰ লোকে দিনত চাকি নজ্বলায়।
(২) সেৱাৰ দ্ৰব্যসমূহক সাজ বুলি কোৱা হয়।
(৩) সত্ৰৰ নামঘৰ মণিকূট উত্তৰা-দক্ষিণাকৈ থাকে।
(৪) প্ৰত্যেক সত্ৰতে গীতঘোষা নিজাকৈ প্ৰণয়ন কৰি ইয়াক প্ৰচলন কৰাৰ নিয়ম।

গোপাল আতাই কালঝাৰত সত্ৰ পাতি শিষ্য প্ৰশিক্ষণ কাৰ্যসূচী চলাইছিল। ইয়াৰ মাজৰ পৰা ৰচ জন ভক্তক বাচি লৈ ধৰ্মাচাৰ্য পাতি ধৰ্ম প্ৰচাৰৰ দায়িত্ব দিছিল। তেওঁলোক হ'ল- (১) সৰু যদুমনি- গজলা (২)

ৰাম আতা- আঁহতগুৰি (৩) বৰ যদুমনি- বাংশবাৰী (৪) ৰামচন্দ্ৰ- খৌৰমচৰা (৫) অনিৰুদ্ধ- বিষ্ণুবালিকুঞ্চি (৬) মুৰাৰী- চৰাইবাহী (৭) সনাতন- নগৰীয়া (৮) পুৰুযোত্তম- কায়স্থপাৰ (৯) পৰমানন্দ- হাবুং (১০) নাৰায়ণ- দহঘৰীয়া। বাকী দুজন বৰগুৰু আৰু ইকৰাজান সন্যাসীৰ সত্ৰ নাই। এই সত্ৰ সমূহৰ ভিতৰত আঁহতগুৰি আৰু অনিৰুদ্ধদেৱ স্থাপিত মায়ামৰা সত্ৰৰ বহুতো শাখা প্ৰশাখা আছে।

**পৰিশেষত আমাৰ মন্তব্য ঃ** মহাপুৰুষ শঙ্কৰদেৱে পৰ্বত ভৈয়ামৰ মাজত সমন্বয়ৰ সাঁকো বান্ধি বৃহত্তৰ অসমীয়া জাতি গঢ়ি থৈ গ'ল। ব্ৰাহ্মণ, চণ্ডাল সকলোকে সমদৰ্শনেৰে ভক্তি ধৰ্মৰ অমিয়া ৰস পাণ কৰাই মোক্ষৰ পথ প্ৰশস্ত কৰি সহজ সৰল ভাৱে এখ ঈশ্বৰ কৃষ্ণক ভজনা কৰাৰ পন্থ দেখুৱাই থৈ গ'ল। কিন্তু পৰৱৰ্তী সময়ত মহাপুৰুষীয়া, দামোদৰীয়া, কালঝৰীয়া আদি ভেদ ঘটাই গুৰুজনৰ ধৰ্মৰ কালিমা সনা হ'ল। চকৰিৰ ভিতৰত চকৰি সৃষ্টি মিছাকৈ মহাপুৰুষীয়া ধৰ্ম মতৰ মাজত টানি অনা সংহতি ভেদ উঠাই দিয়াতো বাঞ্চনীয়।

**সহায়ক গ্ৰন্থ ঃ** (১) অসমৰ সত্ৰ পৰিচয় ঃ সন্ত সমাৰোহ, আউনীআটী সত্ৰ।
(২) চাৰি সংহতি আৰু ইয়াৰ উৎপত্তিৰ বিচাৰ ঃ গজেন হাজৰিকা।

# নাট-ভাওনাত ৰস-বিচাৰ

"কাব্যেসু নাটকম্ ৰস্যম"

সকলো সাহিত্যৰ ভিতৰত নাট্য সাহিত্যতেই বিভিন্ন ৰসৰ প্ৰাশ্চুৰ্যতা দেখা যায়। নাট্য শাস্ত্ৰৰ জনক ভৰতে ৰসৰ অবিহনে নাটকত কোনো অৰ্থই বৰ্তি থাকিব নোৱাৰে বুলি কৈ বিভাৱ অনুভাৱ আৰু সঞ্চাৰী ভাৱৰ সহযোগত ৰসৰ উপলব্ধি সম্পৰ্কে সূত্ৰ আগবঢ়াইছে।

"ন হি ৰসাদৃতে কশ্চিদ অৰ্থ প্ৰৱৰ্ত্তে
তত্ৰ বিভাৱনুভাৱ ব্যভিচাৰী সংযোগাদ ৰসনিষ্পতিঃ।"

না না বিধ ব্যঞ্জনৰ লগত ভাত সানি খালে যি সোৱাদ বা আস্বাদ অনুভৱ কৰিব পাৰি তেনেদৰে স্থায়ী ভাৱসমূহে অভিনয়ৰ লগত জড়িত হৈ ৰসৰ অনুভূতি জগাই তোলে। ভাৱ আৰু ৰসৰ মাজৰ পাৰ্থক্য হ'ল ভাৱটো ভিতৰৰ বস্তু আৰু ৰসটো তাৰ বাহ্যিক প্ৰদৰ্শন। ৰসবিহীন নাটক বা ভাওনাক লৱণ বিহীন ব্যঞ্জনৰ লগত তুলনা কৰিব পাৰি।

ভৰতে আঠ প্ৰকাৰৰ ৰসৰ কথা বৰ্ণনা দিছে। সেয়া হ'ল- আদি বা শৃংগাৰ, বীৰ, ভয়ানক, কৰুণ, বিভৎস, হাস্য, অদ্ভুত আৰু ৰৌদ্ৰ ৰস। এই আঠোটা ৰসৰ উপলব্ধিৰ বাবে আঠটা স্থায়ী ভাৱৰ কথাও উল্লেখ কৰিছে। সেইয়া যথাক্ৰমে ৰতি, হাস্য, শোক, ক্ৰোধ, উৎসাহ, ভয়, জুগুপ্সা আৰু বিস্ময়। পৰৱৰ্তী সময়ত আলংকাৰিক সকলে "শান্তি" ৰসকো অন্তৰ্ভুক্ত কৰি ন-বিধলৈ ৰূপান্তৰিত কৰিছে আৰু এই নৱ ৰসকেই সৰ্বজনগ্ৰাহ্য বুলি ধৰা হয়।

এতিয়া আহোঁ মহাপুৰুষ শঙ্কৰদেৱৰ নাটকত ৰসৰ বিচাৰ কৰিবলৈ। পাশ্চাত্য দৰ্শন আৰু ভাৰতীয় দৰ্শনৰ মাজত মৌলিক পাৰ্থক্য থকাৰ দৰেই সংস্কৃত নাটক আৰু শঙ্কৰদেৱৰ নাটকৰো মৌলিক পাৰ্থক্য বিদ্যমান। পাশ্চাত্য দৰ্শন হ'ল দাৰ্শনিকসকলৰ মাজত পাণ্ডিত্য আৰু বুদ্ধিৰ প্ৰতিযোগিতা আৰু জ্ঞান তৃষ্ণা পৰিতৃপ্তিৰ এক সমল। আনহাতে ভাৰতীয় দৰ্শন জ্ঞান তৃষ্ণা পৰিতৃপ্তিৰ সমল নহয়, ভাৰতীয় দৰ্শনে বাহ্যিক জগত অতিক্ৰমি অন্তৰ জগতত প্ৰৱেশ কৰি আত্মোপলব্ধিৰ যোগেদি জগতক উপলব্ধি কৰাটোহে মূল উদ্দেশ্য। সেইদৰে সংস্কৃত দৃশ্য কাব্য ৰচনাৰ মৌলিক উদ্দেশ্য হ'ল বিবিধ নাট্যৰস সৃষ্টি কৰি দৰ্শকক মনোৰঞ্জন দিয়া। আনহাতে শঙ্কৰদেৱৰ দৃশ্যকাব্য ৰচনাৰ মূল উদ্দেশ্য হ'ল নাটকৰ আকষৰ্ণৰ মাজেদি দৰ্শক-শ্ৰোতাক নৱ-বৈষ্ণৱ ধৰ্মৰ ভক্তিবাদৰ প্ৰতি আকৃষ্ট কৰা। মহাপুৰুষজনাই উপলব্ধি কৰিছিল যে, অনাক্ষৰী লোকসকলক শ্ৰব্য কাব্যতকৈ দৃশ্য কাব্যৰ জড়িয়তেহে সহজে ভক্তিধৰ্মৰ প্ৰতি আকৰ্ষিত কৰিব পৰা যাব। সেই উদ্দেশ্যৰে শঙ্কৰদেৱে ভাৰতীয় নাট্য পৰম্পৰাৰ ভেটিতে নিৰ্মাণ কৰিলে নাট বা ভাওনা। ভাওনা পৰিবেশনৰ বাবে নিৰ্মাণ কৰিলে বাঁহ, খেৰেৰে সজা দুচলীয়া ঘৰৰ সৰলীকৃত স্থাপত্য নামঘৰ। শিল্পকাৰ শঙ্কৰদেৱৰ সৰ্বোত্তম কীৰ্ত্তি ভাওনাই নামঘৰৰ জৰিয়তে অভিনয়ৰ পৰা আহাৰ্য্যলৈ, সংগীত নৃত্যৰ পৰা বাদ্য যন্ত্ৰ নিৰ্মাণলৈ, চিত্ত বিনোদনৰ পৰা ভক্তি সঞ্চাৰলৈ এক নতুন সাংস্কৃতিক কৰ্মযজ্ঞৰ সূচনা কৰিলে।

ভৰত মুনিৰ নাট্য শাস্ত্ৰৰ স্ফুৰণো শঙ্কৰদেৱৰ নাটত প্ৰৱাহিত হৈছে, মাত্ৰ নৱ ৰসৰ শান্ত ৰসক তেৰাই ভক্তি ৰসত পৰিণত কৰিছে। লোক মনোৰঞ্জনৰ উদ্দেশ্যে নাটকৰ বিষয়বস্তুৰ লগত ৰজিতা খুৱাই নৱ ৰসত বিভিন্ন ৰস সমূহ প্ৰয়োগ হৈছে যদিও, যিদৰে উপনৈসমূহ য'ৰ পৰা যেনি তেনি বৈ নাযাওক কিয় শেষত বৰনৈৰ বুকুত বিলীন হোৱাৰ দৰেই আটাইবোৰ ৰসেই শেষত ভক্তিৰসত মিলিত হৈছে। যদিওবা নাট্য

শাস্ত্ৰৰ নৱ ৰসৰ প্ৰয়োগ অংকীয়া নাটকত ঘটিছে তথাপি সন্তাৱলী পুথিৰ তথ্য অনুযায়ী অন্য সপ্তৰসৰ বিৱৰণহে আছে—

"গায়ন বায়ন সবে সভাজয় কৰে।
সূত্ৰ নাট্যগণে ৰসিকৰ মন হৰে।।
পণ্ডিতে বুজিব শ্লোক কৰিলা বচন।
গীত অৰ্থ বুজিবেক দ্বিজ সভাগণ।।
ব্ৰজাৱলী ভাষাক বুজিব গ্ৰামীলোক।
ছো-মুখা দেখিবেক অন্য মূঢ় লোক।।
শুদ্ধ বা অশুদ্ধ তথাপিতো কৃষ্ণ নাম।
এই সপ্ত ৰস নাটকৰ অনুপম।।"

এতিয়া আমি চাওঁ কোন নাটকত কি কি ৰসৰ প্ৰয়োগ হৈছে ঃ

**(১) বীৰ ৰস ঃ** শঙ্কৰদেৱৰ প্ৰকাশিত ৬ খন নাটকৰ প্ৰায়কেইখনতেই বীৰ ৰসৰ প্ৰয়োগ ঘটিছে। বিপক্ষৰ ওপৰত প্ৰতিশোধ গ্ৰহণ কৰা আদিৰ দ্বাৰা অনুভাৱিত, গৰ্ব, বিতৰ্ক, ৰোমাঞ্চ আদিৰ দ্বাৰা সম্পৰ্কিত হৈ আহ্লাদিত হোৱাটোৱেই বীৰ ৰস। এই ৰসৰ কেইটিমান বচন-

**শ্ৰীকৃষ্ণ বোল ঃ** আহে প্ৰাণ প্ৰিয়ে, হামাক আগু ওহি ৰাজাসৱ কোন পতঙ্গ। যৈচে সিংহক আগে ক্ষুদ্ৰ হৰিণ। ইহা জানি ভয়, শোক ছাড়হ। দেখহ পাপী ৰাজাসৱক, যৈচে শৃগালক এইক্ষণে খেদাৱব।

**ৰাজাসৱ বোল ঃ** অয়ে যাদৱ অনাচাৰ। হামাৰ বিবাহক কন্যা ৰুক্মিণীক যদি নাহি ছোড়ব তব যত শকতি থিক হামাকু যুদ্ধ দেহ (ৰুক্মিণী হৰণ)।

পাৰিজাত হৰণ নাটকত শ্ৰীকৃষ্ণই নৰকাসুৰক বধ কৰা, ইন্দ্ৰৰ দৰ্প চূৰ্ণ কৰা কাৰ্যত বীৰ ৰস ফুটি উঠিছে। ৰাম বিজয় নাটকত ৰামচন্দ্ৰই বীৰদৰ্পে তাৰকা, সুবাহু আদি ৰাক্ষস গণক বধ কৰি ঋষি কাৰ্য সাধন কৰাৰ লগতে পৰশুৰামৰ দৰ্পচূৰ্ণ- "অএ দুষ্ট দ্বিজাধম, ক্ষত্ৰিয় সৱক মাৰি তুহু গৰৱ কৰৈচ আজু তুক যমপুৰ দেখাৱব। যত শকতি থিক হামাৰ সন্মুখ হুয়া ৰহ।"

**(২) আদি ৰস বা শৃংগাৰ ৰস ঃ** শৃংগাৰ ৰসৰ স্থায়ীভাৱ হ'ল ৰতি। এই ভাৱটোৱে প্ৰিয়জনক আলম্বন কৰি কটাক্ষ, মিচিকিয়া হাঁহি, বুকু ঢপঢপোৱা আদি ভাৱেৰে অনুভাৱিত হৈ লজ্জা আদি সঞ্চাৰ ভাৱৰ দ্বাৰা সঞ্চাৰিত হৈ ৰসোপলব্ধি হ'লে তাক শৃংগাৰ ৰস বোলে। এই ৰস দুই প্ৰকাৰৰ- সম্ভোগ আৰু বিপ্ৰলব্ধ। নায়ক-নায়িকাৰ মিলন, চুম্বন, আলিঙ্গন, আদিৰ দ্বাৰা যি ৰস উপলব্ধ হয় সেয়াই সম্ভোগ ৰস। শঙ্কৰদেৱৰ কেলি গোপাল, ৰুক্মিণী হৰণ, ৰাম বিজয় আদি নাটকত ইয়াৰ প্ৰচুৰ উদাহৰণ আছে।

কাহাকু হৰি হাসি কৰ' মান।
কাহাকু চুম্বন চৰ্ব্বন দান।।
কাঞ্চুৰি ছোড়ি কুচ পৰকাশ।
হাতে ঘূৰি গৌৰী কৰতু হাস।।
কাহাকু লেলা হৰি অম্বৰ ছোড়ি।
ৰহল লাজে গোপী অঙ্গ মোৰি।। (কেলি গোপাল)

ৰাম বিজয় নাটকত সয়ম্বৰৰ অন্তত ৰাম সীতা মিলনৰ যি দৃশ্য ৰুক্মিণী হৰণত ঃ- শ্ৰীকৃষ্ণ পৰম আনন্দ চলিতে প্ৰিয়া কণ্ঠে হাত মেলি ধৰল, সে নৱ তৰুণ প্ৰথম পিয়োক পৰশে লজ্জিত হুয়া অল্প হাস্য কৰিয়া ঘন ঘন আখি মুদি ৰহল, আদি বৰ্ণনা সম্ভোগ ৰসৰ উৎকৃষ্ট উদাহৰণ।

**বিপ্রলব্ধ শৃংগাৰ ঃ** নায়ক-নায়িকাৰ বিচ্ছেদজনিত অৱস্থাৰ বৰ্ণনাৰ পৰা উৎপত্তি হোৱা ৰসক বিপ্ৰলব্ধ শৃংগাৰ ৰস বোলা হয়। ৰুক্মিণী হৰণত কুণ্ডিল নগৰৰ পৰা দ্বাৰকালৈ অহা সুৰভি ভাটৰ মুখত ৰুক্মিণীৰ ৰূপ সৌন্দৰ্যৰ বিৱৰণ শুনি শ্ৰীকৃষ্ণৰ মনত জন্মা অনুৰাগ, অথবা ৰাম বিজয় নাটকত কৌশিকৰ মুখত সীতাৰ ৰূপ লাৱণ্যৰ বৰ্ণনা শুনি ৰামৰ মনত ওপজা মদন বিকাৰৰ মাজত বিপ্ৰলব্ধ শৃংগাৰ আভাস ফুটি উঠিছে।

**(৩) ভয়ানক ৰস ঃ** যি ৰসৰ যোগেদি ভয়, কম্পন, পলায়ন, ত্ৰাস আদি ভাৰ সঞ্চাৰিত হয় সেয়াই ভয়ানক ৰস। ৰাম বিজয় নাটকত পিতৃ, ভাতৃ, পত্নীসমে ৰাম অযোধ্যালৈ প্ৰত্যাৱৰ্তনৰ পথত পৰশুৰামে আগভেটি ধৰাত সীতাৰ মনত যি ত্ৰাসৰ সৃষ্টি হৈছিল, সেইয়া ভয়ানক ৰসৰ উদাহৰণ।

তদন্তৰে কালান্তক পৰশুৰামক নিৰীখি সীতাৰ শৰীৰ কম্পে, হাঃ হাঃ সকল গুণ ভাজন স্বামী হামাৰ আজু কাহেক দেলহু। বিধি বীড়ম্বন ভেল। কালিয় দমন নাটকতো কালি নাগৰ দংশনত শ্ৰীকৃষ্ণই মনুষ্য চেষ্টা দেখুৱাই সৰ্পৰ বন্ধনত পৰি ৰোৱা দৃশ্যই ভয়ানক ৰসৰ সৃষ্টি কৰিছিল। গোপসকলৰ বিলাপ—

হাঁ হাঁ কি ভেল ঃ হামাকো প্ৰাণে জীয়াই তু আপোনে মৰল। তোহো বিনে কৈছে হামো জীৱন ৰাখবো বোলি। কৃষ্ণক মুখে নিৰীখি বহুত বিলাপ কৰিয়ে হ্ৰদৰ তীৰতে ৰহল। তদ্ৰূপ যশোদাৰ অন্তৰত মহাত্ৰাস সৃষ্টি হোৱা দৃশ্যই ভয়ানক ৰসৰ ইঙ্গিত দিয়ে।

**(৪) কৰুণ ৰস ঃ** যেতিয়া হৃদয়ৰ আপোনজনৰ প্ৰতি মৃত্যু ভয় বা অনিষ্ট প্ৰাপ্তিৰ পৰিৱেশ সৃষ্টি হয়, তেওঁৰ অন্তৰত উদ্ৰেক হোৱা মানসিক কাতৰজনক চিত্ৰ বৃত্তিটোৱেই হ'ল স্থায়ী ভাৱ শোক। এই স্থায়ী ভাৱটো যদি প্ৰিয়জনৰ গুণ গৰিমা আদিৰ দ্বাৰা উদ্দীপিত হয়, ক্ৰন্দন আদিৰ দ্বাৰা অনুভাৱিত হৈ মোহেৰে সঞ্চাৰিত হৈ যি ৰস ফুটি উঠে সেই ৰসেই কৰুণ ৰস নাম পায়। মহাপুৰুষৰ ৬খন নাটকৰ প্ৰতিখনতেই কম বেছি পৰিমাণে এই ৰস অনুভূত হয়।

ৰুক্মিণী হৰণ নাটকত জ্যেষ্ঠ ভ্ৰাতৃ ৰুক্মবীৰে ৰুক্মিণীক কৃষ্ণৰ পৰিবৰ্তে শিশুপাললৈ বিয়া দিয়াৰ প্ৰস্তুতি চলোৱাত ৰুক্মিণী শোকত ম্ৰিয়মান হোৱা দৃশ্য নাট্যকাৰ শঙ্কৰদেৱে এটি কৰুণ ৰসৰ গীতেৰে অধিক চিত্তাকৰ্ষক কৰি তুলিছে—

হৰি বিনে ৰুক্মিণী দেখত আন্ধিয়াৰী,
ঘন ঘন মুৰুচি পৰ এ বৰ নাৰী।
ফোকাৰয় শ্বাস নয়নে ঝুৰে বাৰি।।

তদন্তৰে কৃষ্ণক বিৰহ তাপে তাপিত হুয়া ৰুক্মিণী ঘন ঘন কৃষ্ণ গুণ জম্পয়ে দশ দিশ আন্ধাৰী দেখিয়ে মূৰ্চ্ছিত হুয়া পৰল। এই প্ৰসঙ্গতে নাট্যকাৰে কেইবাটিও কৰুণ ৰসৰ গীতেৰে অতি স্পৰ্শকাতৰ কৰি তুলিছে।

ৰাম বিজয় নাটকত অযোধ্যালৈ গমনৰ পথত পৰশুৰামে হৰধনু ভঙ্গাৰ অপৰাধত ৰামৰ ওপৰত প্ৰতিশোধৰ দাবাগ্নি প্ৰদৰ্শন কৰাত প্ৰাণৰ প্ৰিয়তম স্বামীক হেৰুৱাব লগাৰ বেদনাত সীতাই কৰা বিলাপে নাটকখনিত কৰুণ ৰসৰ সঞ্চাৰ কৰিছে—

হৰি হৰি ৰমনী কৰয়ে পৰি মাই।
পেখি পৰম পিউ জীৱ যৈচে যাই।।
পাৱল কতনা পুণ্যে পহু হামি।
হাতে হৰয় বিধি নৱ নিধি স্বামী।।

আকৌ এই নাটকৰ আৰম্ভণীতে জাতিস্মৰ সীতাই পূৰ্ব জনমত নাৰায়ণক স্বামীৰূপে পাবলৈ অনেক তপস্যা কৰিও বিফল হৈ এই জনমতো আশা পূৰ্ণ নোহোৱাত কাতৰ হৈ ঘনে ঘনে মূৰ্চ্ছিত হোৱা দৃশ্য

নাট্যকাৰে কৰুণ ৰসেৰে ফুটাই তুলিছে।

**(৫) বিভৎস ৰস ঃ** কোনো অমাৰ্জিত বস্তুক আলম্বন কৰি নাসিকা সংকোচন কৰিব লগা অনুভাৱিত আৰু গ্লানি আদিৰ দ্বাৰা সঞ্চাৰিত হৈ আস্বাদিত হ'লে তাক বিভৎস ৰস বোলে। ৰুক্মিণী হৰণ আৰু ৰাম বিজয় দুয়োখন নাটকতে ৰুক্মিণী আৰু সীতাৰ প্ৰণয় প্ৰাৰ্থী ৰজাসকলে বিভৎস স্বৰূপ প্ৰদৰ্শন কৰিছে। ৰুক্মিণীয়ে সভাত প্ৰৱেশ কৰোতেই কামাতুৰ ৰজাসকলে মান মৰ্যাদা জলাঞ্জলি দি ৰুক্মিণীক পাবলৈ হেতা-ওপৰা লগাওঁতে সখীয়েকহঁতৰ চৰ, লাঠি আদি খাইও কামনা বাসনা ত্যাগ নকৰা হৰি ভক্তিহীন কামাসক্ত ৰজাসকলক নাট্যকাৰ শঙ্কৰদেৱে বিভৎস ৰূপ বুলিয়েই বৰ্ণনা কৰিছে। তদ্ৰূপ ৰাম বিজয় নাটকতো সীতাৰ সয়ম্বৰত উপস্থিত ৰজাসকলেও কৰা দৃষ্টিকটু আচৰণক বিভৎস বুলিয়েই নাট্যকাৰে বৰ্ণনা কৰিছে—

হে সুন্দৰী মদন বাণে হামাৰ প্ৰাণ ফুটি যায়  
বচন অমিয়া ৰস বৰষি হামাকো জীৱাএ্গ।।

অয়ে সামাজিক লোকঃ হৰি ভকতিহীন কামাতুৰ পুৰুষৰ দুখ দেখহ।

**(৬) হাস্য ৰস ঃ** বিকৃত বেশভূষা, চলন-ভঙ্গী আদিক আলম্বন কৰি অসামৰ্থ্যতাৰ অনুভাৱিত হৈ সমাজৰ হৃদয়ত আস্বাদিত হ'লে তাক হাস্য ৰস বোলে।

শ্ৰীকৃষ্ণই ৰুক্মিণী হৰণ কৰিবলৈ দ্বাৰকাৰ পৰা কুণ্ডিললৈ আহোঁতে ৰথৰ বেগত বেদনিধি মূৰ্চ্ছা যোৱা, হাত ভৰি থৰ হোৱা আদি দৃশ্যই হাস্য ৰসৰ খোৰাক যোগায়। তদুপৰি ৰুক্মিণীৰ বিবাহত মধু চন্দিকা কৰিবলৈ গৈ ৰুক্মিণীৰ ৰূপ দেখি ব্ৰহ্মা মূছ্কচ্ যোৱা আৰু সীতাৰ ৰূপ দেখি বিশ্বামিত্ৰ ঋষি কামাতুৰ হৈ মূৰ্চ্ছা যোৱা দৃশ্য হাস্য ৰসৰ উদাহৰণ।

**অদ্ভুত ৰস ঃ** স্থায়ী ভাৱ বিস্ময়ৰ আৰু অস্বাভাৱিক বস্তুক আলম্বন কৰি শিহৰণ, চক্‌খোৱা আদিৰ দ্বাৰা অনুভাৱিত আৰু বিতৰ্ক চিন্তা আদিৰ দ্বাৰা সঞ্চাৰিত হ'লে তাক অদ্ভুত ৰস বোলে। শঙ্কৰদেৱৰ কালিয় দমন নাটকত কালি নাগৰ বৰ্ণনাত অদ্ভুত ৰসৰ পটন্তৰ পোৱা যায়।

**(৭) ৰৌদ্ৰ ৰস ঃ** বৈৰীকৃত অপকাৰ আদিৰ দ্বাৰা উদ্দীপিত তৰ্জন-গৰ্জন আদিৰ দ্বাৰা অনুভাৱিত হ'লে তাকে ৰৌদ্ৰ ৰস বোলে। শঙ্কৰদেৱৰ ৰাম বিজয়, ৰুক্মিণী হৰণ নাটকত ৰৌদ্ৰ ৰস পৰিস্ফুটিত হৈছে। ৰাম বিজয় নাটকত পৰশুৰামৰ দৰ্প শুনি কোপত অধিৰ হোৱা লক্ষ্মণৰ সংলাপত এই ৰসৰ আভাষ পোৱা যায়। "হে ৰঘুনাথ আততায়ী দুষ্ট দ্বিজক বধে কোন দোষ ঠিক। হামাক আজ্ঞা কৰহ, আহেক প্ৰাণ চোৰাএ্গ।"

**(৮) অদ্ভুত ৰস ঃ** বিস্ময় নামৰ স্থায়ী ভাৱ, অস্বাভাৱিক ঘটনাক আলম্বন কৰি, শিহৰণ, চক্‌খোৱা আদিৰ দ্বাৰা সঞ্চাৰিত হৈ আস্বাদিত হ'লে তাক অদ্ভুত ৰস বোলে। কালিয় দমন নাটকত কালি নাগৰ ক্ষেত্ৰত তেনে ৰসৰ প্ৰয়োগ ঘটিছে।

**(৯) শান্ত ৰস ঃ** শান্ত ৰসৰ স্থায়ী ভাৱ হ'ল নিৰ্বেদ অৰ্থাৎ ঔদাসীনতা- শম্ স্থায়ী ভাৱতো পৰিদৃশ্য মান জগতক আলম্বন কৰি সাধু সজ্জনৰ দ্বাৰা অনুভাৱিত হ'লে শান্ত ৰস নাম পায়। ৰাম বিজয় নাটকৰ অৰ্থ ভটিমাটি শান্ত ৰসৰ উদাহৰণ—

ধন জন জীৱন যৌৱন বিজুৰি  
উজৰি দেখা না দেখা।  
জানয় কেশৱ দেৱাসে দেখা  
সেহি শিলাকৰু ৰেখা।।

পাৰিজাত হৰণ নাটকত কৃষ্ণৰ হাতত ইন্দ্ৰ পৰাজিত হৈ গৰ্ব, অহংকাৰ ত্যাগ কৰি বৈৰাগ্য ভাৱে কৃষ্ণৰ পাশত দণ্ডৱতে কৰা স্তুতিত শান্ত ৰস ফুটি উঠিছে।

গুৰুজনাৰ পদাঙ্ক অনুকৰণ কৰি মাধৱদেৱেও ছয় অংকীয়া নাটক প্ৰণয়ন কৰিছিল। কিন্তু ৰসৰ ক্ষেত্ৰত দুয়োজনৰ নাটকৰ মৌলিক পাৰ্থক্য আছিল। গুৰুজনে নাটকৰ নায়ক ৰূপে বাচি লৈছিল পূৰ্ণ পৰ্যায়ৰ কৃষ্ণক যাৰ ওপৰত ঈশ্বৰত্ব আৰোপ কৰা হৈছিল। কিন্তু মাধৱদেৱে নাটক-ঝুমুৰাৰ নায়ক দুগ্ধ পুস্য কৃষ্ণহে। গতিকে পূৰ্ণ কৃষ্ণৰ কৰ্মসূচীত ব্যৱহৃত হোৱা বীৰ ৰস, শৃংগাৰ ৰস, বিভৎস ৰস মাধৱদেৱৰ নাটকত ব্যৱহৃত হোৱা নাছিল। তাৰ পৰিবৰ্তে মান-অভিমান, চল-চাতুৰি, চুৰি আদি ৬ ৰসৰহে ব্যৱহাৰ হৈছিল। এই আটাইবোৰ বাৎসল্য ৰসৰ অন্তৰ্গত।

অসমত নাট-ভাওনাৰ সৃষ্টিকৰ প্ৰথম মহাপুৰুষ শঙ্কৰদেৱেই। তেৱাঁৰ মূল উদ্দেশ্য মানৱ সমাজক ঈশ্বৰ ভক্তিৰ পথ নিৰ্দেশনা দিয়া। গতিকে নাটক আৰু ভাওনাৰ মুখ্য উদ্দেশ্য ভক্তি ৰস হ'লেও লৌকিকতা থকা নৱ ৰসৰ প্ৰয়োগ ঘটাই সৰ্বজন গ্ৰাহ্য কৰি তুলিছে। কেলি গোপাল নাটকত কৃষ্ণ গোপীৰ প্ৰেম লীলাৰ কামজয় ৰূপক প্ৰক্ষেপ কৰি সেয়া অশ্লীলতা নেভাৰি ভক্তিভাৱ গ্ৰহণ কৰিবলৈ গুৰুজনে শিকনি দিছে যদিও সৰ্বসাধাৰণৰ দৃষ্টিত গোপীনাং বদ্ধয়ন কামং ৰসয়াসম কেশৱঃ বৰ্ণনা প্ৰকট হৈছে। ঠিক তেনেদৰে ৰাম বিজয়, ৰুক্মিণী হৰণ আদি নাটকতো লোক মনোৰঞ্জনৰ উদ্দেশ্যে নৱ ৰস প্ৰয়োগ কৰি ভাওনাসমূহ মনোৰঞ্জন কৰি তুলিছে।

গুৰুজনাৰ পৰৱৰ্তী কালতো তেনে উদ্দেশ্য সাৰোগত কৰিয়েই, হাস্যৰস, কৰুণ, বীৰ ৰস আদিৰ সঘন প্ৰয়োগ কৰি তুলিছে যাৰ ফলত ভাওনাই অসমীয়া সমাজত এক বিশিষ্ট স্থান লাভ কৰিছে। এফালে চিত্ত বিনোদন আনফালে ভক্তি ৰসৰ সঞ্চাৰ এই দুয়োটা দিশতেই ভাওনা সফল হৈছে।

**সহায়ক গ্ৰন্থ ঃ**

(ক) মহাপুৰুষ শঙ্কৰদেৱৰ অংকীয়া নাট আৰু ঝুমুৰা ঃ ড° প্ৰদীপ হাজৰিকা
ড° ইন্দিৰা শইকীয়া বৰা

(খ) শঙ্কৰদেৱৰ নাটৰ ৰস ঃ ৰাজীৱ বৰা (প্ৰৱন্ধ)

# শ্ৰীমন্ত শঙ্কৰদেৱৰ সৃষ্টিৰাজিৰ মূল্যায়ন

পোন্ধৰশ শতিকাত অসম ভূমিত জন্ম গ্ৰহণ কৰা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশাল প্ৰতিভা আৰু চিন্তাৰ আলোকমালাই অসমৰ জনজীৱন উজ্জীৱিত কৰি তোলাৰ লগতে গুৰুজনে ভাষা, ধৰ্ম, সাহিত্য, সংস্কৃতিৰ চতুস্কোণ সঞ্চাৰি অকলেই সৃষ্টি কৰি গ'ল এক নৱজাগৰণ। এই নৱন্যাসে অসমীয়া জাতিসত্বাক পৰিশোধিত কৰি আধুনিক যুগৰ লগত খাপ খাব পৰাকৈ প্ৰবাহিত কৰিলে ন ন সংস্কাৰ। এই দিশত ড° ডিম্বেশ্বৰ নেওগদেৱৰ বক্তব্য 'অসমীয়া সমাজৰ প্ৰকৃত বুৰঞ্জী অসমীয়াৰ জাতীয়তাৰ স্বৰূপ ইতিহাস বাস্তৱতে শঙ্কৰদেৱৰ জীৱনী মাত্ৰ'।

মহাপুৰুষজনাৰ বিশাল সৃষ্টিৰাজিৰ মূল্যায়ন কৰিবলৈ যোৱা মানে বাওনা হৈ চন্দ্ৰলৈ হাত মেলাৰ দৰেহে হ'ব। তথাপি আমি তেৰাৰ সৃষ্টিৰাজিৰ সামান্য ভাৱ মূল্যায়ন কৰিবলৈ প্ৰয়াস কৰিছো।

**ভক্তি আন্দোলন ঃ** তামিল দেশৰ পৰা উত্তৰ ভাৰতলৈ সম্প্ৰসাৰিত হোৱা ভক্তি আন্দোলনৰ এটি ধাৰা অসমলৈ প্ৰবাহিত কৰি আনিলে এই গৰাকী যুগোত্তীৰ্ণ পুৰুষে। ইতিমধে অসমত ধৰ্মৰ নামত চলি থকা ব্যয় বহুলতা, যিটো সৰ্বসাধাৰণৰ বাবে দুঃসাধ্য লগতে বিভিন্ন ব্যভিচাৰ পূৰ্ণ ধৰ্মাচাৰণে জনসাধাৰণক কোঙা কৰি পেলোৱাৰ উপৰিও অতীষ্ঠ কৰি তুলিছিল। গুৰুজনে এইবোৰৰ ছাইত অসমবাসীক দেখুৱালে এক নতুন পথ- এই পথ মানৱতাৰ পথ- এই পথ ভক্তিৰ পথ- এই পথ ধৰ্ম ৰক্ষাৰ নামত পৰুৱা এটাও নমৰাকৈ কেৱল ভক্তিভাৱে, অনাড়ম্বৰভাৱে এক কৃষ্ণক শ্ৰৱণ-কীৰ্তনৰ মাজেদি ভজনা কৰাৰ পথ। 'কৃষ্ণস্তু ভগৱান স্বয়ম্'। ভাগৱতে দেখুওৱা এই দিক্‌দৰ্শনৰ জৰিয়তে একমাত্ৰ কৃষ্ণত তন-মন অৰ্পণেৰে মোক্ষত্ব প্ৰাপ্তৰ পথ।

সেহি এক শৰণ ভজন অনুপাম।
নুশুনাই আন কোনো দেৱতাৰ নাম।। (ভক্তি প্ৰদীপ)

গুৰুজনে শৰণ ভজন মন্ত্ৰৰে ইচ্ছুক সকলক এই ভক্তি ধৰ্মত অন্তৰ্ভুক্ত কৰিলে। নৰ বলিকে ধৰি বিভিন্ন অমানৱীয় ধৰ্মাচাৰণ অন্ত পেলাই মহাপুৰুষজনাই অসমবাসীক ধৰ্মীয় নৱ জাগৰণৰ স্বাদ দিলে। গুৰুজনৰ এই সহজ সৰল ধৰ্ম গ্ৰহণ কৰি অসমবাসী কৃতাৰ্থ হ'ল।

**নামঘৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই তেৰাৰ প্ৰৱৰ্তিত এক শৰণ ভাগৱতী ধৰ্ম প্ৰচাৰৰ বাবে এক ৰাজহুৱা কেন্দ্ৰৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। তাৰ ফলশ্ৰুতিত নামঘৰ। এই নামঘৰেই হৈ পৰিল শ্ৰৱণ-কীৰ্তনৰ স্থলী, ধৰ্মীয় আলোচনাৰ মূল লগতে বিবাদসমূহ নিষ্পত্তি কৰাৰ থল। দক্ষিণৰ অলংকৃত মন্দিৰৰ স্থাপত্যৰ সলনি শঙ্কৰদেৱে পৰিকল্পনা কৰিলে গ্ৰাম্য অৰ্থনীতিত কোনো আচোৰ নপৰাকৈ বাৰীত থকা বাহ, বেত, খেৰ আদিৰে নিৰ্মিত আহল-বহল দুচলীয়া নামঘৰ। ইয়াত প্ৰয়োগ ঘটিল গুৰুজনৰ ভাস্কৰ্য কলাৰ অপূৰ্ব নিদৰ্শন। নামঘৰৰ সন্মুখত উত্তৰা-দক্ষিণাকৈ সজা গৃহই হ'ল মণিকূট। সপ্ত বৈকুণ্ঠৰ প্ৰতীক সাত খলপীয়া সিংহাসন ইয়াত প্ৰতিষ্ঠা কৰা হয়। সিংহাসনৰ তলৰ খলপাত কাছ, মাজত হাতী আৰু উৰ্দ্ধত সিংহৰ চিহ্ন কটা থাকে। কাছ হ'ল ইন্দ্ৰিয় নিগ্ৰহৰ প্ৰতীক, হাতী হ'ল পাপৰ প্ৰতীক। সিংহ হ'ল নামৰ প্ৰতীক। অৰ্থাৎ নামসিংহই পাপৰ প্ৰতীক মদমত্ত হাতীক বশ কৰিছে। নামঘৰত ব্যৱহাৰ কৰা চাকি, তেল শলিতা ত্ৰিগুণৰ প্ৰতীক। সিংহাসনত ভাগৱত প্ৰতিষ্ঠা কৰা হয়। জ্যোতি প্ৰসাদে ইউৰোপত যি স্থাপত্য আৰু ভাস্কৰ্য দেখা

পাইছিল তাকেই অসমৰ নামঘৰত দেখি আশ্চৰ্য হোৱাই নহয় ভক্তিত গদগদ হৈ শঙ্কৰদেৱক অসমীয়া জীৱনৰ মহা কলাকাৰ শিল্পীৰো শিল্পী বুলি অভিহিত কৰিছিল।

ভাওনা ঃ শ্ৰীমন্ত শঙ্কৰদেৱে নামঘৰৰ স্থিতিক অধিক শক্তিশালী কৰি তোলাৰ মানসেৰে ভাৰতীয় নাট্য পৰম্পৰাৰ ভেটিত নিৰ্মাণ কৰিলে অংকীয়া ভাওনা। মহা কলাকাৰ শঙ্কৰদেৱৰ সৰ্বোত্তম কীৰ্তি ভাওনাই নামঘৰৰ জৰিয়তে অভিনয়ৰ পৰা আহাৰ্যলৈ, সংগীত, নৃত্য আদিৰ পৰা বাদ্যযন্ত্ৰ নিৰ্মাণলৈকে সকলো দিশ সামৰি এক নতুন কৰ্মযজ্ঞৰ সূচনা কৰিলে। মহাপুৰুষজনাই সূচনা কৰা মহান সাংস্কৃতিক আন্দোলনৰ প্ৰাৰম্ভিক পৰ্যায়েই হৈছে ভাওনা সংস্কৃতি। চৰিত পুতিৰ তথ্য অনুযায়ী গুৰুজনৰ প্ৰথম ভাওনা হ'ল 'চিহ্নযাত্ৰা' (১৪৬২)। ভূঞাসকলৰ অনুৰোধক্ৰমে শঙ্কৰদেৱে ভাওনাৰ প্ৰয়োজনীয় খোল, তাল, নিৰ্মাণ কৰি নতুৱা, গায়ন-বায়ন, সূত্ৰধাৰ, অ'ৰিয়া মটা আদি সকলো প্ৰস্তুত কৰিলে। এই চিহ্নযাত্ৰা ভাওনাৰ আলমতে খোল বাদ্যকে ধৰি ভালেকেইপদ সংগীতৰ সম্পদ সৃষ্টি কৰিলে। গুৰুজনে নিজে খোল বাদ্য তৈয়াৰৰ বাবে কপিলীমুখৰ কলঙৰ কাষৰ মাটি অনাই জগন্নাথ কুমাৰৰ  হতুৱাই মাটিৰে খোল সাজি নিজে সুৰ বান্ধিলে। তাৰোপৰি বৈকুণ্ঠৰ পট অংকন কৰি থলুৱা ভাৱে ৰং তুলিকা প্ৰস্তুত কৰি সপ্ত বৈকুণ্ঠ সজাই তুলিলে। বৰ্তমান অসমৰ সত্ৰ, নামঘৰসমূহৰ সাত খলপীয়া সিংহাসনক গুৰুজনে দেখুওৱা সপ্ত বৈকুণ্ঠৰ প্ৰতীক ৰূপে ধৰা হয়। বৰ্তমান ভাওনাসমূহত পৰিৱেশন কৰা গায়ন-বায়ন, বৰগায়ন, বৰবায়ন আদিৰ কাৰ্যাৱলী চিহ্নযাত্ৰাতে প্ৰদৰ্শন হৈছিল। এক কথাত ক'বলৈ গ'লে অসমৰ সঙ্গীত আৰু কলাকৃষ্টিৰ সৰহখিনি উপাদান চিহ্নযাত্ৰা ভাওনাতে গুৰুজনে সৃষ্টি কৰিছিল। পৰৱৰ্তী সময়ত নাট্যকাৰজনে ছখন অংকীয়া নাটক আৰু কেইবাখনো ঝুমুৰা প্ৰণয়ন কৰি ভাওনা কৰি দেখুৱাই নিৰক্ষৰ লোকসকলক দৃশ্য-কাব্যৰ যোগেদি কৃষ্ণ ভক্তিৰ স্বাদ দিলে।

**বৰগীত ঃ** শঙ্কৰদেৱ আৰু তেৰাৰ প্ৰপন্ন শিষ্য মাধৱদেৱে ৰচনা কৰা গীতসমূহৰ বিষয়বস্তু আধ্যাত্মিক আৰুপ পাৰমাৰ্থিক ভাৱধাৰাৰে পুষ্টিত হোৱাৰ উপৰিও ইয়াৰ ভাৱ-ভাষা অতি উচ্চ খাপৰ হোৱা হেতুকে গীতসমূহক বৰগীত আখ্যা দিয়া হৈছে। শঙ্কৰদেৱে ২৪০ টা বৰগীত ৰচিছিল। কিন্তু সেই সময়ত হাতে লিখা একমাত্ৰ পুথিখন এজন ভকতে আওৱাবলৈ নিওতে জুইত জাহ গ'ল। গুৰুজনে এই দুখতে গীত নিলিখো বুলি মাধৱক আজ্ঞা কৰিলে- 'ইমান শ্ৰমকৈ গীতখিনি কৈলো পুইলে আৰু গীত নকৰো তুমিয়েই কৰা।' তথাপি মাধৱ পুৰুযে ভক্তসকলৰ মনত ৰোৱা ৩৫ টা গীত সংগ্ৰহ কৰিলে। তদুপৰি তেৰাৰ ৬খন অংকীয়া নাটকত ১০৭ টা বৰগীত সন্নিবিষ্ট হৈ আছে। মাধৱদেৱে নিজ গুৰুৰ আদেশতে ১৫৭ টা গীত ৰচনা কৰিলে আৰু তেৰাৰ ৰচিত ঝুমুৰাত ৪৪ টা গীত সন্নিবিষ্ট হৈ অসমীয়া জাতিৰ গীতৰ ভঁড়াল চহকী কৰিছে।

গুৰুজনৰ গীতসমূহত আশোৱাৰী, বনশ্ৰী, কেদাৰ, বসন্ত, শ্ৰীকেদাৰ, গৌৰী, ভূপতি আৰু অহিৰ ৰাগৰ ব্যৱহাৰ কৰিছে। ইয়াৰে পুৱাৰ গীতত অহিৰ ৰাগ ব্যৱহাৰ কৰাৰ বিপৰীতে গৌৰী, ধনশ্ৰী, মাহুৰ দুপৰীয়া গোৱা গীতত ব্যৱহাৰ কৰিছে। আবেলি আৰু ৰাতি আশোৱাৰী, বেলোৱাৰ আৰু কেদাৰ ৰাগৰ পৰিবেশনৰ দিহা আছে। পাৰে পৰি হৰি আৰু গোপালে কি গতি কৈলে এই গীত দুটি গুৰুজনে তেৰাৰ বৰপুত্ৰ ৰমানন্দ জন্ম হওঁতে সাংসাৰিক মায়াজলত আবদ্ধ হোৱাৰ বিৰহত ৰচনা কৰিছে। শুন শুন ৰে সুৰ বৈৰী প্ৰমাণা বৰগীতটি  সীতাক উদ্ধাৰ কৰিবলৈ বানৰ গণক লৈ ৰামে ৰাৱণক বধ কৰাৰ কথনেৰে প্ৰতীকী ভাৱেৰে ৰাৱণৰূপী দুষ্কৃতিক ৰামৰূপী সংস্কৃতিয়ে পৰাভৱ কৰাৰ বৰ্ণনা দিছে। আকৌ গুৰুজনে 'গোপী উদ্ধৱ সংবাদ' নামৰ অধ্যায়টিত কৃষ্ণহীন গোপীনিৰ বিৰহ ইমান হৃদয় স্পৰ্শকৈ বৰ্ণনা কৰিছে তাৰ প্ৰভাৱত

তেৰাই ৭ টা বৰগীত গোপিনীৰ বিৰহত ব্যথিত শ্ৰীকৃষ্ণই সখা উদ্ধৱক বুজনি দিবলৈ পঠোৱাৰ ভাৱত প্ৰণয়ন কৰিছে। নাৰায়ণ কাহে ভকতি কৰো তেৰা বৰগীতকে ধৰি কেইবাটাও গীত পাৰমাৰ্থিক ভাৱেৰে লিখিছে। এই বৰগীতসমূহ অসমৰ অমূল্য সম্পদ।

**নৃত্য ঃ** মহাপুৰুষ শঙ্কৰদেৱে বাৰ বছৰ তীৰ্থ ভ্ৰমণ কৰি ভাৰতীয় আচাৰ-ৰীতি, সংগীত, নৃত্য, বাদ্যৰ লগত পৰিচিত হৈ লগতে অসমত ইতিপূৰ্বে চলি থকা নৃত্যৰ সৈতে সঙ্গতি ৰাখি এক নতুন ধাৰাৰ নৃত্য প্ৰৱৰ্তন কৰে। ২০০০ বৰ্ষত এই নৃত্যই ৰাষ্ট্ৰীয় স্বীকৃতি পোৱাৰ পিছত এই নৃত্যানুষ্ঠানক সত্ৰীয়া নৃত্য নামেৰে নামকৰণ কৰা হয়, যিহেতু নৃত্যসমূহ ৫০০ বছৰ ধৰি সত্ৰসমূহে অনেক ঘাত-প্ৰতিঘাতৰ পিছতো ধৰি ৰাখিবলৈ সক্ষম হৈছে।

সত্ৰীয়া নৃত্যৰ ব্যাকৰণ হ'ল মাটিৰ আখৰা। শঙ্কৰদেৱে মানুহৰ মানসিক শক্তিৰ লগত শাৰীৰিক সম্বন্ধত থাকিব পাৰে, সেই কথা উপলব্ধি কৰিয়েই এই নৃত্য বা ব্যায়ামৰ সৃষ্টি কৰিছিল। মাটিৰ লগত সম্বন্ধ ৰাখি শৰীৰৰ অংগ-প্ৰত্যঙ্গসমূহৰ গঠন, শ্ৰীবৃদ্ধি, চালিকা শক্তিৰ সকলো দিশত প্ৰভাৱ বিস্তাৰ কৰাকৈ একনিষ্ঠভাৱে সততাৰে হৃদয়ঙ্গম কৰি সাধনাকে মূলতঃ মাটি আখৰা বোলা হয়। সত্ৰীয়া নৃত্যসমূহ হৃদয়ঙ্গম কৰিবলৈ মাটি আখৰাৰ প্ৰতিটো ভাগেই তন্ন-তন্নকৈ জনাটো আৱশ্যক। মণিৰাম দত্ত গায়ন, ঘনকান্ত বৰবায়ন, গোবিন্দ শইকীয়া আদি নৃত্য বিশাৰদসকলে মাটি আখৰা ৬৪ বিধ বুলি সিদ্ধান্ত দিছে। ডং মহেশ্বৰ নেওগদেৱে ১০৮ বিধ বুলি মন্তব্য দিছে। এটো অনস্বীকাৰ্য যে সত্ৰীয়া নৃত্যৰ প্ৰতি অনুৰাগ নথকা ব্যক্তিয়েও যদি দৈনন্দিন মাটি আখৰা অভ্যাস কৰে, তেওঁ নিৰোগী আৰু সু-স্বাস্থ্যৰ অধিকাৰী হ'ব পাৰিব। যিহেতু মাটি আখৰাৰ ৯০% যোগাসন আৰু প্ৰাণায়মৰ লগত সাদৃশ্য আছে। কেইবিধমান মাটি আখৰাৰ নাম প্ৰকাশ কৰা হ'ল- (ক) আঠু ল'ন (খ) থিয়ল'ন (গ) ময়ুৰে পানী খোৱা (ঘ) উৰ্দ্ধালন (ঙ) তেলটুপি (চ) কাছবান্ধ (ছ) ওলোটা খৰ।

মাটি আখৰা শিকা সম্পূৰ্ণ হ'লে কৃষ্ণ নাচ, নাদুভঙ্গী নৃত্য, সূত্ৰধাৰী নৃত্য, ঝুমুৰ আৰু চালি নৃত্য আদি নৃত্যসমূহৰ শিক্ষা ল'ব পাৰি। ঝুমুৰ আৰু চালি এই দুয়োবিধ নৃত্য মাধৱদেৱৰ সৃষ্টি।

সত্ৰীয়া নৃত্যৰ কলাসমূহ সত্ৰত নিত্য নৈমিত্তিক প্ৰসংগসূচীৰ ব্যৱহৃত হৈ আছিল। নৃত্যসমূহ ক্ৰমবিকশিত ৰূপত চৰ্চা হৈ বৰ্তমান বহিঃৰাষ্ট্ৰলৈও সম্প্ৰাসাৰিত হৈছে। ১৯৭৫ বৰ্ষত ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলি আহমেদৰ লগত কমলাবাৰী সত্ৰ থুলৰ ১৬ জনীয়া দলে ইন্দোনেচীয়াত অংকীয়া ভাওনা আৰু সত্ৰীয়া নৃত্য পৰিৱেশন কৰে। এই দলটিত থকা বিশেষ ব্যক্তিসকল হ'ল পৰমানন্দ বৰবায়ন, ৰোযেশ্বৰ বৰবায়ন, ৰুদ্ৰ বৰুৱা আৰু আনন্দ মোহন ভাগৱতী। ২০০৮ চনৰ পৰা পুনৰ এই ধাৰাবাহিকতা আৰম্ভ হয় উত্তৰ কমলাবাৰী সত্ৰৰ শ্ৰী ভৱানন্দ বৰবায়নৰ নেতৃত্বত। কমলাবাৰী থুলৰ এই দলটিয়ে ফ্ৰান্স, পৰ্তুগাৰ্ল, হলেণ্ড আদি দেশত সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰাই নহয় বৰঞ্চ প্ৰসাৰতা আৰম্ভ কৰিছে। সত্ৰীয়া নৃত্যৰ এই জয়যাত্ৰা অব্যাহত আছে।

**সাহিত্য ঃ** নৱবৈষ্ণৱ আন্দোলনৰ ভেটিত অসমৰ সামাজিক, সাহিত্যিক দিশৰ সোণালী সৌধ নিৰ্মাণকাৰী মহাপুৰুষ শঙ্কৰদেৱে সাহিত্যৰ দিশতো অসমবাসীৰ বাবে মেটমৰা সম্ভাৰ আগবঢ়াই গৈছে। এইটো কথা অনস্বীকাৰ্য যে প্ৰাচীন ভাৰতীয় সাহিত্যক ধৰ্ম আৰু দৰ্শনৰ পৰা পৃথককৈ চাব নোৱাৰি। সেয়েহে শঙ্কৰদেৱৰ সাহিত্যকৃৰ্তিৰ মূল আধাৰ বেদান্ত দৰ্শন- গীতা, ভাগৱত, সাত্বিক পুৰাণ আৰু বেদৰ জ্ঞানকাণ্ড, যিটোত বেদান্তই উত্তৰ মীমাংসা বুলিছে, সৰ্বশাস্ত্ৰ বিশাৰদ, বিদগ্ধ পণ্ডিত শঙ্কৰদেৱে ইচ্ছা কৰা হ'লে অনেক মৌলিক

সাহিত্য সৃষ্টি কৰিব পাৰিলেহেঁতেন। কিন্তু সেয়া কৰা নাছিল। কাৰণ সৰ্বভাৰতীয় পৰ্যায়ত যি ভক্তি আন্দোলন গঢ়ি উঠিছিল, মহাপুৰুষজনাই সেই ভক্তি আন্দোলনৰহে পৃষ্ঠপোষক আছিল। সেয়েহে মাধৱদেৱকো বেদান্তৰ সীমাৰ বাহিৰলৈ নাযাবলৈ সকিয়নী দি গৈছিল। গুৰুজনে ভাগৱতৰ কেইবাটিও অধ্যায় অসমীয়ালৈ ভাঙিণি কৰিছিল। কিন্তু সেইয়া আক্ষৰিক অনুবাদ নহয়, ভাবানুবাদহে। প্ৰতিটো খণ্ডতে কবিয়ে নিজস্ব মতামত লিখি গৈছে। সেয়েহে ভাগৱত যে অনুবাদ শাস্ত্ৰ তাক বিশ্বাস কৰিবলৈও টান। তাৰোপৰি তেৰাৰ ৰচনাসম্ভাৰ হ'ল হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুক্মিণী হৰণ কাব্য, ভক্তিপ্ৰদীপ, ভক্তি ৰত্নাকৰ, উত্তৰাকাণ্ড ৰামায়ণ, বৰগীত, গুণমালা আৰু ছয় অংকীয়া নাটক। তেৰাৰ ৰচিত আটাইতকৈ জনপ্ৰিয় কীৰ্তনক অসমীয়া সাহিত্যৰ মৌচাক বুলিব পাৰি। কীৰ্তনত হৰ্ষ-বিষাদ, প্ৰেম-বিৰহ আদিকে ধৰি নৱ-ৰসৰ মিলন ঘটিছে। ড° নগেন শইকীয়াৰ মতে, "যিসকলে সাহিত্যৰ মোল নুবুজে, তেওঁলোকে ইয়াৰ লয়ত মোহিত হৈছে। যিসকলে সাহিত্যৰ তত্ব বুজি পায়, তেওঁলোকে ইয়াৰ সাহিত্যৰ মধু চাকিবলৈ লৈছে, যিসকলে ঈশ্বৰ তত্ব, সৃষ্টি তত্ব বুজাত পাৰ্গত, সেইসকলে ইয়াৰ পৰা জ্ঞান মাণিক উদ্ধাৰ কৰিছে।

**শঙ্কৰদেৱৰ সৃষ্টিসমূহৰ মূল্যায়ন ঃ**

উপৰোক্ত লিখনিসমূহ পৰ্যালোচনা কৰিলে আমি অনুভৱ কৰিব পাৰিম গুৰুজনৰ প্ৰতিটো কৰ্মই, প্ৰতিটো চিন্তাধাৰাই, প্ৰতিখন সাহিত্য সম্বাৰত প্ৰতিফিলিত হৈছে পৰম তত্ব, গভীৰ দাৰ্শিনিক তত্ব আৰু দিক্ দৰ্শন। আজিকোপতি কোনো ভাৰতীয় সন্তই এটা জাতিৰ সৰ্বাঙ্গীন উন্নতি কল্পে এককভাৱে ইমানখিনি মানৱ সম্পদৰ উপাদান দি যাব পৰা নাই। এইক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱ অন্যতম। তেৰাৰ আকোৰালী নোপোৰা গুণৰ প্ৰত্যক্ষ কৰিয়েই মাধৱদেৱে সৰ্বগুণাকৰ ৰূপে গুৰুজনক বন্দিত কৰিছিল। প্ৰথমে আমি তেৰাৰ প্ৰকাশিত ভক্তি আন্দোলনলৈকে চাওঁ। প্ৰাক্ শঙ্কৰী কালছোৱাত শৈৱ, বৈষ্ণৱ আৰু বৈদিক সংস্কৃতিৰ ধাৰা প্ৰৱাহিত হৈ আছিল যদিও দশম শতিকাত অসম ভূমিতেই সৃষ্টি হোৱা দুখন পুথি- কালিকাপুৰাণ আৰু যোগিনীতন্ত্ৰই এই প্ৰাচীন ধৰ্ম সংস্কৃতিক তল পেলাই তান্ত্ৰিক ধৰ্মই আগস্থান ল'লৈ য'ত ধৰ্ম পালনৰ নামত অনেক দেৱ-দেৱীৰ উপৰিও ভূত-প্ৰেত, ডাকিনী, যোগিনী আদিৰো বিভিন্ন জীৱ-জন্তুৰ বলীৰ মাধ্যমেৰে পূজা কৰাৰ ব্যৱস্থা হ'ল। তাৰোপৰি এনে কিছুমান পাবত গজা বিজতৰীয়া পন্থাৰ সৃষ্টি হ'ল যি ধৰ্ম পালনৰ নামত চূড়ান্ত ব্যভিচাৰ আৰু অশ্লীলতাৰ পোহাৰ মেলিলে। গুৰুজনে এনেবোৰ বিজতৰীয়া সংস্কৃতিৰ পৰিসমাপ্তি ঘটাই অসমবাসীক এক কৃষ্ণদেৱক অতি সহজ পন্থাৰে ভজনা কৰি মোক্ষত্ব লাভ কৰিব পৰা পথৰ সন্ধান দিলে।

দ্বিতীয়তে গুৰুজনাই ধৰ্ম প্ৰচাৰৰ আহিলাৰে নামঘৰৰ জন্ম দিলে যিটো অনুষ্ঠান অসমীয়া সংস্কৃতিৰ যাদুঘৰ ৰূপে বিবেচিত হ'ল। বৰ্তমান অসমৰ প্ৰতিখন গাঁৱতে নামঘৰ আছে আৰু সকলোৱে আজিও নামঘৰক সবাতোকৈ পবিত্ৰ স্থান ৰূপে বন্দিত কৰি আহিছে। তদুপৰি এই নামঘৰতে প্ৰদৰ্শিত গুৰুজনৰ সৃষ্টি ভাওনাক শঙ্কৰদেৱৰ সৰ্বোত্তম সৃষ্টি বুলি পণ্ডিতসকলে অভিহিত কৰিছে। শাস্ত্ৰ, ভাগৱত পঢ়িব নজনা অনাক্ষৰী জনসাধাৰণে ভাওনাৰ যোগেদিয়েই কৃষ্ণভক্তিৰ স্বাদ লাভ কৰিলে।

তৃতীয়তে গুৰুজন আৰু তেৰাৰ প্ৰপন্ন শিষ্য মাধৱদেৱে ৰচনা কৰা গীতসমূহৰ আদৰ্শ জীৱনচৰ্যাৰ মাজত আবদ্ধ নাথাকি নৈতিক আৰু আধ্যাত্মিক স্তৰলৈ গতি কৰিলে। এই গীতসমূহ কিয় বৰগীত আখ্যা দিয়া হ'ল সেই বিষয়ত পণ্ডিতসকলে বিভিন্ন মত প্ৰকাশ কৰিছে। এওঁ গীতসমূহৰ বিষয়বস্তু সংৰক্ষণশীল অৰ্থাৎ দৈহিক প্ৰেম প্ৰীতি আৰু ইন্দ্ৰিয়গ্ৰাহ্য ভাৱৰ পৰা সম্পূৰ্ণৰূপে মুক্ত। আধ্যাত্মিক আৰু ভক্তিৰসেৰে

পৰিপূৰ্ণ শঙ্কৰ-মাধৱৰ গীতৰ বাদে আন ধৰ্ম গুৰুৰ গীতক বৰগীতৰ মাজত স্থান দিয়া হোৱা নাই। এি গীতখিনি অসমীয়া সংগীত জগতৰ অমূল্য সম্পদ।

বৰ্তমান ভাৰতবৰ্ষত ৰামদেৱে যোগাভ্যাস, প্ৰাণায়ম, ব্যায়াম আদিৰ প্ৰচলন কৰি বিশ্বৰ ভিতৰতে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। শঙ্কৰদেৱে আজিৰ পৰা পাঁচ শ বছৰৰ আগেয়ে ৰামদেৱতকৈ উচ্চ পৰ্যায়ত যোগাভ্যাস সৃষ্টি কৰিছিল। বৰ্তমান সত্ৰীয়া নৃত্য ৰূপে প্ৰতিষ্ঠিত মাটি আখৰাৰ ভাগসমূহ এই যোগাভ্যাস সমূহৰ পৰিপূৰক। গুৰুজনাৰ সৃষ্টি কৃষ্ণ নৃত্য, সূত্ৰধাৰী নৃত্য, বেহাৰ নৃত্য, ৰামদানি আৰু নাদুভঙ্গী নৃত্য, চালি নৃত্য আদিয়ে বৰ্তমান বিশ্বৰ বিভিন্ন প্ৰান্তত প্ৰচাৰিত হৈ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে।

ঠিক তেনেদৰে সাহিত্যৰ ক্ষেত্ৰতো শঙ্কৰদেৱৰ অৱদান অতুলনীয়। কাব্য, নাটক, গীত আদিৰ মাজেদি গুৰুজনে শব্দালংকাৰ আৰু অৰ্থালংকাৰ দুইবিধ অলংকাৰৰ সু-প্ৰয়োগ কৰি সমগ্ৰ ৰচনা বিষয়বস্তুক চিত্ৰময় আৰু ব্যঞ্জনময় কৰি তুলিছে। কীৰ্তন পুথিভাগ মহাপুৰুষজনাৰ সবাতোকৈ ডাঙৰ সাহিত্যিক কীৰ্তি। শঙ্কৰদেৱে অন্য একো নিলিখি যদি কীৰ্তনখনকে লিখি থৈ গ'লহেঁতেন, তেতিয়াও অসমীয়া সমাজত চিৰনমস্য হৈ থাকিলহেঁতেন। কীৰ্তনৰ পাতে পাতে গুৰুজনৰ দাৰ্শনিক চিন্তাৰ প্ৰসাৰ ঘটিছে। ইয়াতেই তেৰাৰ ধৰ্ম দৰ্শনৰ মত স্পষ্টকৈ ফুটি উঠিছে। অসমৰ আকাশে-বতাহে, নামঘৰ, গোঁসাই ঠই আদিৰ বাদেও বিয়া সবাহ আনকি মুকলি পথাৰতো কীৰ্তনৰ সুৰ প্ৰতিধ্বনিত হৈছে।

একেটি ব্যক্তিত্বৰ মাজত দাৰ্শনিক, শাস্ত্ৰত পণ্ডিত, নৃত্য-গীত-বাদ্য এই তিনিওটা কলাৰ সৃষ্টি আৰু প্ৰয়োগত পাৰ্গত এগৰাকী সমাজ সংগঠক, চিত্ৰকৰ, নৱ বৈষ্ণৱ ধৰ্মৰ দাস্য ভক্তি ভক্তিৰ প্ৰাধান্যৰে নতুন মাত্ৰা দিওঁতা ধৰ্ম প্ৰচাৰকৰ প্ৰতিভা বিশ্বৰ কোনো সন্তৰ ক্ষেত্ৰত দেখা নাযায়। তেৰাৰ এই আকোৱালী নোপোৱা ব্যক্তিত্বৰ বাবেই নিঃসন্দেহে বিশ্বশ্ৰেষ্ঠ বুলিব পাৰি।

# কমলাবাৰী সত্ৰৰ ইতিবৃত্ত- অতীত আৰু বৰ্তমান

গুৰুজনাৰ বৈকুণ্ঠপ্ৰয়াণৰ পিছত মাধৱ পুৰুষে সুন্দৰীদিয়া হাজো পৰিত্যাগ কৰি লক্ষীনাৰায়ণ ৰজাৰ আইধাইৰ আহ্বান ক্ৰমে বেহাৰলৈ যাত্ৰা কৰিলে। বেহাৰৰ ভেলাদুৱাৰত থকাৰ সময়তে উজানলৈ পঠোৱা কেশৱচৰণ আতাই সেৱা ধৰিলেহি আৰু গুৰুজনাক উজানৰ বাৰ্তা দিয়াৰ লগতে জনালে তেওঁৰ লগত এজন সু-পুৰুষ তেৰাৰ পাশত ধৰ্ম ধৰিববলৈ আহিছে। মাধৱ পুৰুষে সেই সু-পুৰুষজনৰ পৰিচয় গুৰুবাক্যৰ যোগেদিয়েই জান আগতীয়াকৈ পাইছিল।

কেশৱচৰণৰ লগতে থাকি পিছদিনা পুৰুষজনে তেওঁৰ সৈতে আহি যথা নিয়মেৰে মাধৱদেৱৰ চৰণত সেৱা ধৰিলেহি। গুৰুজনে উঠা উঠা বুলি আশ্বাস বাণীৰে তেওঁৰ পৰিচয় আৰু অহাৰ সকাম সুধিলে।

"বাপ আমি বৰনাৰায়ণপুৰৰ শাউকুছি গ্ৰামৰ লোক, লৰৰ নাতি পিতৃপুৰুষ তিতা চোমদাৰ, নাম পদ্ম। সপোনত তযু কলেৱৰ দেখা পোৱা হ'ল আৰু ৰত্নাৱলী পুথিৰ যোগেদি তোমৰাৰ চৰণ চিনি ধৰ্মবস্তু ভিক্ষা কৰিববলৈ আহিছো।" মাধৱ পুৰুষে তেওঁক আগেয়ে গঙ্গাস্নান কৰি আহিবলৈ কোৱাত আতাপুৰুষে সেইমতে গঙ্গাস্নান, দান কৰি তিনিদিনৰ পিছত গুৰুজনৰ চৰণত আত্মনিয়োগ কৰিলে। মাধৱদেৱে সম্পূৰ্ণ সাতদিন ধৰি পদ্ম আতাক ধৰ্মৰ তত্ব, উপদেশ, বল-বীৰ্য, শক্তি, ভক্তি তেওঁতেই অৰ্পণ কৰি বিদায় পৰত ক'লে- "বাপু, লৰৰ নাতি, তুমি এতিয়া উজানলৈ গৈ ধৰ্মবস্তু প্ৰকাশ কৰিব লাগে। পূৰ্বে শঙ্কৰ গুৰুৱে আমাক উজানলৈ যাবলৈ কোৱাত সখা নাৰায়ণ দাসে প্ৰাৰ্থনা জনাই আমাক সেই যাত্ৰাৰ পৰা বিৰত ৰাখিলে। এতিয়া তুমি আমাৰ গাৰ বদল স্বৰূপ হৈ ধৰ্ম প্ৰকাশ কৰিববলৈ উজানলৈ যোৱা।" "বাপ, আমি গুৰুজনৰ পাশতে থাকিম বুলিহে আহিছিলো, তদুপৰি অসম দেশৰ বিষম কথা, তাত কেনেকৈ ধৰ্ম প্ৰচাৰ কৰিব পৰা যাব।" "সংশয় নকৰিবা, তোমাৰ বাবে অসম দেশ বিষমৰ ঠাইত সুষম হ'ব"- এইবুলি প্ৰবোধ দি আতাক ক'লে "এই মালা শ্ৰী শঙ্কৰ গুৰুজনে সেৱা কৰা মালা, ইমান দিনে মই সেৱা কৰি আছিলো, এতিয়া তোমাক দিলো, এইযোৰ মন্দিৰা তালে গুৰুজনে নাম গাইছিল, আজি হন্তে এই তাল তোমাক দিলো, তুমি মোৰ আতমচা নুমলীয়া সেৱক, সেয়েহে মোৰ শেহতীয়া নাম-মালিকা পুথিখনো তোমাক দিলো, উজানত তোমাৰ হন্তে প্ৰচাৰ হ'ব। কীৰ্তন-দশমত শঙ্কৰ গুৰুক পাবা, ঘোষা-ৰত্নাৱলীত আমাক পাবা। তদুপৰি মথুৰাদাস, বিষ্ণুআতা আৰু গোপাল আতাক চিনিলেহে আমাক সম্পূৰ্ণকৈ চিনিবা।" উপদেশ সমূহ দি গুৰুজনে আতা পুৰুষক আগবঢ়াই দিবলৈ ভকত সকলক কৈ নিজেও দুখোজ আগবঢ়াই দিলে। আতাপুৰুষেও সলোতক নয়নেৰে গুৰুৰ পৰা বিদায় লৈ পুনৰ কিছুদিনৰ পিছত বৰনাৰায়ণপুৰ পালেহি।

বৰনাৰায়ণপুৰত কন্দলী, বদুলা আদি ২৪ ঠাইত সত্ৰ পাতি থাকোতেই মাধৱপুৰুষৰ দেহান্তৰৰ খবৰ পাই ব্যাকুলিত হৈ পুনৰ ভাটিলৈ ভক্তসকলৰ সহিত ভটিয়াই গ'ল। বৰপেটা, কোচবিহাৰৰ মধুপুৰ থানত কিছুদিন থাকি আতাই বৈষ্ণৱসকলৰ সহিত গুৰু দুজনাই প্ৰকাশ কৰি থৈ যোৱা গীত, মাত, সূত্ৰধাৰ, নতুৱা, গায়ন-বায়ন, কীৰ্তন, প্ৰসঙ্গ আদি চৰ্চা কৰি সেইবোৰ উজনীত প্ৰচাৰৰ ব্যৱস্থা কৰিলে।

**কমলাবাৰী সত্ৰ প্ৰতিষ্ঠা ঃ** বৰনাৰায়ণপুৰৰ পৰা আতাদেৱ ধৰ্ম প্ৰচাৰৰ বাবে মাজুলীলৈ যাত্ৰা কৰে। এই খবৰ পাই মূৰাৰী মুদৈয়ে তেওঁৰ ভেটিতে সত্ৰ পাতিবলৈ প্ৰাৰ্থনা জনোৱাত সেইমতে তাতেই নামঘৰ-মণিকূট নিৰ্মাণ কৰি সত্ৰ প্ৰতিষ্ঠা কৰা হ'ল। তাত কিছুদিন থকাৰ পিছত হৰিচৰণ আতৈকে আদি কৰি

ভালেকেইজন আতৈয়ে আপত্তি দৰ্শালে এইবুলি ইয়াতে থাকিলে তোমৰাৰ সত্ৰৰ নাম নাথাকে। সকলোৱে মুদৈ ভেটি সত্ৰ নামেৰেহে জানিব। আতাদেৱে কথাষাৰ সজ বুলিলে লগতে সকলোকে জনালে যে নামনিত দেখি অহাৰ দৰে এখন পূৰ্ণাঙ্গ অবয়বৰ সত্ৰ প্ৰতিষ্ঠা কৰাৰ সপোন তেওঁ দেখি আহিছে। আতাদেৱৰ সপোনক সাকাৰ ৰূপ দিবলৈ উপযুক্ত ভূমিৰ সন্ধান কৰোতে টুনী নদীৰ পাৰত থকা আহোম ৰাজবিষয়া তথা লক্ষীনাৰায়ণ বেজবৰুৱাৰ উপৰিপুৰুষ পুৰুযোত্তম বৰুৱাৰ কমলাটেঙাৰ বাৰীখন সকলোৰে চকুত পৰিল। এই কথা ৰাজবিষয়াজনক জনালত তেওঁ অতি আনন্দেৰে সেই ভূমিখিনি সত্ৰ প্ৰতিষ্ঠাৰ বাবে দানসূত্ৰে আগবঢ়ালে।

এইখনেই সেই পবিত্ৰ স্থান য'ত শঙ্কৰ-মাধৱ দুয়োজনা গুৰুৱে নৌকাৰে নামনি মাজুলী ভ্ৰমণ কৰোতে কিছু সময় জিৰণী লওঁতে কৈছিল- "জনা গৈছে বঢ়াৰ পো, তোমাৰ আমাৰ পিছত এজন সদ্ গুৰুৰ হন্তে এই ঠাইতে এগছি বন্তি প্ৰজ্বলিত হ'ব আৰু তাৰ পোহৰত আমাৰ ধৰ্মবস্তু অধিক প্ৰকাশিত হ'ব" দুয়োজন গুৰুৰ পদৰেণু ৰঞ্জিত এই ঠাইতেই নামঘৰ-মণিকূট, হাটী, বাটী, ৰহাঘৰ, ৰাঙলী ঘৰ আদি নিৰ্মাণ কৰি ১৫৯৫ শকত, ইং ১৬৭৩ খ্ৰীঃত আঘোন মাহৰ শুক্লা একাদশী তিথিত গুৰু দুজনাৰ নীতি আদৰ্শৰ ভিত্তিত মহাপুৰুষীয়া পূৰ্ণাঙ্গ সত্ৰখনৰ বন্তি জ্বলি উঠিল। নামকৰণ হ'ল "কমলাবাৰী সত্ৰ"। অতি কম সময়ৰ ভিতৰতে আতাদেৱৰ প্ৰচেষ্টাত সত্ৰখন অসমৰ ভিতৰতে সত্ৰীয়া সংস্কৃতিৰ ৰহঘৰালৈ পৰিবৰ্তিত হ'ল।

আতাপুৰুযে বৰনাৰায়ণপুৰ নিবাসী বাসুদেৱ ব্ৰাহ্মণ গুৰুৰ পুত্ৰ হৰিচৰণক বাল্যকালৰ পৰা লগত ৰাখি ধৰ্মবস্তু দি সত্ৰৰ সকলো ৰীতি-নীতি আৰু ধৰ্ম ভক্তিৰ শিক্ষা দি নিপুণ কৰি তোলে। সেই হৰিচৰণেই সত্ৰখনিৰ সৌন্দৰ্য বৰ্দ্ধন কৰি ৰখাত প্ৰভুত বৰঙণি আগবঢ়োৱাৰ উপৰিও মধুপুৰ সত্ৰত এবছৰ থাকি কলা-সংস্কৃতিৰ শিক্ষা লাভ কৰি কমলাবাৰীৰ ভক্ত সকলৰ মাজত প্ৰচাৰ কৰে। তেওঁ নিজ ভাতৃ শ্ৰীৰামকো সত্ৰলৈ আনি সত্ৰীয়া সংস্কৃতিৰ শিক্ষাতে পাৰ্গত কৰি তোলে। আতাদেৱে হৰিচৰণকে সত্ৰৰ ভৰভাৰ অৰ্পণ কৰি যোৱাৰ চিন্তা কৰিছিল, কিন্তু হৰিচৰণে আগতীয়াকৈ ইহলীলা সম্বৰণ কৰাত আতাদেৱ বিমোৰত পৰিল। ইতিমধ্যে আতাৰো দেহা বিকল হৈ অহাত ভক্ত সকলে জনালে- "আতা তোমৰা বৈকুণ্ঠৰ বস্তু পুনৰ বৈকুণ্ঠলৈ ঘূৰি যোৱা যাব। তোমৰা অবিহনে আমাক কোনে চলাব।" "বাপুসকল যি মাৰিলোহেঁতেন হাতী, সি পলাল দুভাগ ৰাতি।" হৰিচৰণকেই আমি সেই গুৰুভাৰ দিম বুলি ভাবিছিলো, তেৰোঁ আগতীয়াকৈ আমাৰ মাজৰ পৰা গুছি গ'ল। এতিয়া আমাৰ দৃষ্টিত তেনে যোগ্য লোক পৰা নাই।" "আতা, তোমৰাৰ ভতিজা কৰুণাময় আছে নহয়।" "বাপুসকল, সেইয়া কেতিয়াও হ'ব নোৱাৰে। আমি গুৰুজনাৰ আগত এগৰাকী বৌমাতৃৰ বাদে কোনো নাই বুলি কৈ আহিছিলো, তাৰোপৰি শঙ্কৰ গুৰুৱেও নিজৰ উপযুক্ত পুত্ৰ থাকোতেও মাধৱ পুৰুষকহে গুৰুভাৰ অৰ্পণ কৰিছিল আৰু মাধৱ পুৰুযেও ভাগিনীয়েকক ভৰভাৰ নিদি অচ্যুৎ গুৰুকহে সতৰীয়া পাতি থৈ গ'ল।"

তেতিয়া ভক্তসকলে বুলিলে- "আতা, তোমৰা যাৰাজন হৰিচৰণলৈ আশা কৰা হৈছিল তেওঁৰে ভাতৃ শ্ৰীৰামকে উপযুক্ত ভুলি ভবা হৈছে, তেওঁক হৰিচৰণে ভক্তি তত্ববস্তু, কলা-সংস্কৃতি সকলো দি উপযুক্ত কৰি থৈ গৈছে।" "তেনেহ'লে তোমৰাসৱৰ ইচ্ছাৰে শ্ৰীৰামকেই বাক্য বোলা হৈছে। ধৰ্মমালা আমি ঠগিতে আগবঢ়াই থ'ম, আমাৰ অবিহনে তেৱেঁই সতৰীয়া হ'ব। জয়হৰিয়ে আমাৰ পিণ্ড দিব।" এইবুলি আতা মৌন হৈ ৰ'ল।

ইতিমধ্যে আতাৰ দেহা অধিক বিচেষ্টাৰ হৈ আহিছিল। সেইদিনা পুৱা কীৰ্তন ঘৰত ভক্তসকলে "গোবিন্দ চিন্তহু বাল গোপাল" গীতটো জুৰিছিলহে, আতাৰ অৱস্থা দেখি সকলো লৰৰি আহিল। মূৰাৰী

আতাৰ গাত আউজি আতাই ৰাম নাম উচ্চাৰণ কৰি ভাদ মাহৰ শুক্লা একাদশী তিথিত মানৱলীলা সম্বৰণ কৰিলে।

**শ্ৰীৰাম গুৰু প্ৰথম সতৰীয়া ঃ** আতাৰ মাহেকীয়া শ্ৰাদ্ধৰ পিছত ঘাই দেউৰীয়ে শ্ৰীৰাম গুৰুৰ শিৰত ধৰ্মমালা দিয়ে, সমূহে হৰিধ্বনি দি গাদীত বহুৱাই। এইদৰে বাসুদেৱ ব্ৰাহ্মণৰ বংশধৰ সকলে কমলাবাৰী সত্ৰৰ সতৰীয়া দায়িত্ব লাভ কৰিলে। শ্ৰীৰাম গুৰুৱে ভকতসকলক ভাগে ভাগে গায়ন, বায়ন, নাম লগোৱা, নৃত্য কলাৰ শিক্ষা দি সত্ৰৰ মান উজ্বলাই পৰিচালনা কৰি থাকিল। শ্ৰীৰাম গুৰুৰ পৰৱৰ্তী সতৰীয়া সকল ক্ৰমে- (১) শ্ৰী উদ্ধৱ গুৰু (২) শ্ৰী শ্ৰীৰাম পৰমানন্দ গুৰু (৩) শ্ৰীৰাম কৃষ্ণ গুৰু (৪) শ্ৰীৰাম কমললোচন গুৰু (৫) শ্ৰীৰাম কৃষ্ণহৰি গুৰু (৬) শ্ৰীৰাম নাৰায়ণ গুৰু (৭) শ্ৰীৰাম ৰামকৃষ্ণ গুৰু (৮) শ্ৰীৰাম গোপাল গুৰু (৯) শ্ৰীৰাম মুকুন্দদেৱ গুৰু (১০) শ্ৰীৰাম ৰঘু গুৰু (১১) শ্ৰীৰাম সহজানন্দ গুৰু।

**কৃষ্ণকান্ত মহন্তক সত্ৰলৈ আনয়ন ঃ** দ্বাদশজনা অধিকাৰ সহজানন্দদেৱৰ দিনলৈকে পদ্ম আতাৰ পিণ্ড দিয়া কৰ্ম হোৱা নাই। তাৰ বিপৰীতে আতা পুৰুষৰ তিথিভাগ নাম-প্ৰসঙ্গ, গীত-মাত, ভাওনা আদি কাৰ্যসূচীৰে চাৰিদিনীয়াকৈ উলহ-মালহেৰে পতা হৈছিল। সত্ৰৰ একাংশ ভকতে আলোচনা কৰি গুৰুক জনালে যে বৰদোৱাত শঙ্কৰ গুৰুৰ বংশধৰসকলে এতিয়াও তেৰাৰ পিণ্ড দিয়ে। আকৌ ৰামচৰণ ঠাকুৰৰ বংশধৰ সকলেও মাধৱ পুৰুষৰ পিণ্ড দি আছে। তেওঁলোকৰ এজনক অনা হ'লে আতাৰ বছেৰেকীয়া পিণ্ড দি থাকিব পাৰিলেহেঁতেন। অধিকাৰ প্ৰভুৱেও তাত হয়ভৰ দি আতাৰ বংশৰ লোক এজনক সত্ৰলৈ অনাৰ বাবে ৰজা লক্ষ্মীসিংহৰ অনুমতি বিচাৰে। ৰজাদেৱে খাল খান্দি ঘৰিয়াল চপাব নেলাগে বুলি পৰামৰ্শ দিয়াৰ পাছতো জটিলতাৰ মেৰপেচ বুজি নোপোৱা সতৰীয়াজনে তেওঁনো আমাৰ কি অপকাৰ কৰিব, সত্ৰত ভকত হৈ থাকি পিণ্ডাদি কৰ্মখিনিহে চলাই যাব, তেনেবাক্য স্বৰ্গদেৱত পুনৰ জনোৱাত ৰজাই "গোজেই গজালি নেমেলিলেহে ৰক্ষা" বুলি অনিচ্ছাস্বত্বেও অধিকাৰ প্ৰভুৰ ইচ্ছাক সন্মতি জনালে। আগতে উনুকিয়াই অহা হৈছে যে আতা পুৰুষে মাধৱদেৱৰ আগত ভাই-ভতিজা কোনো নাই বুলি কৈছিল, সেয়েহে পৰিয়ালৰ লোক সত্ৰলৈ অহাতো বাঞ্ছা কৰা নাছিল। আতা পুৰুষৰ ইচ্ছাৰ বিপৰীতে ৰজাদেৱৰো সতৰ্কবাণী একাষৰীয়াকৈ থৈ শঙ্কৰ দাসৰ পৰিয়ালৰ কৃষ্ণকান্ত মহন্তক সত্ৰলৈ অনা হ'ল আৰু তেওঁক সত্ৰীয়া সকলো শিক্ষা দিয়া হ'ল। কৃষ্ণকান্তই আতা পুৰুষৰ বছেৰেকীয়া পিণ্ড দি থাকিল।

ইতিমধ্যে মানৰ আক্ৰমণ চলিল। মানৰ পৰা ৰক্ষা পাবলৈ সত্ৰৰ পৰা ৩০০.০০ টকাৰ মাননী দিব লগা হ'ল। সতৰীয়াৰ হাতত মাত্ৰ ১০০.০০ টকা থকাৰ বাবে কৃষ্ণকান্তক বাকী ২০০.০০ টকা আছেনে বুলি বিচৰাত কৃষ্ণকান্তই অধিকাৰৰ গাদীত বহিবলৈ দিলেহে টকা দিয়া হ'ব বুলি কোৱাত ভকতসকলে বিপদৰ পৰা পৰিত্ৰাণ পোৱাৰ উদ্দেশ্যে এই প্ৰস্তাৱত সন্মতি দিয়াত কৃষ্ণকান্তই মাত্ৰ ১০০.০০ টকা উলিয়াই দিলে। বাকী ১০০.০০ টকা পূজাৰী জগন্নাথ বাপুৱে চৰ্তবিহীন ভাৱে আগবঢ়াই সত্ৰৰ মান ৰাখিলে।

**গাদীত তিনিজন সত্ৰাধিকাৰ ঃ** মান যোৱাৰ পিছত চুক্তিমতে কৃষ্ণকান্তক গাদীত বহুৱাব লগা হোৱাত বাকী ১০০.০০ টকা আগবঢ়োৱা জগন্নাথ বাপুকো অধিকাৰ গাদীত বহিব দিয়া হয়। তিনিজনে পাল পাতি এই আসনত বহি থাকিল। কৃষ্ণকান্তই সত্ৰ পৰিচালনাৰ দাবীও তুলিলে।

মান যোৱাৰ পিছত পুৰন্দৰ সিংহ ৰজা হ'ল। কৃষ্ণকান্তৰ দাবী ৰজাদেৱৰ ওচৰ পোৱাত বিচাৰ কৰি স্বৰ্গদেৱে বাকী দুজনক আঁতৰাই পূৰ্বৰ শম্ভুনাথকে সতৰীয়াৰ পদত বাহাল ৰাখে। ইতিমধ্যে বৃটিছে অসম দখল কৰাৰ পিছত কৃষ্ণকান্তই বৃটিছৰ আদালতত পুনৰ তেওঁৰ অধিকাৰ বিচাৰি আবেদন কৰে। বৃটিছ আদালতে পিণ্ড দিয়াৰ অধিকাৰ পোৱা কৃষ্ণকান্তক সত্ৰৰ চৰ্দাৰ অধিকাৰ ৰূপে ৰায় দিয়ে।

**দ্বি-খণ্ডিত কমলাবাৰী সত্ৰ ঃ** কৃষ্ণকান্ত মহন্তই চৰ্দাৰী লাভ কৰি সত্ৰ পৰিচালনা কৰিবলৈ আহে। সত্ৰৰ বহু ভকতে কৃষ্ণকান্তক অধিকাৰ মানিবলৈ টান পোৱাত পুনৰ কৃষ্ণকান্তই ভকতৰ ওপৰত গোচৰ তৰিলে। বিচাৰপতিৰ প্ৰতিনিধি আহি যিসকল ভকতে কৃষ্ণকান্তৰ পৰিচালনা নেমানে তেওঁলোক আঁতৰি যোৱা উচিত বুলি ৰায় দিয়াত ভকতসকলে টুনী নৈৰ উত্তৰ পাৰে সত্ৰৰ নামত শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ আৰু বদলা আতাৰ নিজ নিজ হস্তাক্ষৰৰ শাস্ত্ৰ, জপমালা, তাল, ভোজনৰ বাতি, সত্ৰৰ মূল বিগ্ৰহ আহি প্ৰতিষ্ঠা কৰি বন্তি প্ৰজ্বলন কৰা হয়। পূৰ্বে কমলাবাৰী সত্ৰক ভূমি দান কৰোতা পুৰুযোত্তম বৰুৱাৰ পৰিয়ালৰ প্ৰখ্যাত ব্যক্তি দীননাথ বেজবৰুৱাদেৱে দীঘে ৯ হাত, প্ৰস্থই ৭ হাত, ৭ খলপীয়া গুৰুৰ আসন, ভাগৱত শাস্ত্ৰ, ছমোন ধৰা বৰচৰিয়া, ৰূপ খটোৱা দৌল শৰাই, সত্ৰলৈ আগবঢ়ায়। এইদৰে শ্ৰীৰাম গুৰুৰ পৰা শ্ৰী বিষ্ণুদেৱলৈকে পঞ্চাদশজনা ব্ৰাহ্মণ অধিকাৰ মূল কমলাবাৰী সত্ৰৰ সতৰীয়া হৈ থকাৰ বিপৰীতে বৰ্তমান দ্বি-খণ্ডিত সত্ৰত শ্ৰীশ্ৰী জনাৰ্দনদেৱ গোস্বামীলৈকে ৫ জনে অধিকাৰৰ গাদীত বহে। এই সত্ৰৰ নাম প্ৰসঙ্গক্ৰমে ন-সত্ৰ নামেৰে নামকৰণ হয় যদিও পিছত এই সত্ৰ উত্তৰ কমলাবাৰী সত্ৰ নামেৰে প্ৰখ্যাত হয়।

**দ্বি-খণ্ডিত কমলাবাৰী সত্ৰ ঃ** পুৰণা সত্ৰখনত কৃষ্ণকান্ত মহন্তৰ পিছত শ্ৰী লক্ষীকান্ত মহন্তদেৱ আৰু শ্ৰী চন্দ্ৰকান্ত মহন্তদেৱে অধিকাৰৰ দায়িত্ব পালন কৰাৰ পিছত শ্ৰী চন্দ্ৰহাস অধিকাৰৰ দিনত ভকতৰ সৈতে মনোমালিন্য হোৱাত সৰহ সংখ্যক ভকত ফাটি গৈ ১৯৩৬ চনত নতুন কমলাবাৰী সত্ৰৰ জন্ম দিয়ে। এই নতুন কমলাবাৰী সত্ৰৰ অধিকাৰ দুজন হৈছে-

(১) শ্ৰী ঘনকান্ত মহন্তদেৱ সত্ৰাধিকাৰ
(২) শ্ৰী নাৰায়ণ চন্দ্ৰদেৱ গোস্বামী (প্ৰয়াত)
(৩) শ্ৰীশ্ৰী সত্যজিত মহন্ত

**পুৰণা কমলাবাৰী সত্ৰ স্থানান্তৰ ঃ** সত্ৰখনিৰ মাটি ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱাত ১৯৭৫ চনত সত্ৰখন তিতাবৰস্থিত মহিমাবাৰীলৈ স্থানান্তৰ কৰা হয়। বৰ্তমানৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী ভৱকান্ত গোস্বামীদেৱৰ দিনতে এই স্থানান্তৰ কাৰ্য সম্পাদিত হয়। মহিমালৈ যাব নিবিচৰা কিছু সংখ্যক ভকতে দেওদি আটীতে মধ্য মাজুলী কমলাবাৰী সত্ৰ নামেৰে নামকৰণ কৰি সত্ৰ পাতে। এই সত্ৰৰ অধিকাৰ এজনহে হৈছে।

**অসমৰ ধৰ্মীয় আৰু সাংস্কৃতিক জীৱনলৈ কমলাবাৰী সত্ৰৰ অৱদান ঃ** গুৰু ঘৰীয়া মূলৰ নিকা সংহতিৰ এখন উল্লেখযোগ্য সত্ৰ হ'ল কমলাবাৰী। এই সত্ৰৰ লগতে সত্ৰৰ সেৱক সকলক গুৰু দুজনাৰ নীতি-আদৰ্শৰ শিক্ষা নিষ্ঠাৰে দিয়া হয়। তদুপৰি সাংস্কৃতিক দিশত এই সত্ৰই গুৰু দুজনাৰ প্ৰকাশিত গীত-মাত, নৃত্য আদি প্ৰকাশ কৰি ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় সন্মান বুটলিবলৈ সক্ষম হৈছে। সত্ৰীয়া সংস্কৃতিক ৰাষ্ট্ৰীয় স্বীকৃতি পোৱাৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা কৰা মনিৰাম গায়ন, ৰোযেশ্বৰ বৰ বায়ন এই সত্ৰৰে সম্পদ। এই দুয়োজনে যথাক্ৰমে ১৯৬৩ আৰু ১৯৮০ চনত সঙ্গীত নাটক অকাডেমী পুৰস্কাৰ পাবলৈ সক্ষম হৈছে। তাৰোপৰি ৰাষ্ট্ৰীয় পুৰস্কাৰ পোৱা পৰমানন্দ বৰ বায়ন, ফ্ৰান্স, পৰ্তুগাৰ্ল আদি দেশত সত্ৰীয়া নৃত্য পৰিবেশন কাৰীসকল আৰু নেতৃত্ব দিয়া ভৱানন্দ বৰ বায়ন উত্তৰ কমলাবাৰী সত্ৰৰ সম্পদ। শেহতীয়াকৈ ২০১১ বৰ্ষৰ সঙ্গীত নাটক অকাডেমী পুৰস্কাৰ পোৱা শ্ৰী হৰিচৰণ শইকীয়া আৰু পদ্মশ্ৰী বঁটা পোৱা শ্ৰী ঘনকান্ত বায়নও কমলাবাৰী সত্ৰৰ সম্পদ।

সত্ৰাধিকাৰ সকলৰ ভিতৰতো উত্তৰ কমলাবাৰী সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ শ্ৰী কমলাকান্ত গোস্বামী এজন আজীৱন কৰ্মৰ সাধক। তেৰাৰ অশেষ চেষ্টাতে উত্তৰ কমলাবাৰী সত্ৰৰ শিল্পীসকলে চি.চি.আৰ.টি ৰ দৰে অনুষ্ঠানৰ পৰা জলপানী পাবলৈ সক্ষম হোৱাৰ লগতে সত্ৰীয়া নৃত্য-গীতক ৰাষ্ট্ৰীয়ৰ পৰা আন্তৰ্জাতিক

পৰ্যায়লৈ নিবলৈ সক্ষম হৈছে। বৰ্তমান লেটেকুপুখুৰীৰ মাধৱদেৱৰ জন্মস্থান ভাগি অসমবাসীৰ ওচৰত চিনাকী কৰি দিয়াৰ কৃতিত্ব তেৰাৰেই। বৰ্তমানৰ অধিকাৰ শ্ৰীশ্ৰী জনাৰ্দনদেৱ গোস্বামীয়েও অসমৰ বিভিন্ন ঠাইত শিশু সংস্কাৰ শিবিৰ পাতি শিশু সকলক সত্ৰীয়া কলা-কৃষ্টিৰ উপৰিও নৈতিক শিক্ষা দিয়া কাৰ্যৰ বাটকটীয়াৰ ভূমিকা পালন কৰিছে। নতুন কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ প্ৰয়াত নাৰায়ণচন্দ্ৰদেৱ গোস্বামী এগৰাকী বৈষ্ণৱ পণ্ডিত। সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখাকে ধৰি ভালেকেইখন পুথি ৰচনা কৰি তেৰাই শঙ্কৰদেৱ বঁটা আৰু সাহিত্য অকাডেমীৰ বঁটা বুটলিবলৈ সক্ষম হৈছিল।

**সহায়ক গ্ৰন্থ ঃ**

(১) উত্তৰ কমলাবাৰী সত্ৰৰ ইতিবৃত্ত ঃ কমলাকান্ত গোস্বামী প্ৰভুৰ ৰচিত।
(২) শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰী মাধৱদেৱ ঃ লক্ষ্মীনাথ বেজবৰুৱা।

# বিনে গুৰু চৰণ

মাধৱ দীন মুৰুখমতি কহয়
বাণী শুন সৱ লোই।
বিনে গুৰু চৰণ ভকতি ৰুকতি
মুকুতি কবহু নহোই।।

মাধৱ পুৰুষে তেৰাৰ গুৰু ভটিমাৰ জৰিয়তে উত্তৰ পুৰুষলৈ প্ৰেৰণ কৰা বাৰ্তা হ'ল- 'এজন সদ গুৰুৱে বাট নেদেখুৱালৈকে ভক্তি ৰাজ্যত প্ৰৱেশ কৰিব নোৱাৰি অৰ্থাৎ এজন ব্যক্তি যিমানেই গুণী-জ্ঞানী নহওক গুৰু অবিহনে আধ্যাত্মিক জ্ঞান প্ৰাপ্ত হৈ ঈশ্বৰমুখী হ'ব নোৱাৰে। ভক্তিতহে মুকুতি বা মোক্ষ লাভ। গুৰুৱেহে ভকতি মুকুতিৰ দিক্ দৰ্শন কৰাব পাৰিব'।

লেটেকুপুখুৰীৰৰ হৰশিঙা বৰাৰ টোলত জন্ম হোৱা মাধৱে সেই অঞ্চলত শিক্ষা লাভৰ ব্যৱস্থা নথকাত ৮ বছৰ বয়সলৈকে আনুষ্ঠানিক শিক্ষা লাভ কৰিব পৰা নাছিল। পূৰ্ব পুৰুষ পণ্ডিত পৰিয়ালৰ লোক পিতাক গোবিন্দগিৰিয়ে লেটেকুপুখুৰীত থাকিলে মাধৱৰ যে শিক্ষা লাভ নহ'ব সেই বিষয়ে খেদ প্ৰকাশ কৰাত হৰশিঙা বৰাই বৰফুকনক আবেদন জনাই কামাখ্যাৰ পৰা তিনিজন পণ্ডিতক লেটেকুপুখুৰীলৈ অনাই এখন ছত্ৰশাল নিৰ্মাণ কৰি দিয়ালে। এই তিনিজন আচাৰ্য হ'ল কিন্নৰাচাৰ্য বিদ্যা বিনোদ, শিৱানন্দ তৰ্কশাস্ত্ৰী আৰু চিন্ময় ভট্টাচাৰ্য।

**মাধৱৰ প্ৰথম আনুষ্ঠানিক শিক্ষা লাভ ঃ** চুবুৰীয়া ভালেকেইজন ছাত্ৰৰ সৈতে ছত্ৰশালত মাধৱৰ আনুষ্ঠানিক শিক্ষা আৰম্ভ হ'ল। কিন্নৰাচাৰ্য আৰু শিৱানন্দই অন্যান্য ছাত্ৰৰ সৈতে মাধৱক সংস্কৃত শিক্ষা দি লিখিব পঢ়িব কৰাৰ পিছত কালিকা পুৰাণ, যোগিনী তন্ত্ৰ আদিৰ পদবোৰ মুখস্থ কৰিবলৈ দি বিশেষ এক ধৰ্ম্মীয় মাৰ্গৰ প্ৰতি পৰিচয় কৰি দিলে। তাৰ বিপৰীতে তৃয়জন অধ্যাপক চিন্ময় ভট্টাচাৰ্যই ইমান কোমল বয়সতে ধৰ্মীয় মাৰ্গৰ শিক্ষা দিয়াৰ বিৰোধী আছিল। তেওঁ ছাত্ৰসকলক ব্যাকৰণ আৰু ভাষাৰ শিক্ষাহে দিছিল। তেওঁৰ মতে ছাত্ৰসকলক ধৰ্ম্মীয় মাৰ্গৰ শিক্ষা দিয়াতকৈ নিজে শাস্ত্ৰসমূহ অধ্যয়ন কৰি তাৰ পৰা শুদ্ধ মত বাচি উলিয়াব পৰাকৈ উপযুক্ত কৰি তোলাটোহে গুৰুসকলৰ দায়িত্ব হ'ব লাগে। মাধৱক তেওঁ বুজাইছিল যে "দিক্ বলয়ত মিলি যোৱা আকাশখনেই একমাত্ৰ আকাশ নহয়, আকাশৰ পৰিধি বহুত বহল"। এইজন নিঃস্বাৰ্থ সদ্গুৰুক মাধৱে সৰ্বপ্ৰথমে গুৰুৰূপে অন্তৰত স্থান দিছিল। মাধৱৰ তীক্ষ্ণ অনুসন্ধিৎসু মনৰ অলেখ প্ৰশ্ন- "কাৰ নিৰ্দেশত জোন বেলি তৰাই নিজ নিজ কৰ্ম কৰিছে। দেৱীক কিয় জীৱ-জন্তু বলি দি তাৰ তেজেৰ সন্তুষ্ট কৰাৰ ব্যৱস্থা হয়, মাহ, প্ৰসাদ আৰু কাকূতি মিনতিত দেৱী সন্তুষ্ট নহয় নেকি?" কিন্নৰাচাৰ্য আৰু শিৱানন্দৰ উত্তৰ- "দেৱীক ভালকৈ পূজা অৰ্চনা কৰি শক্তি আহৰণ কৰিবা, তেতিয়া প্ৰশ্নবোৰৰ উত্তৰ নিজেই পাবা।" চিন্ময় ভট্টাচাৰ্যৰ উত্তৰ- "প্ৰশ্নবোৰৰ উত্তৰ নিবিচাৰি শিক্ষা লাভ কৰা, তেতিয়া উপযুক্ত সময়ত উত্তৰ নিজে নিজে পাবা"। গুৰুসকলৰ বক্তব্যই মাধৱক অধিক অনুসন্ধিৎসু কৰি তোলে।

ছাত্ৰক শিক্ষা দান কৰাতকৈ পূজা-পাৰ্বন, ভোগ বিলাসৰ প্ৰতিহে বেছি অনুৰাগ থকা শিৱানন্দ আৰু কিন্নৰাচাৰ্যই পুনৰ কামাখ্যালৈ যাবলৈ ওলোৱাত বাধ্য হৈ চিন্ময় ভট্টাচাৰ্যয়ো ছাত্ৰশাল ত্যাগ কৰিব লগাত

পৰিল। মাধৱৰ শিক্ষা লাভত আকৌ অনিশ্চয়তা আহিল।

**সূৰ্য দলৈৰ পাশত মাধৱৰ শিক্ষা গ্ৰহণ ঃ** সেই অঞ্চলত পূৰ্বৰ পৰাই সূৰ্য প্ৰকাশ দলৈ নামৰ এজন শাস্ত্ৰজ্ঞ আৰু জ্যোতিষ শাস্ত্ৰত জ্ঞান থকা লোক আছিল। গোবিন্দগিৰি আৰু হৰশিঙা বৰাৰ অনুৰোধ ক্ৰমে তেওঁ মাধৱৰ শিক্ষাৰ দায়িত্ব ল'লে। দলৈয়ে মাধৱক ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ জ্ঞান দিলে। এইজন গুৰুৱেও মাধৱক চিন্ময় ভট্টচাৰ্যৰ দৰে কোনো বিশেষ ধৰ্মীয় মাৰ্গৰ প্ৰতি আকৰ্ষিত হোৱাৰ বিপৰীতে শিক্ষা লাভ কৰি সু-পণ্ডিত হ'বলৈহে পৰামৰ্শ দিলে। দলৈয়ে তেওঁৰ সীমিত শিক্ষাৰে মাধৱক পণ্ডিত কৰি তুলিবলৈ অপাৰগতা প্ৰকাশ কৰি অধিক জ্ঞান লাভৰ বাবে বাৰানসীলৈ যাবলৈ ওলাল। যোৱাৰ আগতে তেওঁ মাধৱক হিয়া উজাৰি আশীৰ্বাদ দিলে- "মাধৱ তুমি মহান হ'বা, তুমি সকলোৰে প্ৰাণৰ বান্ধৱ হ'বা"। চলচলীয়া চকুৰে গুৰুৱে মাধৱক বিদায় দিলে। এনেহেন এজন উদাৰচিতীয়া গুণী গুৰু এৰিব লগা হোৱাত মাধৱৰ নলত ধৰিলে নল চিগে, দলত ধৰিলে দল চিগেৰ নিচিনা অৱস্থা হ'ল। এফালে শিক্ষা লাভৰ প্ৰতি দুৰ্বাৰ আকাংক্ষা আনফালে গুৰুৰ অভাৱ। তেনে অৱস্থাত পানীত কক্‌বকাই থকা লোকে তৃণ কুটা এগছকে পাই পাৰ পালো বুলি ভবাৰ দৰে মাধৱে লগ পালে এজন তান্ত্ৰিক ৰামচাৰী ভোগী সন্যাসী সিদ্ধানন্দক, যিজনে মাধৱক সকলো প্ৰকাৰৰ জ্ঞানেৰে পৈণত কৰি তুলিবলৈ সন্মত হ'ল।

**মাধৱৰ শাক্ত মাৰ্গৰ শিক্ষা লাভ ঃ** মাধৱে প্ৰথেমে লগ পোৱা কিন্নৰাচাৰ্য আৰু শিৱানন্দই আৰম্ভ কৰা আধৰুৱা শিক্ষা পূৰ্ণ কৰিবলৈ সিদ্ধানন্দ আগবাঢ়ি আহিল। তেওঁ মাধৱক কালিকা পুৰাণ, যোগিনীতন্ত্ৰ, দেৱী পুৰাণ, মাৰ্কণ্ডেয় পুৰাণ আৰু চাণ্ডী পুৰাণৰ শিক্ষা দি এজন পৈণত দেৱী ভক্তলৈ ৰূপান্তৰিত কৰিলে। শিক্ষাদানৰ পিছত দেৱীৰ স্থান সমূহৰ লগত পৰিচয় কৰি দিয়াৰ উদ্দেশ্যে পদব্ৰজে তেওঁ মাধৱক শদিয়াৰ কেচাই খাতী গোঁসানী থানৰ পৰা হাৰ্হি, পঞ্চানন আদি দেৱী স্থান সমূহ দেখুৱাই কামাখ্যা পোৱালেগৈ। এই স্থান সমূহত দেৱী ভক্তসকলক লগ পোৱাৰ পিছত মাধৱৰ মনো দেৱীৰ প্ৰতি আসক্তি হ'ল। ভক্তিত গদ্ গদ্ হৈ তেওঁ আওৱাবলৈ ধৰিলে "য়া দেৱী সৰ্ব ভূতেষু মাতৃৰূপেন সংস্থিতা, নমস্তস্যৈ, নমস্তস্যৈ, নমস্তস্যৈ নমো নমঃ"।

কামাখ্যা পোৱাৰ পিছত মাধৱে আচাৰ্য সিদ্ধানন্দৰ পৰা জানিলে, মন্দিৰত কোনো দেৱী মূৰ্তি নাই আছে এক যোনি যি নাৰীৰ প্ৰজনন শক্তিৰ প্ৰতীক। কথাটো জনাৰ পিছত সিদ্ধানন্দই বাৰে বাৰে কোৱাৰ পিছতো মাধৱ মন্দিৰৰ ভিতৰত সোমাবলৈ মান্তি নহ'ল। কাৰণ দেৱী যদি সঁচাকৈয়ে মাতৃয়েই হয় তেন্তে কি যুক্তিত মাতৃৰ গুপ্তাংগ দৰ্শন কৰিব। তাৰোপৰি তান্ত্ৰিক আচাৰ্যজনে কামাখ্যাত পাব পৰা ভোগ আনন্দৰ কথা বৰ্ণনা কৰাত মাধৱ অধিক বিৰক্তহে হ'ল। তেওঁ জ্ঞান অন্বেষণতহে এইদৰে ঘূৰি ফুৰিছে, ভোগ লালসাৰ উদ্দেশ্যত নহয়। ভোগী সন্যাসী সিদ্ধানন্দৰ সঙ্গ ত্যাগ কৰাটোৱেই উচিত বিবেচনা কৰি মাধৱ উভতি আহি ঘৰ পালেহি। ইতিমধ্যে সৎ পাত্ৰত ভনীয়েক উৰ্বশীক বিয়া দি পিতৃ সমন্বিতে মাধৱ পুৰণি পিতৃ গৃহ বণ্ডুকা পালেগৈ। মাধৱৰ জ্ঞান পিপাসু মনৰ উমান পাই জ্যেষ্ঠ ভাতৃয়ে ৰাজেন্দ্ৰ অধ্যাপকৰ ছত্ৰশালত মাধৱক ভৰ্ত্তি কৰি দিলে।

**আচাৰ্য ৰাজেন্দ্ৰ অধ্যাপক ঃ** বেদান্ত দৰ্শনৰ অগাধ পণ্ডিত ৰাজেন্দ্ৰ অধ্যাপকৰ জ্ঞানৰ উমান পাই মাধৱে তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিলে। অধ্যাপকেও এই যুৱক ছাত্ৰজনৰ জ্ঞান লাভৰ উমান লৈ জানিব পাৰিলে তেওঁ

শাস্ত্র অধ্যয়ন কৰি পণ্ডিত হৈ পৰিছে। লগতে এইটোও গম পালে যে তেওঁ শাক্ত দৰ্শনৰ প্ৰতিহে আগ্ৰহী। অধ্যাপকে তেওঁক বেদ, উপনিষদ, পুৰাণ আদিৰ লগত চিনাকি কৰাই দি, সূৰ্য দলৈয়ে দিয়া পৰামৰ্শৰ দৰেই কোনো এক বিশেষ মাৰ্গৰ প্ৰতি আসক্তি হোৱাতকৈ সমস্ত শাস্ত্ৰ অধ্যয়ন কৰি পণ্ডিত হ'বলৈহে পৰামৰ্শ দিলে।

এনে সময়তে মাতৃৰ অসুখৰ খবৰ পাই মাধৱ ঘৰমুৱা হ'ল। আহোতেই মাতৃৰ আশু আৰোগ্য কামনা কৰি শৰৎ কালৰ দেৱী পূজালৈ এহাল বগা পঠা আগবঢ়ালে। জীয়েক-জোঁৱাইয়েকে আদৰ-যতন কৰি পথ্য খুৱাই শুশ্ৰূষা কৰি মাতৃক আৰোগ্য কৰিলে। মাধৱ আহি মাতৃৰ আৰোগ্যৰ কাৰণ দেৱীৰ কৃপা বুলি ধৰি লৈ শৰত কালত বলি আগবঢ়াবলৈ প্ৰস্তুত হ'ল। বলিৰ পঠা আনিবলৈ বৈনায়েক ৰামদাসক আজ্ঞা কৰাত ৰামদাসে বিনয়েৰে সেই কাৰ্য কৰিব নোৱাৰো বুলি কোৱাত মাধৱ আচৰিত হ'ল। এইহেন শৰত কালৰ পূজাত দেৱীক বলি উছৰ্গা নকৰিলে কেনেকৈ ধৰ্ম ৰক্ষা হ'ব। বৈনায়েকে শঙ্কৰদেৱৰ শুদ্ধ ধৰ্মৰ কথা কোৱাত মাধৱ আৰু আচৰিত হ'ল। তেওঁৰ মনত অলেখ প্ৰশ্নই জুমুৰি দি ধৰিলে।

কিয় গুৰুদেৱ চিন্ময় ভট্টাচাৰ্যই দিক্‌বলয়ত দেখা আকাশখনেই একমাত্ৰ আকাশ নহয় বুলি কৈছিল?

কিয় সূৰ্য দলৈয়ে কোনো এটা ধৰ্মীয় মাৰ্গ বাচি লোৱাৰ পৰিবৰ্তে সংস্কাৰ ধৰ্মী হ'বলৈ জ্ঞান আহৰণৰ উপদেশ দিছিল?

কিয় ৰাজেন্দ্ৰ পণ্ডিতে মগজুত কিবা এটা ধৰ্মমত সুমুৱাই দিয়াৰ পৰিবৰ্তে নিজাকৈ সিদ্ধান্ত লোৱাটোহে উচিত বুলি কৈছিল?

তেন্তে গুৰু কিন্নৰাচাৰ্য, শিৱানন্দ আৰু তান্ত্ৰিক সন্যাসী সিদ্ধানন্দই দেখুওৱা দেৱী সম্পৰ্কীয় মাৰ্গৰ বাদেও আৰু কিবা আছে নেকি? তেওঁতো নিজে শদিয়াৰ পৰা কামাখ্যালৈ ঘূৰি-পকি দেৱীৰ জয়-জয়কাৰহে দেখি আহিছে।

এই প্ৰশ্নবোৰৰ সঠিক উত্তৰ লাগে। মাধৱ উত্তেজিত হৈ ৰামদাসক ক'লে-"তোমাৰ শঙ্কৰ বোলাজনৰ লগত মই বাদ কৰিব লাগিব"। বৈনায়েকে সন্মতি জনাই ক'লে শঙ্কৰ গুৰু এতিয়া ধূৱাহাটতে আছে। তাতে বাদ কৰিব পাৰিব। শঙ্কৰ বোলাজন বুলি তাচ্ছিল্যৰে কোৱা কথাষাৰত ৰামদাসে অপমান বোধ কৰিছিল যদিও কাইলৈ ইয়াৰ পোতক পাব বুলি সন্তুষ্টি লভিলে।

**শঙ্কৰ দৰ্শন ঃ** পিছদিনা দুয়োজন পুৱাতে যাত্ৰা কৰি শঙ্কৰদেৱৰ বাসস্থান ধূৱাহাট পালেগৈ। তান্ত্ৰিক সন্যাসী সকলৰ ক্ষেত্ৰত কোনো দিনেই নেদেখা এক শান্ত সৌম্য ৰূপ আৰু গাম্ভীৰ্যতা দেখি মাধৱৰ মূৰ আপোনা-আপুনি দো খাই গ'ল। দুয়োজনৰ সেৱা গ্ৰহণ কৰি গুৰুজনে আশীৰ্বাদ দিলে। ৰামদাসে গুৰুৰ আগত মাধৱৰ উদ্দেশ্যৰ কথা জনোৱাত শঙ্কৰদেৱে বাদ নহয় আলোচনা কৰিবলৈ মান্তি হ'ল। বিভিন্ন শাস্ত্ৰ পঢ়ি পণ্ডিত হোৱা মাধৱে গৰ্বৰে সৈতে দেৱী পূজাৰ প্ৰয়োজনীয়তাৰ বিষয়ে দেৱী পুৰাণ সমূহৰ শ্লোক মাতিলে। শঙ্কৰদেৱে অনায়াসে নিগম মাৰ্গৰ জৰিয়তে মাধৱৰ যুক্তি খণ্ডন কৰিলে। আবেলিলৈকে হোৱা এই যুক্তি তৰ্ক উপস্থিত ভক্তসকলে কৌতুহলেৰে উপভোগ কৰিলে। শেষত শঙ্কৰদেৱে ভাগৱত এটি শ্লোক "যথা তৰুমূলানিয়ে চনেন তৃপন্তি শাখা তৎস্বন্ধ ভূজো প্ৰশাখাঃ। প্ৰাণা প্ৰহাৰচচ যথোন্দ্ৰিয়ম্। তথৈৱ সৰ্বাচনামু চ্যাতেজ্যা" মাতি শেষ শেলপাট প্ৰয়োগ কৰিলে। প্ৰত্যুত্তৰত মাধৱে গুৰুজনক সাষ্টাঙ্গে প্ৰণিপাত জনালে।

গুৰুৱে কিয় দুবাৰ সেৱা কৰা হ'ল প্ৰশ্ন কৰাত মাধৱৰ উত্তৰ "প্ৰথম বাৰ বৰভূঞা বুলি আৰু এইবাৰ গুৰু বুলি সেৱা কৰিলো"। সকলো দোষ ক্ষমা কৰি আজিৰ পৰা এই অধমক তটু পদতলত স্থান দিয়ক। সমস্ত দেহ মন এতিয়াৰ পৰা তোম্রাতে অৰ্পণ কৰিলো"। পিছদিনা পুৱাই নীতি-নিয়মৰ মাজেৰে মাধৱে শঙ্কৰদেৱৰ পাশত শৰণ গ্ৰহণ কৰিলে।

ধূৱাহাট বেলগুৰি সাক্ষা হ'ল শঙ্কৰ মাধৱৰ এই মনি কাঞ্চন মিলনত। শঙ্কৰদেৱে লাভ কৰিলে প্ৰাণৰ বান্ধৱ আৰু তেৰাৰ ধৰ্ম ৰাজ্যৰ উত্তৰাধিকাৰী যোগ্য মাধৱক।

মাধৱে ইমান দিনে অতৃপ্ত মনেৰে বিচাৰি ফুৰা সদ্‌গুৰু লাভ কৰিলে। গুৰুৰ চৰণত মূৰ থৈ তেওঁ তৃপ্ত হ'ল। মাধৱ মাধৱদেৱলৈ ৰূপান্তৰিত হ'ল।

অসমৰ বৈষ্ণৱ সমাজে লাভ কৰিলে নামঘোষা, ৰত্নাৱলী আৰু ১৮৪ টা বৰগীত, ৬ খন অংকীয়া নাট আৰু বহুতো সম্ভাৰেৰে চহকী কৰা সদ্‌গুৰু মাধৱদেৱক।

মাদৱদেৱৰ চৰিতকাৰ দৈত্যাৰি ঠাকুৰে নিৰূপণ কৰি কৈছে- "শঙ্কৰে ভকতি প্ৰকাশিলা মাত্ৰ, মাধৱেসে প্ৰচাৰিলা"। মাধৱদেৱৰ প্ৰপন্ন শিষ্য ভৱানীপুৰীয়া গোপাল আতাৰ গুৰু প্ৰশস্তি-

ভকতি বাৰিষা ঋতু লোকৰ কুশল হেতু
মিলিলা শঙ্কৰ ৰূপে হৰি।
মাধৱ গম্ভীৰ মেঘ বৰষিলা অবিচ্ছেদ
হৰি নাম জল জগ ধৰি।।

**সহায়ক গ্ৰন্থ** ঃ সেহি গুণনিধি ঃ লক্ষীনন্দন বৰা।

# সত্ৰীয়া নৃত্য-গীতৰ সম্পৰ্কে যৎকিঞ্চিত

সত্ৰীয়া নৃত্য-গীত বুলিলে মহাপুৰুষ শঙ্কৰদেৱে প্ৰৱৰ্তন কৰা এক শৰণ ভাগৱতী ধৰ্মৰ উপাদানৰ সৈতে ৰজিতা খুৱাই সৃষ্টি কৰা অমৰ গীত-নৃত্য সমূহ আৰু তেৰাৰ প্ৰপন্ন শিষ্য মাধৱ পুৰুষৰ সৃষ্টিকেই বুজিব লাগিব। বিশ্বৰ ভিতৰতে মহাপুৰুষ শঙ্কৰদেৱেই একমাত্ৰ ধৰ্ম প্ৰচাৰক যি ধৰ্ম প্ৰচাৰৰ লগত জড়িত সমস্ত সংস্কৃতি উপাদান নিজে সৃষ্টি কৰাই নহয় বৰঞ্চ সেই সমূলসমূহ কাৰ্যক্ষেত্ৰত যথাযথ ভাৱে সফল প্ৰয়োগ কৰি গৈছে। গুৰুজনে নামঘৰ নামেৰে এনে এবিধ উপাসনা গৃহ জন্ম দিলে য'ত নৱধা ভক্তিৰ ভিতৰত শ্ৰেষ্ঠ শ্ৰৱণ-কীৰ্তনৰ ব্যৱস্থা হোৱাৰ উপৰিও তেৰাৰ সৰ্বোত্তম সৃষ্টি ভাওনা সংস্কৃতিৰ লগতে গীত, নৃত্য, আদিৰো প্ৰদৰ্শনৰ ব্যৱস্থা হ'ল। মহাপুৰুষজনৰ বিশাল সাংস্কৃতিক ভাণ্ডাৰৰ উপাদানসমূহ এটি সৰু প্ৰৱন্ধত প্ৰকাশ কৰাটো সম্ভৱপৰ নহয়। মাত্ৰ যৎকিঞ্চিত উল্লেখ কৰাৰ প্ৰয়াস কৰা হৈছে।

**(ক) বৰগীত ঃ** শঙ্কৰদেৱ আৰু মাধৱদেৱ গুৰু দুনাই এনে এবিধ গীতৰ সৃষ্টি কৰিলে যাৰ ভাৱ ভাষা অতি উচ্চমান বিশিষ্ট আৰু গীতৰ বিষয়বস্তু সাংসাৰিক জীৱন অতিক্ৰমি আধ্যাত্মিক জগতত প্ৰৱেশ কৰিছে য'ত দৈৱিক বা জাগতিক ভোগ-বিলাসৰ কোনো গোন্ধ নাই। বৰগীত সৃষ্টিৰ মূল উদ্দেশ্য হৈছে একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰ। 'ন হি বিদ্যা সঙ্গীতাৎ পৰ' অৰ্থাৎ সঙ্গীততকৈ উৎকৃষ্ট বিদ্যা একো নাই। এই আপ্ত বাক্যৰ যথাৰ্থ উপলব্ধি কৰিয়েই গুৰুজনে কীৰ্তন, ভটিমা, চপয়, টোটয়ৰ উপৰিও বৰগীত নামৰ উচ্চাঙ্গ সঙ্গীতৰ জন্ম দিলে। সংসাৰ মৰুভূমিত গীতক সৰোবৰ বোলা হয়। সংস্কৃতি আৰু কলাৰ মাধ্যমেৰে মানৱ সমাজক পশুত্বৰ পৰা মানৱত্বলৈ আৰু মানৱত্বৰ পৰা দেৱত্বলৈ আগবঢ়ায় কৃষ্ণ ভক্তিৰ ৰসত নিৰ্মজিত কৰাৰ উদ্দেশ্যেই এই গীতসমূহৰ জন্ম।

বৰগীতৰ সংজ্ঞাৰ ক্ষেত্ৰত বিভিন্নজনে মতামত আগ বঢ়াইছে। ডঃ মহেশ্বৰ নেওগৰ ভাষাত "হৰ মোহনৰ প্ৰেম কলহ, কেলি গোপালৰ কাহিনী বৰগীতত নাই, আছে বেদান্তৰ মৰ্ম সহজ সৰল ভাষাত, তাত বাজি আছে আধ্যাত্মিক চিন্তা, ঐকান্তিক ভক্তিৰ গদ্ গদ্ সুৰ আৰু আছে বিশ্বস্তৰ ভগৱান স্বয়ং শ্ৰীকৃষ্ণৰ বিশ্ব বিমোহন বাল্য ৰূপৰ বিৱৰণ জক্‌মকীয়া শব্দৰ আধাৰত।"

ৰাসক্ৰীড়া, ৰুক্মিণী হৰণৰ শ্ৰীকৃষ্ণ বৰগীতত নাই, আছে গোপাল কৃষ্ণ। কৃষ্ণৰ ক্ৰীড়া কৌতুকৰ বৰ্ণনা। আমোদপ্ৰিয় কবিৰ কল্পনা বিলাস নহয়। এই বৰ্ণনাত লুকাই আছে এক আধ্যাত্মিক জগত যাৰ জ্যোতিত প্ৰতিটো বৰ্ণনা হীৰা বুলীয়া নিয়ৰৰ বা সঞ্চাৰিণা দীপ শিখাৰ দৰে ভাস্বত। (মহেশ্বৰ নেওগৰ ৰচনাৱলী)

ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাৰ মতে "দৰাচলতে বিষয়বস্তুৰ মহত্ব, ৰচনাভঙ্গীৰ সৌষ্ঠৱ, শাস্ত্ৰীয় সুৰৰ গাম্ভীৰ্য আৰু কল্পনাৰ সংযমেৰে মহাপুৰুষৰ দ্বাৰা ৰচিত গীত সমূহক সমসাময়িক আন শাস্ত্ৰীয় সুৰযুক্ত গীতৰ পৰা পৃথক কৰিছে। এই কাৰণেই এই গীতসমূহক সাধাৰণ গীতৰ বিপৰীতে বৰগীত বোলা হয়" (অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃষ্ঠা- ১২১)।

কথা গুৰু চৰিতত বৰগীতত ছয় ৰস আছে বুলি কৈছে "তেহে মাধৱদেৱে গুৰুবাক্য ধৰি কৰিছে। আতৈসৰৰ মুখত ৰোৱা আগে গুৰি ৰিহা গাৰি ক্ৰমে দি মাজত ছোট আতাই গীত কৈলে ন কুৰি এঘাৰটা বৰগীত, ছয় ৰসে চোৰ চাতুৰী"। এই ছয় ৰস হৈছে- লীলা, বিৰহ, বিৰক্তি, চোৰ, চাতুৰী আৰু পৰমাৰ্থ। শঙ্কৰদেৱৰ ৰচিত সৰহভাগ গীততেই পাৰমাৰ্থিক তত্ব, লীলা, বিৰক্তি, বিৰহ আদি ভাৱ প্ৰতিভাত হৈছে।

আনহাতে মাধৱদেৱৰ বৰগীত সমূহৰ সৰহ ভাগতেই শ্ৰীকৃষ্ণৰ বাল্য কালৰ লীলা, চোৰ, চাতুৰী আদি বিষয় প্ৰকয হৈছে। তুতি, উপদেশ, জাগনৰ গীত, খেলানৰ গীত, কাণ্ডৰ গীত, উদ্ধৱ যানৰ গীত, ভোজনৰ গীত, ভূষণ হৰণৰ গীত, দধি মথনৰ গীত আদিৰ মাজেৰে বৰগীত সমূহ পৰিচিত হৈ আহিছে। সত্ৰৰ সন্ত-মহন্ত সকলৰ মতে বৰগীত সমূহ চতুৰা বিশিষ্ট- উত্থান, জাগন, খেলান আৰু নৃত্য।

আনন্দে গোবিন্দে বায় বেনু, আৰু বালক গোপাল কৰতল কেলি এই দুটি শঙ্কৰদেৱৰ লীলা বিষয়ৰ গীত। কহৰে উদ্ধৱ, কহ প্ৰাণ বান্ধৱ, কি কহব উদ্ধৱ, কি কহব প্ৰাণ আৰু বিৰহে আকুল গোপী হামাকু নিমিত্তে আদি গীতসমূহ বিৰহ বিষয়ক।

বিৰক্তিৰ গীত সমূহত উক্ত কবি দুজনাৰ সংসাৰৰ প্ৰতি অনাসক্ত ভাৱৰ প্ৰকাশ ঘটিছে। মায়ামোহত আবদ্ধ হৈ হৰি ভক্তিৰ প্ৰতি অৱহেলা কৰা বুলি খেদ প্ৰকাশ কৰিছে।

'নাৰায়ণ কাহে ভকতি কৰো তেৰা
মেৰি পামৰু মন মাধৱ ঘনে ঘন
ঘাটুক পাপ ন ছোড়া।'

জয় জয় যাদৱ জলনিধি যাদৱ ধাতা, বোলহু ৰাম নামেসে মুকুতি নিদান আদি বৰগীত সমূহত পাৰমাৰ্থিক ভাৱ ফুটি উঠিছে।

আনহাতে মাধৱদেৱৰ প্ৰায়ভাগ গীতেই শিশু কৃষ্ণৰ বাৎসল্য লীলা প্ৰকাশ পাইছে। চোৰ, চাতুৰী আদি লীলাসমূহ এই বৰগীতবোৰত পৰিস্ফুট হৈছে। উঠৰে উঠ বাপু গোপালহে, তেজৰে কমলাপতি পৰভাত নিন্দ, পৰভাতে শ্যামকাণু ধেনু লৈয়া সঙ্গে আদি গীতবোৰ কৃষ্ণৰ বৃন্দাবনলীলাৰ লগত জড়িত। গুৰুজনে কীৰ্তনৰ "গোপী উদ্ধৱ সংবাদ" অধ্যায়টিত গোপিনীৰ কৃষ্ণপ্ৰেম আৰু কৃষ্ণহীন বিৰহ ইমান হৃদয়স্পৰ্শীকৈ বৰ্ণনা কৰিছে তাৰ প্ৰতিফলন তেৰাৰ বৰগীত সমূহত পৰিছে। গোপীৰ প্ৰেম বিৰহ আৰু শ্ৰীকৃষ্ণই এই বিৰহত ব্যথিত হৈ উদ্ধৱক বুজনি দিবলৈ পঠোৱাৰ ভাৱেতে কহৰে উদ্ধৱ কহ প্ৰাণেৰ বান্ধৱ, কি কহবো উদ্ধৱ কি কহবো প্ৰাণ, বিৰহে আকুল গোপী হামাকু নিমিত্তি, উদ্ধৱ বন্ধু মধুপুৰি ৰহল মূৰাৰু, উদ্ধৱ চলহু গকুলে লাই, ওৰে সখী পেখোৰো কৃষ্ণ লোচন, গোপিনী প্ৰাণ কাহানু গেয়ে ৰে গোবিন্দ এই সাতটা বৰগীত ৰচনা কৰিছে।

বৰগীতসমূহৰ বাদেও টোটয়. চপয়, গুণমালা আৰু মাধৱ পুৰুষৰ গুৰু ভটিমা শঙ্কৰী কলা-কৃষ্টিৰ অনবদ্য অৱদান।

**নৃত্য ঃ** কেশৱাৰ্থে নৃত্য গীতং কৰোতি কলৌ নৰঃ।
পদে পদে অশ্বমেধ ফলং প্ৰাপ্নোতি নিত্য সঃ।। (নাৰদ পঞ্চৰাত্ৰ)

কলিযুগত ভগৱন্তৰ সন্মুখত যিসকলে নৃত্য-গীত কৰে, তেওঁলোকে সেই উদ্দেশ্যত আগবঢ়োৱা প্ৰতিটো খোজত প্ৰতিদিনে একোটা অশ্বমেধ যজ্ঞৰ ফল পায়। মহাপুৰুষ শঙ্কৰদেৱেও কীৰ্তনৰ বৈকুণ্ঠ প্ৰয়াণত শ্ৰীকৃষ্ণই উদ্ধৱক কোৱাৰ ভাষাৰে লিখিছে-

মোৰ যশ গায়া যিটো কৰৈ গীত নৃত্য।
নাহি তাৰ চিন্তা সিটো ভৈলা কৃত কৃত্য।। (কীৰ্তন- ১৮১৯)

কলিত হৰিনাম ল'বলৈ আৰু নৃত্য-গীত কৰিবলে শ্ৰীমন্ত শঙ্কৰদেৱে এখ সুন্দৰ ব্যৱস্থাপনা দি গৈছে। মুকলি মঞ্চৰূপে খ্যাত নামঘৰ নিৰ্মাণ কৰি ভগৱন্তৰ বাঙ্ময় মূৰ্ত্তি স্থাপন কৰি নৃত্য গীতৰ পৰিবেশ সৃষ্টি কৰাৰ লগতে গুৰুজনে নিজেই খোল বাদ্য আৰু দৃশ্য শ্ৰব্য অনুষ্ঠানৰ নাট লিখি বিভিন্ন প্ৰকাৰৰ নৃত্য সংযোজনেৰে

তেৰাই সৃষ্টিৰে ভক্তি ধৰ্মক অধিক প্ৰাণৱন্ত কৰি তুলিছিল। এই সমস্ত সাঙ্গীতিক অনুষ্ঠানক শঙ্কৰী নৃত্য, নাট্য কলা আদি নামেৰে নামকৰণ কৰা হৈছে। সঙ্গীত ৰত্নাকৰ শাস্ত্ৰই 'গীতং বাদ্যং তথা নৃত্যং এয়ং সঙ্গীত মূচ্যতে' অৰ্থাৎ গীত, বাদ্য, নৃত্য তিনিওটাৰ ক্ৰিয়াকে সঙ্গীত বোলা হয়। মহাপুৰুষজনাৰ সৃষ্ট সঙ্গীতসমূহ মাৰ্গী সঙ্গীত, যিহেতু এই সঙ্গীত সাধন কৰিলে ধৰ্ম, অৰ্থ, কাম মোক্ষ এই চতুবৰ্গ সাধন হৈ মুক্তিৰ পথৰ সন্ধান দিয়ে।

সকলো শাস্ত্ৰীয় নৃত্যই নিজস্ব ব্যাকৰণৰ সূত্ৰবন্ধ কৰিবলৈ শাস্ত্ৰীয় ৰীতি-নীতিৰ লগতে থলুৱা সাংস্কৃতিক সমল সমূহো অন্তৰ্ভুক্ত কৰি ব্যাকৰণৰ ভেটি প্ৰস্তুত কৰি উলিয়াইছে। শংকৰী নৃত্যয়ো এক সঙ্গবদ্ধ ব্যাকৰণ প্ৰস্তুত কৰি লৈছে য'ত শাস্ত্ৰীয় উপাদান সমূহৰ লগতে থলুৱা জনগোষ্ঠীৰ সংস্কৃতিসমূহক সামৰি এক সৰল সংমিশ্ৰিত ৰূপ প্ৰকাশিত হৈছে।

**মাটি আখৰা ঃ** শঙ্কৰী নৃত্যৰ এই ব্যাকৰণিক কাঠামোৰ নামকৰণ কৰা হৈছে মাটি আখৰা। যিহেতু মাটি আখৰাৰ অনুশীশলনৰ অবিহনে অন্যান্য নৃত্য সমূহৰ শিক্ষণ অসম্ভৱ। আমাৰ শৰীৰৰ হাত, ভৰি, শিৰা আদি অঙ্গসমূহ সঞ্চালনৰ জৰিয়তে নৃত্যৰ উপযোগী কৰি তুলিবলৈ মাটিৰ ওপৰত চুচৰি বাগৰি যিখিনি অভ্যাসনা বা সাধনা কৰা হয় তাৰ যোগেদি শৰীৰৰ জড়তা দূৰ কৰি অঙ্গসমূহ সঞ্চালনৰ বাবে সুগম কৰি তোলে। উঠা, বহা, থিয় চলন, পাক বা ভ্ৰমৰি, জাপ বা উৎপ্ৰৱন, উলাহ, ছিটিকা, বুৰা বা ডুবা আদি প্ৰক্ৰিয়াবোৰ মাটি আখৰাৰ মাজতেই পৰিলক্ষিত হয়। অৱশ্যে এই নৃত্যই শৰীৰ সঞ্চালনৰ লগতে আধ্যাত্মিক ভাৱৰো সৃষ্টি কৰি পৰম পুৰুষক নৃত্য ভঙ্গীৰ মাজেদিয়েই স্তুতি কৰা হয়।

মাটি আখৰাৰ শিক্ষা সম্পূৰ্ণ হ'লে (১) কৃষ্ণ নৃত্য, নাদুভঙ্গি নৃত্য, ঝুমুৰ নৃত্য, চালি নাচ, সূত্ৰধাৰী নৃত্য আদি নৃত্যবোৰৰ শিক্ষা ল'ব পাৰি। কিছুমান নৃত্য অভিনয়ৰ সৈতে জড়িত যেনে ৰাস নৃত্য, যুদ্ধৰ নাচ, ভাৰৰীয়াৰ নাচ ইত্যাদি।

**চালি নাচ ঃ** সত্ৰীয়া নৃত্যৰ এগৰাকী ওজা মণিৰাম দত্ত গায়নৰ মতে 'হৰ মোহন'ত মোহিনীৰ নৃত্য-

'পিন্ধি শাড়ী (খান্টাজালি) যেন মৈৰা কৰে চালি

হৰক কতাক্ষ কৰি চান্ত' ভাৱেৰে (খাপতি কাপোৰ বান্ধি মৈৰাৰ দৰে চালি ধৰি কৰা নৃত্যটিকে চালি নাচ বোলা হৈছে। এই নৃত্যৰ পোছাক, পৰিচ্ছদ আৰু লয়লাস ভঙ্গী অতি আকৰ্ষণীয়। সত্ৰলৈ কোনো বিশিষ্ট ব্যক্তি আহিলে এই নাচ প্ৰদৰ্শন কৰা হয়। তাহানি মাধৱ পুৰুষে বৰপেটা ৰঙ্গীয়াল গৃহত ৰাজ বিষয়া এজনৰ সন্মানাৰ্থে এই নৃত্য প্ৰদৰ্শন কৰাৰ কাৰণে টুটকীয়াই গৈ ৰজাক লগালেগৈ বোলে মাধৱদেৱে কীৰ্তন আৰু ছোৱালী নচুৱাইছে। ৰজাই মাধৱদেৱক বন্দী কৰি নতুৱা সকলক পৰীক্ষা কৰি ল'ৰা বুলি প্ৰমাণ পোৱাৰ পিছতহে এৰি দিছিল।

চালি নাচ আঠখন। প্ৰকৃততে চালি নাচত ইখন-সিখনৰ প্ৰভেদ ৰামদানিতহে। ৰামদানি হ'ল নাচৰ আৰম্ভণি অংশ য'ত সুকীয়া তাল ব্যৱহাৰ কৰা হয়। এই নাচৰ দ্বিতীয় অংশ হ'ল গীতৰ নাচ, ইয়াৰ পিছৰ অংশটি হ'ল মেলা নাচ।

**ঝুমুৰা নাচ ঃ** মাধৱদেৱৰ সৰু সৰু নাটককেইখনক ঝুমুৰা বোলা হয়।সেয়েহে ঝুমুৰা নাচ বুলিলে মাধৱদেৱৰ নাটৰ নাচকেই বুজিব লাগিব। এই নাচবোৰ ৰাস ঝুমুৰা, ভোজন বেহাৰ নৃত্য আদি নামেৰেও পৰিচিত। এই নাচতো তিনিটা ভাগ- ৰামদানি, গীতৰ নাচ আৰু মেলা নাচ। কমলাবাৰী সত্ৰত ঝুমুৰা নাচ নৈমিত্তিক প্ৰসঙ্গৰ বাদেও বদুলা আতাৰ কীৰ্তনতো এই নাচ প্ৰদৰ্শিত হয়।

**নাদুভঙ্গী ঃ** পোৰাণিক তথ্য অনুযায়ী কালিয় হ্ৰদত ভগৱান শ্ৰীকৃষ্ণই দুষ্ট কালী নাগক দমন কৰিবলৈ যি

ভঙ্গীৰে নাদুৰিছিল, সেই ভঙ্গীমাৰ লগত তুলনা কৰি ইয়াক নাদুভঙ্গী নাচ বোলা হয়। এই নৃত্যত গোপসকলে জোৰ পাতি নাচিছিল। এই নাচৰ সাজ হ'ল শ্ৰীকৃষ্ণৰ সাজ। সত্ৰীয়া নৃত্যত মাটি আখৰাৰ পিছতে নাদুভঙ্গী নৃত্য হয়। মাটি আখৰাত সাধাৰণতে বাজনাৰ ব্যৱহাৰ কৰা নহয় বাবে এই নৃত্যতে প্ৰথম বাদ্য বজোৱা হয়।

ইয়াৰ বাদেও কালীয় দমন নৃত্য, মহাৰাসৰ নৃত্য, সূত্ৰধাৰী নৃত্য, ৰজাঘৰীয়া নৃত্য আদি অনেক নৃত্যই সত্ৰীয়া নৃত্যৰ ভঁড়াল চহকী কৰিছে।

**ভাওনা ঃ** মহাপুৰুষ শঙ্কৰদেৱে তেওঁৰ ধৰ্ম প্ৰকাশৰ আহিলা স্বৰূপে নিৰ্মাণ কৰা নামঘৰৰ কৰ্মত অংশ গ্ৰহণ কৰাৰ পথ সুচল কৰি তোলাৰ উদ্দেশ্যে ভাৰতীয় নাট্য পৰম্পৰাৰ ভেটিত নিৰ্মাণ কৰিলে অঙ্কীয়া নাট বা ভাওনাৰ নৱ আদৰ্শৰ। শিল্পকাৰ শঙ্কৰদেৱৰ সৰ্বোত্তম কীৰ্তি ভাওনাই নামঘৰৰ যোগেদি অভিনয়ৰ পৰা আহাৰ্যলৈ, সঙ্গীত নৃত্যৰ পৰা বাদ্যযন্ত্ৰ নিৰ্মাণলৈ, চিত্ত বিনোদনৰ পৰা ভক্তি সঞ্চাৰীৰ লোকোত্তৰ আনন্দৰ প্ৰৱাহ সৃষ্টিলৈ আৰু আনুসঙ্গিক বিবিধ দিশ সামৰি এক সাংস্কৃতিক মহাযজ্ঞৰ সূচনা কৰিলে। (প্ৰদীপজ্যোতি মহন্ত, শ্ৰীমন্ত শঙ্কৰদেৱ সাহিত্য কলা দৰ্শন)।

মাত্ৰ ১৯ বছৰ বয়সত অৰ্থাৎ ১৪৬৮ বৰ্ষতে শঙ্কৰদেৱে চিহ্নযাত্ৰা ভাওনা আৰম্ভ কৰিছিল। এই ভাওনাতে খোল বাদ্য তৈয়াৰ কৰি গায়ন-বায়ন, নাট-নটুৱা, সূত্ৰধাৰ, আৰিয়া, অগ্নিগড় আদি ভাওনাৰ উপযোগী সকলো প্ৰস্তুত কৰি উলিয়াইছিল। এই ভাওনাতে শঙ্কৰদেৱে নিজকে এজন গায়ক, বাদক, অভিনেতা, স্থপতিবিদ, ভাষ্কৰ্য শিল্পী আৰু চিত্ৰকৰ ৰূপে পৰিচয় দি সকলোকে বিস্ময়-বিমূঢ় কৰি তুলিছিল। শঙ্কৰদেৱে নিজে ছখন অঙ্কীয়া নাচ লিখি মঞ্চস্থ কৰাইছিল। বৰ্তমান অসমৰ নামঘৰ সমূহত অঙ্কীয়া নাটকতকৈ মাতৃভাষাৰ নাটকৰ ভাওনা প্ৰচলিত হৈ আছে। অঙ্কীয়া ভাওনাসমূহ বিশেষ উদ্দেশ্যতহে অনুষ্ঠিত কৰা হয়।

যোৱা ২০০০ বৰ্ষত সঙ্গীত নাটক একাডেমীয়ে শঙ্কৰী নৃত্য-গীত সমূহক সত্ৰীয়া সংস্কৃতি নামেৰে নামকৰণ কৰি মান্যতা দিলে। সঙ্গীত নাটক একাডেমীয়ে এই সাঙ্গীতিক অনুষ্ঠান ভাগক সত্ৰীয়া নৃত্য, সত্ৰীয়া সঙ্গীত আদি নামকৰণ কৰাত এচাম লোক প্ৰতিবাদ মুখৰ হৈ পৰিছিল। সেই সকলৰ যুক্তি বহুতো সত্ৰই শঙ্কৰী নৃত্য গীতক মান্যতা নিদিয়ে। ফলস্বৰূপে সত্ৰীয়া সংস্কৃতি আৰু শঙ্কৰী সংস্কৃতি অভিন্ন নহয়। এই দিশটোৰ শুদ্ধ উত্তৰ হ'ল একমাত্ৰ শঙ্কৰ মাধৱ গুৰু দুজনাৰ সৃষ্ট সংস্কৃতিকহে ৰাষ্ট্ৰীয় স্বীকৃতি দিয়া হৈছে। যিসমূহ সত্ৰই এই সংস্কৃতিসমূহক মান্যতা নিদি অন্য সংস্কৃতি গ্ৰহণ কৰিছে সেই সমূহ ৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত নহয়।

# অংকীয়া ভাওনা ঃ ভক্তি ধৰ্ম প্ৰসাৰৰ এক অনবদ্য অৱদান

খৃষ্টীয় পঞ্চদশ শতিকাৰ মাজভাগত অসমভূমিত জন্ম গ্ৰহণ কৰিছিল এজন মহান প্ৰতিভাধৰে যিজনে অসমৰ চতুস্কোন সঞ্চাৰি ভক্তি ধৰ্ম প্ৰচাৰৰ বাবে পাতনি মেলিলে এক বিশাল সাংস্কৃতিক মহাযজ্ঞ। সমসাময়িক সমাজখনৰ জীৱনাদৰ্শক সামগ্ৰীক ৰূপক কলাৰ মাজেদি আধ্যাত্মিক সাধনাৰ সৈতে যুক্ত কৰিববলৈ আৰু সেই আধ্যাত্মিক সাধনাকে সৰ্ব সাধাৰণৰ দৈনন্দিন জীৱনৰ সৈতে সংযুক্ত কৰিববলৈ কৰ্ম আঁচনি যুগুত কৰা সেই যুগোতীৰ্ণ পুৰুষজনেই হ'ল অসমৰ জনজীৱনৰ সবাতোকৈ শ্ৰেষ্ঠ মনীষা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ।

'কৃষ্ণস্তু ভগৱান স্বয়ম্'। বেদান্তৰ নিৰ্গুণ ব্ৰহ্ম আৰু ভাগৱতে দৰ্শন কৰোৱা সগুণ কৃষ্ণৰ মাজত অভেদত্বৰ উপাদানৰ আধাৰতেই মহাপুৰুষজনাই গীতা আৰু ভাগৱতৰ দৰ্শনৰ আলমত অসমত ভক্তি আন্দোলন গঢ়ি তুলিলে। ভক্তিৰ পৰকাষ্ঠা দেখুৱাবলৈ গুৰুজনৰ কাপৰ পৰা নিঃসৰিত হ'ল কীৰ্তন দশম আদি অনেক কাব্য গ্ৰন্থৰ লগতে বাঁহ, বেত, খেৰেৰে সজা দুচলীয়া সৰলীকৃত নামঘৰ, মণিকূট আৰু সাত বৈকুণ্ঠৰ প্ৰতীক সাত খলপীয়া সিংহাসন। নামঘৰৰ স্থিতিক অধিক বাংময় আৰু জনসাধাৰণৰ হৃদয়মুখী কৰি তোলাৰ উদ্দেশ্যে শঙ্কৰদেৱে ভাৰতীয় নাট্য পৰম্পৰাৰ ভেটিত নিৰ্মাণ কৰিলে অংকীয়া নাটক আৰু ভাওনাৰ।

নাট্যশাস্ত্ৰৰ জনক ভৰতমুনিয়ে শ্ৰব্য কাব্যতকৈ দৃশ্য কাব্য অধিক ফলপ্ৰসু বুলি মতামত দিছিল। শঙ্কৰ গুৰুজনায়ো তেনে উদ্দেশ্যেৰেই অনাক্ষৰী লোকসকলক কৃষ্ণ ভক্তিৰ স্বাদ দিবলৈ দৃশ্য কাব্য অৰ্থাৎ ভাওনাৰ সৃষ্টি কৰিলে। নামঘৰেই হৈ পৰিল ভাওনা প্ৰদৰ্শনৰ স্থলী। কীৰ্তন, দশম পঢ়ি ভক্তিৰ স্বাদ ল'ব নজনা লোকসকলে ভাওনাৰ যোগেদি সেই স্বাদ লাভ কৰিলে, যিহেতু ভাওনাৰ জড়িয়তে যিকোনো এটা বিষয় মানুহৰ মাজত সহজে সুমুৱাই দিব পাৰি। ভাওনাখন দৰ্শকৰ মনোগ্ৰাহী হোৱাকৈ নাট্যকাৰে বিভিন্ন কলা, ৰস আৰু সংলাপৰ পয়োভৰ ঘটালেও শেষত ভক্তিৰসতে লীণ গৈছে। 'শিল্পকাৰ শঙ্কৰদেৱৰ সৰ্বোত্তম কীৰ্তি ভাওনাই নামঘৰৰ যোগেদি অসমীয়া সমাজত অভিনয়ৰ পৰা আহাৰ্যলৈ, সংগীত নৃত্যৰ পৰা বাদ্যযন্ত্ৰ নিৰ্মাণলৈ, চিত্ৰ বিনোদনৰ পৰা ভক্তি সঞ্চাৰী, লোকোত্তৰ আনন্দৰ প্ৰবাহ সৃষ্টিলৈ আৰু আনুসংগিক বিবিধ দিশ সামৰি এক নতুন সাংস্কৃতিক কৰ্মযজ্ঞৰ সৃষ্টি কৰিলে।

ৰামচৰণ ঠাকুৰৰ শ্ৰীশঙ্কৰ চৰিত, কথা গুৰু চৰিত, বৰদোৱা চৰিত আদি চৰিত পুথিৰ বৰ্ণনা অনুসৰি শঙ্কৰদেৱে ৰজ্ঞ বছৰ বয়সতেই চিহ্নযাত্ৰা নামৰ ভাওনা প্ৰদৰ্শন কৰিছিল। ডজ্ঞ মহেশ্বৰ নেওগৰ মতে '*এই চিহ্নযাত্ৰাই অসমীয়া সংগীত নাট্যকলাৰ এক অপূৰ্ব অভিনৱ অধ্যায়*'। চৰিত পুথিৰ বিৱৰণীৰ মতে শঙ্কৰদেৱে প্ৰথমে কপিলীমুখৰ কুমাৰৰ হতুৱাই খোল গঢ়াই লৈছে, তাত ঘূণ দিয়াইছে, স্থানীয় কহাৰৰ হতুৱাই বিভিন্ন তাল গঢ়াইছে, বাঁহ, বেত, হেঙুল, হাইতালৰ কৰ্মখচিত মুখা, ছোঁ আদিৰ প্ৰচলন কৰাইছে। ৰভাঘৰ, ছোঁঘৰ, সাজপাৰ, গায়ন-বায়ন, ধেমালীৰ ঘোষা, গীত, শ্লোক আদি ভাওনাৰ আৱশ্যকীয় উপাদানসমূহ এই চিহ্নযাত্ৰা নাটকতে ৰচিত আৰু ব্যৱহৃত হৈছিল। গুৰুজনাই নিজা পৰিকল্পনাৰে তুলাপাতত সপ্ত বৈকুণ্ঠৰ পট আঁকি পাৰিষদসহ সাত বৈকুণ্ঠত সাতজন ঈশ্বৰৰ প্ৰৱেশ আৰু অভিনয় প্ৰকট কৰিছে। শ্বেতবিলাস, শান্তনুবিলাস,

পুষ্পবিলাস, পংকজবিলাস, কনকদণ্ড, সনাতন এই ছয় বৈকুণ্ঠত লক্ষ্মী নাৰায়ণ দায়িত্ব বিভিন্ন লোকক দিয়া হ'ল। শেষৰখন গোলোকত গুৰুজনে নিজে নাৰায়ণৰ ভাওত আছিল. ইয়াত লক্ষ্মী নাই। গুৰুজনৰ এক শৰণ ভক্তি তত্বৰ প্ৰথম বীজ ইয়াতেই ৰাজহুৱাকৈ ৰোপিত হৈছিল। চিহ্নযাত্ৰা ভাওনা সাতি দিন সাত ৰাতি চলিছিল। গুৰুজনে নিজে বৰবায়ন হৈ নটা খোল বজাইছিল। নাট্য শাস্ত্ৰত উল্লেখ থকা পূৰ্ববংগৰ ঠাইত গুৰুজনে গায়ন-বায়ন, সৰু ধেমালী আদি ভাওনাৰ আগত পৰিৱেশন কৰাইছিল। সাধাৰণ জনৰ পৰা পণ্ডিত জনলৈকে সকলোৱে এই ভাওনা চাই বিমুগ্ধ হৈছিল আৰু শঙ্কৰদেৱক ঈশ্বৰ অৱতাৰ জ্ঞান কৰিছিল। ভাগৱতৰ ভক্তি ৰসৰ স্বাদ বুজি নোপোৱা অশিক্ষিত লোকসকলে চিহ্নযাত্ৰাৰ যোগেদি ঈশ্বৰ চিনি পালে আৰু পৰম ব্ৰহ্মৰ সাকাৰ ৰূপ কৃষ্ণক ভকতি কৰিবলৈ জ্ঞানৱন্ত হ'ল।

এই নাটকে ভক্তি আন্দোলনত সাৰপানী যোগাই বহু ওপৰলৈ লৈ গ'ল, যাৰ ফলশ্ৰুতিত গুৰুজনাৰ ভক্তি ধৰ্মপ্ৰচাৰৰ পথ মসৃণ হ'ল। নাট্যকাৰৰ ইপ্সিত উদ্দেশ্য চিহ্নযাত্ৰাই ইতিবাচক সঁহাৰি দিয়াত পৰৱৰ্তী সময়ত শঙ্কৰদেৱে ছখন অংকীয়া নাট ৰচনা কৰিলে। ইয়াৰ ক্ৰমসমূহ হ'ল- (১) পত্নী প্ৰসাদ (১৫৪০ খ্ৰীঃ) (২) পাৰিজাত হৰণ (১৫৪২ খ্ৰীঃ) (৩) কালীয় দমন (১৫৫০ খ্ৰীঃ) (৪) কেলি গোপাল (১৫৫১ খ্ৰীঃ) (৫) ৰুক্মিণী হৰণ (১৫৬৪-৬৫ খ্ৰীঃ) আৰু (৬) ৰাম বিজয় (১৫৬৮ খ্ৰীঃ)। প্ৰতিখন নাটকত ভক্তি ৰসৰ নিজৰা বোৱাই দৃশ্য কাব্যৰ মাজেদি জনসাধাৰণক সামাজিকভাৱে ভগৱৎমুখী কৰি তুলিলে। এই নাটককেইখনে ভক্তি ধৰ্মক কেনেকৈ জনমুখী কৰি তুলিছিল তাৰ এটি আভাস দিবলৈ প্ৰয়াস কৰা হৈছে-

**(১) পত্নী প্ৰসাদ ঃ** গুৰুজনৰ দ্বাৰা প্ৰণীত প্ৰথম নাটক পত্নী প্ৰসাদ। এই নাটকৰো মূল উপজীব্যই হ'ল ভক্তি। কালিন্দী তীৰত আত্মাভিমানী বিপ্ৰসকলে যজ্ঞানুষ্ঠান কৰিছিল। ইতিমধ্যে গো-ৰখীয়া কৃষ্ণ বলৰাম সহিত সমস্ত গোপবালক সেই স্থানত উপবিষ্ট হ'ল। ধেনু চৰাই থকা গোপবালক সকল ভোকত অস্থিৰ হ'ল। কৃষ্ণৰ পৰামৰ্শক্ৰমে তেওঁলোক যজ্ঞস্থলীলৈ গৈ বাহ্মণ সকলক অন্নদানৰ পুণ্যৰ কথা সোঁৱৰাই দি ক'লে- "গোপগণ সহিতে ৰাম কৃষ্ণ পৰম ক্ষুধাতুৰ হুয়া অন্ন প্ৰাৰ্থী পথাৱল, যেৱে শ্ৰদ্ধা আচয় অন্ন ব্যঞ্জন প্ৰচুৰ দেৱহ।" যজ্ঞকেই শ্ৰেষ্ঠ কৰ্ম বুলি ভবা আত্মশ্লাঘী ব্ৰাহ্মণসকলে গোপবালক সকলক উপহাসহে কৰি। কৃষ্ণ অহা বুলি জানিব পাৰি ব্ৰাহ্মণ পত্নীসকলে সভক্তিৰে অনেক দ্ৰব্য লৈ আনন্দমনে তেওঁলোক থকা ঠাইলৈ যাত্ৰা কৰিলে। স্বামী আৰু পুত্ৰসকলে এই কাৰ্যত বাধা দিছিল যদিও তাহানিৰ গোপীসকলে কৃষ্ণৰ বাঁহী শুনি পূৰ্ণিমা ৰাতি কাৰো বাধা নামানি উত্ৰাৱল হৈ লৰ মৰাৰ দৰেই ব্ৰাহ্মণীসকলেও কৃষ্ণক লগ পাবলৈ উদ্বাউল হ'ল আৰু অতি ভক্তি সহকাৰে আনন্দচিত্তে কৃষ্ণ সহিত সমস্ত গোপগণক সুস্বাদু অন্ন ভোজন কৰালে। নিজৰ স্বামী পুত্ৰক অৱজ্ঞা কৰি হ'লেও তেওঁলোকে কৃষ্ণ ভক্তিৰ যি নিদৰ্শন দেখুৱালে সেই ভক্তিত কৃষ্ণ ভক্তৰ অধীন হ'ল। ইতিমধ্যে যজ্ঞ সমাপনৰ অন্তত ব্ৰাহ্মণসকলৰো জ্ঞান চক্ষু উদয় হ'ল। কৰ্মতকৈ ভক্তি শ্ৰেষ্ঠ সেয়া বুজি পাই নিজৰ কৰ্মৰ ওপৰত ধিক্কাৰ দি কৃষ্ণৰ ওচৰত মিনতি কৰিবৰ বাবে সাজু হ'ল। এনেতে এজন বৃদ্ধ ব্ৰাহ্মণ আহি কংসৰ ভয় দেখুওৱাত নিৰস্ত হ'ল যদিও "কৃষ্ণৰ চৰণে শৰণ লৈয়া কৰ্ম গৰ্ব সব চাৰি শ্ৰৱণ কীৰ্তন কৰি গৃহে ৰহল"। কৰ্ম যজ্ঞতকৈয়ো ভক্তিৰ মাহাত্ম্য যে বেছি তাকে এই নাটকৰ জৰিয়তে গুৰুজনে দৰ্শন কৰাইছে।

**(২) পাৰিজাত হৰণ ঃ** বৈষ্ণৱ ধৰ্মৰ বিমল মধুৰ জাহ্নৱী শত সহস্ৰ পাঠকৰ অন্তৰ ভেদি যাব পৰাকৈ গভীৰ নিষ্ঠাৰে সৈতে মহাপুৰুষজনাই প্ৰণয়ন কৰা নাট সমূহৰ মাজত পাৰিজাত হৰণ অন্যতম। নাটকৰ মূল

কাহিনীভাগ ভাগৱত, বিষ্ণু পুৰাণ আদিত আছে যদিও শঙ্কৰদেৱে ভক্তিৰ শ্ৰেষ্ঠত্ব দেখুওৱাৰ স্বাৰ্থত নিজাকৈ সজাইছে। নাটকখনত নাৰদক অ'ৰ কথা ত'ত লগাই কাজিয়া লগোৱা টুটকীয়া ৰূপত সজাইছে আৰু শচী, সত্যভামা দুয়োগৰাকীকে সাধাৰণ কলহপ্ৰিয় তিৰোতাৰ ৰূপ দিছে। নাটকৰ তৃতীয় গৰাকী নাৰী ৰুক্মিণীক এগৰাকী স্বামী ভক্তি আৰু ঈশ্বৰ ভক্তি পৰায়ণ অতি সৎ চৰিত্ৰৰ নাৰীৰ ৰূপত বৰ্ণনা দিছে। নাটকখনত ধৰ্মৰ জয় আৰু অৰ্ধমৰ পৰাজয়ৰ আখ্যানেৰে ভগৱন্তৰ ওচৰত ইন্দ্ৰৰ দৰ্প চূৰ্ণ আৰু নৰকাসুৰ বধৰ যোগেদি দুষ্টক দমন সন্তক পালন কাৰ্য শ্ৰীকৃষ্ণৰ দ্বাৰা সমাপন কৰাই ঈশ্বৰ ভক্তিৰ প্ৰয়োজনীয়তা দেখুৱাইছে।

**(৩) কালিয় দমন ঃ** নাটকৰ মূল কাহিনীভাগ গুৰুজনে ভাগৱতৰ পৰা গ্ৰহণ কৰিছে যদিও মৌলিকতা প্ৰয়োগেৰে শঙ্কৰদেৱে নাটকৰ সৌন্দৰ্য বঢ়াইছে। ভগৱন্তই ভকতক সৰ্ব বিপদৰ পৰা ৰক্ষা কৰি থাকে। কালিয় দমন তাৰ উদাহৰণ। কালিন্দী হ্ৰদত বাস কৰা দুষ্ট কালি নাগে বিষজল পান কৰাই অসংখ্য জীৱ-জন্তু, মানুহ আদিৰ মৃত্যুৰ কাৰণ হৈ পৰিছিল। সেই ধেনু চৰোৱা গোপবালকেও এই হ্ৰদৰ পানী পান কৰি মৃত্যুক সাৱটি লোৱাত অলৌকিক শক্তিধৰ শিশু কৃষ্ণই গোপসকলক জীৱিত কৰি তোলাত তেওঁলোক আচৰিত হৈ কৃষ্ণক ভজনা কৰিছে- "হে স্বামী ওহি বিষপানী পিয়ে প্ৰাণে মৰলো আমি। তোহাক প্ৰাসাদে পুৰ্নবাৰ উপজলছ। তোহাৰি চৰণ সেৱাক মহিমা কি কহব স্বামী।" পুনুবাৰ নিজৰ অলৌকিকতা দেখুৱাই হ্ৰদত জাপ দি বিষধৰ কালি নাগক ধৰাশায়ী কৰিলে। নাগপত্নী সকলৰ আকুল প্ৰাৰ্থনাত কালি নাগ ৰক্ষা পৰিল। ঐশ্বৰিক শক্তি নহ'লে এনে কৰ্ম কোনেও কৰিব নোৱাৰে এই কথা সকলোৱে বুজি উঠি কৃষ্ণক ঈশ্বৰ জ্ঞান কৰিছিল। ইয়াৰোপৰি নাগ পত্নীসকলৰ স্তুতি-মিনতিত আৰু শৰণাগত কালি নাগৰ আত্ম নিবেদনৰ মাজেদি ভক্তিৰস পৰিস্ফুটিত হৈছে। আকৌ বনাগ্নি পান কৰাৰ পাছত সমূহ ব্ৰজবাসী কৃষ্ণক ভগৱান জ্ঞান কৰি শৰণাপন্ন হয়। নাট্যকাৰ শঙ্কৰদেৱে এই নাটকৰ যোগেদি কৃষ্ণক ভগৱন্ত ৰূপে দেখুৱাই ভক্তি ৰসৰ নিজৰা বোৱাইছে।

**(৪) কেলি গোপাল ঃ** সম্পূৰ্ণ কাব্যধৰ্মী শৃংগাৰ ৰসযুক্ত এই নাটকত শঙ্কৰদেৱে ভক্ত ভগৱন্ত, আত্মা-পৰমাত্মাৰ মিলনৰ এক সু-গভীৰ পথ নিৰ্দেশনা দিছে য'ত সপ্ৰেম ভকতি আৰু পাৰ্থিৱ প্ৰেমৰ যোগেদিও ভগৱৎ প্ৰাপ্তি হয়। দ্বাপৰ যুগত পূৰ্ণব্ৰহ্ম শ্ৰীকৃষ্ণই মানৱ ৰূপ ধাৰণ কৰি ভক্ত ৰূপী ব্ৰজৰ গোপীসকলৰ সৈতে শৰৎ কালৰ পূৰ্ণিমা ৰাতি সপোন মাধুৰী পৰিৱেশ সৃষ্টি কৰা যমুনাৰ ৰূপোৱালী বালিত প্ৰেম ভক্তিত ডুব গৈ অমৃতময়ী স্বাদেৰে কৰা নৃত্যানুষ্ঠানেই কেলি গোপাল নাটকৰ উপজীব্য। এই নৃত্যানুষ্ঠানে আজিও মানৱ হৃদয়ত আনন্দৰ লহৰ তুলিব পৰা 'ৰাসলীলা' নামেৰে সমাদৃত হৈ আছে। গুৰুজনে নাটকখন শৃংগাৰ ৰসেৰে আৰম্ভ কৰি ভক্তি ৰসেৰে সমাপ্তি ঘটাইছে। অৰ্থাৎ ক্ৰীড়াৰ মাধ্যমেদি ভক্তই কামনা-বাসনা পৰিত্যাগ কৰি শুদ্ধ ভাৱাপন্ন হৈ ব্ৰহ্মৰ লগত একীভূত হ'ব পাৰে। মহা মহা যোগীগণেও কঠোৰ ধ্যান কৰি আৰু ঋষি-মুনিসকলেও দীৰ্ঘসময় যজ্ঞানুষ্ঠান পাতিও দৰ্শন পাবলৈ সক্ষম নোহোৱা পূৰ্ণ ব্ৰহ্ম কৃষ্ণক 'বনাচাৰী, অনাচাৰী গোপ নাৰীসকলে কাম ভকতিয়ে বশ্য কৰিলে।'

নাটকখনৰ কাহিনী অনুযায়ী গোপীনিৰ বস্ত্ৰ হৰণ পৰ্বতে শৰৎ কালৰ পূৰ্ণিমা ৰাতি বাংশীৰ ধ্বনিৰে গোপীসকলক নৃত্যানুষ্ঠানৰ বাবে আমন্ত্ৰণ জনাব বুলি কৃষ্ণই দিয়া বচন অনুযায়ী সেই নিৰ্দিষ্ট দিনত কৃষ্ণৰ বাংশীধ্বনিত গোপীসকল উদ্বাউল হৈ বৃন্দাবনলৈ ঢাপলি মেলিলে ৰাতি হ'ব পৰা সকলো বিপদ-বিঘিনী নেওচি-

বিমোহিত হুয়া সবে লৰৰে গোপিনী।
হৰি ভকতৰ যেন নলংঘে বিঘিনী।।

কৃষ্ণই গোপ নাৰীসকলৰ কৃষ্ণ প্ৰেম ভক্তি পৰীক্ষা কৰিবলৈ তিনিটা পৰীক্ষা কৰিলে।

প্ৰথম পৰীক্ষা- দোৰ্ঘোৰ ৰজনী প্ৰেত পিশাচৰ গতি।
ঐত নাথাকিবা তোৰা সব স্ত্ৰী মতি।।

দ্বিতীয় পৰীক্ষা- তোমাসাক নেদেখিয়া পিতৃ মাতৃ চয়।
তাসম্বাৰ মনে মহা মিলিব সংশয়।।

তৃতীয় পৰীক্ষা- উপপতি সমে ক্ৰীড়া কৰ্ম গৰিহিত।
পৰ্বত প্ৰমাণ পাপ সৌকাৰ্য কিঞ্চিত।।

কিন্তু গোপীসকলক এইবোৰ কথাই তলাব নোৱাৰিলে। সেয়েহে পৰম প্ৰেমময় হৈ গোপীসকলৰ লগত ৰাসনৃত্য কৰিলে। প্ৰথম অৱস্থাত গোপীসকলৰ কাম ভাৱ আছিল যদিও শেষত ই ভক্তি ৰসত নিমজ্জিত হ'ল। প্ৰেমভাৱ আৰু কাম ভাৱৰ প্ৰভেদ আছে। কামভাৱে আত্ম ইন্দ্ৰিয়ক সন্তুষ্টি কৰা বাসনাৰ বিপৰীতে প্ৰেমভাৱে হৃদয়ৰ গভীৰতাক উপলব্ধি কৰে। গুৰুজনৰ নাটকত গোপীৰ প্ৰেম পৰমাত্মা কৃষ্ণ প্ৰেমলৈ ৰূপান্তৰিত হৈ সৰ্বকালৰ শ্ৰেষ্ঠ নাৰী ৰূপে স্থান লাভ কৰিলে। নাট্যকাৰে নাটকখনিত পাৰ্থিৱ প্ৰেম ভক্তিৰ অপূৰ্ব নিৰ্দৰ্শন দাঙি ধৰিছে।

**(৫) ৰুক্মিণী হৰণ ঃ** শঙ্কৰদেৱে কাব্যৰসক ভক্তি ৰসলৈ পৰিবৰ্তিত কৰিছে যদিও ৰুক্মিণী হৰণ নাটকত বীৰ ৰস, ৰৌদ্ৰ ৰস, ভয়ানক আৰু কৰুণ ৰসৰো সমাবেশ ঘটিছে। গুৰুজনে এখন পূৰ্ণাঙ্গ নাটকত থাকিব লগা আটাইবোৰ ৰসেই মুকলিকৈ প্ৰকাশ কৰি ভক্তিৰসেৰে মোখনি মাৰিছে। নাটকত ৰুক্মিণীক কৃষ্ণ প্ৰেমত ব্যাকুল হোৱা এগৰাকী নাৰী ৰূপে প্ৰক্ষেপ কৰা হৈছে যদিও কৃষ্ণক সাধাৰণ প্ৰেমিক ৰূপে গণ্য কৰা নাই, বৰঞ্চ ভক্তিত গদ্ গদ্ হৈ স্বামীক ঈশ্বৰ জ্ঞান কৰিছে-

পৰম পুৰুষ পিউ ভেলি মুৰাৰু।
জনম সাফল সখি অবহু হামাৰু।।

গুৰুজনে নাটকৰ সামৰণিত লিখিছে-

পৰম বন্ধু হৰি চৰিত বিনাই।
নাহি নাহি বন্ধু কলিত লোকাই।।

নাটকৰ কাহিনীৰ মাজেদি কবিয়ে কলিত কৃষ্ণহে পৰম বন্ধু বুলি উপদেশ দিয়াৰ লগতে শাস্ত্ৰ মৰ্ম নুবুজা সকলেও এক কৃষ্ণ নামত শৰণ লৈ ঈশ্বৰ প্ৰাপ্তি হ'ব বুলি মানৱ সমাজলৈ বাৰ্তা দিছে।

**(৬) ৰাম বিজয় ঃ** নাটকখনিৰ আৰম্ভণিতে সূত্ৰধাৰে দিয়া বক্তব্যতে মূল বিষয়বস্তু পৰিস্ফুট হৈছে-

'ভো ভো সভাসদ, যে জগতক পৰম ঈশ্বৰ নাৰায়ণ ভূমিক ভাৰ হৰণ নিমিত্তে দশৰথৰ গৃহে অৱতৰল।' ত্ৰেতা যুগত নাৰায়ণে ৰাম ৰূপে অৱতৰি সৃষ্টি নাশ কৰা দুষ্ট দৈত্য দানৱবোৰক নিধন কৰি দুষ্টক দমন সন্তক পালন কাৰ্য কৰিছিল। নাটকখনত ৰামে তাৰকা, মাৰিচ আদি ৰাক্ষসবোৰ বধ কৰা, সয়ম্বৰৰ ৰজাবোৰক পৃষ্ঠভঙ্গ দিওৱা, পৰশুৰামৰ দৰ্পচূৰ্ণ কৰা আদিত বীৰৰসৰ সমাবেশ ঘটিছে। দুটি ভটিমাত ৰাম সীতাৰ ৰূপ বৰ্ণনাই শৃংগাৰ ৰসৰ সৃষ্টি কৰিছে, আকৌ ৰজালকল আৰু পৰশুৰামৰ লগত যুদ্ধ কৰিব লগা

দেখি সীতাই ৰামক নাপাব বুলি কৰা বিলাপে কৰুণ ৰসৰ সৃষ্টি কৰিছে। কিন্তু আটাইবোৰ ৰসৰ ওপৰত ভক্তি ৰসৰ ব্ৰজলেপ সনা আছে।

**মাধৱদেৱৰ নাটক ঃ** গুৰুজনৰ পদাংক অনুসৰণ কৰি মাধৱদেৱে এখন নাটক আৰু পাঁচখন ঝুমুৰাৰ সৃষ্টি কৰিছিল। গুৰুজনৰ নাটৰ দৰে মাধৱদেৱৰ নাটকৰ নায়ক পূৰ্ণ কৃষ্ণ নহয়, দুগ্ধ পুষ্য শিশু কৃষ্ণহে।

**(১) অৰ্জুন ভঞ্জন ঃ** প্ৰথম নাটক অৰ্জুন ভঞ্জনত শিশু কৃষ্ণৰ লৌকিক আচৰণৰ সমান্তৰালভাৱে অলৌকিক আচৰণ, এই দুয়োটা দিশ নাট্যকাৰে সফলভাৱে দাঙি ধৰিছে। সাধাৰণ দৃষ্টিত কৃষ্ণ মানৱ শিশু, গতিকে মানৱ শিশুৰ আচৰণ কাৰ্যাৱলী নাট্যকাৰে সুন্দৰকৈ ফুটাই তুলিছে। অন্যহাতে ভক্তৰ দৃষ্টিত কৃষ্ণ নৰৰূপী নাৰায়ণ। মানৱ শিশুৰ মাজেদি প্ৰকাশিত ঐশ্বৰিক ৰূপটো মাধৱদেৱে বাৰে বাৰে সোঁৱৰাই দি কৃষ্ণৰ চৰিত্ৰসমূহ ভগৱানৰ লীলাহে বুলি প্ৰকাশ কৰিে। নাটকখনিত বিশেষভাৱে কৃষ্ণৰ দুটা অলৌকিক চৰিত্ৰ প্ৰকাশ হৈছে-

(১) "গৃহৰ সমস্ত জৰি আনি জোৰা দিল তথাপি দু-আঙ্গোলে নাটে।" কৃষ্ণই ইচ্ছা বন্ধন নোলোৱালৈকে যশোদাই বান্ধিব নোৱাৰিলে।

(২) কৃষ্ণ বান্ধেৰে সৈতে গৈ উড়ালত পথালি দি যমলাৰ্জ্জুন ভঙ্গ আৰু নলকুবেৰৰ মুক্তি।

অৰ্জুন ভঞ্জন নাট আৰু ঝুমুৰা কেইখনৰ নায়ক কৃষ্ণ প্ৰকৃততে মানৱ শিসু হৈও তেওঁ যে পৰম পুৰুষহে আৰু ভক্তৰ মনোবাঞ্চা পূৰণ কৰাৰ অৰ্থতে মানৱী ৰূপ ধাৰণ কৰিছে এই কথা নাট্যকাৰে একাধিকবাৰ বৰ্ণনা কৰালৈ চাই দৰ্শকে এইয়া ভগৱান শ্ৰীকৃষ্ণৰ লীলা বুলি মানি লৈছে। ফল স্বৰূপে নাট্যকাৰে বাঞ্চা কৰাৰ ভক্তি ৰস নিঃসৰিত হৈছে। মাধৱদেৱৰ ঝুমুৰাকেইখন হ'ল- চোৰধৰা, পিম্পৰা গুছোৱা আৰু ভোজন বেহাৰ।

অংকীয়া নাটৰ প্ৰণেতা গুৰু দুজনে যদিওবা নাটকৰ মূল কাহিনী ভাগৱত, হৰিবংশ আদিৰ পৰা গ্ৰহণ কৰিছে ভক্তি ধৰ্ম নিৰক্ষৰী সমাজত প্ৰচাৰ কৰাৰ স্বাৰ্থতে মূল কাহিনীৰ লগতে অনেক উপৰুৱা চৰিত্ৰ আৰু সংলাপ দি 'কৃষ্ণস্তু ভগৱান স্বয়ম্ এই তথ্য পাঠকৰ মাজলৈ এৰি দিছে।

পৰিশেষত ইয়াকে ক'ব পৰা যায় যে যি উদ্দেশ্য লৈ গুৰুজনে তেৰাৰ সৰ্বোত্তম কীৰ্তি অংকীয়া নাটকক ধৰ্ম প্ৰচাৰৰ মাধ্যম ৰূপে গ্ৰহণ কৰিছিল সেই দিশত নাট্যকাৰৰ পূৰ্ণ সফলতা প্ৰাপ্তি হৈছে।

# মায়ামৰা সমাজৰ ইতিবৃত্ত

পঞ্চাদশ শতিকাত মহাপুৰুষ শঙ্কৰদেৱে অসমভূমিত নৱ বৈষ্ণৱ ধৰ্মৰ ভক্তি আন্দোলনৰ জৰিয়তে যি নৱ জাগৰণ সৃষ্টি কৰিলে সেই জাগৰণৰ ঢৌ যিসকল ধৰ্ম গুৰুৱে বোৱাই অনাৰ বাট কাযি থৈ গ'ল, সেইসকলৰ মাজত মায়ামৰা বৈষ্ণৱ সমাজৰ প্ৰতিষ্ঠাতা শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ অন্যতম। প্ৰথিতযশা বুৰঞ্জীবিদ ড° ডম্বৰুধৰ নাথৰ মতে মূলতঃ মহাপুৰুষ শঙ্কৰদেৱ, মাধৱদেৱ আৰু গোপালদেৱৰ প্ৰতি গুৰু পৰম্পৰা ৰক্ষা কৰি শঙ্কৰদেৱৰ মূল ধৰ্ম মতত আচোঁৰ পৰিবলৈ নিদিয়িাকৈ ৰাখি মহাপুৰুষীয়া ধৰ্মৰ অংশীদাৰ হৈও মায়ামৰা বৈষ্ণৱ পন্থা নিজস্ব বৈশিষ্ট্যৰে বিশিষ্ট হৈ পৰিল।

বৈপ্লৱিক দৰ্শনেৰে খাটি খোৱা জনতাক ফলপ্ৰসু সাম্যবাদী ভাৱধাৰাৰে উদ্বুদ্ধ কৰা গুৰু গোপালৰ প্ৰিয়তম শিষ্য অনিৰুদ্ধদেৱে এখন সমাজ গঢ়ি তুলিলে য'ত মটক, মৰাণ, আহোম, চুতীয়া, কৈৱৰ্ত, কোচ, কছাৰী আৰু কিছুমান বৰ্ণ হিন্দু সম্প্ৰদায়ো একত্ৰিত হ'ল। ধৰ্ম পালনৰ ক্ষেত্ৰতো কঠোৰ নিয়ম। এক শৰণ এক শৰণেই। কোনো কাৰণত দ্বিতীয় শক্তিয়ে প্ৰৱেশ কৰিব নোৱাৰে। গোপালদেৱে কাল সংহতিৰ সত্ৰসমূহক সামাজিক ৰীতি-নীতি পালনৰ ক্ষেত্ৰত স্বাধীনতা দিছিল। তাৰেই অলম লৈ মায়ামৰা সমাজ ব্যৱস্থাত এনে কিছুমান নিয়ম প্ৰৱৰ্তন হ'ল যিবোৰ অন্য সত্ৰসমূহত নাই।

অনিৰুদ্ধদেৱে বিশেষকৈ সমাজৰ অৱহেলিত সম্প্ৰদায়ৰ লোকসকলক ধৰ্ম ধৰাইছিল। গুৰুজনে ঠিকেই বুজিছিল যে এই কামৰ বাবে অন্যান্য ধৰ্ম গুৰুসকলৰ আক্ৰোশৰ বলি হ'ব। সেয়েহে তেৰাই নিজৰ শৰণীয়া সকলক একগোট কৰাৰ উদ্দেশ্যে এক অভিনৱ পন্থা অৱলম্বন কৰিছিল গুৰু গোপালৰ আদৰ্শেৰে। শিষ্যসকল যি জাত বা বৰ্ণৰে নহওক কিয় খোৱা লোৱাৰ ক্ষেত্ৰত কোনো বাধা নিষেধ নাথাকিব। 'পাত নাফালিবা, খুটি নামাৰিবা' এই পদ্ধতিৰেই তেৰাই সমস্ত শিষ্য সমাজক একত্ৰিত কৰি ভাতৃত্ববোধৰ বান্ধোনেৰে বান্ধি বৃহত্তৰ মায়ামৰা বৈষ্ণৱ সমাজ গঢ়ি তুলিলে। ভৱিষ্যতেও এই বান্ধোন ইমান নিকপ্‌কপীয়া হ'ল যে তেওঁলোক মৃত্যুক সাৱতিবলৈ প্ৰস্তুত হ'ল কিন্তু বান্ধোন নিচিগিল।

ইতিহাসত এই সম্প্ৰদায়টিৰ ওপৰত অনেক ৰূপকথা আৰু কৌতুহলপূৰ্ণ কাহিনী ৰচিত হ'ল। অনাহকত অনেক ঈৰ্ষা, অসূয়া, গঞ্জনা মূৰ পাতি ল'ব লগা হ'ল। ড° মহেশ্বৰ নেওগৰ মতে "মায়ামৰীয়া মহাপুৰুষীয়া সম্প্ৰদায়ৰ বুৰঞ্জীত কিমান কৰুণ, কিমান মৰ্মস্তুদ ৰক্তপাতৰ কাহিনী সোমাই আছে, তাক সুঁৱৰিলে আজিও গাৰ নোম দাল দাল হ'ব খোজে। মায়ামৰীয়াই বুকুৰ শোণিত দি ইতিহাস বুলাই থৈ গৈছে। স্বজাতিৰ ওচৰত তেওঁলোক কিমান বেয়াভাৱে লাঞ্চিত, নিপীড়িত হৈছিল, কিন্তু তেওঁলোকৰ উন্নত শিৰ কোনোকালেই অৱনত নহ'ল।"

এতিয়া আহো মোৱামৰীয়া মায়ামৰা প্ৰসংগলৈ। তাহানি আমি বিদ্যালয়ত বুৰঞ্জী পঢ়োতে পাইছিলো মোৱামৰীয়া বিদ্ৰোহ আৰু মোৱামৰীয়া মহন্তৰ ওপৰত ৰজাঘৰৰ নিৰ্যাতনৰ কাহিনী। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° ধ্ৰুৱজ্যোতি বৰাদেৱেও তেখেতৰ লিখিত গ্ৰন্থখনৰ নাম দিছিল "মোৱামৰীয়া গণ অভ্যুত্থান"। আনহাতে 'অনিৰুদ্ধৰ বংশাৱলী পুথিত চিদানন্দ গোস্বামীদেৱে লিখিছে মোৱামৰীয়া নহয় মায়ামৰা বুলিহে। আমি এই দিশত এই সম্পৰ্কীয় গ্ৰন্থ অধ্যয়নৰ যোগেদি এক সুস্থিৰ সিদ্ধান্তত উপনীত হৈছো যে দুয়োটা নামেই শুদ্ধ- এটা স্থানবাচক আৰু আনটো গুণবাচক।

ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ডীন বিশিষ্ট ইতিহাসবিদ তথা মায়ামৰা সমাজৰ এজন নমস্য ব্যক্তি ড° সৃষ্টিধৰ দত্তই তেখেতৰ গৱেষণা পুথিত অনিৰুদ্ধদেৱে মাজুলীত সত্ৰ পতাৰ এটি বিৱৰণ দিছে- "During the 1st half of 17th century a new development took place in upper Assam. Annirudhadev (1553-1626 AD) a disple of Gopal Ata established a new satra in Majuli Island on the bank of the pond called Maomari bil on the the extreme western part of the Island and began peach among the fishing Community (Kaivarta) in habiting there."

চৰিত পুথিত উল্লেখ নাথাকিলেও ইতিহাসবিদ জনৰ বক্তব্যৰ গ্ৰহণীয়তা আছে। ব্ৰহ্মপুত্ৰই গতি সলোৱাৰ আগতে মাজুলীৰ পশ্চিম প্ৰান্তত মোৱামাৰী নামেৰে এখন প্ৰকাণ্ড বিল আছিল। বিলৰ চাৰিওফালে মটক, মৰাণ, কৈৱৰ্ত্ত, চুতীয়া আদি বিভিন্ন সম্প্ৰদায়ে বসবাস কৰিছিল, সকলো অনিৰুদ্ধদেৱৰ সেৱক আছিল। গতিকে মোৱামৰা বিলৰ নাম অনুসৰিয়েই সেই অঞ্চলৰ বাসিন্দাসকলৰ নাম মোৱামৰীয়া নামে জনাজাত হ'ল। অসমৰ প্ৰায়বোৰ ঠাইৰ নামকৰণ সেই অঞ্চলত নদী, বিল বিশেষ ঐতিহাসিক স্থানৰ নামৰ লগত জড়িত। মোৱামৰীয়া নামটোও ইতিহাস প্ৰসিদ্ধ ইয়াক তুচ্চাৰ্থত বা ইতিকিং কৰিছে বুলি ভবাৰ কোনো যুক্তি নাই। মায়ামৰা পুৰণিমাটি সত্ৰৰ প্ৰয়াত অধিকাৰ উৎসৱানন্দদেৱ গোস্বামীৰ লিখনীয়ে মোৱামৰীয়া নামটোৰ যথাৰ্থতা প্ৰমাণ কৰিছে-

উত্তৰ হাটীৰ সমীপতে আছে বিল।
তাতে সবে মোৱা মাছে বঞ্চে অবিকল।।
সেহি হ্ৰদ কোলে ভৈলা সত্ৰ বিচক্ষণ।
এতেকেসে মোৱামৰা বোলয় বচন।।

অন্যহাতে চৰিতকাৰ চিদানন্দ গোস্বামীয়ে যুক্তি সহকাৰে মায়ামৰা শব্দটো ব্যৱহাৰ কৰিছে। চৰিত পুথিত উল্লেখ কৰা মায়াসৰ্প নিবাৰণ কৰি মায়ামৰা নাম পোৱাটো ড° মহেশ্বৰ নেওগৰ মতে ভকতীয়া ব্যাখাহে মাথোন। আদ্যগুৰুজনক বাক্‌সিদ্ধ অলৌকিক পুৰুষ ৰূপে চৰিতকাৰজনে অৱতাৰণা কৰা এই কাহিনী অজিও শিক্ষা দীক্ষা নথকা সকলতো বাদেই এচাম শিক্ষিত লোকেও মান্যতা দিয়ে।

এই দিশত এটা কথা অনস্বাকীৰ্য যে চৰিতকাৰ সকলে অনিৰুদ্ধদেৱৰেই হওক কিম্বা শঙ্কৰদেৱৰে হওক চৰিত লিখোতে অলৌকিক কিছু বৰ্ণনা দিছিল। যেনে শঙ্কৰদেৱৰ চৰিতকাৰ সকলে তেৰাক কৃষ্ণৰ অৱতাৰ আৰু মাধৱক বলৰামৰ অৱতাৰ বুলি বৰ্ণনা কৰাৰ লগতে ছাত্ৰাৱস্থাত শঙ্কৰক গছৰ তলত সৰ্পই ফেনাৰে ছাঁ দিয়া, চান্দসাউ দৰ্জ্জীয়ে চতুৰ্ভুজ মূৰ্ত্তি দেখি চাৰিহতীয়া চোলা চিলাই দিয়া ইত্যাদি। গুৰুজনাৰ দৰ্শন আৰু সাহিত্য সংস্কৃতিৰ দিশত সমাজলৈ আগবঢ়াই যোৱা অৱদানসমূহৰ ভূ-নোপোৱা অশিক্ষিত জনসাধাৰণে চৰিতকাৰসকলৰ লিখনীৰ ভাৱাৰ্থ বুজি নেপাই ৪০০ বছৰ ধৰি শঙ্কৰ মাধৱক মণিকূটৰ ভিতৰত সুমুৱাই জয় শঙ্কৰ, জয় মাধৱ গাই গাই মাহ-প্ৰসাদ খাই কটালে। ফলত শঙ্কৰদেৱ নামৰ এজন মহা প্ৰতিভাধৰ এইখন অসম মূলকতে যে জন্ম হৈছিল সেইকথা বাহিৰৰ লোকে গমকে নেপালে। লক্ষ্মীনাথ বেজবৰুৱাদেৱে প্ৰথম এই গুৰু দুজনক নামঘৰৰ মণিকূটৰ পৰা উলিয়াই আনি বাহ্যিক জগতখনৰ লগত পৰিচয় কৰাই দিলে। বৰ্তমান শঙ্কৰদেৱৰ ওপৰত অনেক গ্ৰন্থ আৰু প্ৰবন্ধ বিভিন্ন লেখকে লিখিছে, কিন্তু কোনেও এই অলৌকিক কথাবোৰ উল্লেখ কৰা নাই। একমাত্ৰ ব্যক্তিক্ৰম অনিৰুদ্ধপন্থী সকল, যিসকলে চৰিতপুথিৰ এই মায়া সৰ্প নিবাৰণ কাহিনীটো সভক্তিৰে প্ৰকাশ কৰে যাবফলত গুৰু শঙ্কৰৰ এক শৰণ তত্ব নিষ্ঠাৰে পালন কৰা এই ধৰ্মাচাৰ্যজনক নিন্দুকসকলে তান্ত্ৰিক অনিৰুদ্ধ, নে মাটি কলহৰ পৰা ফেটীসাপ উলিওৱাজন অনিৰুদ্ধ বুলি উপলুঙা কৰাৰ সুযোগ পাইছে। গুৰুজন নিজ গুণে বন্দিত তেওঁক নতুনকৈ

কিবা অলৌকিকতা দেখুৱাই বিখ্যাত কৰাৰ প্ৰয়োজন নাই।

চিন্তাশীল লিখক ভৱকান্ত কোঁৱৰৰ মতে এই প্ৰক্ষিপ্ত মায়াসৰ্প নিবাৰণ কাহিনীয়ে শঙ্কৰদেৱ আৰু অনিৰুদ্ধদেৱ দুয়োজনৰ ধৰ্ম দৰ্শনত পদাঘাট কৰা হৈছে। অনিৰুদ্ধদেৱ যদি সঁচাকৈয়ে যাদুকৰ বা তান্ত্ৰিক ধৰ্মাচাৰ্য আছিল তেন্তে তেৰাই ৰচনা কৰা পুথিসমূহ মিছা আছিল। (শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ ধৰ্ম দৰ্শন আৰু মায়ামৰা বৈষ্ণৱ সমাজ- পৃঃ ৫১)।

পুনৰ আহো মায়ামৰা প্ৰসংগলৈ-

**মায়াক মাৰি ভকতি ঃ** তাত্বিক দিশত মায়ামৰাৰ অৰ্থ হ'ল মায়াক মাৰি (নিগ্ৰহ কৰি) কৰা ভকতি যি কাৰণে অনিৰুদ্ধদেৱৰ দ্বাৰা সংগঠিত সমাজখনক মায়ামৰা নামকৰণ কৰা হৈছে। গোপালদেৱৰ পাশত সকলো শিক্ষা লাভ কৰি গুৰুৰ ওচৰৰ পৰা বিদায় বেলাত গুৰুৱে অনিৰুদ্ধদেৱক কেইটিমান সোণসেৰীয়া উপদেশ দিছিল।

অন্যত্ৰ শাস্ত্ৰৰ পথ কৰিয়া নিৰোধ।
ভকতৰি পথে মাত্ৰ কৰাইবাক বোধ।।

অন্যত্ৰ শাস্ত্ৰ হ'ল যি শাস্ত্ৰই এক ঈশ্বৰ কৃষ্ণক ভজনা কৰাৰ বিপৰীতে অন্যান্য দেৱ-দেৱীক ভজনা কৰাৰ পথ নিৰ্দেশনা দিয়ে। গোপালদেৱে অনিৰুদ্ধদেৱক তেনে শাস্ত্ৰ বৰ্জন কৰিবলৈ উপদেশ দিছিল। লগতে গুৰুৱে তেওঁক ধৰ্মাচাৰ্যৰ দায়িত্ব লৈ উজনীত ধৰ্ম প্ৰচাৰৰ দায়িত্বও দিয়ে। গুৰুৰ এই আজ্ঞাতে অনিৰুদ্ধদেৱ দোমোজাত পৰি গুৰুৰ পাশত প্ৰাৰ্থনা জনালে। যিহেতু তেওঁৰ গৃহ সংসাৰ আৰু পিতৃদত্ত পঞ্চপুৰৰ দায়িত্ব আছে সেয়েহে মধুমতি মায়াই তেওঁৰ শিৰত অৱস্থান কৰি আছে। তেনেস্থলত তেওঁ ধৰ্মভাৰ কেনেকৈ ল'ব পৰিব। গোপালদেৱে তাৰো বিধান দিলে-

মধুমতি মায়াৰ শিৰত তুমি চড়ি।
মৰ্দিয়া মায়াক থাকা ধৰ্মক আচৰি।।

মায়াক শিৰত তুলি লোৱাৰ বিপৰীতে মায়াৰ শিৰত অৱস্থান কৰি অৰ্থাৎ মায়াক মৰ্দন কৰি ধৰ্ম আচৰিবলৈহে গুৰুৱে আজ্ঞা কৰিলে। গুৰুৰ আজ্ঞাই তেওঁৰ অন্তৰত এনেদৰে সাঁচ বহুৱালে যে সাংসাৰিক জঞ্জালত সোমাই পৰা বা পঞ্চপুৰৰ দায়িত্ব লোৱাৰ চিন্তা মনৰ পৰা কৰ্পূৰ দৰে উৰি গ'ল। মায়াক নিৰ্যান কৰি ভকতি কৰিবলৈ গোপালদেৱে দিয়া নিৰ্দেশ পালনত স্থিতপ্ৰজ্ঞ হৈ অনিৰুদ্ধদেৱে নিজ জন্মভূমি বিষ্ণুবালিকুঞ্চিত সত্ৰ পাতি ধৰ্ম প্ৰচাৰ আৰম্ভ কৰে। গতিকে মায়াক মাৰি ভকতি কৰিবলৈ শিষ্যসকলকো উপদেশ প্ৰদান কৰাত অনিৰুদ্ধদেৱক মায়ামৰা মহন্ত আৰু শিষ্যসকলে মায়ামৰা বৈষ্ণৱ সমাজ নামে জনাজাত হ'ল। মায়ামৰা গোঁসাই উৎসৱানন্দইয়ো এনে মতৰ সমৰ্থনত লিখিছে-

আৰু যিটো আনে লৈলে শৰণ ভজন।
মায়াপাশ ভকতৰ হোৱে নিবাৰণ।।
সিকাৰণে মায়ামৰা বোলয় নৃপগণ।
এহি তিনি গুণে মায়ামৰা সত্ৰ নাম।।

বুৰঞ্জীবিদ বেণুধৰ শৰ্মাদেৱে মায়ামৰা আৰু মোৱামৰীয়া নামৰ মোখনি এইদৰে মাৰিছে। মোৱামৰীয়া স্থানবাচক আৰু মায়ামৰা নামটো গুণবাচক। দুয়োটাই উচিত নামকৰণ। এতিয়া প্ৰশ্ন হ'ল মায়াকনো কেনেকৈ মৰ্দন কৰিব।

তাহানি নাৰদে ব্যাসদেৱক এখ ঈশ্বৰ ভজনা কৰা পথ নিৰ্দেশনা দেখুওৱা এভাগ শাস্ত্ৰ প্ৰণীত কৰিবলৈ পৰামৰ্শ দিয়াত ব্যাসদেৱে কি প্ৰকাৰে শাস্ত্ৰভাগ লিখিব একো উৰাদিহ নাপাই ধ্যানস্থ হ'ল। ধ্যানত তেওঁ

পৰম পুৰুষক দৰ্শন পালে। লগতে ভগৱন্ত সোঁফালে ভক্তি মাতৃ আৰু বাওঁফালে মায়া মাতৃক দেখিলে-

মায়ায়ে বান্ধন্ত ভক্তি মাতৃ মেলাৱন্ত।

দুই হান মধ্যস্থ আছে ভগৱন্ত (ভাগৱত)

মায়াই বাৰে বাৰে বান্ধে, ভক্তিয়ে খোলে। এই দৃশ্য দেখি ব্যাসদেৱৰ দিক্‌দৰ্শন হ'ল। মায়াক নিৰ্যান কৰিব পাৰিব একমাত্ৰ ভক্তিয়েহে। সেয়েহে তেওঁ ভক্তিৰ সাগৰ ৰূপে খ্যাত ভাগৱত শাস্ত্ৰভাগ প্ৰণীত কৰিলে। মায়াৰ বান্ধোনত পৰি পত্নী, পুত্ৰ, কন্যা, ধন, দৌলতৰ বাবে হামৰাও কঢ়া সকলৰ একমাত্ৰ মুক্তিৰ পথ এক ঈশ্বৰত ভক্তি কৰা। এতিয়া কেনে ভক্তি কৰিলে ভগৱন্তই মোৰ বুলি গ্ৰহণ কৰিব?

তাহানি কপিল মুনিয়ে একাশীবিধ সগুণ ভকতি পৰিহাৰ কৰি এবিধেই মাত্ৰ নিৰ্গুণ কৃষ্ণভক্তি গ্ৰহণ কৰিবলৈ মাতৃ দেৱহুতিক উপদেশ দিছিল। গোপাল আতাই অনিৰুদ্ধক সেই কাহিনীৰ মাজেৰে এক নিৰ্গুণ ভক্তি কৰিবলৈ উপদেশ দিছিল। অনিৰুদ্ধদেৱেও সেই গুৰুপ্ৰদত্ত পদ্ধতিৰে পিতৃ-মাতৃক ভাগৱতত সেৱাই কৰাই শৰণ দিলে। এয়াই শ্ৰীমন্ত শঙ্কৰ গুৰুজনাই সমাজলৈ আগবঢ়াই দিয়া নিৰ্গুণ একশৰণ তত্ব।

এই একাশীবিধ সগুণ ভকতিত প্ৰতীক হিচাবে লৈ পৰৱৰ্তী পৰ্যায়ৰ মায়ামৰা সমাজখনে আশীখিলা পাণ আৰু এখিলা কলপাতেৰে সৈতে একাশীখিলা পাণ সোধোৱা পদ্ধতি প্ৰৱৰ্তন কৰিলে। ন কৈ শৰণ গ্ৰহণ কৰাসকলে স্নান কৰি তিতা কাপোৰে আশীখিলা পাণ গোসাঁইৰ ফালে আগবঢ়াই সাষ্টাংগে সেৱা কৰে। এই পদ্ধতি আন কোনো সমাজত নাই।

**গুৰু প্ৰশস্তি ঃ** গোপালদেৱে শঙ্কৰ গুৰুক দৰ্শন কৰিবলৈ যাওঁতে শঙ্কৰদেৱে ভক্তি ৰত্নাকৰ শাস্ত্ৰৰ দোহাই দি 'গুৰুবিনে ভকতি মুকুতি একো নহয়, গুৰুক ঈশ্বৰৰ জ্ঞান কৰিব লাগে' এই উপদেশ ভক্তসকলক দি আছিল। গোপালদেৱে এই অমৃত পৰশা বাণীখিনি হৃদয়ংগম কৰি তেৰাৰ প্ৰতিষ্ঠিত কাল সংহতিত গুৰু কাষ্ঠাক অতিকৈ গুৰুত্ব দিছিল। সেই পন্থা অনুকৰণ কৰি মায়ামৰা সমাজত অদ্যপি গুৰুকাষ্ঠা অতিকৈ প্ৰবল হৈ আছে। "মৰি যাওঁ মাৰি যাওঁ গুৰুৰ ঋণ শুজি যাওঁ" নিজৰ প্ৰাণ গ'লেও গুৰুৰ ঋণ শুজিবলৈ তেওঁলোক প্ৰস্তুত।

আমি যোৱা ৩৫ তম মায়ামৰা সমাজৰ বাৰ্ষিক অধিবেশনত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ আৰু মায়ামৰা সমাজখনৰ ওপৰত অলৌকিকতা পৰিহাৰ কৰি সম্পূৰ্ণ বাস্তৱধৰ্মী এভাগী গ্ৰন্থ প্ৰকাশ কৰিছিলো। পৰৱৰ্তী সময়ত আমি দুটা দিশত আত্ম সন্তুষ্টি লাভ কৰিছিলো।

(১) লিখনীৰ দৃষ্টিভঙ্গীক মায়ামৰা শিক্ষিত সমাজে আদৰি লৈছিল। মায়ামৰা সমাজৰ ওপৰত প্ৰচুৰ অধ্যয়ন থকা দুজন প্ৰতিভাধৰ ইতিহাসবিদ ড° সৃষ্টিধৰ দত্ত আৰু ড° ডম্বৰুধৰ নাথ ছাৰে আমালৈ প্ৰশংসাৰ বাণী শুনাইছিল।

(২) মায়ামৰা সকলৰ কিতাপ আলোচনী অ-মায়ামৰা সকলে নপঢ়ে বুলি থকা প্ৰবাদ নস্যাৎ কৰি সমাজৰ সচেতন লোকসকলেও আমাৰ লিখনীক সাদৰেৰে গ্ৰহণ কৰিছিল আৰু ধৰ্মগুৰুজনক তুচ্চ তাচ্ছিল্য কৰা সকলৰো মুখ বন্ধ হৈছিল।

প্ৰসংগতো এই কাৰণেই উল্লেখ কৰিব লগা হ'ল যে গ্ৰন্থভাগ শুদ্ধকৈ উপস্থাপন কৰাৰ স্বাৰ্থত আমি মায়ামৰা সমাজখনৰ বিষয়ে বহু তথ্য উদ্‌ঘাটন কৰিছিল আৰু তাৰেই আধাৰত মনত সৃষ্টি হোৱা কেইটিমান কথা আগবঢ়ালোঁ।

১৬০১ বৰ্ষৰ বহাগ মাহৰ পৰা ১৭৭০ চনৰ বহাগ মাহলৈ এই সময়ছোৱাত মূল গুৰুজনৰ উপাধি, কৃষ্ণদেৱ, হৰিৰামদেৱ, নিত্যানন্দদেৱ আদি গোসাঁইসকলৰ দিনতে ধৰ্মগুৰুজনৰ মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্মীয় ৰীতি-নীতি সঞ্চালনীকৈ চলিছিল। পাৰ্থক্য মাথো এটাই অনিৰুদ্ধদেৱে শৰণীয়াসকললৈ মায়ামৰা

বৈষ্ণৱ সমাজ নামৰ নতুন সংগঠনৰ জন্ম দিছিল লগতে শঙ্কৰদেৱৰ সাম্যবাদী নীতিক বৈপ্লৱিক দৃষ্টিৰে অধিক ফলপ্ৰসু কৰি তুলিছিল।

মায়ামৰা দুৰ্যোগত ১৭৭০-৮৬ চনলৈকে ১৪ বছৰ ধৰ্মাশূণ্য হৈ থকাৰ পিছত ১৭৮৪ ৰ ফাগুন মাহত পীতাম্বৰদেৱ ধৰ্মাসনত বহাৰ পিছৰ পৰাই দুবৰি বনৰ দৰেই সত্ৰসমূহ বাঢ়ি আহিল। এইয়া শুভলক্ষণ। কিন্তু পৰৱৰ্তী ধৰ্মগুৰু সকলে মূল গুৰুজনৰ নীতি আদৰ্শ ভালেখিনি ইফাল-সিফাল কৰিলে। উদাহৰণ স্বৰূপে বৈষ্ণৱ সমাজৰ আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰথা হ'ল নাম কীৰ্তন। গুৰু দুজনাৰ যিকোনো এটা বৰগীতে আৰম্ভণি কৰি ভক্ত সকলক দুশাৰীকৈ বহুৱাই নামাচাৰ্যই কেইফাকিমান ঘোষাৰে আৰম্ভ কৰি কীৰ্তন দি সামৰণি মাৰে। এই সেৱা কৰ্মত ভোৰতাল ব্যৱহাৰ হয়। এই দিশত শঙ্কৰ মাধৱৰ বৰগীতৰ ছাইত অনিৰুদ্ধদেৱৰ এটি গীত গালে ক'বলগা নাই। কাৰণ একে ঈশ্বৰৰ নামেই। আকৌ ঘোষা দিওঁতেই নামঘোষাৰ ছাইত ভক্তিমংগলৰ ঘোষা পৰিৱেশন কৰিব পাৰে যিহেতু অনিৰুদ্ধদেৱে ভক্তিমংগল ঘোষাভাগ নামঘোষাৰ পৰিপূৰক ৰূপে প্ৰকাশ কৰিছিল। কিন্তু এই নাম-কীৰ্তনৰ ব্যৱস্থাক কিয় বাদ দিয়া হ'ল।

বাকীখিনি পাৰ্থক্যৰ কথা উল্লেখ নকৰি মায়ামৰা সমাজৰ এজন শুভ চিন্তক হিচাবে নিম্নলিখিত তিনিটা বিষয়ৰ ওপৰত পুনৰ এবাৰ চিন্তা কৰি চাবলৈ সবিনয় অনুৰোধ জনালোঁ।

(১) বিভিন্ন জনৰ লিখনীত প্ৰকাশ হোৱা এটা বাক্য 'মায়ামৰা ধৰ্ম' বুলি কোনো ধৰ্ম নাই। অনিৰুদ্ধদেৱে মায়ামৰা বৈষ্ণৱ সমাজহে গঠন কৰিছিল। তেৱাই প্ৰচাৰ কৰা ধৰ্মটো হ'ল 'একশৰণ হৰি নাম ধৰ্ম'। এই ধৰ্ম সৰ্বভাৰতীয়। দক্ষিণ ভাৰতৰ পৰা উত্তৰ ভাৰতলৈ আৰু উত্তৰ ভাৰতৰ পৰা অসমলৈ শঙ্কৰদেৱে প্ৰৱাহিত কৰি আনিছিল। মাধৱদেৱ, গোপালদেৱ, অনিৰুদ্ধদেৱ, দামোদৰদেৱ আদি এইসকল বৈষ্ণৱ ধৰ্মৰ একো একোজন কাণ্ডাৰী।

(২) আদি চৰিত নামৰ পুথিখনে শঙ্কৰদেৱ আৰু অনিৰুদ্ধদেৱ দুয়োজন গুৰুৰ কালিমা সনাৰ উপৰিও বৈষ্ণৱ সমাজখনৰো বিস্তৰ ক্ষতি কৰিলে। কিন্তু আশ্চৰ্যজনক ভাৱে বহুতো মায়ামৰা লেখকে বিৰোধ কৰাই দেখুৱাই এই জাল পুথিভাগৰ বিষয়বস্তু উল্লেখ কৰি আহিছে যাৰ ফলত এই অপাঠ্য এতিয়াও মায়ামৰা সমাজত প্ৰাসংগিক হৈ আছে। গতিকে কোনো কাৰণতেই এই পুথিখনৰ প্ৰসংগ কোনেও উল্লেখ কৰাচো সমীচিন নহয়।

(৩) চৰিত পুথিত উল্লেখ থকা মায়াসৰ্প নিবাৰণৰ কাহিনীটোৱে অনিৰুদ্ধদেৱৰ দৰ্শনক পদাঘাত কৰিছে। গতিকে এই বিষয়টো এৰাই চলাটো বাঞ্চনীয়-

"শঙ্কৰ মাধৱ হৰি গোপাল স্বৰূপ ধৰি
অনিৰুদ্ধ কৃষ্ণ হৰিনাম।
বিচাৰত একে কৰি নামেসে পৃথক কৰি
পুৰিলা ভক্তৰ মনৰ কাম।। (ভক্তি মংগল- ৬২৯)

# মাধৱ বৈকুণ্ঠে গ'ল গোপাল উদয় ভৈল

মহাপুৰুষ শঙ্কৰদেৱৰ এবাৰ ৰাজ আজ্ঞাৰে গড়গাঁৱলৈ যাবলগীয়া হৈছিল। মাধৱক লগত লৈ ৰাজধানী পোৱাৰ আগতে মেচা পুখুৰীত বাহৰ পাতোতে গোপাল নামৰ এটি সুন্দৰ স্বাস্থ্যৰ ল'ৰাই গুৰুজনক আম দি সেৱা ধৰিছিল। তত্বদৰ্শী গুৰুজনে গোপালৰ গাত মহাপুৰুষৰ লক্ষণ দেখা পাই মাধৱ পুৰুষক কৈছিল- "ছোট আতা, এই জীৱটি তোমাৰ ভাগৰ" (গুৰু চৰিত কথা)। সঁচাকৈয়ে গুৰুজনৰ এই অমোঘ বাণী বাস্তৱত প্ৰতিফলিত কৰি এইজন গোপাল এটা সময়ত মাধৱদেৱৰ প্ৰিয় শিষ্য হৈ গুৰুজনৰ অবৰ্তমানত ধৰ্মৰ ভাৰ বহন কৰি এইজন গোপালদেৱ ৰূপে খ্যাত হৈছিল।

গোপালদেৱৰ উপৰিপুৰুষ অসমলৈ আহি কলিতা ৰাজ্যৰ বাসিন্দা হৈছিল। কিবা কাৰণত অসুবিধা পাই গোপালৰ পিতৃ কামদেৱে কলিতা ৰাজ্য ত্যাগ কৰি নাজিৰা হাটৰ নাচনিঘাট নামৰ ঠাইলৈ উঠি আহে। ইয়াতে ১৪৬৩ শক, ইং ১৫৩৩ খ্ৰীঃ কামদেৱৰ ঔৰসত মাতৃ বজ্ৰাঙ্গীৰ গভৰ্ত বহাগ মাহৰ সপ্তমী তিথি বুধবাৰে গোপাল ভূমিষ্ঠ হয়। দৈৱজ্ঞসকলে চোৱা-চিতা কৰি মতামত দিলে "শিশুটি অতি সু-লক্ষণীয়। লোকৰ কুশলৰ হেতু তেওঁৰ জন্ম। সেয়েহে নন্দৰ গৃহত গোধেনু চৰোৱা শিশু কৃষ্ণৰ গোপাল নামেৰে নামকৰণ কৰা হৈছে।"

কিছুদিনৰ পিছত দিহিঙ্গীয়া ৰজাৰ এটি কোঁৱৰৰ জন্ম হ'ল। কোঁৱৰক চোৱা-চিতা কৰিবৰ বাবে এগৰাকী ধাই মাতৃৰ প্ৰয়োজন হোৱাত ৰজাৰ লোকে সুন্দৰ আৰু মজবুত চেহেৰাৰ অধিকাৰী গোপালৰ মাতৃ বজ্ৰাঙ্গী আইকে নিৰ্বাচন কৰিলে। পাঁচ বছৰ দিন তেওঁ ৰাজহাউলীলৈ অহা-যোৱা কৰিব লগা হোৱাত গোপালো তেওঁৰ লগতে গৈছিল।

**নাজিৰা ত্যাগ আৰু ভৱানীপুৰ যাত্ৰা ঃ** ১৪৮৫ শকত আহোম আৰু কোঁচৰ মাজত এখন যুদ্ধ হৈছিল। কোঁচ সেনাপতি চিলাৰায়ৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি আহোম সৈন্যই পৰাজয় বৰণ কৰে। ৰজা চুখামফাই পলাই গৈ চৰাই খোৰোং পৰ্বত পালেগৈ। তাৰ পৰাই সন্ধিৰ প্ৰস্তাৱ দিলে। চুক্তি অনুসৰি হাতী, ঘোঁৰা আৰু অনেক বয়-বস্তুৰ উপৰিও যথেষ্ট সংখ্যক বৃত্তিয়াল লোকক পঠাব লগা হ'ল। নৰনাৰায়ণ ৰজাই এই বৃত্তিয়াল সকলক ভৱানীপুৰত সংস্থাপন কৰিলে। এই সকলৰ মাজত গোপালো ভৱানীপুৰ পালেগৈ। ইয়াত গোপাল অতি সোনকালে সকলোৰে প্ৰিয়পাত্ৰ হ'ল। তেওঁ কুমাৰ সকলৰ চন্দ্ৰৰীৰ দায়িত্ব লাভ কৰিলে।

**শঙ্কৰদেৱ দৰ্শন ঃ**

চাৰিবাৰ শঙ্কৰত ভৈলা দৰিশন।
তথাপিতো ঈশ্বৰত নভৈলা শৰণ।।

ইতিমধ্যে উল্লেখ কৰা মতে প্ৰথমবাৰ গুৰু দৰ্শনতেই গুৰুৱে মাধৱক এই জীৱটি তোমাৰ ভাগৰ বুলিহে কৈছিল। সেই বাক্যৰ সাৰ্থকতা কৰিবলৈয়ে হয়তো গোপালৰ আৰু তিনিবাৰ গুৰু দৰ্শন হ'ল কিন্তু শৰণহে নহ'ল। চতুৰ্থবাৰত গুৰুজনাৰ মুখে অমৃত বচন শুনিছিল- ভক্তি ৰত্নাকৰ পুথিৰ উদ্ধৃতি দি শঙ্কৰ গুৰুৱে ধৰ্মৰ চাৰিটি খুটি গুৰু, দেৱ, নাম, ভকতৰ ব্যাখ্যা দিছিল। ইয়াৰে গুৰু নহ'লৈ ধৰ্ম নিসিজে, ভক্তিও নহয়। ভক্তিতহে মুক্তি। গতিকে ভক্তিহীন হ'লে মোক্ষ প্ৰাপ্তও নহয়। সেয়েহে জ্ঞানদাতা গুৰুক ঈশ্বৰ জ্ঞান কৰিব লাগে। গুৰুজনৰ এই সোণসেৰীয়া কথাই গোপালৰ অন্তৰত এনে সাঁচ বহুৱালে যে গোটেই জীৱন

এই উপদেশ আখৰে আখৰে পালন কৰি গ'ল। সেইবাবেই গোপালৰ প্ৰৱৰ্তিত কাল সংহতিত গুৰুক অগ্ৰাধিকাৰ দিয়া হয়। এইবাৰ গোপালে মনস্থিৰ কৰি অতি শীঘ্ৰেই দ্ৰব্যবস্তু লৈ আহি শঙ্কৰত শৰণ ল'বলৈ মন বান্ধিলে। কিন্তু গুৰুৰ ইচ্ছা, সেই আশা পুৰণ নহ'ল। ইতিমধ্যে গুৰু বেহাৰলৈ গ'লগৈ। নিজৰ দীৰ্ঘ সূত্ৰিতাৰ বাবে খেদ কৰি গোপালে গুৰুৰ আৰ্হিৰেই নামঘৰ মণিকূট নিৰ্মাণ কৰি নাম-প্ৰসঙ্গ কাৰ্যসূচী চলাই গ'ল।

**গৃহতে থাকিয়া দেখিলো তযু চৰণ ঃ** গুৰুজনৰ বৈকুণ্ঠিৰ পিছত গুৰু পত্নীৰ চোৱা-চিতা কৰাৰ দায়িত্ব মাধৱে কান্ধ পাতি ল'লে। গুৰু পত্নীয়ে পানীৰ অভাৱ পাই থকাৰ বাবে এটা পাটকুঁৱা খন্দাৰ মানুহ বিচাৰি মাধৱদেৱ ভৱানীপুৰলৈ যাত্ৰা কৰিলে। গোপাল কুম্ভকাৰসকলৰ চৰ্দ্দাৰ বুলি জানি মাধৱদেৱ গোপালৰ গৃহত উপস্থিত হ'ল। গোপালে সেই সময়ত হৰি গৃহত নাম-কীৰ্তনত ব্যস্ত। গুৰুজনাৰ মাত শুনি গোপাল ওলাই আহি গৃহতে গুৰুজনাক পাই পৰম প্ৰেমময়ী হৈ সেৱা-শুশ্ৰূষা কৰি অহাৰ সকাম জানিব খোজাত মাধৱদেৱে ওলোতাই প্ৰশ্ন কৰিলে "এইয়া কাৰ নাম-কীৰ্তন চৰ্চ্চন কৰা হৈছে।" জগতগুৰু শঙ্কৰৰ ৰচিত নাম-কীৰ্তন চৰ্চ্চন হৈছে বুলি জানিব পাৰি মাধৱদেৱে গোপালক গুৰু দক্ষিণা বিচাৰিলে। যি বিচাৰে গুৰু দক্ষিণা ৰূপে তাকে দিয়া হ'ব বুলি গোপালে বাক্য কৰাত পৰম সন্তোষিত হৈ মাধৱে গুৰুপত্নীয়ে ভোগ কৰিব লগীয়া হোৱা পানীৰ অসুবিধা দূৰ কৰিলেই সেই গুৰু দক্ষিণা হ'ব বুলি জনালে। গুৰুবাক্য সানন্দেৰে গ্ৰহণ কৰি পিছদিনাই গোপালে কুম্ভকাৰ সকলক লগত লৈ পাটকুঁৱা নিৰ্মাণ কৰি দিলে। গোপালৰ এই তৎপৰতাত মাধৱ পৰম সন্তোষিত হোৱাৰ লগতে আচৰিতো হ'ল।

গুৰুজনক নিজৰ গৃহলৈ আনি যথাসাধ্য গুৰু সেৱা কৰি এদিন গোপালে অনেক দ্ৰব্যবস্তু দি ধৰ্ম ভিক্ষা কৰিলে। মাধৱেও তেওঁৰ গুৰুভক্তিত তুষ্ট হৈ ভাগৱত স্থিত কৰি ধৰ্ম বস্তু প্ৰদান কৰিলে। ৪ মাহ লগতে ৰাখি গুৰুজনে সমস্ত পাৰমাৰ্থিক তত্ব প্ৰদান কৰি উপযুক্ত শিষ্য বা ভকত হ'বলৈ নহয় বৰঞ্চ এজন ধৰ্মাচাৰ্য হৈ শঙ্কৰ গুৰুৱে জ্বলাই থৈ যোৱা ধৰ্মৰ বন্তিগছি প্ৰবাহিত কৰি ৰাখিবলৈ আশিস প্ৰদান কৰিলে। গোপালেও গুৰু গৃহতে থাকি পাৰ্যমানে গুৰু শুশ্ৰূযাত কিবা ত্ৰুটী হ'ব পাৰে ভাবিয়েই গুৰুৰ ওচৰত নিজাকৈ থাকিবৰ বাবে এটুকুৰা ভূমি ভিক্ষা কৰিলে। মাধৱেও গোপালৰ ধৈৰ্য শক্তি পৰীক্ষা কৰিবলৈ চাই হাতীয়ে মাউতে তল যোৱা এটা গাত দেখুৱাই দিলে। অনেক পৰিশ্ৰম কৰি গাত পুতি গোপালে এটা আটোম টোকাৰী গৃহ নিৰ্মাণ কৰিলে। গৃহটিত সোমাবলৈ নৌপাওঁতেই অচ্যুত গুৰুৰ থাকিবলৈ দিয়াৰ বাবে মাধৱে সেই গৃহটিকে গুৰু দক্ষিণা বিচাৰিলে। গোপালেও সানন্দে হাড় ভঙা শ্ৰম কৰি সজা গৃহটি অচ্যুত গুৰুক দান কৰিলে। ইয়াৰ পিছতে মাধৱে আন এটি দ গাত দেখুৱাই দিয়াত ইয়াতো অনেক শ্ৰম কৰি গৃহ নিৰ্মাণ কৰিলে। সেই গৃহটিও যদুমণিক দিবলৈ মাধৱে দান বিচৰাত গোপালে আনন্দ মনে সেই গৃহটিও দান কৰিলে। তেওঁৰ গুৰু ভক্তি, পাৰ্থিৱ বস্তুৰ প্ৰতি অনাসক্ত, মায়াক মৰ্দ্দন কৰিব পৰা শক্তি দেখি গুৰুজন পৰম আহ্লাদিত হৈ মূৰত হাত দি আশিস বচন মাতি ক'লে "গোপাল তোমাৰ ভক্তি ধৰ্মে, শ্ৰীযশে চন্দ্ৰ সূৰ্য প্ৰকাশ কৰাদি, নদী বোৱাদি ব'ব, জ্বলিব। পৰীক্ষাত গোপাল উত্তীৰ্ণ হ'ল।

**মাধৱ বৈকুণ্ঠে গৈলা গোপাল উদয় ভৈলা ঃ** ইতিমধ্যে গুৰুজনৰ অবৰ্তমানত মাধৱদেৱৰ হাজো সুন্দৰীদিয়া আদি ঠাইত থাকি বিৰক্তি লগাত গুৰুজনৰ বৈকুণ্ঠিৰ স্থান কোচ বিহাৰলৈ যাত্ৰা কৰিলে। যোৱাৰ আগতে গোপালক এভাগ শাস্ত্ৰ (নামঘোষা) অৰ্পণ কৰি ক'লে- "গোপাল তুমি এতিয়া নিজ গৃহলৈ যোৱা কাৰণ

তোমাৰ গৃহ সংসাৰ আছে। তুমি নিৰ্মল ভকতি আচৰণ কৰি থাকিবা আৰু এই শাস্ত্ৰভাগ থাপনা কৰি লোকক ধৰ্ম ধৰাবা"। গুৰু আজ্ঞায়ে গোপাল ভৱানীপুৰলৈ যাত্ৰা কৰিলে।

কোচ বেহাৰৰ ভেলা দুৱাৰত আঢ়ৈ বছৰ অতিক্ৰম কৰাৰ পিছত মাধৱ পুৰুষৰ দেহ বিচেষ্টাৰ হৈ অহা লক্ষ্য কৰি ভক্তসকলে প্ৰাৰ্থনা জনালে- "বাপ আৱিৰ্ভাৱ-তিৰোভাৱ ঈশ্বৰৰো আছে। তোম্ৰা দেহ সম্বৰণ কৰিলে আমি কাৰ আজ্ঞা মানি চলিম"। মুকলিকৈ কোনোবা এজনক দায়িত্ব দিব পৰা পৰিৱেশ আৰু পৰিস্থিতি নাছিল। সেয়েহে গুৰুজনে আওপকীয়াকৈ উত্তৰ দিলে- "তোম্ৰা যি ভাল দেখা কৰিবা। আমাৰ শক্তি-ভক্তি সমস্ত ঘোষা পুথি ভাগতে অৰ্পণ কৰিছো। তাতেই আমাক বিচাৰি পাবা"। এইবুলি গুৰুজন নীৰৱ হ'ল। পিছত শ্ৰীৰামক বিৰলে মাতি আনি ক'লে- "তুমি এতিয়াই ভৱানীপুৰলৈ গৈ গোপালক আমাৰ আজ্ঞা শুনোৱাগৈ। শঙ্কৰ গুৰুৱে আমাক দি যোৱা দায়িত্ব আমাৰ অবৰ্তমানত গোপালেই পালন কৰি ভক্তি প্ৰদীপ প্ৰৱাহিত কৰি ৰাখিব"। ইতিমধ্যে গুৰু বৈকুণ্ঠি হোৱাত শ্ৰীৰামে বৰপেটালৈ আহি ভক্ত সকলক জান দিলেহি "মাধৱ গুৰুৱে গোপালক ধৰ্মাচাৰ্য আজ্ঞা দি গৈছে"। ভক্তসকলৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়া সৃষ্টি হ'লেও গুৰু আজ্ঞা বুলি সকলোৱে গোপালকে ধৰ্মাচাৰ্যৰ দায়িত্ব দিয়াৰ সন্মতি জনালে। সেৰকী হৈ সেৱা গ্ৰহণ কৰাৰ যোগ্যতা নাই বুলি গোপালে অস্বীকাৰ কৰিছিল যদিও শেষত গুৰুজনৰ সখী নাৰায়ণ ঠাকুৰৰ আজ্ঞায়ে ধৰ্মাচাৰ্যৰ পদত অধিষ্ঠিত হ'ল। গজলাৰ যদুমণিকে প্ৰথমে শৰণ দি গোপালদেৱ ভক্ত কুলৰ পৰা গুৰু কুললৈ উন্নীত হ'ল। ভৱানীপুৰতে সত্ৰ পাতি শঙ্কৰ-মাধৱে জ্বলাই যোৱা ভকতি প্ৰদীপ গছি জ্বলাই ৰাখিবলৈ গোপাল কৃত সংকল্প হ'ল। গোপালদেৱৰ বাৰজন আচাৰ্যৰ মাজৰ বৰ যদুমণিদেৱে গুৰু প্ৰশস্তি এনেদৰে কৰিছে-

মাধৱ বৈকুণ্ঠে গৈল গোপাল উদয় ভৈল  
ভকতি সৰ্বস্ব মনে ধৰি।  
পৰম কৃপায়ে পাছে জগতক উদ্ধাৰিলা  
ভকতি অমৃত বৃষ্টি কৰি।।

জ্ঞান গম্ভীৰ কথা-বাৰ্তা, নিৰপেক্ষ আৰু নিৰহংকাৰী ভাৱধাৰাৰ লগতে কথাৰে সকলোৰে মন মুহিব পৰা আকৰ্ষণীয় ব্যক্তিত্বৰ অধিকাৰী গোপালদেৱৰ ওচৰলৈ ধৰ্ম ধৰিবলৈ উজনী, নামনিৰ অনেক ভক্ত আহিল। এইসকলৰ মাজৰ পৰা আতাদেৱে বাৰজন বিশেষ অৰ্হতা সম্পন্ন ভক্ত বাচি উলিয়াই ধৰ্মাচাৰ্য নিয়োগ কৰিলে আৰু প্ৰত্যেককে নিজ নিজ স্থানলৈ গৈ ধৰ্ম প্ৰচাৰৰ দায়িত্ব ল'বলৈ আজ্ঞা কৰিলে। এই বাৰ আচাৰ্য হ'ল- (১) শ্ৰীৰাম আতা (২) দ্বিজ ৰামচন্দ্ৰদেৱ (৩) ইকৰাজান সন্যাসী (৪) গজলাৰ যদুমণিদেৱ (৫) বৰ যদুমণিদেৱ (৬) অনিৰুদ্ধদেৱ (৭) বৰগুৰু (৮) চৰাইবাহী মুৰাৰী আতা (৯) নগৰীয়া সনাতন (১০) হাবুঙৰ পৰমানন্দ (১১) কায়স্থপাৰৰ পুৰুষোত্তম (১২) দহঘৰীয়াৰ নাৰায়ণ আতা।

**গোপালদেৱৰ ধৰ্ম দৰ্শন ঃ** ধৰ্ম দৰ্শন বোলোতে আমি শঙ্কৰদেৱৰ ধৰ্ম দৰ্শনৰেই কথা ক'ব লাগিব। শঙ্কৰ গুৰু জনায়ো সৰ্বভাৰতীয় বেদান্ত দৰ্শনৰ ভিত্তিতেই ধৰ্ম-প্ৰচাৰ কৰিছিল। মূল ধৰ্ম মত একেই ৰাখি গুৰুজনে কিছুমান নতুন আচাৰ-নীতি প্ৰৱৰ্তন কৰিছিল যিবোৰ সৰ্বভাৰতীয় বৈষ্ণৱ সম্প্ৰদায়তকৈ বেলেগ।

গোপালদেৱেও কিছুমান নীতি-নিয়ম প্ৰৱৰ্তন কৰিছিল যিবোৰ অন্যান্য বৈষ্ণৱ সকলৰ পৰা কিছু পাৰ্থক্য।

**কাল সংহতি ঃ** গুৰু দুজনৰ অবৰ্তমানত অসমৰ বৈষ্ণৱ সমাজত কিছু পাৰ্থক্য বেমেজালি হৈছিল তাৰ গইনাতেই চাৰি সংহতিৰ সৃষ্টি হয়। শঙ্কৰদেৱৰ নাতিসকলে পুৰুষ সংহতি নামৰ এক সংহতি সৃষ্টি কৰিলে। তাকে দেখি দামোদৰ দেৱেও হৰিদেৱৰ লগ লাগি ব্ৰহ্ম সংহতিৰ সৃষ্টি কৰিলে য'ত মূল ধৰ্মমতৰ লগত বৈদিক কৰ্ম সমূহো সংযোজিত হ'ল। মথুৰাদাস বুঢ়া আতা আৰু পদ্ম আতাই নিকা সংহতি সৃষ্টি কৰিলে। এই সংহতিত বাহ্যিক নীতি সদাচাৰ বোৰ নিষ্ঠাৰে পালন কৰা হয়। গোপালদেৱেও কাল সংহতি নাম দি এক সংহতি সৃষ্টি কৰিলে। নিয়মৰ বশৱৰ্তী নহৈ কাল অনুযায়ী সেৱা পদ্ধতি অৱলম্বন কৰি কালকো জয় কৰাৰ বাবে এই সংহতিৰ নাম কাল সংহতি হয় বুলি ভবাৰ থল আছে। এই সংহতিৰ উপাস্য দেৱতা একমাত্ৰ কৃষ্ণ। কলিযুগত কৃষ্ণনামত কালপ্ৰাপ্ত হ'লৈ নিৰ্বাণ বা মোক্ষ লাভ হয় সেই কাৰণেও এই সংহতিক কাল সংহতি বোলা হয়।

এই সংহতিৰ বিশেষত্ব হ'ল-

(১) এই সংহতিৰ ভক্তসকলে হনুমন্তী কাষ্ঠাৰে গুৰুকেই ঈশ্বৰ জ্ঞান কৰে। শঙ্কৰ গুৰুজনে ধৰ্মৰ চাৰিটি খুটি (গুৰু, দেৱ, নাম, ভকত) নিৰ্দ্ধাৰণ কৰি গৈছিল। ইয়াত গুৰুকেই অগ্ৰাধিকাৰ দিয়া হয়।

(২) এই সংহতিৰ লোকে দিনত চাকি নজ্বলাই।

(৩) বাহ্যিক চিন্তাতকৈ আধ্যাত্মিক চিন্তাক এই সংহতিত গুৰুত্ব দিয়া হয়।

(৪) সেৱাৰ দ্ৰব্যক সাজ বোলা হয়।

(৫) সমদৰ্শন এই সংহতিৰ এটা বিশেষত্ব।

(৬) এই সংহতিত মালা জপ কৰাৰ ব্যৱস্থা নাই।

শঙ্কৰ গুৰুজনৰ সম দৰ্শনত বৈকুণ্ঠিৰ পিছতে আউল লাগিল। গোপালদেৱে গুৰুজনাৰ এই আদৰ্শক বাস্তৱত ৰূপায়িত কৰাৰ অৰ্থে সমাজৰ অৱহেলিত আৰু অন্যান্য ধৰ্মাচাৰ্য সকলৰ চকুত নপৰা জনজাতীয় লোকসকলক তেওঁৰ ধৰ্মৰ আওতাত সুমুৱাই ল'লৈ। ইয়াতেই পয়মাল লাগিল। তেনে জনগোষ্ঠীসমূহ মদ, মাংস ভক্ষণ কৰাৰ লগতে পূৰ্ব প্ৰচলিত কিছু বিজতৰীয়া ৰীতি-নীতিও পালন কৰিছিল। গুৰুজনে ভাবিছিল- একেদিনাই এই ৰীতি-নীতি এৰুৱাবলৈ গ'লে হিতে বিপৰীত হ'ব। বৈষ্ণৱ আদৰ্শত নিৰ্মজিত হোৱাৰ পিছত আপোনা-আপুনি সেইবোৰ সংস্কাৰ হ'ব। এই সকলৰ মাজত ধৰ্ম বিলোৱা কাৰ্যক অন্যান্য সংহতিৰ ধৰ্মাচাৰ্য সকলে সহজে গ্ৰহণ নকৰিলে। এচাম নিন্দুকে গুৰুজনৰ শুদ্ধ সত্য বৈষ্ণৱ ধৰ্মত তান্ত্ৰিক আৰু বিজতৰীয়া প্ৰথা সুমুৱাই গোপালে বিজতৰীয়া কৰিছে বুলি প্ৰচাৰ কৰিলে। অৱশেষত কাল সংহতিৰ গুৰু শিষ্য সকলোকে সমাজৰ পৰা এঘৰীয়া কৰাৰ ব্যৱস্থা হ'ল। মাধৱদেৱৰ লগত গোপালৰ বিবাদ হোৱাৰ এটি কল্পিত কাহিনী সৃষ্টি কৰি কিছুমান চৰিত পুথিত সেইবোৰ সুমুৱাই দি গোপালদেৱক জনমানসত হেয় কৰাৰ কুটিল ষড়যন্ত্ৰ চলিল। ফলস্বৰূপে গোপালদেৱৰ সাহিত্য সৃষ্টি আৰু সমাজবাদৰ উদাৰ দৃষ্টিভঙ্গী কাল সংহতিৰ বাদে বাকী সকলে অৱহেলাহে কৰিলে।

অৱশ্যে এই সুদীৰ্ঘ ৪০০ বছৰত অসমৰ ওপৰেদি বহুত ধুমুহা পাৰ হৈ গ'ল। দীঘলীয়া ধুমুহাৰ পিছত এতিয়া বতৰ ফৰকাল। সমাজ সচেতন হৈছে। ভুল শুদ্ধ বিচাৰ কৰিব পৰা হৈছে। গতিকে কাল সংহতিৰ গুৰু শিষ্য সকলোকে পুনৰ সমাজে আকোঁৱালী লৈছে। তথাপি বিদ্বেষৰ চেকা একেবাৰে নিমৰ্জিত হৈ যোৱা নাই।

এইখিনিতে প্ৰয়োজনৰ খাতিৰত এটি ব্যক্তিগত অনুভৱৰ পোহাৰ মেলিছো। যোৱা মায়ামৰা সমাজৰ ৩৫ তম্ অধিবেশনত গোপাল-অনিৰুদ্ধ এই গুৰু দুজনৰ ধৰ্ম দৰ্শনৰ ওপৰত এভাগ গ্ৰন্থ প্ৰণয়ন কৰিছিলো। নিজৰ শিচ ভকতৰ পৰিবৰ্তে এজন নিৰপেক্ষ লোকৰ কাপৰ পৰা ওলোৱা কথাবোৰত পাঠক সমাজে অধিক গুৰুত্ব দিব এই আশাৰে। এই দিশত আমি আশাতীত ভাৱে সফল হৈছিলো। যেতিয়া কিতাপখন পঢ়া বিদ্বতসকলে প্ৰশংসা বাণীৰে আমাক উৎসাহিত কৰিছিল। তাৰোপৰি যি সকল পাঠকে পূৰ্বৰ সত্বাৱলী আৰু আদি চৰিত পঢ়ি বা শুনি গুৰু দুজনৰ প্ৰতি দ্বেষ ভাৱ পোষণ কৰি আহিছিল, সেইসকলৰ অকপট স্বীকাৰোক্তি "ইমান দিনে আমি এই ধৰ্মাচাৰ্য দুজনৰ বিষয়ে এটা ভুল ধাৰণা লৈ আছিলো- এই গ্ৰন্থভাগে সেই ধাৰণা নিৰাময় কৰিলে।"

সেয়েহে আমি আশা কৰিছো গোপালদেৱ সেৱা সমিতি আৰু সদৌ অসম মায়ামৰা সাংস্কৃতিক সমাজে অলোকিকতাক একাষৰীয়া কৰি গুৰু দুজনৰ পাণ্ডিত্য সাহিত্য প্ৰতিভা আৰু ধৰ্ম দৰ্শনৰ ওপৰত বিজ্ঞান সন্মতভাৱে অধিক তথ্য প্ৰকাশ কৰি সৰ্বজন সমাদৃত কৰি তোলাত সহায়ক হওক।

সামৰণিত গোপালদেৱে দেখুওৱা গুৰু প্ৰশস্তি সকলোৰে বাবে পাথেয় হওক এই আশাৰে তেৰাৰ প্ৰপন্ন শিষ্য বৰ যদুমনিয়ে লিখি থৈ যোৱা এভাগ গুৰু প্ৰশস্তি উল্লেখ কৰা হ'ল-

পৰম দয়ালু দেৱ গোপালক উপাসিয়া
উদয় গিৰিৰ যত জন।
সুদৃঢ় বিশ্বাসে কৰি গোপালক মনে ধৰি
সুখে কৰা শ্ৰৱণ কীৰ্তন।।

# শঙ্কৰদেৱৰ ধৰ্মীয় দৰ্শন

"পৰিত্ৰাণায় সাধুনাম বিনাশায় স দুস্কৃতম্
ধৰ্ম সংস্থাপৰ্নাথায় সম্ভৱামি যুগে যুগে।।" (গীতা)

গীতাৰ এই অমোঘ বাণী সাৰ্থক ৰূপায়ন কৰি যুগে যুগে একোজন প্ৰবাদ প্ৰতীম পুৰুষে ধৰাধামত জন্ম ধাৰণ কৰি সমাজৰ পৰা দুষ্কৃতি বিনাশ কৰি ধৰ্ম সংস্থাপন কৰি আহিছে।

পোন্ধৰ শ শতিকা। অসমৰ ধৰ্মীয় তথা সাহিত্য সংস্কৃতিৰ আকাশখন ধূসৰ। ধৰ্মৰ নামত বৈদিক ধৰ্মকো চেৰ পেলাই তন্ত্ৰ শাস্ত্ৰই প্ৰসাৰতা লাভ কৰিছে। বৈদিক গ্ৰন্থ আৰু বেদান্ত শাস্ত্ৰসমূহ আছে কিন্তু সংস্কৃত ভাষাত থকাৰ বাবে এই শাস্ত্ৰসমূহ সমাজৰ এক উচ্চ শ্ৰেণীৰ মাজতেই সীমাবদ্ধ। তাৰোপৰি উপনিষদ আৰু গীতা আদি বেদান্ত গ্ৰন্থৰ দৰ্শন অতি উচ্চমানৰ, যিখিনি জাৰ্মানী, ফ্ৰান্স আদি পশ্চিমীয়া দেশসমূহৰ আজিও গৱেষণাৰ সমল। গতিকে গ্ৰন্থসমূহে সাধাৰণ লোকৰ মন চুব পৰা নাছিল। এনে এক জটিল পৰিস্থিতিত মহাপুৰুষ শঙ্কৰদেৱ অসম ভূমিত জন্ম গ্ৰহণ কৰি ধৰ্ম, সমাজ, সাহিত্য, সংস্কৃতি এই আটাইবোৰতে বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা কৰিছিল। মহেন্দ্ৰ কন্দলীৰ ছত্ৰশালত বেদ, উপনিষদ, পুৰাণ আদি গ্ৰন্থসমূহ অধ্যয়ন কৰি বিদায় লোৱা পৰত গুৰুৱে উপদেশ দি কৈছিল- "হিন্দু ধৰ্মৰ শাস্ত্ৰৰ ভড়ালটো সাগৰৰ দৰে বিশাল। গতিকে ইয়াৰ পৰা শুদ্ধ সত্যটো বাচি উলিয়াব পৰাতোহে প্ৰকৃত জ্ঞানীৰ কৰ্ম।" গুৰুজনাৰ এই মন পৰশা উপদেশে শঙ্কৰৰ মনলৈ এক নতুন চিন্তাৰ জোৱাৰ আনিছিল। সেয়াই শঙ্কৰী দৰ্শনৰ আৰম্ভণি।

আমি জীয়াই থাকিবৰ বাবে যেনেকৈ খাদ্যৰ আৱশ্যক তেনেকৈ আত্মাৰ আহাৰ দাৰ্শনিক চিন্তা আৰ্থাৎ জ্ঞানৰ সূক্ষ্ম দৃষ্টিৰে নিজৰ জীৱন আৰু জগতখনক দেখুওৱাটোৱেই হ'ল দৰ্শন। শঙ্কৰদেৱৰ সাধন মাৰ্গৰ মূল দৰ্শনেই হ'ল বেদান্ত দৰ্শন। বৈষ্ণৱ মাৰ্গৰ শাস্ত্ৰসমূহ অধ্যয়নৰ পিছত দুখন শাস্ত্ৰৰ তত্ব দৰ্শনে গুৰুজনৰ ভাবানুভূতিত গভীৰ ৰেখাপাত কৰিছিল। সেইয়া আছিল শ্ৰীমদ্ভাগৱত গীতা আৰু শ্ৰীমদ্ভাগৱত মহাপুৰাণ। গীতাত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক দিয়া এই বাণী-

সৰ্বধৰ্মাণ পৰিতাজ্য মাম্ একং শৰণ ব্ৰজ।
অহং ত্বাং সৰ্বপাপেভ্যো মোক্ষয়িয়াম মা শুচঃ।। (গীতা)

যদি সকলো ধৰ্ম পৰিত্যাগ কৰি এক ঈশ্বৰত শৰণ ল'লেই সকলো পাপ আৰু কু-স্বভাৱৰ পৰা মুক্তি পাব পাৰি তেন্তে ইমান সহজ পন্থা নলৈ অজস্ব দেৱ-দেৱীক পূজা অৰ্চনা কৰাৰ প্ৰয়োজনেইবা ক'ত? এই গভীৰ তত্ব উপলব্ধি কৰি গুৰুজনৰ অন্তৰত উদ্ৰেক হৈছিল এক শৰণ তত্ব দৰ্শন। একমেৱম অদ্বিতীয়, ঈশ্বৰ এক, যি পদ্ধতিৰেই নহওক কিয় এক ঈশ্বৰকহে ভজনা কৰিব লাগে। গীতাৰ এই দৰ্শন গুৰুজনাৰ নৱবৈষ্ণৱ ধৰ্মৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিল যাৰ বাবে এই ধৰ্ম এক ভাগৱতী ধৰ্মৰ মূল তত্ব হৈ পৰিল। অৱশ্যে উপনিষদ শাস্ত্ৰসমূহেও দ্ৰব্যময় যজ্ঞতকৈ জ্ঞান যজ্ঞ শ্ৰেষ্ঠ বুলি মতামত দি নিৰ্গুণ, নিৰাকাৰ, কালাতীত, মায়াতীত এক পৰম ব্ৰহ্মাৰ অৱস্থিতি স্বীকাৰ কৰি গৈছে।

**ভাগৱত দৰ্শন ঃ** ভক্তি প্ৰধান বৈষ্ণৱ সম্প্ৰদায় সমূহত দাৰ্শনিক তত্বতকৈ ভক্তি তত্বক বেছি গুৰুত্ব দিয়া হয়। ভাৱৰ ক্ষেত্ৰতো উপদেশতকৈ উদাহৰণ বেছি ফলদায়ক, সেইবাবে ভক্তিমাৰ্গী সকলে পৌৰাণিক কাহিনীৰে পৰিপূৰ্ণ পুৰাণ সমূহক অধিক গুৰুত্ব দিছে। গতিকে শঙ্কৰদেৱেও উপনিষদৰ জ্ঞান মাৰ্গৰ টীকাবোৰক

গুৰুত্ব নিদি ভক্তি মাৰ্গৰ ওপৰত প্ৰতিষ্ঠিত ভাগৱতৰ ওপৰতহে দিলে। যিহেতু ইয়াৰ কাহিনীবোৰ ৰসাল, কাহিনীৰ মাজে মাজে ভক্তি ৰস প্ৰৱাহিত হৈছে গতিকে পাঠক সমাজক আকৃষ্ট কৰিবৰ বাবে ভাগৱত উত্তম উপাদেয়। অৱশ্যে ভক্তি শ্ৰেষ্ঠ। অৰ্থাৎ কোনো এজন ব্যক্তি বিভিন্ন শাস্ত্ৰ অধ্যয়ন কৰি পৰম জ্ঞানী হৈ উঠাৰ পিছতো ভক্তি ভাৱ নাহে (যিহেতু জ্ঞান লাভে ভক্তি ভাৱৰ সৃষ্টি কৰে) তেন্তে তেওঁ মহা অহংকাৰী হৈ ঈশ্বৰ বিমুখ হ'ব। এই শাস্ত্ৰভাগৰ ভক্তি দৰ্শনৰ প্ৰতি গুৰুজন ইমান আকৃষ্ট হৈছিল যে, তেৰাই ৰচনা কৰা ত্ৰিশখনমান গ্ৰন্থৰ ভিতৰত হৰিশ্চন্দ্ৰ উপাখ্যান, ৰামায়ণৰ উত্তৰাকাণ্ড আৰু ৰাম বিজয়ৰ বাবে আটাইখিনি ৰচনাৰ উৎস হ'ল ভাগৱত। গুণমালা ভাগৱত ক্ষুদ্ৰ সংস্কৰণ। মহাপুৰুষজনে অন্যান্য বৈষ্ণৱ শাস্ত্ৰৰ ধৰ্মৰ বিষয়বস্তু আহৰণ কৰিলেও ভাগৱত শাস্ত্ৰৰ ভিত্তিতহে তেওঁ নাম ধৰ্ম প্ৰতিষ্ঠা কৰিছে। (কথা ভাগৱত আগকথা)

**সাম্যবাদ আৰু মানৱতাবাদী দৰ্শন ঃ** ভাৰতীয় বেদান্ত দৰ্শনৰ শ্ৰেণী বিহীন সমাজক পিছলৈ মনুবাদী সকলে বিভিন্ন সম্প্ৰদায়ভুক্ত কৰি হিন্দু সমাজ ব্যৱস্থাৰ প্ৰতি যি প্ৰত্যাহ্বানৰ সৃষ্টি কৰিলে তাৰ কু-ফলবোৰ হৃদয়ঙ্গম কৰি গুৰুজনে তেওঁৰ প্ৰচাৰিত ধৰ্মত সাম্যবাদ আৰু মানৱীয় দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত কৰিছে। তেওঁ বিভিন্ন জাতি, জনগোষ্ঠীৰ সঙ্গমস্থলী অসম ভূমিত জাত, পাত, উচ্চ, নীচ বিচাৰ নকৰি ব্ৰাহ্মণ, শূদ্ৰ, কৈৱৰ্ত্ত, নগা, যৱন, গাৰো, মিচিং আদি সকলো জনগোষ্ঠীক শৰণ দি মৰ্যাদা প্ৰদান কৰিছিল। তেৰাৰ কীৰ্ত্তন-ঘোষাৰ বৈকুণ্ঠ প্ৰয়াণত তাৰেই প্ৰতিফলন ঘটাইছে।

ব্ৰাহ্মণ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি একতুল।। (১৮১২)

এই সাম্যবাদী দৰ্শনে অতি সহজে সকলোৰে অন্তৰ জয় কৰিব পাৰিছিল। তাৰোপৰি ধৰ্মৰ জটিল তত্ববোৰ আঁতৰাই এক অতি সহজ সৰল পন্থাৰে ধৰ্মবাণীবোৰৰ প্ৰচাৰে সমাজৰ অতি নিঃকিনজনৰো হৃদয় জয় কৰিব পাৰিছিল।

যিটো মহা ম্লেছ জাতি        সিয়ো শুদ্ধ হোৱে আতি
মুখে মাত্ৰ হৰি নাম লয়।
কলিৰ ভয়ত গৈয়া        নামত শৰণ লৈয়া
ৰহিলা সমস্তে ধৰ্মচয়।। (ভাগৱত তাৎপৰ্য- ২০২০ কীৰ্তন)

তদুপৰি যি ধৰ্মত মানৱীয় প্ৰমূল্যবোধৰ কোনো মূল্য নাই সেই ধৰ্ম কেতিয়াও মানৱ ধৰ্ম হ'ব নোৱাৰে। তেনে এক অনুভূতিত শঙ্কৰদেৱৰ লিখনীত প্ৰকাশ পাইছে-

সকল প্ৰাণীক দেখিবেক আত্মাসম।
উপায় মধ্যত ইটো অতিকে উত্তম।। (বৈকুণ্ঠ প্ৰয়াণ- ১৮২৬)

আমি সকলো প্ৰাণীকেই যদি নিজৰ আত্মা বুলি ভাবো তেতিয়া আমাৰ মাজৰ পৰা হিংসা, দ্বেষ, হত্যা, লুণ্ঠন আদি আসুৰিক প্ৰবৃত্তিবোৰ আপোনা আপুনি নাইকিয়া হৈ যাব। গুৰুজনৰ এই সাত্বিক দৰ্শনৰ ফলশ্ৰুতিতেই অন্যান্য ধৰ্মাৱলম্বী সকলৰ তুলনাত বৈষ্ণৱ ধৰ্মাৱলম্বী সকল এই কু-প্ৰবৃত্তিবোৰৰ পৰা বহু পৰিমাণে মুক্ত।

**কৃষ্ণ সৰ্বস্ব ঃ** উত্তৰ ভাৰতত ৰামানন্দই বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰোতে পৰম পুৰুষ ৰূপে ৰামচন্দ্ৰকে বাচি লোৱাৰ পৰিবৰ্তে শঙ্কৰদেৱে ৰামতকৈ কৃষ্ণ চৰ্চাতহে অধিক গুৰুত্ব দিলে। এই দিশত গুৰুজনৰ দৰ্শন হ'ল মৰ্যাদা পুৰুযোত্তম ৰামৰ কাৰ্যাৱলীয়ে সাধাৰণ মানুহৰ মন আকৰ্ষিত কৰিব নোৱাৰিব। তাৰ পৰিবৰ্তে শিশু

অৱস্থাৰ পৰাই অনেক লীলা দেখুৱাই সকলোৰে মন প্ৰাণ আকৃষ্ট কৰিব পৰা কৃষ্ণক অগ্ৰাধিকাৰ দি অনেক পুথি ৰচনা কৰিছিল। সেয়েহে কীৰ্ত্তনৰ পৰিশিষ্ট বাদ দি ২৭ টা খণ্ডৰ ভিতৰত ১৬ খণ্ডতেই কৃষ্ণলীলা বৰ্ণিত হৈছে। গোপী উদ্ধৱ সংবাদত গুৰুজনে কৃষ্ণ বিৰহত আকুল হোৱা গোপী সকলে উদ্ধৱৰ আগত তেওঁলোকৰ বিৰহ-বেদনা ইমান মৰ্ম স্পৰ্শীৰূপে বৰ্ণনা কৰিছে যে ই সকলোৰে অন্তৰ চুই গৈছে। তাৰোপৰি ৰুক্মিণী হৰণ, পাৰিজাত হৰণ, কেলি গোপাল আদি নাটক সমূহতো কৃষ্ণ লীলাই বৰ্ণিত হৈছে।

**থলুৱা ভাষাক অগ্ৰাধিকাৰ ঃ** শঙ্কৰদেৱৰ প্ৰথম ৰচনা হৰিশ্চন্দ্ৰ উপাখ্যান লিখাৰ সময়তে মনত এটি ভাৱ উদয় হৈছিল হিন্দু ধৰ্মত সকলো শাস্ত্ৰই সংস্কৃত ভাষাতহে প্ৰণীত সেয়েহে তেওঁৰ লিখনীসমূহ সংস্কৃতত লিখিব নে থলুৱা ভাষাত লিখিব। লগে লগে অন্তৰাত্মাৰ নিৰ্দেশ পালে তেওঁৰ ধৰ্ম ৰজা, মহাৰজা বা বিদ্বান লোকৰ বাবে নহয় বৰঞ্চ খাটি খোৱা জনতাৰ বাবেহে। সংস্কৃতত পুথি লিখিলে এইখিনিও অভিজাত শ্ৰেণীৰ মাজতহে সীমাবদ্ধ থাকিব। সেয়েহে তেওঁ থলুৱা অথচ মাধৱ কন্দলীয়ে লিখাৰ দৰে সাধু ভাষাত লিখিব তেতিয়া এই ৰচনাবোৰ সৰ্বজনপ্ৰিয় হ'ব। সেইমতে গুৰুজনে নাটক, বৰগীত, কীৰ্ত্তন আদি আটাইকেইখন গ্ৰন্থ থলুৱা অসমীয়া ভাষাত প্ৰণয়ন কৰিলে। ইয়াৰ পিছত আটাইতকৈ গুৰুত্বপূৰ্ণ কাম ভাগৱতৰ পদ ভাঙণী হাতত ল'লে। গুৰুজনৰ পদাঙ্ক অনুসৰণ কৰি অনন্ত কন্দলীকে মুখ্য কৰি ভালেকেইজনে ভাগৱতৰ পদ ভাঙণী কৰিলে। একমাত্ৰ সংস্কৃত জনা উচ্চ শ্ৰেণীৰ মাজত আবদ্ধ হৈ থকা ভক্তিৰ সাগৰ ৰূপী ভাগৱত জনতাৰ অতিকৈ শ্ৰদ্ধাৰ গ্ৰন্থৰূপে বিবেচিত হ'ল।

**শৰণ ঃ** আ-কাৰ, ই-কাৰ নথকা এই শব্দটোৰ অৰ্থ বিভিন্ন প্ৰকাৰে কৰিব পাৰি। শৰ মানে ধনুত লগোৱা শৰ আৰু ৰণ মানে যুদ্ধ। ধনুত শৰ নিক্ষেপ কৰি যেনেকৈ শত্ৰুক নিঃশেষ কৰিব পৰা যায়, ঠিক একেদৰে শৰণৰ যোগেদি আমাৰ অন্তৰত থকা লোভ, মোহ, কাম, ক্ৰোধ আদি ৰিপুসমূহ দমন কৰি সত্য, শৌচ, ক্ষমা, দয়া আদিৰে বিভূষিত হৈ এক ঈশ্বৰত আশ্ৰয় লোৱাটোৱেই হ'ল শৰণ। গুৰুজনে শৰণত আত্ম শুদ্ধিৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰিছে। তাৰোপৰি-

সেহি এক শৰণ ভজন অনুপাম।
নুশুনাই আন কোনো দেৱতাৰ নাম।। (ভক্তি প্ৰদীপ)

অৰ্থাৎ এক দেৱ, এক সেৱ, গুৰুজনৰ ধৰ্মীয় দৰ্শনৰ এক উল্লেখযোগ্য মাৰ্গ। তদুপৰি গুৰুজনে ভকত, নাম, গুৰু, দেৱত শৰণ ল'বলৈ দিহা দিছে। এই দিশত অগ্ৰাধিকাৰ দিয়া হৈছে ভকতক।

মঞি বিনা ভকতে নিচিন্তে কিছু আন।
ভকতৰ পৰে মই নিচিন্তোহো আন।। (কীৰ্ত্তন, বৈকুণ্ঠ প্ৰয়াণ- ১৮৩০)
ভকতেসে মোৰ হৃদি জানিবা নিশ্চয়।
ভকতজনৰ জানা আমিসে হৃদয়।।

গুৰুজনে ভকতৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ কাৰণ হ'ল শাস্ত্ৰসমূহ জড় অৱস্থাত থাকে, ভকতেহে তাক চৈতন্য কৰিব পাৰে।

**শ্ৰৱণ-কীৰ্ত্তন ঃ** শঙ্কৰী দৰ্শনত ভক্তি ন বিধ। ইয়াৰে শ্ৰৱণ আৰু কীৰ্ত্তনক গুৰুজনে অগ্ৰাধিকাৰ দিছে। যিহেতু জাগতিক ভাৱনাতকৈ ঈশ্বৰ ভাৱনা উৎকৃষ্ট। অনবৰতে শুনি থকা কথাবোৰৰ পৰা ভাৱনাবোৰ উৎপন্ন হয়। গতিকে ভকতৰ সঙ্গত শ্ৰৱণ-কীৰ্ত্তন কৰিলে তাৰ পৰা যি সুখানুভূতি উদয় হয় গুৰুজনে তাক মোক্ষ লাভৰ সুখতকৈও বেছি তৃপ্তিদায়ক বুলি কৈছে।

আগম পুৰাণ যত বেদান্তৰো তাৎপৰ্য
জানি কৰা ভকতিক সাৰ।
শ্ৰৱণ কীৰ্ত্তন বিনা পূৰ্ণে নাপায় জানা
ইটো ঘোৰ সংসাৰৰ পাৰ।। (বেদ স্তুতি)

**সাধন মাৰ্গ ঃ** পূৰ্বৰ ঋষি মুনিসকলে কঠোৰ অনুশীলনেৰে যোগ অভ্যাস আৰু সাধন মাৰ্গেৰে কিছুমান অলৌকিক শক্তিৰ অধিকাৰী হৈছিল। কন্দলীৰ টোলত শঙ্কৰদেৱে তেনে সাধন মাৰ্গৰ শিক্ষাৰে কিছুমান অলৌকিক শক্তিৰ অধিকাৰী হৈছিল। পৰিয়ালৰ সকলোৱে আনকি গুৰু কন্দলীয়েও শংকা কৰিছিল যে শঙ্কৰদেৱে সাধন মাৰ্গ পূৰ্ণাঙ্গ কৰিবলৈ সন্যাসীৰ লগত হিমালয়লৈ যাব নেকি বুলি। কিন্তু শঙ্কৰে সকলো শংকা দূৰ কৰি ক'লে এনেদৰে সাধন কৰি নিজৰ মোক্ষ বিচৰা কৃচ্ছ সাধনৰ তেওঁৰ কোনো প্ৰায়োজন নাই। তেওঁ বিচাৰে সমগ্ৰ মানৱৰ বৈষয়িক, কায়িক আৰু আধ্যাত্মিক উদ্‌গতিৰ কথা। এয়ে তেওঁৰ সাধন। আনকি যোগ বিদ্যাৰ পৰা আহৰণ কৰা শক্তি সামৰ্থখিনি যেনে- এটা আঙুলিৰ ওপৰত সমগ্ৰ দেহাটোৰ ভৰ দিয়া, পানীৰ তলত বহু সময় থকা আৰু লঘিমা অৰ্থাৎ আলাসতে বহিব পৰা জ্ঞান তেওঁ কেতিয়াও প্ৰয়োগ নকৰিছিল কাৰণ গুৰুজনে বুজিছিল যে এই অলৌকিক কাৰ্যবোৰ দেখি সৰ্ব সাধাৰণে ইয়াক যাদু মন্ত্ৰ বা ভেল্কি বাজী বুলি ভাবিব। গতিকতে তেওঁৰ সাত্বিকতা ৰক্ষা নহ'ব।

গুৰুজনৰ দাৰ্শনিক চিন্তা-চৰ্চাবোৰ লিখি শেষ কৰিব নোৱাৰি। মোক্ষ লাক্ষৰ বাবে তেৰাই যি সুগম পথৰ সন্ধান দিলে মাধৱ পুৰুযে এই ধৰ্ম দৰ্শনক একমাত্ৰ পৰমাৰ্থ তত্ব বুলি নামঘোষাত কৈছে-

শুনা পৰমাৰ্থ তত্ব শ্ৰীমন্ত শঙ্কৰ মত
ধৰিয়োক সজন সকল।
হৰিৰ কীৰ্ত্তন কৰি সুখে সংসাৰক তৰি
পাইবা ভক্তি পৰম নিৰ্মল।।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

(১) কীৰ্ত্তন-ঘোষা, নামঘোষা।
(২) নামঘোষাৰ তত্ব দৰ্শন ঃ বাপচন্দ্ৰ মহন্ত।

# ৰাজদ্ৰোহী-দেশদ্ৰোহী

স্বৰ্গদেউ ঈশ্বৰৰ আঞ্জানুসাৰে কোঁৱৰৰ জন্ম লগ্নৰ নাড়ী নক্ষত্ৰ গণনা কৰি জন্ম চক্ৰ প্ৰস্তুত কৰা হৈছে

কওক দৈৱজ্ঞদেউ গণনাত কি পালে? আমাৰ কোঁৱৰৰ আটাইবোৰ শুভনে?

স্বৰ্গদেউ, জাতকৰ জন্ম ৰাশি পৰিছে কুম্ভৰাশি। নক্ষত্ৰ শতভিষা, আদ্যাক্ষৰ 'গ'। সেয়েহে কোঁৱৰৰ শুভ নাম গোবিন্দ ৰখা হৈছে। নামটো স্বৰ্গদেউৰ বা কেনে লাগিছে।

সুন্দৰ, অতি সুন্দৰ নামকৰণ কৰিছে দেউ।

জাতকৰ লগ্নত ৰবি আৰু মঙ্গল একীভূত হৈ শুভ ফল প্ৰদান কৰিছে। এই শুভ ফলৰ বাবে কোঁৱৰ অতিশয় বল বীৰ্যবান, নিৰ্ভীক আৰু সাহসী হ'ব।

আপোনাৰ মুখত ফুল চন্দন পৰক দেউ। গণনা অতি সুন্দৰ হৈছে। কোঁৱৰৰ পিতৃৰূপে মই গৌৰৱান্বিত। আৰু কি কি শুভ ফল আছে কৈ যাওক। মই আনন্দিত হৈছো।

বাৰু থাকক এতিয়া নকওঁ।

প্ৰহেলিকা নকৰিব দেউ। গণনাত কি পাইছে নিঃসঙ্কোচে প্ৰকাশ কৰক।

স্বৰ্গদেউ ঈশ্বৰ, কাটিলেও কাটিব, মাৰিলেও মাৰিব আপোনাৰ আজ্ঞা পালে নিঃসঙ্কোচে গণনাত পোৱাখিনি প্ৰকাশ কৰিম।

মই নিৰ্ভয় দিছো। সঁচা কথাখিনি কওক। গণনাত কিবা অশুভ পালে তাৰ বাবেতো আপুনি জগৰীয়া নহয়।

স্বৰ্গদেউ ঈশ্বৰ, গোবিন্দৰ ভাতৃ স্থানত দুটা পাপ গ্ৰহ অৱস্থান কৰাৰ বাবে তেওঁ ভাতৃবৈৰী হোৱাৰ সম্ভাৱনা আছে।

কি মোৰ পুত্ৰ ভাতৃদ্ৰোহী হ'ব। হয়নে দেউ?

অকল সিমানেই নহয়, কোঁৱৰৰ গুৰু স্থানত এটা গুৰুতৰ বিসঙ্গতি দেখা গৈছে, যি সচৰাচৰ দেখা নাযায়। ৰবি, শনি, মঙ্গল আৰু কেতু এই চাৰিটা গ্ৰহ পাপগ্ৰহ হৈ এক স্থানত মিলিত হোৱাৰ বাবে কোঁৱৰ দেশদ্ৰোহী বা ৰাজদ্ৰোহী হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।

স্তব্ধ হৈ গ'ল গোবৰ ৰজা।

চুকাফাদেৱে প্ৰতিষ্ঠা কৰি যোৱা সাত খলপীয়া আহোম সিংহাসনৰ মৰ্যাদা তুংখুঙীয়া ফৈদৰ কোনো কোঁৱৰে আজি পৰ্যন্ত হীন-দেঢ়ি হ'বলৈ দিয়া নাই। মোৰ পুত্ৰই বংশৰ কালিমা সানিব, এইয়া কোনোপধ্যে হ'বলৈ দিব নোৱাৰি।

বাৰু দেউ, গণনা সঁচাকৈয়ে শুদ্ধ হৈছে নে আকৌ এবাৰ চাওকচোন।

স্বৰ্গদেউ ঈশ্বৰ, কোঁৱৰৰ সকলো শুভফল বুলি ক'ব পৰা হ'লে আমি নিজেও সুখী হ'লোহেঁতেন আৰু স্বৰ্গদেৱে সন্তোষিত হৈ অনেক বঁটা বাহন দিলেহেঁতেন, কিন্তু বঁটাৰ সলনি কটা যোৱালৈও ভয় নকৰি একাধিকবাৰ গণনা কৰি একে উত্তৰ পোৱাৰ বাবে কথাখিনিহে স্বৰ্গদউক অৱগত কৰিছো।

বাৰু হ'ব। বৰবৰুৱাদেউ, জ্যোতিষীক মাননীসহ বিদায় দিয়াৰ ব্যৱস্থা কৰক।

গোবৰ ৰজা বিচলিত হৈ পৰিল। মোৰ ল'ৰা দেশদ্ৰোহী হ'ব....., মোৰ ল'ৰা ৰাজদ্ৰোহী হ'ব....., সি ভাতৃদ্ৰোহী হ'ব.....। নাই নহ'ব, এইয়া কেতিয়াও হ'ব নোৱাৰে। ৰজা মই। ৰাজ সিংহাসনৰ মৰ্যাদাতকৈ

পুত্ৰস্নেহক প্ৰাধান্য দিলে পুলিন পোথাও সকলে ক্ষমা নকৰিব, ৰাজ সিংহাসনত কলংকৰ দাগ পৰিব। বিহপুলি উঘালিবই লাগিব। মই কোঁৱৰক মৃত্যুদণ্ডৰ আদেশ কৰিলো। তেওঁক বধ্য ভূমিলৈ নিয়া যাওক।

**ডেবেৰা বৰুৱা**

অসমৰ ইতিহাসৰ ধুমকেতু। ল'ৰা-ছোৱালীয়ে ৰজা ভঙা-পতাৰ খেল খেলাৰ নিচিনাকৈ এইজন মহানায়কে এঘাৰ বছৰ ইচ্ছামতে ৰজা ভঙা-পতা কৰি দেশত সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। তেওঁৰ আঙুলিৰ ঠাৰত নাচিবলৈ অনিচ্ছুক ৰাজকোঁৱৰৰ সকলক পোনে সিপুৰিলৈ পঠিয়াইছিল। গোবৰ ৰজাকো ৰাজপাটত বহুওৱা হৰ্তকৰ্তা তেঁৱেই।

স্বৰ্গদেউ ঈশ্বৰ, ৰাজপাটত বহাৰ সময়ত বন্দীৰ এটি প্ৰাৰ্থনা মঞ্জুৰ কৰিম বুলি কোৱা কথাষাৰ বিস্মিতি হোৱা নাই চাগে?

নাই পাহৰা বৰবৰুৱাদেউ। আপোনাৰ অনুগ্ৰহত ৰাজপাট পাইছো। আপোনাৰ কথা কেনেকৈ পাহৰিম।

স্বৰ্গদেউ ঈশ্বৰঙ্গ ৰাজ অনুগ্ৰহত লাভ কৰা মাটি-বাৰী, সা-সম্পত্তিবোৰ ভোগ কৰিবলৈ বন্দীৰ দেখোন কোনো উত্তৰাধিকাৰী নাই। স্বৰ্গদেৱে গোবিন্দ কোঁৱৰৰ মৃত্যুদণ্ডৰ আজ্ঞা শুনালেই যেতিয়া সেই আজ্ঞা পালন হ'ল বুলিয়েই ধৰক। তাহানি প্ৰভু ৰামচন্দ্ৰয়ো ভাতৃ লক্ষ্মণক বধৰ প্ৰতিজ্ঞা কৰাৰ পিছতো বৰ্জনহে কৰিছিল। সেয়েহে স্বৰ্গদেৱে দণ্ডিত কৰাজনক মই পো বুলি গ্ৰহণ কৰো। সাপো মৰক, লাঠিও নাভাগক। স্বৰ্গদেউৰ আজ্ঞাও লংঘন নহ'ল আৰু কোঁৱৰো জীয়াই থাকিল।

সজ সেয়ে হওক। অনিচ্ছা স্বত্বেও বাধ্যত পৰি গোবৰ ৰজাই উত্তৰ দিলে।

ডেবেৰাই গোঁফৰ তলত এটি কুটিল হাঁহি মাৰিলে। শকুনিয়ে পাশা খেলত জয়লাভ কৰাৰ পিছত মৰা হাঁহিটোৰ দৰেই। কিন্তু ডেবেৰাই ৰাজকোঁৱৰক পো বুলি লৈ যি সপোন দেখিছিল সেইয়া পূৰণ নহ'ল। এশ গৰু মাৰিলে বাঘৰো মৰণ, প্ৰবচনফাঁকি সত্য প্ৰমাণিত কৰি ডেবেৰাই তেওঁতকৈ শক্তিশালী এজন সন্ত্ৰাসবাদৰ চৰ্দাৰৰ হাতত প্ৰাণ এৰিব লগা হ'ল। ৰাজ সিংহানৰ পবিত্ৰতা ৰক্ষাৰ স্বাৰ্থত নিজ পুত্ৰৰ প্ৰাণ ল'বলৈও কুণ্ঠাবোধ নকৰা গোবৰ ৰজায়ো প্ৰাণ ৰক্ষা কৰিব নোৱাৰিলে। গোবৰ ৰজাৰ জ্যেষ্ঠ পুত্ৰ চাৰিং ৰজা গদাপাণিয়ে গোবিন্দক লগলৈ আনি ৰাজকোঁৱৰৰ যথোচিত শিক্ষাৰ দিহা কৰিলে। অতি সোনকালেই গোবিন্দই অসি চালনাকে ধৰি সকলো শিক্ষাতে পাৰ্গত হৈ উঠিল।

এদিন দুয়ো ভাই মৃগয়ালৈ ওলাল। বনৰ মাজতে একে সময়তে দুয়োজনে দুফালৰ পৰা এটা মৃগক শৰবিদ্ধ কৰিলে।

ককাইদেউ, মোৰ শৰপাটেহে প্ৰথম মৃগটোক শৰবিদ্ধ কৰিছে। সেই কৃতীত্ব মোৰহে।

নহয় গোবিন্দ, মোৰ শৰো একে সময়তে লাগিছে। গতিকে কৃতীত্ব অকল তোৰেই নহয় মোৰো।

মই কেতিয়াও এই কথা মানি ল'ব নোৱাৰিম। প্ৰয়োজন হ'লে তোমাৰ লগত যুদ্ধ কৰি হ'লেও মোৰ কথা প্ৰতীয়মান কৰিম। সহোদৰ ভাতৃৰ এনে অদ্ভূত আচৰণত গদাপাণি খঙত অগ্নিশৰ্মা হ'ল। খন্তেকৰ ভিতৰতে দুয়োৰে মাজত তুমুল যুদ্ধ আৰম্ভ হ'ল। তেওঁলোকৰ লগত যোৱাসকলে থৰকাছুটি হেৰুৱাই দেওধাইক এই বাতৰি দিলেগৈ।

হেঃ হেঃ হেঃ কি কৰা কি কৰা বুলি কৈ দেওধাই দুয়োৰে মাজত সোমাই পৰিল। তোমালোকৰ ভায়ে ভায়ে যুদ্ধ কৰি তুংখুঙীয়া ফৈদৰ কি ধ্বংস মাতি আনিছা বুলি দুয়োজনক অস্ত্ৰ সম্বৰণ কৰিবলৈ আদেশ কৰিলে। কিন্তু দুই ভাই প্ৰবল আক্ৰোশত এনেকৈ যুদ্ধত অৱতীৰ্ণ হৈ আছিল যে দেওধাইৰ কথালৈ

কাণেই নিদিলে। তেওঁলোকৰ ওচৰত অপদস্ত হৈ লাজে অপমানে দেওধায়ে হাতত থকা অস্ত্ৰ নিজৰ বুকুত বহুৱাই ক্ষন্তেকতে পঞ্চত্ব প্ৰাপ্তি হ'ল।

চকুৰ আগতে গুৰুৰ এনে দশা দেখি দুয়ো ভাই কিং কৰ্ত্তব্য বিমূঢ় হৈ পৰিল। দুয়োজনৰ হাতৰ অস্ত্ৰ আপোনা-আপুনি সুলকি পৰিল। গদাপাণিয়ে তুৰন্তে ভায়েকক সেই ঠাই এৰিবলৈ আদেশ কৰিলে।

ইতিমধ্যে আহোম সিংহাসনলৈ পুনৰ অমানিশা নামি আহিল। গুৱাহাটীত বৰফুকন লালুকসোলাই গুৱাহাটী এৰি ৰাজধানীলৈ আহি নিজৰ কৰ্তৃত্ব দেখুৱাবৰ বাবে প্ৰয়াস কৰিলে। লাচিত বৰফুকনে মৰণ পণ সংগ্ৰাম কৰি অধিকাৰ সাব্যস্ত কৰা গুৱাহাটীক মোগল সেনাপতিক মাতি আনি চমজাই দিলে। চৰ্ত এটাই তেওঁক অসমৰ ৰজা বুলি চালাম দিব লাগিব। গুৱাহাটী এৰি স-সৈন্যে ৰাজধানীত সোমাই কুখ্যাত ডেবেৰা বৰবৰুৱা আৰু ৰজা গোবৰ ৰজাক নিধন কৰি তিপমীয়া ফৈদৰ কটাৰী নলীয়া কোঁৱৰ এজনক নামমাত্ৰ ৰজা পাতি নিজে উঠি ৰজা বহি ৰজা হৈ পৰিল।

"মই এতিয়া আহোম ৰাজ্যৰ সৰ্বময় কৰ্তা। মোগল বাদছাহৰ হৈ সেনাপতিয়ে অসমৰ ৰজা বুলি চালাম দিলে যেতিয়া আৰু কিহৰ চিন্তা। গুৱাহাটী তেওঁলোকক এৰি দিলো। ৰাজধানীৰ পৰা ইমান দূৰ ভালুকৰ সাঙ্গী যেনহে হৈছিল। এতিয়া মোৰ জোঁৱাই চুলিক্‌ফাক ৰাজ সিংহাসনত বহুৱাই মোৰ ইচ্ছামতে সকলো কাম কৰিম। এতিয়া মোৰ প্ৰধান দায়িত্ব সকলো ফৈদৰ আহোম ৰাজ কোঁৱৰক অঙ্গক্ষুতৰ ব্যৱস্থা কৰা যাতে কোনেও ৰাজ সিংহাসন দাবী কৰিব নোৱাৰে।"

ভবামতে কাম। লালুকসোলাই ৰাজআজ্ঞা শুনাই আটাইকেইটা ফৈদৰ ৰাজকোঁৱৰ সকলক ৰাজধানীলৈ মতাই আনি অঙ্গক্ষুত কৰাই নিষ্কন্টক হ'ব বিচাৰিলে। কিন্তু সেই ক্ষেত্ৰত অন্তৰায় হ'ল গোবৰ ৰজাৰ পুত্ৰ লাঙ্গি গদাপাণি। সকলো কোঁৱৰক অঙ্গক্ষুত কৰাৰ পিছত আহোম ৰাজ্যলৈ ঘোৰ অমানিশা নামি আহিব এই কথা ভাবি গদাপাণিৰ সতী সাধ্বী আৰু দেশপ্ৰাণা পত্নী জয়মতী বিচলিত হ'ল। যিকোনো ত্যাগৰ বিনিময়ত লালুকসোলাৰ কবলৰ পৰা স্বামীক বচাবই লাগিব।

"বঙহৰ দেউ মই আপোনাক কাবৌ কৰিছো, আপুনি নগা পৰ্বতলৈকে পলাই যাওক। নহ'লে চ্যুকাফাদেৱে প্ৰতিষ্ঠা কৰা আহোম ৰাজ্য ৰসাতললৈ যাব।"

"কিন্তু আইচু, মই নাথাকিলে তোমাৰ আৰু লাই লেচাইৰ বিপদ নহ'বনে?"

"লাই লেচাইক নিৰাপদ স্থানত ৰাখিম।"

"কিন্তু তোমাৰ কি হ'ব আইচু?"

"মোৰ বাবে আপুনি চিন্তা কৰিব নালাগে। বঙহৰদেউ আপুনি ৰাজ্যখন বচোৱাৰ চিন্তা কৰক। মই যদি সঁচাকৈয়ে সাধ্বী তিৰোতা হওঁ মোৰ বাক্য পুলিন পোথাৰে শুনিবই। আপুনি ৰজা হৈ পুনৰ ৰাজ্যলৈ শান্তি আনিব পাৰিব।"

"এৰা, সেয়ে হওক।" গধুৰ মনেৰে গদাই পত্নী পুত্ৰৰ পৰা বিদায় লৈ অনিশ্চিত যাত্ৰা আৰম্ভ কৰিলে।

ইতিমধ্যে লালুকসোলাৰ চৰিয়াই গদাপাণিক বিচাৰি গোটেই ৰাজ্য চলাথ কৰিও একো উৱাদিহ উলিয়াব নোৱাৰিলে। লালুকসোলা বলিয়া কুকুৰ হোৱাদি হ'ল। তেওঁ চাওদাঙক আদেশ কৰিলে জয়মতীক ধৰি আনি যিমান কঠোৰ শাস্তি দি হ'লেও স্বামীৰ বাতৰি উলিয়াব লাগিব। সেইমতে চাওদাঙে জেৰেঙা পথাৰত গছত বান্ধি জয়মতীক অকথ্য শাস্তি দিও গদাৰ কথা উলিয়াব নোৱাৰিলে। জয়মতীক শাস্তি দিয়া

জানি হিলদল ভাঙি মানুহ আহিল কিন্তু চাওদাঙৰ ভয়ত ওচৰ চাপিব নোৱাৰি চকুলো টুকি লালুকসোলাক জহান্নামে যাবলৈ শাওপাত কৰিলে।

প্ৰাণৰ প্ৰতিমাৰ শাস্তিৰ কথা গম পাই গদাপাণি ঠিৰেৰে থাকিব নোৱাৰি নগাৰ বেশেৰে জয়মতীৰ ওচৰত উপস্থিত হ'ল।

"ঐ মানুহজনী, তই ইমান শাস্তি খাইছ, গিৰিয়েৰ ক'ত আছে কৈ নিদিয় কিয়?"

জয়মতীয়ে নগাৰ বেশত থকা স্বামীক দেখি দুধাৰি চকুলো টুকিলে। নিজকে সংযত কৰি ক'লে "য'ৰ মানুহ য'ৰ পৰা আহিছে তালৈ গুচি যাব লাগে।" গদাপাণিয়ে জয়মতীৰ কথাৰ মমাৰ্থ বুজি চকুলো টুকি পুনৰ নগা পৰ্বতলৈ গুচি গ'ল। এনেকৈ অনাই-বনাই ফুৰোতে গদাই লগ পাইছিল ডালিমীক। সহজ সৰল এই নগা গাভৰুজনীয়ে তেওঁলোকৰ ঘৰলৈ গদাপাণিক নি আশ্ৰয় দিছিল। অনবৰতে বিষাদিত বদনে থকা এই সুঠাম ডেকাজননৰ মনটো ফৰকাল কৰিবলৈ ডালিমীয়ে আপ্ৰাণ চেষ্টা কৰিছিল। ডালিমীৰ সহচাৰ্যই গদাপাণিক কিছু পৰিমাণে আশ্বস্ত কৰিছিল।

"ঐ কেচাসোন, এই জুৰিটি বাৰু ক'লৈ বৈ গৈছে?"

"নদীলৈ"। গদাপাণিৰ নিৰুদ্বেগ উত্তৰ।

"নদীখননো ক'লৈ বৈ গৈছে।"

"ভৈয়ামৰ বৰ নৈলৈ।"

"বাৰু কেচাসোন মইয়ো যদি তোৰ বৰ নৈ যেন বহল বুকুৰ মাজত সোমাই বৈয়ামলৈ গুচি যাওঁগৈ তেন্তে ভাল লাগিবনে?"

গদাপাণিয়ে লক্ষ্য কৰিলে ডালিমীৰ তেওঁৰ প্ৰতি আসক্তি দিনে দিনে বৃদ্ধি পাই আহিছে। এই মৰমে তাক বিপদত পেলাব। সেয়েহে সময় থাকোতেই ডালিমীক তেওঁৰ পৰিচয়, পত্নীৰ আত্মত্যাগ, দেশৰ দুৰ্দিনৰ বিষয়ে বুজাই ক'ব লাগিব।

গদাপাণিৰ কথাবোৰ শুনি নিষ্পাপ হৃদয়ত ডালিমীৰ অন্তৰখন হাহাকাৰ কৰি উঠিল।

"ঐ কেচাসোন, মই তোক আজিৰ পৰা আমনি নিদিও। তই বৈয়ামলৈ গুচি যাগৈ। তোৰ মানুহজনীক মৰা সেই বদমাচ মানুহবোৰক শাস্তি দি বৈয়ামৰ ৰজা হ'গৈ।

এৰা ডালিমীয়ে ঠিকেই কৈছে। সি ইয়াত আত্ম ৰক্ষা কৰি পলাই থাকিলে নহ'ব। ৰাজ্যলৈ ঘূৰি গৈ কি প্ৰকাৰে ৰাজপাট দখল কৰিব পাৰে তাৰ উপায় চিন্তা কৰিব লাগিব। গধুৰ মনেৰে ডালিমীৰ পৰা বিদায় লৈ গদাপাণি ঘূৰি আহিছিল নিজ ৰাজ্যলৈ। ইয়াতো পদে পদে বিপদ। ৰজাৰ চৰিয়াই তেওঁক বিচাৰি ফুৰোতে এদিন সিহঁতৰ ওচৰত ধৰা পৰাৰ উপক্ৰম হৈছিল। উপস্থিত বুদ্ধিৰ প্ৰয়োগ কৰি তেওঁ তাত উপস্থিত থকা পোহাৰীৰ মাজত সোমাই পৰিছিল। পোহাৰীহঁতেই তেওঁক বিপদত পৰি আতুৰত সিহঁতৰ মাজত সোমাইছে বুলি গম পাই গাৰ কাপোৰেৰে গদাক ঢাকি হুৱাহুৰে কান্দিবলৈ লাগিল। চৰিয়াহঁতে সিহঁতৰ কোনোবা মৰিছে বুলি ভাবি তাৰ পৰা আঁতৰি গ'ল। কথাতে কয়-

ৰহাৰ ৰহেদৈ তিপামৰ ভাদৈ
শলগুৰিৰ আঘোনী বাই।
তিনিও ডিঙিত ধৰি তিনিও কান্দিছে
সম্বন্ধত একোৰেই নাই।।

এনেকৈয়ে ঘূৰি ফুৰোতে গদাপাণি এদিন দুপৰীয়া এঘৰ ব্ৰাহ্মণৰ পদুলি মুখত থকা বকুলজোপাৰ ছাঁতে জিৰণী লৈছিল। তেনেতে ব্ৰাহ্মণ পত্নীয়ে পুখুৰীৰ পৰা পানী নিবলৈ আহি এজন থুলন্তৰ পুৰুষ দেখা পাই গিৰিহঁতক কোৱাত তৎক্ষণাত ব্ৰাহ্মণে তেওঁক আথে-বেথে মাতি আনি ভালকৈ এসাজ খুৱালে। গদাপাণিয়ে তেওঁক কেনেকৈ চিনি পালে সোধাত ব্ৰাহ্মণে ক'লে- "জ্যোতিষ গণনা যোগে মই আপোনাক চিনি পাইছো।

"তেন্তে দেউ আপোনাৰ জ্যোতিষ চাই কওকচোন মই ৰজা হ'বলৈ পাম নে নাই, আৰু পালে কেতিয়া পাম?"

ব্ৰাহ্মণে জ্যোতিষ খন মেলি কিছু সময়ৰ পিছত চিঞৰি উঠিল- "পাইছো, পাইছো কোঁৱৰ আপুনি ৰজা হ'বই, সেই মহেন্দ্ৰক্ষণ এতিয়াই মিলিছে। এই ক্ষণতে প্ৰভু ৰামচন্দ্ৰই ৰাৱণক বধ কৰিছিল। গতিকে এতিয়াই আপুনি ৰাজপাটত উঠিবই লাগিব।"

আচৰিত হৈ গদাপাণিয়ে সুধিলে- "দেউ এই মুহূৰ্তত এই কাৰ্য কেনেকৈ সম্ভৱ হ'ব।"

ব্ৰাহ্মণে এখন ডাঙৰ তামুলী পীৰা আনি তাত চেলেং চাদৰ পাৰি কোঁৱৰক বহুৱালে। স্বৰ্গদেউ বুলি সম্বোধন কৰি দুয়ো আঠু ল'লে। অতি সোনকালে কোনো আত্মীয়ৰ সহায়ত ৰাজপাট দখল কৰিব বুলি ব্ৰাহ্মণে দৃঢ়তাৰে ক'লে। ৰজা হ'লে তেওঁক দলৈ পাতিব আৰু বহুতো মাটি-ভেটি সম্পদ দিব বুলি কৈ ব্ৰাহ্মণৰ কথাৰ আঁত ধৰিয়েই ভিনীহিয়েক বন্দৰ বৰফুকনৰ আশ্ৰয় লোৱাত বায়েকে বৰফুকনৰ মন নোপোৱালৈকে ভায়েকক লুকুৱাই ৰাখিলে।

লালুকসোলাৰ অতপালি আৰু ল'ৰাৰজাৰ অসহায়তাৰ কাৰ্যত অতীষ্ঠ হৈ বৰফুকনে এদিন নিজে তেওঁৰ মনৰ ভাৱ ব্যক্ত কৰিলে-

"বুইচা কুঁৱৰী ৰাজ্যৰ এই দুৰ্দিন সহ্য কৰিব নোৱাৰ হৈছো। আমাৰ গদাক যদি এই সময়ত বিচাৰি পালোহেঁতেন সৰ্বশক্তি প্ৰয়োগ কৰি হ'লেও তেওঁক ৰাজপাটত বহুৱালোহেঁতেন।"

"আপুনি সঁচাই কৈছেনে? বঙহৰ দেউ"। "মোক বিশ্বাস কৰা আৰু গদাৰ খবৰ যদি আছে দিয়া মই তাক ৰজা পাতিহে ক্ষান্ত হ'ম।"

স্বামীৰ কথাত পয়িতন গৈ তেওঁ গদাপাণিক বৰফুকনৰ ওচৰত হাজিৰ কৰালেহি। বৰফুকনেও সময়ৰ অপব্যয় নকৰি গদাক ৰাজপাটত বহুৱাৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিলে। লালুকসোলাক আততায়ীৰ হতুৱাই বধ কৰি ল'ৰা ৰজাক বন্দী কৰি গদাপাণিক ৰাজপাটত  বহুৱালে। স্বৰ্গদেউ গদাধৰ সিংহ হিন্দু নামেৰে তেওঁ পৰিচিত হ'ল।

ইমান দিনে গোবিন্দই ল'ৰা ৰজাৰ আশ্ৰয়ত থাকি গদাপাণিৰ শত্ৰুতা কৰি আছিল। পৰিস্থিতি সলনি হোৱা দেখি তেওঁ ল'ৰাৰজাৰ পক্ষ হৈ এৰি জ্যেষ্ঠ ভাতৃৰ কাষ চাপিল।

ডেকা দেউতাঙ্গ মই খহৰ ভমকত তোমাৰ পৰা আঁতৰি গ'লো। এতিয়া মই ভুল বুজি পাইছো। মোক পুনৰ আদৰি ল'বানে?

গদাধৰ সিংহৰো মন কুমলিল। হাজাৰ হ'লেও নিজৰ ভাই। কণিষ্ঠই ভুল কৰিলে জ্যেষ্ঠজনে ক্ষমা কৰাটো শাস্ত্ৰৰ বচন।

বাৰু হ'ব। আগলৈ তই পুনৰ এনে অভব্য আচৰণ কৰি মোৰ মনত দুখ নিদিব।  দুয়ো ভাই গলাগলি কৰি মিলিত হয়।

ইতিমধ্যে ৰজা ভঙা পতা খেলত জড়িত হোৱা মূল অভিযুক্ত লালুকসোলা মৃত্যুদণ্ডৰে দণ্ডিত হ'ল যদিও এই কাৰ্যত সহায়ক সকলোকে পুলিয়ে-পোখাই উঘলাৰ চিন্তা কৰি ৰাজ আজ্ঞাৰে তেনে বিষয়াসকলক দণ্ডিত কৰাৰ ব্যৱস্থা কৰা হ'ল। অভিযুক্তৰ তালিকাত গদাৰ ৰাজ সিংহাসনত বহুওৱা ভিনীহিয়েক বন্দৰ বৰফুকনো সাৰি নগ'ল। এই কথাত গোবিন্দ বিদ্ৰোহী হৈ উঠিল।

ককাইদেউঙ্গ ৰজা হ'বলৈ পাই তোমাৰ ক্ষমতাই মূৰত ধৰিছে। কি যুক্তিত তুমি উপকাৰীক অজগৰে খোৱা কাম কৰি নিচাদেউৰ দণ্ডাজ্ঞা দিছা?

বুইছ গোবিন্দ। ৰাজ সিংহাসনৰ মৰ্যাদা ৰাখিবলৈ পৰিয়াল, আত্মীয়-স্বজন বিচাৰ কৰিলে নহ'ব। নিচাদেউৰ সহায়ত সিংহাসন পাইছো সঁচা, কিন্তু তেৰোঁ ৰজা ভঙা পতাত জড়িত আছিল। কাইলৈ যদি মোকো বেয়া পাই আকৌ ৰজা ভঙা পতাৰ খেল আৰম্ভ কৰে তেন্তে? তেজৰ সোৱাদ পোৱা নৰ খাদকে পুনৰ তেজ নিবিচৰাকৈ নাথাকে।

গদাধৰ সিংহৰ কথাত গোবিন্দ আশ্বস্ত নহ'ল। ৰজাৰ ওপৰত খং কৰি গোবিন্দ ৰাজ্যৰ পৰা ওলাই গ'ল। ক'লৈ গ'ল কোনেও উৰাদিহ নাপালে।

ইতিমধ্যে বিনাযুদ্ধে মোগলক চমজাই দিয়া গুৱাহাটী পুনুৰুদ্ধাৰৰ প্ৰচেষ্টা চলোৱাত পুনৰ অসমীয়া আৰু মোগলৰ যুদ্ধ আৰম্ভ হ'ল। সন্দিকৈ ফুকনক এই যুদ্ধৰ ঘাই সেনাপতি পতা হ'ল। তেৰোঁ বিশেষ তৎপৰতাৰে আমাৰ সৈনাবোৰক লাচিত শৌৰ্য-বিক্ৰমৰ কথা সোঁৰৰাই উত্তাৱল কৰি তুলিলে। তৰিলে দেশ মৰিলে স্বৰ্গ এই বাণী আওৰাই অসমীয়া সৈন্যই প্ৰৱল পৰাক্ৰমেৰে মোগলৰ বাধা দিলে। এনে বীৰত্বত স্তম্ভিত শত্ৰু সৈন্যই থৰকাচুটি হেৰুৱাই পলাবলৈ ধৰিলে।

হেৰৌ এনেকৈ পলালে সম্ৰাটে সুদাই নেৰিব। সকলো উভতি আহঙ্গ মই সন্মুখৰ পৰা নেতৃত্ব দিম।

ডাড়ি টুপী পৰিহিত সেনাপতি হেন লগা এজন লোকে পলৰীয়া সৈন্যবোৰক পুনৰ যুদ্ধলৈ প্ৰৰোচিত কৰা কাৰ্য দেখি অসমীয়া সৈন্যই তেওঁক চাৰিওফালৰ পৰা বেঢ়ি ধৰিলে।

এইয়া দেখোন নিৰুদ্দেশ হোৱা ৰাজভ্ৰাতা গোবিন্দ। নিজ দেশ, নিজ ভাতৃৰ বিৰুদ্ধে মোগলৰ পালি সেনাপতি হৈ যুজিবলৈ অহা গোবিন্দক বন্দী কৰি ৰাজধানীলৈ অনা হ'ল। ৰাজ্যত যুদ্ধ জয়ৰ আনন্দোৎসৱ চলিল। তাৰ মাজতে ৰজাৰ মন হাহাকাৰ কৰি উঠিল।

"মোৰ সহোদৰ ভাতৃয়ে তুংখুঙীয়া ফৈদৰ কোঁৱৰ হৈ স্বদেশ আৰু স্বজাতিৰ বিৰুদ্ধে মোগলৰ লগ হৈ অস্ত্ৰ ধৰিছে। সি যে ক্ষমাৰ অযোগ্য। ভাতৃৰ প্ৰতি অনুকম্পা দেখুৱালে ৰাজধৰ্ম পালন নহ'ব। সেই কাৰণেই জ্যোতিষীয়ে ৰাজদ্ৰোহী, দেশদ্ৰোহী হ'ব বুলি দিয়া বিধানৰ বাবে মোৰ পিতৃয়েও তাৰ প্ৰাণদণ্ড বিধান দিছিল। মইয়ো সেয়াই কৰিব লাগিব।

পিছদিনা গোবিন্দক বৰশীত দিয়া হ'ল। চাওদাঙে গোবিন্দৰ প্ৰাণবায়ু ওলাই যোৱা বুলি খবৰ দিয়াত ৰজাৰ দুই চকুৰে দুধাৰি পানী বৈ গ'ল। ৰাজধৰ্ম ৰক্ষা কৰাৰ লগতে ভাতৃ প্ৰেমৰ নিদৰ্শন দাণ্ডি ধৰি চৰাইদেউত মৈদাম দিয়াই তেওঁৰ স্মৃতি ৰক্ষাৰ ব্যৱস্থা কৰা হ'ল। ৰজা ঘৰত জ্যোতিষীৰ প্ৰতি শ্ৰদ্ধা বৃদ্ধি হ'ল।

# ছাত্ৰ-ছাত্ৰীৰ নৈতিক, আধ্যাত্মিক উৎকৰ্ষ সাধনত অভিভাৱক আৰু শিক্ষাগুৰুৰ ভূমিকা

"তুমি বিশ্বৰ শৰীৰত পঙ্গু অঙ্গ হ'লে বিশ্বই জানো ভাল পাব।" এইয়া আমাৰ বক্তব্য নহয়, ভূপেন হাজৰিকাদেৱৰ চিৰসেউজ গীতৰ এটি কলিহে। আজিৰ ছাত্ৰ কাইলৈ বিশ্ব নাগৰিক। গতিকে বিশ্বৰ এজন সফল যোগ্যতাসম্পন্ন নাগৰিক হোৱাৰ কুচ-কাৱাজসমূহ ছাত্ৰাৱস্থাৰ পৰাই কৰিব লাগিব। পঙ্গু অঙ্গ মানে একমাত্ৰ শাৰীৰিক অক্ষমজনকে বুজোৱা নাই, বৰঞ্চ এজন সফল বিশ্ব নাগৰিক ৰূপে প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰা সকলোৱেই পঙ্গু অঙ্গধাৰী। সেয়েহে উপযুক্ত মানৱ সম্পদ ৰূপে ছাত্ৰ-ছাত্ৰীসকলক গঢ় দিবলৈ সৰুৰে পৰাই শাৰীৰিক, মানসিক, অধ্যাত্মিক, নৈতিক, বৌদ্ধিক আৰু সামাজিক তথা সাংস্কৃতিক ভাৱে বিকশিত কৰি তুলিব লাগিব। এই গুৰু দায়িত্ব মূৰ পাতি ল'ব লাগিব প্ৰথমে অভিভাৱকে আৰু পৰৱৰ্তী সময়ত শিক্ষক-শিক্ষয়িত্ৰীসকলে।

প্ৰথমে আহো অভিভাৱকৰ দায়িত্বলৈ। এজন শিশুৰ প্ৰথম শিক্ষয়িত্ৰী হৈছে তাৰ মাতৃগৰাকী। এযাৰ চলিত কথা আছে "Mother says about the earth, teacher's says about the sky"। মাটিত ভৰি নিদিয়াকৈ আকাশ চোৱাৰ সপোন দেখিব নোৱাৰি। গতিকে সেই সপোন পূৰ্ণ কৰাৰ প্ৰাথমিক দায়িত্ব মাতৃ গৰাকীয়েই ল'ব লাগিব। মাতৃ গৰাকীয়ে শিশুটিক নৈতিক শিক্ষাৰ পাঠ পঢ়াব লাগিব। যিহেতু এজন ছাত্ৰই আক্ষৰিক শিক্ষা যিমানেই আহৰণ নকৰক যদিহে তেওঁৰ নৈতিক শিক্ষা নাথাকে, সমাজত সফল নাগৰিকৰূপে কেতিয়াও চিনাকি দিব নোৱাৰিব।

এটি মলিয়ন দেহ আৰু মলিয়ন বস্ত্ৰই শুদ্ধ চিন্তা আনিব নোৱাৰে। সেয়েহে নৈতিকতাৰ দিশত মাতৃগৰাকীৰ প্ৰথম খোজ হ'ল শিশুটিক স্নান কৰাই পৰিস্কাৰ বস্ত্ৰ পৰিধান কৰাই বিদ্যালয়লৈ পঠোৱা।

দ্বিতীয়তে শিশুটিক ঈশ্বৰমুখী কৰি তোলাৰ ব্যৱস্থাৰে পুৱা-গধূলি প্ৰাৰ্থনা কৰিবলৈ শিকাব লাগে। প্ৰহ্লাদে পাঁচ বছৰ বয়সতে ঈশ্বৰ চিন্তা কৰিছিল। তেনে উদ্ধৃতিৰে নিজৰ শিশুটিক আধ্যাত্মমুখী কৰি তুলিব লাগে। সৰুৰে পৰা আধ্যাত্মিক ভাৱ সম্পন্ন হ'লে পৰৱৰ্তী সময়তো সৎস্বভাৱযুক্ত আৰু সংস্কাৰী হ'ব।

তৃতীয়তে শিশুটিৰ সন্মুখত কোনো কাৰণতে পৰচৰ্চা কৰিব নালাগে। তাৰোপৰি পিতৃ-মাতৃৰ কিবা কাৰণত হাই-কাজিয়া লাগিলেও সন্তানটিয়ে যাতে ঘূণাক্ষৰেও গম নাপাই সেই বিষয়ে সাৱধান হ'ব লাগে। এইবোৰ দেখি শুনি থাকিলে পিতৃ-মাতৃৰ প্ৰতি শিশুটিৰ শ্ৰদ্ধা ভক্তি ভালেখিনি কমি যাব।

চতুৰ্থতে শিক্ষাগুৰু, দীক্ষাগুৰু, আদিগুৰু, অনাদিগুৰু। এই গুৰুসকলৰ এটি সম্যক ধাৰণা দি তেওঁলোক যে পূজ্য যুক্তি সহ বুজাব লাগে। এই দিশত পিতৃ-মাতৃ যে মহাগুৰু সেইয়াও শ্ৰৱণৰ পিতৃভক্তি, গণেশৰ মাতৃভক্তি আদি কাহিনীৰ আলমেৰে গুৰুভক্তিৰ জ্ঞান দিলে সহজে ছাত্ৰজনৰ বোধগম্য হ'ব। তদুপৰি জ্যেষ্ঠজনৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা, দুখীয়া নিচলা আৰু শাৰীৰিক অক্ষম সকলৰ প্ৰতি সহানুভূতিশীল

হ'বলৈ বিভিন্ন কাহিনীৰ আলম লৈ শিক্ষা দিয়া উচিত।

যিমানে সৰু হ'বা, বিনয়ী হ'বা সিমানে মহান হ'বা। গুৰুসকলৰ উদ্ধৃতিৰে কথাষাৰৰ তাৎপৰ্য বুজাব লাগে। সৰ্ব গুণাকৰ হৈও শঙ্কৰদেৱে সদায়েই নিজক কৃষ্ণৰ কিঙ্কৰ ৰূপেহে পৰিচয় দিছিল। মাধৱদেৱৰ দৰে পণ্ডিতেও নিজকে মুৰুখমতি মাধৱ, দাসৰো দাস মাধৱ বুলিহে আত্ম পৰিচয় দিছিল। বদলা পদ্ম আতাইয়ো মাধৱপুৰুষৰ পাশত ধৰ্ম ধৰিবলৈ যাওঁতে মাধৱদেৱৰ পদূলিমুখত থকা তিনিডাল নঙলা এডালো নোখোলাকৈ সৰুৰো সৰু হৈ সৰকি গুৰুজনৰ পাশ পাইছিলগৈ। এনে উদ্ধৃতিৰে উপদেশবোৰ দিলে শিশুটিৰ কাৰণে অধিক মনোগ্ৰাহী হ'ব।

এইবোৰ সকলোৰে জনা সৰু সৰু কথা। কিন্তু এই সাধাৰণ কথাখিনিকে শিশুটিৰ ক্ষেত্ৰত সুন্দৰ উপস্থাপনেৰে প্ৰয়োগ কৰিলে ভৱিষ্যত তাৰ বাবে সেয়াই সোণসেৰীয়া হ'বগৈ।

মাতৃৰ সমান্তৰালকৈ পিতৃৰ দায়িত্বও আছে। সন্তাটিয়ে যাতে কোনো ক্ষেত্ৰতে অভাৱ অনুভৱ কৰিব লগা নহয় সেই সম্পৰ্কত পিতৃ সজাগ হ'ব লাগে, কাৰণ অভাৱেই স্বভাৱ নষ্ট গতিকে অভাৱৰ অজুহাতত শিশুটিৰ যাতে নৈতিক চৰিত্ৰৰ স্খলন নহয়, সেইটোৰ ওপৰত চকু দিব লাগে। তাৰোপৰি কিছুমান পিতৃয়ে সন্তানক শাসনৰ নামত বেয়াকৈ মাৰধৰ কৰে। তেনে, কৰিলে সন্তানটি জেদী হৈ যাব পাৰে। সেয়েহে শাসন সদায় মৰমেৰেই কৰিব লাগে।

এতিয়াৰ পৰা ৩০-৪০ বছৰৰ আগলৈকে আমাৰ সমাজত শিক্ষিত আৰু সচেতন লোকৰ সংখ্যা নগণ্য আছিল। প্ৰতিটো পৰিয়ালৰ কমেও ৮-১০ টা ল'ৰা-ছোৱালী আছিল। সিহঁতবোৰক উপযুক্ত নাগৰিক ৰূপে গঢ় দিয়াত অভিভাৱকসকলৰ আৰ্থিক আৰু বিদ্যায়তনিক দুয়োটা দিশৰে অভাৱ আছিল। তাৰ মাজৰে এচামে স্ব-প্ৰতিভাৰে উচ্চ শিক্ষা লাভ কৰি সমাজত প্ৰতিপত্তি বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। কিন্তু বৰ্তমান যুগৰ আমূল পৰিবৰ্তন ঘটিছে। পিতৃ-মাতৃ সকলো শিক্ষিত হৈছে, তেওঁলোকৰ সন্তান দুটা বা এটাতে সীমাবদ্ধ ৰাখি সিহঁতক উপযুক্ত ৰূপে গঢ় দিবলৈ যথাসাধ্য প্ৰচেষ্টা অব্যাহত ৰাখিছে। আজিকালি প্ৰায়বোৰ মাতৃয়ে এক প্ৰতিযোগিতাৰ মনোভাৱেৰে নিজৰ সন্তানটি ওচৰ চুবুৰীয়াৰ সকলোতকৈ মেধা হওক তেনে চিন্তাৰে শিশুটিৰ লগত বহুত সময় খৰচ কৰে। তেওঁলোকৰ এই বাসনা পূৰণৰ স্বাৰ্থত নৈতিকতাৰ দিশটো আওকাণ কৰি চলে। তেওঁলোকৰ ধাৰণা পঢ়াটোহে আচল, ঈশ্বৰ চিন্তা কৰিবলৈ আৰু নীতি কথা শিকিবলৈ ডাঙৰ হ'লে যথেষ্ট সময় পাব। এনে চিন্তাৰ কি বিষম পৰিণতি হ'ব পাৰে। ইয়াৰ বিপৰীতধৰ্মী এখন চিত্ৰ ডাঙি ধৰা হ'ল। চিত্ৰখন কাল্পনিক নহয়, বৰ্তমান আমাৰ সমাজ ব্যৱস্থাত সহজে দেখা পোৱা এখন চিত্ৰৰ প্ৰতিচ্ছবিহে।

বৰ্তমান অসমৰ বহু ভদ্ৰলোকে নতুন ধনী হৈ গাঁৱৰ মোহ এৰি সন্তানৰ পঢ়াৰ সুবিধাৰ অজুহাত দেখুৱাই নগৰৰ বাসিন্দা হৈছেগৈ। সন্তানকেইটিক সম্পূৰ্ণ নগৰীয়া কৰাৰ স্বাৰ্থতে গাঁৱৰ ৰীতি-নীতি, আচাৰ, সংস্কৃতি সকলো পাহৰি যাবলৈ যত্নপৰ হয়। বিশেষ সকামত গাঁৱৰ ঘৰলৈ আহিলেও বিশেষকৈ মাতৃগৰাকীয়ে সন্তানকেইটিক ককা, আইতা, খুড়া, খুড়ী বা গাঁৱৰ সমনীয়াৰ লগত মুকলিমুৰীয়াকৈ মিলামিছা কৰিবলৈ এৰি নিদিয়ে। কাৰণ গাঁৱলীয়া চবৰ লগত হলি গলি কৰিলে সিহঁতো নষ্ট হ'ব। নাটক, ভাওনা, গীত, নৃত্য,

বিহু এইবোৰ outdated, গতিকে এইবোৰ শিকি গাঁৱলীয়া হোৱাৰ প্ৰয়োজন নাই। ইয়াৰ পৰিবৰ্তে পশ্চিমীয়া সঙ্গীত বা ৰেপ চং আদিৰে টিউচন দিব লাগিব। একমাত্ৰ সন্তানটিক মেধা কৰাৰ স্বাৰ্থতে বিদ্যালয়লৈ যোৱাৰ সময়খিনিৰ বাহিৰৰ সময় অনবৰতে কিতাপতে মূৰ গুজি থকাৰ বাবে দুই তিনিটা টিউচনো যোগাৰ কৰি দিয়ে। ফলত সন্তানটিয়ে শ্ৰেণীৰ পঠনীয়া কিতাপৰ জ্ঞানৰ বাদে বাহিৰৰ পৃথিৱীখনৰ লগত সম্পৰ্ক ৰহিত হৈ পৰে। ফলস্বৰূপে শিশুটিয়ে কেইটামান নতুন কথা শিকে।

(১) পিতৃ-মাতৃক শ্ৰদ্ধা কৰাৰ পৰিবৰ্তে অবজ্ঞাহে কৰিব লাগে তাৰ মাক-দেউতাকে দেখুৱাই অহা আদৰ্শই তাকে প্ৰমাণ কৰে।

(২) ককা, আইতা, খুড়া, খুড়ী মাহী, পেহী, ভাই, ভনী এইবোৰৰ লগত সম্পৰ্ক ৰাখি মিছাতে সময় বৰবাদ।

(৩) জাতীয় সংস্কৃতি, নৈতিক, আধ্যাত্মিক শিক্ষা, দয়া, পৰোপকাৰ, মানৱীয় প্ৰমূল্যবোধ এইবোৰ অদৰকাৰী চিন্তা।

এনেধৰণৰ শিক্ষা অভিভাৱকৰ পৰা লাভ কৰি সন্তানটি হৈ পৰিব কুষ্মাণ্ড। মাক-দেউতাকৰ আপ্ৰাণ চেষ্টা আৰু নিজৰ অধ্যৱসায়ৰ ফলত আক্ষৰিক ভাৱে ডিগ্ৰীধাৰী হৈ এটি চৰকাৰী চাকৰি অথবা এজন ডাক্তৰো হ'ব পাৰে। কৰ্মচাৰী হ'লেও সি হৈ পৰিব টকা ঘটা মেচিন। দায়িত্ববোধ, দেশাত্মবোধ বা কৰ্তব্যবোধ আদিৰ লগত যিহেতু তাৰ সু-পৰিচয় নহ'লেই গতিকে ইয়াতকৈ কি উন্নত চিন্তা কৰিব পাৰে। নিজকে এজন ডাক্তৰ হিচাবে প্ৰতিষ্ঠা কৰিব পাৰিলেও মানৱ সেৱাতকৈ টকাকহে অগ্ৰাধিকাৰ দিব। বৰ্তমান আমাৰ সমাজত এনে নৈতিকতাহীন লোভী লোকে চৰকাৰী চাকৰিত নিয়োজিত হৈ আছে যি ৰাইজৰ উন্নয়নৰ বাবে অহা ধন সমুদায় জেপত সুমুৱাই। অৱশ্যে তাৰ পুৰস্কাৰ স্বৰূপে ৰঙাঘৰৰ আলহী হ'ব লগা হৈছে। তাৰোপৰি নিজ পিতৃ, মাতৃক অৱহেলা কৰা দৃশ্য নিজ চকুৰেই দেখিছে। গতিকে দেউতাকহঁতৰ এই চিন্তাধাৰাক সন্মান জনাই তেওঁৰ ইচ্ছাৰ বিপৰীতে এগৰাকী আধুনিকাক বাচি লৈ জীৱন সঙ্গিনী কৰি তেওঁলোকৰ পৰা আঁতৰি যাব পাৰে। ফলস্বৰূপে বৃদ্ধাৱস্থাত পিতৃ-মাতৃৰ ঠিকনা বৃদ্ধাশ্ৰম হোৱাটোও কোনো আচৰিত কথা নহ'ব।

সেয়েহে তেনে মানসিকতাৰ অভিভাৱকসকলে এটা উপলব্ধি কৰা উচিত আমি ভাত খাওঁতে যেনেকৈ তৰকাৰী, ভাজি আদি সুকীয়াকৈ নাখাওঁ তদ্ৰূপ নৈতিক শিক্ষা আৰু আধ্যাত্মিকতাও শ্ৰেণীসমূহৰ পঠনীয় বিষয়ৰ অংশ বিশেষহে মাথোন।

অভিভাৱক লগতে শিক্ষাগুৰু সকলৰো ছাত্ৰ-ছাত্ৰী সকলক মানৱ সম্পদ ৰূপে গঢ়ি তোলাত যথেষ্ট ভূমিকা আছে। অভিভাৱকৰ কাষত গ্ৰহণ কৰা শিক্ষাসমূহক যদি জুইশাল বুলি ধৰা হয় শিক্ষকৰ ওচৰত গ্ৰহণ কৰা শিক্ষাক কমাৰশাল বুলি ধৰিব লাগিব। এইটোও অনস্বীকাৰ্য যে যি শিক্ষা অভিভাৱকসকলে বহু কষ্ট কৰিও শিশুক দিব নোৱাৰে শিক্ষাগুৰুসকলে সহজে দিব পাৰে। কাৰণ শিক্ষকৰ প্ৰতি ভয় আৰু শ্ৰদ্ধা দুয়োটাই আছে। ভয়ত কৰা শ্ৰদ্ধা আৰু আন্তৰিক শ্ৰদ্ধা দুটা বেলেগ বস্তু। শিক্ষাগুৰু সকলে আন্তৰিক শ্ৰদ্ধা লাভ কৰাৰ বাবেহে যত্নপৰ হ'ব লাগে। আমি বিদ্যালয়ৰ অধ্যয়ন কৰা কালছোৱাত শিক্ষাগুৰুসকলে শ্ৰেণীকোঠাত সোমাওঁতে চক্-ডাষ্টাৰ, হাতপুথিৰ লগতে এডাল বেত লৈ যোৱাটো অলিখিত নিয়ম।

বেতৰ কোব বিশেষকৈ পৰে অনৈতিক কৰ্ম কৰা সকলৰ ক্ষেত্ৰত যেনে লগৰীয়াৰ বস্তু চুৰ কৰা, মিছা কথা কোৱা, জ্যেষ্ঠজন বা শিক্ষকৰ প্ৰতি অসৌজন্যমূলক ব্যৱহাৰ, প্ৰাৰ্থনা কৰাৰ সময়ত উপস্থিত নাথাকি পলাই থকা ইত্যাদি। তেখেতসকলে বিদ্যালয়ৰ সভা-সমিতিবোৰত কোৱা এষাৰ কথা আজি ও মনত আছে- "পঢ়া নোৱাৰিলেও একো কথা নাই, আজি পৰা নাই কাইলৈ পাৰিবা, কিন্তু নৈতিক চৰিত্ৰ যদি স্খলন হয় সৈইয়া এৰুৱাবলৈ বহুত টান হয়।" সেই সময়ত শিক্ষাগুৰুসকলে দিয়া নৈতিক আধ্যাত্মিক উপদেশবোৰ আজিও আমাৰ জীৱনত সোণসেৰীয়া আছে।

এৱা কথা অনস্বীকাৰ্য যে নৈতিক আৰু আধ্যাত্মিক শিক্ষা দিয়াৰ ক্ষেত্ৰত বিদ্যা ভাৰতীয় নীতি নিয়মৰ মতে পৰিচালিত শঙ্কৰদেৱ শিশু নিকেতন অসমৰ অগ্ৰণী শিক্ষানুষ্ঠান সমূহৰ তুলনাত যথেষ্ট আগৰণুৱা। এজন অপৰিচিত লোকে নিকেতনৰ এজন ছাত্ৰৰ পৰিচয় লওঁতেই গম পাই যে তেওঁ শিশু নিকেতনৰ ছাত্ৰ। প্ৰতিষ্ঠানটিৰ গৌৰৱোজ্জ্বল ইতিহাসত যাতে চেকা নপৰে তাৰ বাবে নবাগত আচাৰ্য-আচাৰ্য্যা সকলে বিশেষ ধ্যান দিয়াৰ আৱশ্যক। আজিকালি শিক্ষকসকলেও বিদ্যালয়ত চূড়ান্ত শিক্ষাৰ ফলাফল অধিকতকৈও অধিকতৰ উন্নত হোৱাৰ বাবে চেষ্টা অব্যাহত ৰাখে। এইটো ভাল লক্ষণ। কিন্তু সেইখিনি বিশেষভাৱে মনোযোগ দিবলৈ যাওঁতে নৈতিকতাৰ দিশটো আওকাণ কৰিলে হিতে বিপৰীতহে হ'ব। গতিকে শিক্ষাগুৰুসকলে এই দিশত সদায় চোকা নজৰ ৰখাটো প্ৰয়োজন।

পৰিশেষত ইয়াক ক'ব পৰা যায় যে এইখন শঙ্কৰ মাধৱৰ দেশ য'ত নৈতিক-আধ্যাত্মিক সকলো দিশেই পৰিস্ফুটিত। আচাৰ্য বিনোৱা ভাৱে এই দিশত কৰা এষাৰ মন্তব্য প্ৰণিধানযোগ্য- "মই বিশ্বৰ বহু ধৰ্মৰ সম্পৰ্কত অধ্যয়ন কৰিছো, কিন্তু শঙ্কৰদেৱৰ ধৰ্মৰ দৰে উদাৰ মানৱতাবাদী ধৰ্ম ক'তো বিচাৰি পোৱা নাই।" মহাত্মা গান্ধীয়েও একে সুৰতেই কৈছিল- "মই সঁচাকৈয়ে ভাগ্যবান কাৰণ যি ধৰ্মৰ অৱলম্বনত ৰামৰাজ্যৰ কল্পনা কৰিছো তাতকৈও সুন্দৰ আৰ্হি আজিৰ পৰা পাঁচশ বছৰৰ আগেয়ে শ্ৰীমন্ত শঙ্কৰদেৱে দি গৈছে, মই কেৱল অনুকৰণহে কৰিছো, নতুনত্ব নাই।

উল্লেখিত মনিষী দুজনৰ বক্তব্যৰ পৰাই এইটো স্পষ্ট হয় মহাপুৰুষজনাই মানৱতাবাদ আৰু আধ্যাত্মবাদৰ পোহাৰ মেলি অসমবাসীৰ মনলৈ শুদ্ধতা আনিছিল।

"সকল প্ৰাণীক দেখিবেক আত্মসম।
উপায় মধ্যত ইটো অতি মুখ্যতম।। (কীৰ্তন)

মানৱ সমাজলৈ কি সুন্দৰ মানৱীয় বাৰ্তা। আমি সঁচাকৈয়ে যদি সকলো প্ৰাণীকে আত্মসম দেখো তেন্তে জীৱহিংসা, দ্বেষ আদি আপোনা আপুনি নাইকিয়া হৈ যাব।

"কুকুৰ শৃগাল গদ্দৰ্ভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।" (কীৰ্তন)

অৰ্থাৎ আমাৰ দেহত যেনেকৈ আত্মাৰাম বিৰাজ কৰিছে তেনেকৈয়ে কুকুৰ শিয়াল গাধ আদি ইতৰ জন্তুবোৰৰ প্ৰাণতো বিৰাজ কৰিছে। গতিকে সেই জন্তুবোৰকো ঈশ্বৰৰ সৃষ্টি ভাবি যথাযথ ভাৱে মৰম কৰিব

লাগে। এনেবোৰ কথা যদি শিক্ষক শিক্ষয়িত্ৰীসকলে বা অভিভাৱক সকলে ছাত্ৰজনক শিক্ষা দিয়ে নিশ্চয় তেওঁ ৰাষ্টাইদি গৈ থকা কুকুৰটোক ফৰ্ম্মুঠি বা শিলগুটি নামাৰে। সমস্ত জীৱকূলৰ প্ৰতিও ছাত্ৰাৱস্থাৰ পৰাই হিংসাৰ দৃষ্টি পৰিহাৰ কৰিব। পুনঃস্বঃ

"কৃষ্ণৰ চৰণ চিন্তিবেক হৃদয়ত।
আচন্ত ঈশ্বৰ হৰি সমস্ত ভূতত।"

ছাত্ৰসকলক এইটোও আধ্যাত্মিক জ্ঞান দিব লাগে আমি ঈশ্বৰক বিচাৰি মঠ মন্দিৰ, সত্ৰ, নামঘৰ ক'লৈকো যাব নালাগে। ঈশ্বৰ আমাৰ প্ৰত্যেকৰে হৃদয়ত বিৰাজ কৰিছে। মাধৱদেৱেও ঘোষাত কৈছে-

"আন যত সবে মিছা ভক্তিৰ অভাৱে।"

শিক্ষাৰ্থী সকলক ইয়াৰ যোগে এইটোও বুজাব লাগে।

কৰ্মতকৈ জ্ঞান শ্ৰেষ্ঠ, জ্ঞানতকৈ ভক্তি শ্ৰেষ্ঠ। গতিকে ঈশ্বৰৰ প্ৰতিয়েই হওক কিম্বা গুৰুসকলৰ প্ৰতিয়েই হওক ভক্তিৰ যদি অভাৱ হয় তেওঁৰ সকলো জ্ঞানেই নিষ্ফল।

# বদলা পদ্ম আতাৰ গুৰু প্ৰাপ্তি

বৰনাৰায়ণপুৰৰ সক্ৰাহীৰ তেজাল যুৱক পদ্মৰ যুৱা কালছোৱাত সেই অঞ্চলত ডফলাৰ সঘন উপদ্ৰৱ চলি আছিল। এবাৰ পদ্মই ডফলাৰ লগত যুঁজ দি ঘূৰি আহোঁতে দেখা পালে মানুহকে ধৰি অসংখ্য জীৱ-জন্তুৰ মৃত্যুৰ বিভিষীকা। এই দৃশ্যই পদ্মৰ মনত ইমান দাৰুণ আঘাত দিলে যাৰ ফলত তেওঁৰ অন্তৰত বৈৰাগ্যৰ ভাৱ উদয় হ'ল। এই সংসাৰ ক্ষণ ভঙ্গুৰ; অসাৰ, অলীক। এনে চিন্তাত ব্ৰতী হৈ তেওঁৰ গৃহকাৰ্যত সমূলি মন নিদি ব'ৰাগীসকলৰ সৈতে হৰিনাম গাই ফুৰিবলৈ ধৰিলে। জ্যেষ্ঠভাতৃ শঙ্কৰদাসে পদ্মৰ এই কাৰ্যত হতভম্ব হৈ তেওঁক এই কৰ্ম্মৰ নিবৃত্তি ঘটাই সংসাৰ ধৰ্ম পালন কৰিবলৈ অনেক বুজনি দিও মন ঘূৰাব নোৱাৰাত অতীষ্ঠ হৈ ভায়েকৰ প্ৰতি কঠোৰ অনুশাসন ভাৱ পোষণ কৰিলে। উপায়ন্তৰ হৈ পদ্মই অ'ত ত'ত থাকি শেষত জয়া ভাৰতী নামৰ ব্ৰাহ্মণ এজনৰ তত্বাৱধানত হৰি পুখুৰীৰ পাৰতে এটি পজা নিৰ্মাণ কৰি থাকিবলৈ ল'লে। ভাৰতীৰ পৰা মাধৱদেৱ ৰচিত ৰত্নাৱলী পুথিভাগ পাই পৰম আগ্ৰহেৰে কীৰ্ত্তন কৰি থাকিল। তেওঁৰ ঈশ্বৰ পৰায়ণতা আৰু ভক্তিভাৱ দেখি চাৰিওফালৰ পৰা অনেক লোক আহি দ্ৰব্যবস্তু দিবলৈ ধৰিলে। এদিন জয়া ভাৰতীয়ে ৰত্নাৱলী পুথিভাগ লৈ যোৱাত পদ্ম বিমৰিষ হ'ল। তেওঁৰ এই বিষাদৰ কাৰণ বুজি জয়া ভাৰতীৰ ভাতৃ হৰি ভাৰতীয়ে ৰাজসুয় নামৰ পুথিখন দিয়াত ভৱিষ্যতে আকৌ তেঁৱো পুথিভাগ ঘূৰাই নিয়াৰ আশংকা কৰি কাপ মহী যোগাৰ কৰি পুথিভাগ নকল কৰাৰ ব্যৱস্থা কৰিলে।

ইতিমধ্যে মাধৱদেৱৰ আজ্ঞাপৰ কেশৱচৰণ আতাই উজনীলৈ ধৰ্ম প্ৰচাৰৰ কামত আহি হৰি পুখুৰীৰ পাৰত পদ্মক দেখা কৰিলেহি। পদ্ম আতাই কাপ মহী লৈ পুথি লিখিছেহে মাথোন আতাই পিছফালৰ পৰা কি লিখিছা প্ৰশ্ন কৰাত দুয়োজন মুখামুখি হৈ ভাৱ বিনিময় কৰাৰ অন্তত কেশৱচৰণে ক'লে- "কাপ মহী ভাল নহয়, আৰ্হিও অশুদ্ধ।"

"তেন্তে শুদ্ধ আৰ্হি ক'ত পোৱা যাব" পদ্মই কৌতুহলেৰে সোধাত আতাদেৱে ক'লে-"আমি যাৰ আজ্ঞাত উজনীলৈ আহিছো সেইজনৰে সৃষ্ট এই পুথিভাগ।"

ইতিপূৰ্বে পদ্মআতাই ৰত্নাৱলী পুথিভাগ পোৱাৰ পিছৰ পৰা পুথিভাগৰ ৰচকজনক অপৰিচিত হ'লেও গুৰু মানি শ্ৰদ্ধা প্ৰদৰ্শন কৰিছিল। সেয়েহে কেশৱচৰণ আতাই সেই গুৰুজনৰ সৈতে ভেটাভেটি কৰাই দিয়াৰ দায়িত্ব লোৱাত পদ্ম আনন্দত আত্মহাৰা হ'ল। সেই শুভদিনলৈ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিলে।

পদ্ম আতাৰ এই আকুল আহ্বানে বেহাৰত থকা গুৰুজনৰ হৃদয় স্পৰ্শ কৰিলে। তাহানি শঙ্কৰ গুৰুৱে তীৰ্থ ভ্ৰমণ কৰি বদৰিকাশ্ৰম পাওঁতেই তেৰাৰ সোঁ-বাহু লৰাত অন্তৰাত্মাৰ পৰা সমিধান পালে এইক্ষণত তেৰাৰ এজন পৰম সুহৃদৰ জন্ম হৈছে। সেইদিনাই লেটেকুপুখুৰীত মাধৱদেৱৰ জন্ম। তদ্ৰূপ মাধৱপুৰুষেও উমান পালে অনতি পলমে এজন পৰম সুহৃদক লগ পাব।

গুৰুক লগ পাবলৈ ব্যাকুল হৈ থকা পদ্ম আতাই কেশৱচৰণলৈ বাট নাচাই কেইজনমান তীৰ্থযাত্ৰীৰ

লগ লাগিল। যেনে তেনে গুৰুৰ পাশলৈ যাবই। যথা সময়ত কেশৱচৰণ আতা উপস্থিত হোৱাত সকলো সমস্যা দূৰ হ'ল। তেওঁলোকৰ নৌকা যাত্ৰা আৰম্ভ হ'ল।

ভেলাস্থানত উপস্থিত হৈ ভাটৌকুছি আতাই এজন সু-পুৰুষে ধৰ্ম ধৰিবলৈ আহিছে বুলি গুৰুজনক জান দিলে। মাধৱদেৱেও অন্তৰাত্মাৰ যোগেদি সেই জান পাইছিল। পিছদিনা যথা নিয়মেৰে গুৰু ভাৰ ভেটি লৈ পদ্ম আতাই গুৰু গৃহৰ তিনিডাল নঙলা এড়ালো নোখোলাকৈ তাৰ তলেৰে সৰকি আহি সৰুৰো সৰু হৈ গুৰুমূৰ্তি দৰ্শন কৰি দণ্ডৱতে সেৱা জনালে। গুৰুজনেও বংশ পৰিচয় লোৱাৰ পিছত সুধিলে "আমাক কেনেকৈ জানিলা।"

"বাপ সপোনত তযু কলেৱৰ দেখা পোৱা হ'ল। ৰাজসুয় আৰু ৰত্নাৱলী পুথিৰ মাজেৰে তোম্রাক চিনিলো।"

স্বপ্নত জানো কাৰোবাক চিনা হয়। স্বপ্নত দেখা সকলো দৃশ্য সাৰ পালে পাহৰি যায়। ৰাজসুয় পুথিখনিৰ পদ আমিয়ে ৰচনা কৰিছো।

কথাখিনি কৈ গুৰুজনে পদ্ম আতাক গঙ্গাস্নান কৰি আহিবলৈ কোৱাত আতাই তীৰ্থত তেওঁৰ কাৰ্য নাই, গুৰু সেৱাই তেওঁৰ কাৰ্য বুলি জনালে।

"তীৰ্থত তোমাৰ কাৰ্য নাথাকিলেও তোমাত তীৰ্থৰ কাৰ্য আছে। তীৰ্থ স্নানৰ যাৱতীয় নিৰ্দেশ দি গুৰুৱে দুজন লগৰীয়া দি আতাক তীৰ্থলৈ পথালে।

তাহানি ভগীৰথে গঙ্গাক মৰ্ত্যলৈ নমাই আনোতে গঙ্গাদেৱীয়ে প্ৰশ্ন কৰিছিল- সমস্ত পাপী, তাপীয়ে গঙ্গাস্নান কৰি শুদ্ধ হ'ব। তেওঁলোকৰ পাপৰ বোজা কেনেকৈ বহন কৰিব। উত্তৰত ভগীৰথে কৈছিল পাপীৰ বাদেও অসংখ্য পূণ্যৱান লোকেও গঙ্গাস্নান কৰিব। পাপীৰ পাপৰ বোজা তেওঁলোকেই নিষ্কাষণ কৰিব। তেনে ভাৱতেই মাধৱপুৰুষে আতাক গঙ্গাস্নান কৰিবলৈ পথালে। গঙ্গাস্নান কৰি আতাই গঙ্গাজল, গঙ্গামৃত্তিকা আৰু তেতেলি পদ্মচেনি আনি গুৰুক ভেটিলেহি।

গঙ্গাজলৰ পাত্ৰ চপ্‌চপীয়া হৈ থকা দেখি গুৰুৱে সুধিলে-"গঙ্গাজল পোহ দি আনিছা নেকি?"

পোহ কি বস্তু নাজানে বুলি আতাই নিবেদন কৰিলত গুৰুৱে তেওঁৰ মহিমাৰ কথা বুজি পালে। বহুত তীৰ্থযাত্ৰীয়ে গঙ্গাজল আনে, বাটত শুকাই যোৱাৰ বাবে পোহ দি আনে।

সাতদিন ধৰি গুৰুজনে পদ্মক শৰণ, ভজন, পাৰমাৰ্থিক তত্বৰ একো বাকী নৰখাকৈ সকলো তত্বৰ উপদেশ দি এটা পাত্ৰৰ পৰা আন এটা পাত্ৰলৈ আটাইখিনি জল বাকি দিয়াৰ দৰেই বল, বীৰ্য, শক্তি, ভক্তি সকলো আতাত স্থাপন কৰি তেওঁৰ গাৰ বদল হৈ উজনীত ধৰ্ম প্ৰচাৰ কৰিবলৈ আজ্ঞা কৰাত আতাদেৱে মৃদু আপত্তি কৰিলে। "আমি তোম্রাৰ পাশত থাকি চৰণ সেৱা কৰি থকাৰ হে ইচ্ছা, তদুপৰি অসম দেশৰ বিষম কথা।"

অসম দেশ তেওঁৰ বাবে বিষম নহৈ সুষম হ'ব বুলি অভয় বাণী শুনালে। বিদায় বেলাত গুৰুৱে সোণসেৰীয়া উপদেশ দি ক'লে "কীৰ্তন দশমত শঙ্কৰ গুৰুক চিনিবা, ঘোষা ৰত্নাৱলীত আমাক দেখিবা। মথুৰাদাস, সখা নাৰায়ণ ঠাকুৰ, বৰবিষ্ণু আৰু গোপাল আতাক চিনিলেহে আমাক সম্পূৰ্ণকৈ দেখিবা।" এইবুলি গুৰুৱে আলধৰা হৰিবলভৰ হতুৱাই এই চাৰি শাস্ত্ৰৰ উপৰিও শেহতীয়া ৰচনা নাম মল্লিকাখন আনি

আতাদেৱক অৰ্পণ কৰিলে। লগতে গুৰু প্ৰদত্ত তাল, মালা, সেৱাকৈ থাকিবৰ বাবে অৰ্পণ কৰিলে।

বিদায় পৰত আতাদেৱে দণ্ডৱতে প্ৰাৰ্থনা জনালে "বাপ ভক্ত বস্তুক যেন পাম আৰু ভক্তক পাই প্ৰাণাধিককৈ পুহি ৰাখিব পাৰিম।" গুৰুজন পৰম সন্তোষিত হৈ ক'লে- "উজনীয়া বাপুঘৰ অতকাল কোনেও বাঞ্ছা নকৰা ভক্ত বস্তুক তুমি পাবলৈ প্ৰাৰ্থনা কৰিলা, যেনে বাঞ্ছা তেনে ফল পাবা। তুমি ভকতক পাবা আৰু ভকতে তোমাক লৈ সুখী হ'ব।"

গুৰুজনে হৰিবলভৰ হতুৱাই বাটত ভোজন কৰিবলৈ কল, সান্দহ আৰু প্ৰসাদ দি দুখোজ আগবঢ়াই দি ভকতসকলকো কিছুদূৰ আগবঢ়াই থ'বলৈ আজ্ঞা কৰিলে। আতাদেৱে সলোতক নয়নেৰে গুৰুৱে নেদেখা হোৱালৈকে পিছ হুহকি গ'ল।

বেহেৰীয়া বিষ্ণু আতাই পদ্ম আতাদেৱক অকলে পথাই দিয়াৰ বাবে দুখ কৰিলে- পুৰুষজনক চাউল একঠিৰে নাটিলহেঁতেন নে?

মাধৱদেৱে বিষ্ণু আতাক সান্তনা দি ক'লে- "তেওঁ অকলে যোৱা নাই, আমাৰ বাহটোহে আছে সাহটো তেওঁৰ লগতে গ'ল আৰু তেওঁৰ চাউল তিনি ৰাজ্যৰ লোকে খাব"।

পদ্ম আতা কিছুদিনৰ মূৰত বৰনাৰায়ণপুৰ পাই ২৪ ঠাইত ধৰ্মভেটি স্থাপন কৰি শেষত কমলাবাৰী সত্ৰ প্ৰতিষ্ঠা কৰে। এইজন আতা পুৰুষে ইতিমধ্যে লুপ্ত হ'বলৈ ধৰা গুৰু দুজনাৰ নৃত্য, গীত সমূহৰ উপৰিও কুলুপীয়া ঘোষাসমূহ ভকত পথাই বৰপেটা আৰু মধুপুৰ সত্ৰৰ পৰা আহৰণ আনি কমলাবাৰী সত্ৰত প্ৰচাৰ কৰাই। দূৰদৰ্শী মহান পুৰুষজনাৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলশ্ৰুতিতেই আজিও কমলাবাৰী সত্ৰই গুৰু গুজনৰ কৃষ্টি সংস্কৃতিক সগৌৰৱেৰে দেশে-বিদেশে প্ৰচাৰ কৰিবলৈ সক্ষম হৈছে। সেয়েহে এই মহান পুৰুষজন সৰ্বকালৰ বাবে প্ৰাতঃস্মৰণীয় হৈ থাকিব।

# শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ সাহিত্য সংস্কৃতিৰ অৱদানসমূহ

অসম ভূমিত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ কালছোৱাক সাহিত্য-সংস্কৃতিৰ প্ৰসাৰৰ দিশত সোণালী যুগ বুলি বিবেচিত কৰা হয়। মহাপুৰুষ শঙ্কৰদেৱে ধৰ্ম প্ৰচাৰৰ আনুসঙ্গিক উপাদান ৰূপে যিখিনি সাহিত্য আৰু সংস্কৃতিৰ মেটমৰা ভড়াল বান্ধি থৈ গ'ল সেই অৱদানকে অৱলম্বন কৰি অসমীয়া জাতিয়ে বিশ্বৰ যিকোনো সংস্কৃতিবান জাতিৰ সৈতে সমানে সমানে ফেৰ মাৰিব পৰা হ'ল। গুৰুজনৰ পদাংক অনুকৰণ কৰি মাধৱপুৰুষেও আগবঢ়ালে অনেক সম্ভাৰ। মাধৱদেৱে পাতি যোৱা বাৰজন আচাৰ্যৰ অন্যতম গোপাল আতায়ো নাটক, গীত আদি প্ৰণয়ন কৰি সোণত সুৱগা চৰালে। তেৰাৰ ১২জন আচাৰ্যৰ এজন বিশেষ গুণী আৰু সু-পণ্ডিত আচাৰ্য ভূঞাৰ পো অনিৰুদ্ধদেৱেও জাতিটোৰ নামত উছৰ্গা কৰিলে অনেক অৱদান যি অৱদানৰ জৰিয়তে ধৰ্মগুৰুজনে গঢ়ি তোলা বৃহত্তৰ মায়ামৰা সমাজ কৃতকৃত্য হ'ল।

**ধৰ্মগুৰুজনৰ সাহিত্য সংস্কৃতিৰ এটি খতিয়ান সংক্ষেপে দাঙি ধৰিবলৈ প্ৰচেষ্টা চলোৱা হৈছে**

**১। ভক্তি মঙ্গল ঘোষা ঃ** আজিৰ পৰা ৪৭২ বছৰ আগেয়ে অসম আকাশত উদয় হোৱা শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বিমলজ্যোতি কীৰ্তন আৰু নামঘোষাক একশৰণ ভাগৱতী ধৰ্মৰ সাধন মাৰ্গ শ্ৰৱণ, কীৰ্তন, প্ৰসঙ্গত ব্যৱহাৰ কৰা হ'ল। গুৰুদুজনাৰ বৈকুণ্ঠিৰ পিছত চাৰি সংহতিৰ সৃষ্টি আৰু প্ৰতিটো সংহতিৰ ধৰ্মাধিকাৰসকলে অনেক সত্ৰানুষ্ঠান গঢ় দিয়াত পাঠ আৰু প্ৰসঙ্গত ব্যৱহৃত হোৱা কীৰ্তন আৰু নামঘোষা দুষ্প্ৰাপ্য হৈ পৰিল। যিহেতু সেই সময়ত ছপাশালৰ ব্যৱস্থা নাছিল গতিকে সাঁচিপতীয়া পুথিয়ে প্ৰয়োজনীয় অভাৱ পূৰণ কৰিবলৈ সমৰ্থ নহ'ল। এই অভাৱ পূৰণ কৰিবলৈ ভৱানীপুৰীয়া গোপাল আতাৰ প্ৰপন্ন শিষ্য অনিৰুদ্ধদেৱে ৮০৫ জনা ঘোষাৰে সৈতে নামঘোষাৰ পৰিপূৰক ৰূপে ভক্তি মঙ্গল ঘোষা ৰচনা কৰিলে। নামঘোষাত উপলব্ধ নামছন্দ, ঘোষাছন্দ, বস্তু প্ৰকাশ, যুগধৰ্ম নিৰ্ণয়, নাম অন্বয় এইকেইটা শিতানত থকা মুঠ ১৯৫ ভাগ ঘোষা বাদ দি ১০০০-১৯৫ = ৮০৫ ভাগ ঘোষাৰে ভক্তিমঙ্গল ঘোষাভাগ ৰচিত হৈছে। কবিজনাই মাধৱদেৱৰ দৰেই ভাগৱতৰ উপৰিও পদ্ম পুৰাণ, নৃসিংহ পুৰাণ, নাৰদীয় পুৰাণ, গৰুড় পুৰাণ, চাণক্য নীতি আৰু পাণ্ডৱ গীতা আদি ভালেকেইখন পুথিৰ শ্লোক প্ৰাঞ্জল অসমীয়ালৈ অনুবাদ কৰি সুশ্ৰাব্য পদ ৰচনা কৰি মায়ামৰা সকলৰ লগতে সমূহ অসমীয়া সমাজলৈ ভক্তিৰ পথ মুকলি কৰি থৈ গৈছে। ঘোষাভাগৰ কেইটিমান দিশ হ'ল-

**মায়াতৰণৰ উপায় ঃ** নাৰদৰ উপদেশমতে একমাত্ৰ কৃষ্ণ নাম গুণ শ্ৰৱণ, কীৰ্তনৰ ব্যৱস্থা থকা ভাগৱত পুথি ৰচনা কৰিবলৈ গৈ ব্যাসদেৱে ধ্যান কৰি তেওঁৰ হৃদয়ৰ মধ্যত ভগৱানৰ বাওঁকাষে মায়া মাতৃ আৰু সোঁকাষে ভক্তি মাতৃক দৰ্শন কৰিলে। বিষ্ণুজায়া এই দুই মাতৃ সংসাৰ চক্ৰত প্ৰয়োজন। মায়া নহ'লে সৃষ্টি বৃদ্ধি নহয় আকৌ ভক্তি নহ'লে মোক্ষ নহয়। ব্যাসদেৱে ধ্যানত দেখিলে- মায়ামাতৃ বান্ধন্ত ভক্তি মাতৃ মেলাৱন্ত।

দুইহানো মধ্যস্থ ভাৱে আছে ভগৱন্ত।।
বন্ধৰ মোক্ষৰ হেতু দেখি ব্যাস ঋষি।
ভাগৱত শাস্ত্ৰ পাছে কৰিলা হৰিষি।।

অনিৰুদ্ধদেৱে ভক্তিমঙ্গল ঘোষাত মায়াক মৰ্দন কৰি ভক্তি পথৰ সন্ধান এনেদৰে দিছে-

ঈশ্বৰ বিমুখ হৈয়া জীৱ মায়া শয্যা মাজে নিদ্ৰা গৈয়া
স্বৰূপ পাসৰি বুদ্ধি ভৈলা অচেতন।

যাৰ চৰণৰ কৃপায়েশে চেতন কৰাৰ ততকাল

হেন ঈশ্বৰৰ চৰণে লৈলো শৰণ।।

**হৰিনাম মহিমা ঃ** ভাগৱতৰ ষষ্ঠ স্কন্ধৰ পৰা মহাপুৰুষ শঙ্কৰদেৱে অজামিল উপ্যাখ্যান নামৰ কাহিনী সৃষ্টি কৰি মহাপাপী অজামিলে একমাত্ৰ পুত্ৰ নাৰায়ণৰ নাম লৈয়ে যমদূতৰ পৰা নিস্তাৰ পোৱা বৰ্ণনাৰে হৰিনামৰ মাহাত্ম্য প্ৰকাশ কৰিছে। অনিৰুদ্ধদেৱে লিখিছে-

সমস্ত ধৰ্মক পৰিহৰি প্ৰিয়া পতিব্ৰতা তাকো এৰি

বেশ্যাপতি হৈয়া নিন্দিত কৰ্ম কৰিলা।

নৰকত পৰে হেন বেলা নাৰায়ণ বুলি উচ্চাৰিলা

সমস্ত পাপৰ তেখনে মুকুত ভৈলা।।

গতিকে শ্ৰদ্ধাৰে হৰিনাম স্মৰণ কৰিলে সমস্ত পাপৰ পৰা মুক্ত হ'ব পাৰি বুলি ভক্তিমঙ্গলত পঞ্চম অধ্যায়ৰ ঘোষাৰ মাজেদি কবিয়ে উপদেশ দিছে।

**গুৰু নিৰ্ণয় ঃ** এক কৃষ্ণদেৱত শৰণ লোৱাৰ পিছত গুৰু কোন আৰু গুৰুৱে কেনে কাৰ্য সাধন কৰিব পাৰে তাৰ এটি ব্যাখ্যা অনিৰুদ্ধদেৱে চতুৰ্থ অধ্যায়ত বৰ্ণনা কৰিছে।

অনাদি অবিদ্যা জ্ঞানক হৰিলা হৰি হৰি হৰি হৰি এ

সংসাৰত পৰি আতুৰ ভৈলো অপাৰ।

যাৰ চৰণৰ অনুগ্ৰহ পায়া হৰি হৰি হৰি হৰি এ

জ্ঞানকো লভিলো তেন্তে গুৰু মোৰ সাৰ।।

অনাদি অবিদ্যাৰ পৰা মুক্ত কৰি ঈশ্বৰ চিন্তা কৰিবলৈ যিজনে পথ প্ৰদৰ্শন কৰিলে সেইজনেই আমাৰ জ্ঞানদাতা গুৰু।

এইদৰে অনিৰুদ্ধদেৱে ভক্তি মঙ্গল ঘোষাৰ ৫০ টা অধ্যায়ত জীৱদেহৰ তৰণৰ উপায় প্ৰদান কৰি গৈছে।

সামৰণিত কবিজনাই ঈশ্বৰ কৃষ্ণক গৃহস্থৰূপে আৰু নিজকে কৃত্যৰূপে প্ৰক্ষেপ কৰি বৰ্ণনা কৰিছে। ভৃত্যই গৃহস্থক সেৱা শুশ্ৰূষা কৰাৰ দৰেই তেওঁৱো কৃষ্ণৰ গুণানুকীৰ্তন কৰি সন্তোষ লভিছে। দোষ ত্ৰুটীৰ বাবে ক্ষমা বিচাৰি মহন্তৰ ক্ষমাহে ভূষণ এই কথা প্ৰকাশ কৰিছে।

**ভাগৱত কাহিনী ঃ** মহাপুৰুষ শঙ্কৰদেৱে প্ৰথমে ভাগৱত শাস্ত্ৰভাগ সাধু অসমীয়া ভাষালৈ ভাঙণি কৰা পদাঙ্ক অনুকৰণ কৰি ভালেকেইজন পণ্ডিতে ভাগৱত অনুবাদ কাৰ্য সম্পাদিত কৰে। অনিৰুদ্ধদেৱে পঞ্চম স্কন্ধ ভাগৱত আৰু চতুৰ্থ স্কন্ধৰ ২৫-৩১ লৈ এই অধ্যায়কেইটা ভাঙণি কৰি পুৰঞ্জন উপাখ্যানৰ তাত্বিক দিশ বৰ্ণনা কৰিছে।

**নিজশাস্ত্ৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱে মাধৱদেৱক নামঘোষা লিখিবলৈ ঘোষাৰ সমুদায় আৰ্হি ভাগ বুজাই দিয়াৰ দৰেই গোপালদেৱেও প্ৰিয় শিষ্যজনক নিজশাস্ত্ৰ মত বিভাগীয়া ভাগে ভাগে।

সমস্তক কহিলন্ত প্ৰেম অনুৰাগে।।

গোপালদেৱৰ উপদেশ মতেই অনিৰুদ্ধদেৱে জীৱনৰ বিয়লি বেলাত নাহৰআটী সত্ৰত থকা অৱস্থাতে শাস্ত্ৰ প্ৰণয়নৰ প্ৰচলিত ধাৰা (পদছন্দ)ৰ বিপৰীতে গদ্যত এই পুথিভাগ ৰচনা কৰে। ২০২১ বৰ্ষত আমি নিজে প্ৰণয়ন কৰা শ্ৰীশ্ৰী গোপালদেৱ আৰু শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ ধৰ্ম দৰ্শন পুথিভাগ লিখোতে এই শাস্ত্ৰভাগিৰ সম্পৰ্কত যথেষ্ট কষ্টৰে ড° নোমল গগৈ, ড° বীৰেন্দ্ৰনাথ গোঁহাই আৰু ড° ডম্বৰুধৰ নাথৰ লিখনি বিচাৰি

উলিয়াই পুথিখনৰ বহিঃভাগৰ কিছু তথ্য প্ৰকাশ কৰিছিলো।

ভূৰুকাত হাতী ভৰোৱাৰ দৰে গদ্য আৰু সংস্কৃত শ্লোকেৰে পৰিপূৰ্ণ এই শাস্ত্ৰভাগ পাৰমাৰ্থিক তত্বৰে পৰিপূৰ্ণ। শাস্ত্ৰভাগ বছৰত এবাৰহে মেলা হয়। এই শাস্ত্ৰভাগ কেৱল ৰাতি পাঠ কৰা হয় আৰু শৰণ ভজন লোৱা ভকতসকলেহে ইয়াত ভাগ ল'ব পাৰে। ভকতীয়া লোকসকলৰ বাদে অন্যলোকৰ প্ৰৱেশেই নহয় মনে মনে শুনিলে কাণ কলা হয় আৰু অভকতে পঢ়িলে বোবা হয় বুলি প্ৰচলিত বিশ্বাস আছে।

য'তেই গোপনীয়তা থাকে তাতেই মানুহৰ কৌতুহল বেছি হয় আৰু তাকে লৈ অনেক মুখৰোচক কাহিনী সৃষ্টি হয়। কোনো কোনোৰ মতে আনকি দুই এখন চৰিত পুথিৰ মতেও গোপালদেৱে এখন তাম্ৰক্ষৰী পুথি অনিৰুদ্ধদেৱক দিছিল সেইখনেই ৰাতি পঢ়া পুথি। আদি চৰিত নামৰ জাল পুথিখনৰ মতে অনিৰুদ্ধই তাম্ৰক্ষৰী পুথি চুৰ কৰি আনিছিল। সেয়েহে মাজৰাতি গোপনে পুথিভাগ পঢ়া হয়।

এনেধৰণৰ বিভ্ৰান্তীমূলক কথা জন সমাজৰ পৰা দূৰ কৰিবলৈও আমাৰ পুথিভাগত প্ৰয়াস কৰিছো। এইটো কথা অনস্বীকাৰ্য যে অনিৰুদ্ধদেৱৰ দৰে এজন শুদ্ধ সত্বাৰ বৈষ্ণৱৰ কাপৰ পৰা কোনো কাৰণতে বৈষ্ণৱ দৰ্শনৰ পৰিপন্থী কোনো কথা প্ৰকাশ নহয়। তাহানি মাধৱদেৱৰ নামত কোনো ধুৰন্ধৰে আদি চৰিত লিখোতে বহুত অবিবেচক লোকে সেইয়া সঁচা বুলি ধৰি লৈছিল। তেনে শ্ৰেণীৰ লোকেই নিজ শাস্ত্ৰৰ ওপৰত এনে লঘূ মন্তব্য দিব পাৰে। গতিকে সামান্য বিচাৰবোধ থকা লোকে সহজেই বুজি পাব যে মাধৱদেৱ বা অনিৰুদ্ধদেৱৰ দৰে সন্তই সমাজক বিপথে পৰিচালিত কৰিব পৰা কোনো কথাই নিলিখে। গতিকে গোপনীয়তাৰ কাৰণ যিয়েই নহওক কিয় **"নিজশাস্ত্ৰ"** পুথিভাগ সম্পূৰ্ণ পাৰমাৰ্থিক তত্বৰে পৰিপূৰ্ণ এভাগ পুথি এইয়া সত্য।

**গীতশাস্ত্ৰ ঃ** শ্ৰীশ্ৰী অনিৰুদ্ধদেৱে অন্যান্য ৰচনাৰ লগতে ছয়টি টোটয় ভটিমাৰ সৈতে নকুৰি ২ ভাগ গীত ৰচনা কৰে। চৰিত পুথিত উল্লেখ থকা মতে-

ভাগৱত আদি শাস্ত্ৰ সমস্তৰে সাৰ।
আনি গীত শাস্ত্ৰ এক কৰিলা প্ৰচাৰ।।
নৰকুৰি দুইজনা গীতে কৈলা সীমা।
তাত ছয় গোটা আছে টোটয় ভটিমা।।

ড° মহেশ্বৰ নেওগৰ মতে এই গীতসমূহত কবিত্ব আৰু ভক্তিভাৱৰ সংমিশ্ৰণ ঘটিছে। গীতসমূহত আধ্যাত্মিকভাৱে বেদান্তৰ মৰ্মকথা, ঐকান্তিক ভক্তি, পাৰমাৰ্থিক তত্ব আৰু কৃষ্ণৰ বাল্যলীলা প্ৰকাশ পাইছে। কৃপাহাৰী কৃষ্ণৰ ৰূপ বৰ্ণনা, হৰিনামৰ মাহাত্ম্য, আত্মনিন্দা, এককৰ্ত্তা আদি বিষয়সমূহৰ সমাহাৰ ঘটিছে। শঙ্কৰ মাধৱৰ বৰগীত সমূহৰ দৰেই এফালে কৃষ্ণৰ পৰম পুৰুষত্ব আৰু আনফালে মানৱী লীলা প্ৰকাশ পাইছে। তেৰাৰ প্ৰথম গীতটি হ'ল-

গোপাল সোনাৰ প্ৰভু দেহু দৰিশন।
মহন্তক নেদেখিলে নৰহে জীৱন।।

গুৰু দৰ্শন কৰিবলৈ গৈ গোপালদেৱৰ গৃহতে এই গীতটি পৰিবশেন কৰিছিল।

# বিধৱা বনাম কল্যাণী

বিধৱাঙ্গ এই তিনিটা বর্ণৰ শব্দটিৰ গৰাকীসকলক আমাৰ সমাজৰ এক শ্ৰেণীৰ লোকে পুতৌৰ দৃষ্টিৰে চোৱাৰ বিপৰীতে এচামে আকৌ তুচ্ছ-তাচ্ছিল্য কৰে। আদৰ, সন্মান, মৰম, চেনেহ আদি বিশেষণবোৰ এই সকলৰ ক্ষেত্ৰত যেন বৰ্জনীয়হে। তেনে মানসিকতাৰ লোকসকলেই হয়তো ভাৱে বিধৱাসকল এই মূলকৰ নহয় বৰঞ্চ বেলেগ গ্ৰহৰ পৰা অহাহে। তেওঁলোকে পাহৰি যায় এইসকল যে আমাৰেই মাতৃ, বৌ, ভনী, মাহী, পেহী আদি নাৰীসকল।

এগৰাকী বিবাহিতা নাৰীৰ বাবে স্বামীয়েই অমূল্য ধন যাক কাৰো সৈতে তুলনা কৰিব নোৱাৰি। শিৰত সেন্দুৰ লৈ নতুন ঘৰত প্ৰৱেশ কৰা নাৰী গৰাকীয়ে তেওঁকেই জীৱনৰ সৰ্বোচ্চ বুলি অভিহিত কৰি আদৰ-যতন কৰে। তাৰ মাজতে কিছু ব্যতিক্ৰমী স্বামীও থাকে। নিচাসক্ত, নষ্ট চৰিত্ৰৰ পুৰুষসকলৰ হাতত পত্নীয়ে শাৰীৰিক, মানসিক আদি নানা নিৰ্যাতন ভোগ কৰিব লগা হয়। আনকি পূৰ্বৰ পৰা ৰোগত আক্ৰান্ত যুৱককো বেমাৰ লুকুৱাই মাক-দেউতাকে বিয়া পাতি আনে উদ্দেশ পাৰিলে তাৰ বংশধৰ এটা হওক। এই সকলোবোৰ জনাৰ পিছতো নাৰী গৰাকীয়ে একমাত্ৰ শিৰৰ সেন্দুৰকণ ৰক্ষাৰ স্বাৰ্থত স্বামীৰ সকলো নিৰ্যাতন সহ্য কৰাৰ লগতে ৰোগীজনকো পাৰ্যমানে সেৱা শুশ্ৰূষা আগবঢ়ায়। কিন্তু তাৰ মাজতো যদি স্বামীৰ মৃত্যু হয় তেতিয়া সেই গৰাকী নাৰী হৈ পৰে কুলক্ষিণী, শাখিনী। বিভিন্ন বিশেষণেৰে তিৰস্কৃত কৰা নাৰীগৰাকীৰ ইচ্ছা, অনিচ্ছা, আশা, আকাংক্ষা আদিক ভৰিৰে মোহাৰি সমাজ ব্যৱস্থাৰ দোহাই দি খোৱা-বোৱা, পিন্ধা-উৰা আৰু চলন-ফুৰণত বাধা আৰোপ কৰি তেওঁ যে অন্য নাৰীতকৈ বেলেগ সেইটো বুজাবলৈ দিয়া হয়। এনেকুৱা অলেখ উদাহৰণ আছে যদিও শেহতীয়াকৈ গত ৯ জুনৰ ডঃ স্বাতী কিৰণ নামৰ অধ্যাপক গৰাকীয়ে নিয়মীয়া বাৰ্তাত উল্লেখ কৰা এটা কাহিনী প্ৰকাশ কৰিলো।

তামুলপুৰৰ এজন যুৱক বিবাহৰ পিছত কৰ্মসূত্ৰে বাঙ্গালোৰলৈ যায় আৰু তাতেই অসুস্থ হৈ মৃত্যু বৰণ কৰে। ক'ভিদ মহামাৰী চলি থকা বাবে মৃতদেহ তাতেই সংস্কাৰ কৰিব লগা হ'ল। জীৱনৰ আটাইতকৈ কৰুণ দুঃসম্বাদটো পাই মহিলা গৰাকী অচেতন হৈ পৰিল। তেনে অৱস্থাতে আধুনিক সাজ-পোছাক পিন্ধা এদল পুৰুষ মহিলাই অচেতন অৱস্থাতে ৰঙীন সাজযোৰ খুলি বগা সাজ পিন্ধোৱাৰ উপৰিও কাণৰ, ডিঙিৰ অলংকাৰ খহাই পেলালে। ইমানতে ক্ষান্ত নহৈ টানি আজুৰি খুলিব নোৱাৰা সোণৰ খাৰু দাৰে কাটি উলিয়াই আনিলে। ন-মহীয়া গৰ্ভাৱতী তিৰোতা গৰাকীক সেই সময়ত পৰিচাৰ্য কৰি সুস্থ কৰি তোলাৰ বিপৰীতে এনেদৰে বস্ত্ৰালংকাৰ খুলি পৈশাচিক তৃপ্তি লাভ কৰা সকলৰ কাণ্ড দেখি শুনি অনুভৱ হয় সঁচাকৈয়ে আমি সভ্য দেশৰ নাগৰিকনে?

শুনিবলৈ আচহুৱা হ'লেও এটা কথা সত্য নাৰীয়েই নাৰীৰ শত্ৰু। অন্য বিষয়ৰ কথা নকওঁ, বিধৱা নাৰীসকলক দুৰ্ভোগ ভোগোৱাত আটাইতকৈ বেছি অৰিহণা যোগাই সেইসকল নাৰীয়েই যিসকলে সেই নাৰী গৰাকী বিধৱা হোৱাৰ আগলৈক এক মধুৰ সম্পৰ্ক ৰাখিছিল। তেওঁলোকেই প্ৰতিবেশী গৰাকীক স্বামী ঢুকুৱাৰ দুই-তিনিদিন নৌ-যাওঁতেই বিধৱাৰ নীতি-নিয়মবোৰ কঠোৰভাৱে পালন কৰিবলৈ বাৰে বাৰে সকিয়াইছিল। এনেদৰে অসহায় হৈ পৰা নাৰী গৰাকীক মনোকষ্ট দি আসুৰিক তৃপ্তি লাভ নাৰীসকলে এটা

কথা চাগে পাহৰি যায় যে বিধৱা হোৱাৰ কোনো নিৰ্দিষ্ট চন তাৰিখ বা বয়সৰ সীমা নাই। তেনে পৰামৰ্শ দিয়া গৰাকী নিজেই দুদিন পিছতে বিধৱা সাজ পিন্ধিব লগা হোৱাটো একো আচৰিত হ'ব লগা নাই। আমি দেখি থকাতেই এগৰাকী ৮০-৮৫ বছৰীয়া আইতাৰ কপালত সেন্দুৰৰ ফোট জিলিকি আছে অথচ তেওঁ কোচত লৈ ডাঙৰ কৰা ভনী, ভতিজা, ভাগিনী আদিয়ে অকাল বৈধব্য ভোগ কৰিছে।

আমি এই দুৰ্ভগীয়া বিধৱা সকলৰ ওপৰত চলি থকা সামাজিক বৈষম্যবোৰ দূৰ কৰাৰ মানসেৰে বাতৰি কাকত, আলোচনীৰ যোগেদি লিখনী প্ৰকাশ কৰাৰ লগতে সভা-সমিতিত বক্তব্য আগবঢ়াইছিলো। আমাৰ এই প্ৰচেষ্টাৰ শলাগ লৈ অসমৰ বিভিন্ন ঠাইৰ বহু বিধৱা নাৰীয়ে তেওঁলোকে ভোগ কৰা মানসিক যন্ত্ৰণাবোৰ এটি আভাযো দাঙি ধৰিছিল। লগতে এইবোৰ জনমানসত ডাঙি ধৰিবলৈ চেষ্টা কৰাৰ বাবে আমাক ধন্যবাদ দিছিল। সেই সকলৰ  বক্তব্যৰ পৰা বুজি উঠিছিলো একেখন সমাজত বাস কৰাৰ পিছতো তেওঁলোক কিমান অকলশৰীয়া। আমাৰ এই প্ৰচেষ্টাৰ সহযোগী হৈছিল মৰিগাঁও, গুৱাহাটী, ৰাজগড় আৰু কাৰ্বি আংলঙৰ তিনিগৰাকী মানৱ দৰদী মহিলা।

গতিকে উপকাৰিতা থাকিলেও একমাত্ৰ ব্ৰাহ্মণ বিধৱাৰ ক্ষেত্ৰত একক ভাৱে এই খাদ্যাভ্যাস জাপি দিয়াটো উচিতনে? আমি ভাৱো সমাজে হকা-বাধা নকৰি এই সিদ্ধান্ত তেখেতসকলক নিজাকৈ ল'বলৈ দিব লাগে।

এগৰাকী বিবাহিত মহিলাৰ মৃত্যু হ'লে সমাজ ব্যৱস্থাত তাৰ কোনো আঁচোৰ নপৰে। বৰঞ্চপত্নীহাৰী স্বামীজনক যিমান সোনকালে পাৰি দ্বিতীয় বিবাহত বহিবলৈ প্ৰেৰণা যোগোৱা হয়। ইয়াৰ বিপৰীতে এগৰাকী কম বয়সীয়া নাৰীয়ে যদি  স্বামীক হেৰুৱাব লগা হয়, তেন্ত তেওঁৰ ওপৰত অনেক সামাজিক বাধা-নিষেধ আৰোপ কৰা হয়। মনৰ ৰঙীন সপোনবোৰ আৰু ভোগ-বিলাস, কামনা-বাসনাসকলো সামাজিক বাধ্য-বাধকতাই নিঃশেষ কৰি পেলায়। 'ৰঙীন কাপোৰ নিপিন্ধিবা, সমাজৰ যিকোনো মাংগলিক কৰ্মত অংশ গ্ৰহণৰ পৰা বিৰত থাকিবা আদি। ব্ৰাহ্মণৰ বিধৱা হ'লে আৰু এখোপ চৰা। 'মাছ, মাংস, ম'হৰ গাখীৰ,মচুৰ দাইল নাখাবা, অম্বুবাচীৰকেইদিন অন্ন নাখাবা, যদি খোৱা মাহাপাপত লিপ্ত হ'বা।

এয়া এগৰাকী স্বামীহাৰা দুৰ্ভগীয়া নাৰীৰ প্ৰতি সামাজিক ন্যায়ৰ নমুনা। অৱশ্যে আজিকালি বিধৱা বিবাহ প্ৰচলন হৈছে যদিও মসৃণ নহয়। এনে বিবাহৰ বাবে আগবাঢ়ি অহা যুৱকজনৰ প্ৰতি বক্ৰোক্তি— সি আৰু ছোৱালী বিচাৰি নাপালে, সেই বিধৱাজনীহে পালেগৈ। তেনেধৰণৰ কথা তেওঁ শুনি সহি থাকিব লগা হয়। বয়সস্থসকলৰ ক্ষেত্ৰত দ্বিতীয় বিবাহৰ প্ৰাসংগিকতা নাথাকে যদিও স্বামীহাৰা হোৱাৰ আগতে সমাজত পাই অহা আগস্থান হেৰুৱাব লগা হয়। বিধৱাই সমাজৰ যিকোনো ধৰণৰ মাংগলিক কৰ্মত আগস্থান ল'ব নাপায়— এই কথাষাৰ তেওঁক বাৰে বাৰে সোঁৱৰাই থকা হয়।

এটা কথা ভাবি আচৰিত হ'বলগীয়া হয় যে যি সময়ত বিভিন্ন নাৰী সংগঠনে পুৰুষৰ সৈতে সম-অধিকাৰ বিচাৰি নানাধৰণৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে, তেনে সময়তো বিধৱাসকলৰ ওপৰত চলি থকা অমানৱীয় সামাজিক আচৰণবোৰৰ বিৰুদ্ধে কোনোদিনেই নাৰী সংগঠনে প্ৰতিবাদ কৰা দেখা নাযায়। মানে বিধৱাসকল নাৰী নহয় নেকি? তদুপৰি বিধৱাসকলৰ মাজত বহু শিক্ষিত আৰু সমাজ সচেতন নাৰীও আছে, যি তেওঁলোকৰ ওপৰত থকা সামাজিক বৈষম্যবোৰ আঁতৰ কৰাৰ বাবে কোনো প্ৰতিবাদ নকৰেই, বৰঞ্চ এই অবিচাৰবোৰ প্ৰাপ্য বুলি বিনা প্ৰতিবাদে মানি লয়। আমি ব্যক্তিগতভাৱে কেইবাগৰাকী তেনে

ভুক্তভোগীক প্ৰতিবাদ কৰিবলৈ উৎসাহ যোগোৱাৰ পিছতো তেওঁলোক নিৰুদ্বেগ। আনকি চৰ শতিকাত নাৰীয়ে মহাকাশত বিচৰণ কৰাৰ সময়তো পৃথিৱী ৰজস্বলা হয় আৰু সেই অম্বুবাচীৰ চাৰি দিন বিধৱাই অন্ন খাব নাপায় বোলা চলি থকা প্ৰবচন আমাৰ বিধৱাসকলে অতি নিষ্ঠাৰে মানি চলে।

আমাৰ সীমিত জ্ঞানেৰে ক'ব খোজো যে বিধৱাৰ ওপৰত বেদ, উপনিষদ আৰু বৈদিক গ্ৰন্থসমূহে এনে ধৰণৰ কোনো প্ৰতিবন্ধকতা আৰোপ কৰা নাই। তাৰ বিপৰীতে শেহতীয়াকৈ পুৰুষতান্ত্ৰিক সমাজখনত নাৰীক ভৰিৰ তলত ৰখাৰ উদ্দেশ্যে এচাম লোকে সৃষ্টি কৰা নিয়মহে এইবোৰ। তাৰ বাবে তেওঁলোকে শ্ৰুতি স্মৃতি আদি প্ৰণয়ন কৰি গৈছে আৰু এইবোৰকে বেদবাক্য বুলি আমাৰ সমাজে গ্ৰহণ কৰিছে।

**খাদ্যাভ্যাস ঃ** অসম আৰু বঙ্গদেশত জলবায়ুৰ ওপৰত নিৰ্ভৰ কৰি আমিষ খাদ্যক সূষম খাদ্যৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছিল। সেয়েহে ভাৰতবৰ্ষৰ অন্যান্য ঠাইত ব্ৰাহ্মণৰ নিষিদ্ধ খাদ্য এই দুখন ৰাজ্যত গ্ৰহণীয় আছিল। সমস্যাটো আহিল তাৰ পৰাই। অসমৰ ব্ৰাহ্মণৰ ব্যতিৰেকে অন্যান্য বিধৱাসকলৰ গ্ৰহণীয় আমিষ খাদ্য একমাত্ৰ ব্ৰাহ্মণ বিধৱাৰ ক্ষেত্ৰতহে বৰ্জনীয় হ'ল। এইসকলক কিছুমান বাধ্য-বাধকতা দেখুৱাই নিৰামিষহাৰী কৰিবলৈ এক প্ৰকাৰ বাধ্য কৰোৱা হ'ল। গতিকে একেখন গৃহতে একেটা পাকঘৰতে আমিষ আৰু নিৰামিষহাৰীৰ সমাহাৰ হোৱাত এক আহুকলীয়া পৰিস্থিতিৰ সৃষ্টি হ'ল। অৱশ্যে এইটোও শুদ্ধ নিৰামিষ শুদ্ধ সাত্বিক আহাৰ শৰীৰ, মন উভয়ৰ বাবে শুভ ফলদায়ক। যিসকল আৰম্ভণীৰ পৰাই নিৰামিষহাৰী সেইসকল সুখী লোক।

ভাৰতবৰ্ষত মোগল ৰাজত্ব কালত এক বিশেষ পৰিস্থিতিত উচ্চ হিন্দু সকলৰ মাজত বাল্য বিবাহ প্ৰচলন কৰা হৈছিল আৰু সেই একেই কাৰণত বিধৱা হোৱা সকলকো লোক চক্ষুৰ আঁতৰত ৰখাৰ উদ্দেশ্যে খোৱা, পিন্ধা, চলন-ফুৰণ আদিত বিভিন্ন বাধা-নিষেধ প্ৰৱৰ্তন কৰা হৈছিল। পৰিৱেশ পৰিস্থিতি সলনি হ'ল কিন্তু চলি থকা নিয়ম সলনি নহ'ল। নতুন নতুন সংজ্ঞাৰে এই ব্যৱস্থাটো জীয়াই ৰখা হ'ল। অৱশ্যে স্বাধীন ভাৰতত ১৯৫০ চনৰ পৰা বাল্য বিবাহ প্ৰথা বন্ধ হ'ল যদিও বিধৱাৰ ওপৰত চলি থকা সামাজিক বৈষম্য নতুনকৈ সাৰ-পানী দি জীয়াই ৰখাৰ ব্যৱস্থা কৰা হ'ল। অৱশ্যে কিছুমান পিছপৰা সমাজত বাল্য বিবাহ লুকাই-চুৰকৈ এতিয়াও চলি আছে। সমাজ সচেতকসকলে এনে খবৰ পালে ততালিকে প্ৰশাসনক জনালে এই দুষ্কাৰ্য কৰিবলৈ ভয় কৰিব।

সুখৰ বিষয় যে সন্মিলিত ৰাষ্ট্ৰসংঘই বিধৱা সকলৰ কাৰণে কাম কৰা পুষ্পাৱতী লুম্বাৰ বিধৱা হোৱাৰ তাৰিখ ২৩ জুন ১৯৫৪ চনৰ পৰাই উক্ত তাৰিখে International Widdows Day নামেৰে ঘোষণা কৰি স্বামীহাৰী বিধৱাসকলক কিছু সকাহ দিয়াৰ ব্যৱস্থা কৰিছে।

২০১৭ চনৰ ৯ মাৰ্চ তাৰিখে মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰী শিৱৰাজ সিং চৌহানে আন্তৰ্জাতিক নাৰী দিৱসৰ সভাত স্বামীহাৰা নাৰীসকলক বিধৱা নামকৰণৰ পৰিবৰ্তে কল্যাণী নামকৰণ কৰিবলৈ ৰাজ্যবাসীক আহ্বান জনাই আৰু সেই কল্যাণী সকলৰ কল্যাণৰ অৰ্থে বিভিন্ন কাৰ্যপন্থা ল'বলৈ মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰীক দায়িত্ব দিয়ে।

অসমতো বৰ্তমান চৰকাৰে সদ্য বিধৱা সকলক এককালীন সাহাৰ্য দিয়াৰ উপৰিও বিধৱা পেঞ্চনৰ দিহা কৰি মানৱীয়তাৰ নিদৰ্শন দাঙি ধৰিছে। অৱশ্যে এনে বহুত বিধৱা আছে যাক চৰকাৰী অনুগ্ৰহৰ প্ৰয়োজন নাই। তেওঁলোকৰ চাকৰি, গাড়ী, ঘৰ, মাটি সকলো আছে যদিও তেওঁলোক নিঃস্ব। এইসকলক পুতৌ

নকৰি অন্যান্য নাৰীৰ সমমৰ্যদাৰে জীৱন-যাপন কৰি যাবলৈ সুবিধা দিয়াটো সমাজৰ দায়িত্ব।

**আমাৰ বক্তব্য ঃ** বিধৱা নাৰীসকলে ভোগ কৰি অহা বৈষম্যবোৰ দূৰ কৰাৰ অৰ্থে বিভিন্ন সময়ত লেখকৰ লিখনীসমূহ বাতৰি কাকতৰ যোগে প্ৰচাৰ হৈছে। ইয়াৰ ইতিবাচক সঁহাৰিও নহাকৈ থকা নাই। যিহেতু পূৰ্বৰ কঠোৰতা ভালেখিনি শিঠিল হৈছে। বাকীখিনিও নিৰাময়ৰ বাবে কিছু ফলপ্ৰসু ব্যৱস্থা ল'লেই বিষয়টো সমাধান হ'ব।

(১) পৰিয়াল পৰিজন থকা বয়সস্থ সকলক লৈ বিশেষ সামাজিক সমস্যা নাই, মাত্ৰ তেওঁলোকক মনোকষ্ট নোপোৱাকৈ অন্যান্য নাৰীৰ সৈতে সমমৰ্যাদা দিব লাগে।

(২) কম বয়সীয়া বিধৱাসকলক সঙ্গীবিহীন ভাৱে দীঘলীয়া অন্ধকাৰ ভৱিষ্যতলৈ ঠেলি দিয়াৰ বিপৰীতে সামাজিক সংগঠনবোৰে আগভাগ লৈ তেওঁলোকৰ এজন সঙ্গী বিচাৰি বিয়া পাতি দিলেই সকলো সমস্যা সমাধান ঘটিব। সুখৰ কথা বিধৱা বিবাহ আজিকালি সমাজে স্বীকৃতি দিছে। গতিকে যিসকল যুৱকে তেনে নাৰী বিয়া পাতে তেওঁ জীৱন সঙ্গিনী পোৱাৰ সমান্তৰালকৈ এজনী দুৰ্ভগীয়া নাৰীৰ জীৱন উদ্ধাৰ কৰি মানৱীয়তাৰ নিদৰ্শন দাঙি ধৰি সমাজৰ আদৰ্শ হৈ ৰ'ব।

শেষত নীতিবাক্য এযাৰৰ যোগেদি উল্লেখ কৰিব খুজিছো যে "কাৰো প্ৰাণক কষ্ট নিদিবা, ভগৱান ৰুষ্ট হ'ব।"

# সহায়ক গ্ৰন্থপঞ্জী আৰু প্ৰবন্ধ


| | | |
|---|---|---|
| ১। | ভাগৱতৰ ভক্তিৰস | কথা ভাগৱত, কীৰ্তন পুথি |
| ২। | ভক্ত ভগৱন্ত, আত্মা পৰমাত্মাৰ মহামিলন | তত্ব কথা- লক্ষ্মীনাথ বেজবৰুৱা, শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ |
| ৩। | শ্ৰীমন্ত শঙ্কৰদেৱ অধ্যয়ন আমাৰ চিন্তন | বিষয় শঙ্কৰদেৱ ঃ ড° নগেন শইকীয়া<br>ঐতিহ্যবীক্ষা আৰু<br>শঙ্কৰদেৱ অধ্যয়ন ঃ ড° প্ৰদীপজ্যোতি মহন্ত (প্ৰবন্ধ) |
| ৪। | শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ নাহৰআটী থানৰ ইতিহাস | শ্ৰীশ্ৰী গোপালদেৱ, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ<br>সাম্যবাদী ধৰ্ম দৰ্শন- প্ৰফুল্ল শৰ্মা ভাগৱতী |
| ৫। | নৱ বৈষ্ণৱ ধৰ্মত সংহতি বিভাজন | চাৰি সংহতি আৰু ইয়াৰ<br>উৎপত্তি বিচাৰ ঃ গজেন হাজৰিকা |
| ৬। | ৰাজদ্ৰোহী, দেশদ্ৰোহী | আহোমৰ দিন ঃ হিতেশ্বৰ বৰবৰুৱা |
| ৭। | শংকৰদেৱৰ ধৰ্মীয় দৰ্শন | নামঘোষাৰ তত্ব দৰ্শন ঃ বাপচন্দ্ৰ মহন্ত |
| ৮। | মাধৱ বৈকুণ্ঠে গ'ল গোপাল উদয় ভৈল | শ্ৰীশ্ৰী গোপালদেৱৰ গীত<br>ঘোষা আৰু নাট ঃ শ্ৰীশ্ৰী গোপালদেৱ সেৱা সমিতি |
| ৯। | সত্ৰীয়া নৃত্য-গীতৰ সম্পৰ্কে যৎকিঞ্চিত | সত্ৰীয়া নৃত্যৰ ৰূপৰেখা ঃ গোবিন্দ শইকীয়া |
| ১০। | নাট-ভাওনাত ৰস বিচাৰ | মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ<br>অংকীয়া নাট ঃ ড° প্ৰদীপ হাজৰিকা<br>ড° ইন্দিৰা বৰা শইকীয়া |
| ১১। | বিনে গুৰু চৰণ | প্ৰবন্দ ঃ ড° লক্ষীনন্দন বৰা, ড° ডম্বৰুধৰ নাথ |
| ১২। | মায়ামৰা সমাজৰ ইতিবৃত্ত | ড° নোমল গগৈ, বেণুধৰ শৰ্মা |
| ১৩। | বদলা পদ্ম আতাৰ গুৰু প্ৰাপ্তি | ঐ |
| ১৪। | শ্ৰীশ্ৰী কমলাবাৰী সত্ৰৰ ইতিবৃত্ত | কমলাকান্ত গোস্বামী, উত্তৰ কমলাবাৰী সত্ৰ |
| ১৫। | অংকীয়া ভাওনা ভক্তি ধৰ্ম প্ৰচাৰৰ<br>এক অনবদ্য অৱদান | ড° প্ৰদীপ হাজৰিকা, ড° ইন্দিৰা বৰা শইকীয়াৰ<br>পূৰ্বোক্ত গ্ৰন্থ |

# অনিৰুদ্ধদেৱৰ "নিজশাস্ত্ৰ"ৰ সামাজিক অ-প্ৰলাপ সম্পৰ্কত বক্তব্য।

শ্ৰী প্ৰফুল্ল শৰ্মা ভাগৱতী
বিহপুৰীয়া, লখিমপুৰ

উজনি অসমৰ এক উল্লেখযোগ্য সম্প্ৰদায় হ'ল মায়ামৰা বৈষ্ণৱ সমাজ। এই সমাজৰ আদ্যগুৰু শ্ৰীশ্ৰী অনিৰুদ্ধদেৱে জীৱনৰ বিয়লি বেলাত এভাগী গদ্যশাস্ত্ৰ তেৰাৰ গুৰু গোপালদেৱৰ আজ্ঞাপৰে প্ৰণয়ন কৰিছিল। শাস্ত্ৰভাগ মায়ামৰা সমাজে বৰ্তমানেও অত্যন্ত গোপনীয় শাস্ত্ৰৰূপে মানি আহিছে। অ-মায়ামৰাতো বাদেই খোদ মায়ামৰা সমাজৰ শৰণ, ভজন, পাৰমাৰ্থিক তত্বলৈ শুদ্ধ ভকতৰ শাৰীলৈ উত্তীৰ্ণ নোহোৱা ভকতসকলেও শাস্ত্ৰভাগ দেখা, শুনাৰ পৰাও বঞ্চিত হৈ আছে। গোপনীয়তাৰ কাৰণ বিচাৰ নকৰি শাস্ত্ৰভাগ যে অপাঠ্য বা বিভ্ৰান্তিমূলক নহয় তাকে প্ৰতীয়মান কৰিবলৈ ক্ষুদ্ৰ প্ৰচেষ্টা চলোৱা হৈছে।

**নিজশাস্ত্ৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱে মাধৱদেৱক নামঘোষা লিখিবলৈ পৰামৰ্শ দি ঘোষাভাগ লিখাৰ সমুদায় আৰ্হি ভাগ ভাগকৈ দি যোৱাৰ দৰেই গোপালদেৱেও "নিজশাস্ত্ৰ মত বিভাগিয়া ভাগে ভাগে।
সমস্তকে কহিলন্ত প্ৰেম অনুৰাগে।।" অৰ্থাৎ নিজশাস্ত্ৰখন অনিৰুদ্ধদেৱক ৰচনা কৰিবলৈ, ইয়াত কি কি বিষয় সন্নিবিষ্ট হ'ব সেইয়া গোপালদেৱে বুজাই দিছিল। সেই সময়ৰ শাস্ত্ৰ প্ৰণয়নৰ যি ধাৰা (পদচন্দ) তাৰ বিপৰীতে গদ্য ভাগত শাস্ত্ৰভাগ অনিৰুদ্ধদেৱে নাহৰআটীত সত্ৰ পাতি থাকোতেই জীৱনৰ ভাটি বেলাত প্ৰণয়ন কৰিছিল। ড° বীৰেন্দ্ৰ কুমাৰ গোঁহাই আৰু ড° ডম্বৰুধৰ নাথ এই দুয়ো শিক্ষাবিদ পণ্ডিতে অত্যন্ত গোপনীয় "**নিজশাস্ত্ৰ**"ভাগৰ কিছু আভাস দাঙি ধৰিছে। ইয়াৰ আধাৰতে আমি শাস্ত্ৰভাগীৰ বহিঃভাগৰ বৰ্ণনা প্ৰকাশ কৰিছো।

"শঙ্কৰায় নমো নিজং মাধৱেন সমন্বিতম্ ভক্তানপি নমো বন্দে"- এইদৰে শঙ্কৰ, মাধৱ আৰু ভকতসকলক নমস্কাৰেৰে আৰম্ভ কৰিছে। নিজশাস্ত্ৰত বিশেষকৈ দেশে কালে অপৰিছন্ন, সচিদানন্দ ঈশ্বৰ সৰ্বব্যাপী সৰ্বদ্ৰষ্টা ভগৱানক তৰিবৰ ন বিধ ভক্তি, ভকতৰ শ্ৰেণী, শৰণৰ প্ৰকাৰ, যুগধৰ্ম, নিষ্কাম ভক্তি, জ্ঞান-বিজ্ঞানৰ তৰঙ্গ, ৰহস্য, ঈশ্বৰ জীৱভক্ত আৰু মুক্ত জীৱন লক্ষণ, মায়া, যোগ আদি বিভিন্ন বিলাস, ভক্তি, ব্যভিচাৰ, গুৰুৰ প্ৰয়োজনীয়তা আৰু সৎসঙ্গ আদি ভকত বৈষ্ণৱৰ কৰণীয় বিষয়সমূহ গীতা, ভাগৱতৰ মূল শ্লোক উদ্ধৃতি আৰু সিবিলাকৰ গদ্য ভাঙনি সহকাৰে উপস্থাপন কৰা হৈছে।- (ড° নোমল গগৈ)

ভূৰুকাত হাতী ভৰোৱাৰ দৰে এই গদ্য আৰু সংস্কৃত শ্লোকেৰে সম্পূৰ্ণ নিজশাস্ত্ৰ পাৰমাৰ্থিক ভকতসকলৰ সাৰবস্তু। এই শাস্ত্ৰ কেৱল ৰাতি পাঠ কৰা হয় আৰু শৰণ-ভজন লৈ সম্পূৰ্ণভাৱে ভকতীয়া লোকৰ বাহিৰে অন্যলোকৰ প্ৰৱেশ নিষিদ্ধ। মনে মনে শুনিলে কলা হয় বা পগলা হয়, অভকতে পঢ়িলে অন্ধ হয়- এনে বিশ্বাস প্ৰচলিত আছে। নিজশাস্ত্ৰৰ মাহাত্ম্য মায়ামৰা সমাজত অতি বেছি। সেৱাত প্ৰয়োজনীয় পিঠাগুৰি, পকা মিঠৈ আদি দ্ৰব্য বিশুদ্ধ আৰু পৰিস্কাৰভাৱে মায়ামৰীয়া ভকতনীয়ে প্ৰস্তুত কৰে। নিষ্কামভাৱে এই কৰ্ম নকৰিলে ধৰ্মদোষ লাগে বুলি মায়ামৰা সকলৰ বিশ্বাস। এই সেৱা বছৰত এবাৰ মাঘ-ফাগুন মাহত অনুষ্ঠিত হয়।- (ড° বীৰেন্দ্ৰনাথ গোঁহাই লিখনীৰ আঁত ধৰি)

আমাৰ অসমীয়া সমাজত সাধাৰণতে এটা স্বভাৱ দেখা যায় যে "গোপনীয়" শব্দটো য'তেই ব্যৱহাৰ কৰা হয় তাৰ ওপৰত বিভিন্ন কল্পিত কাহিনী তৈয়াৰ কৰি কুৎসা ৰটনা কৰা হয়। অনিৰুদ্ধদেৱ ৰচিত শাস্ত্ৰভাগ গোপনীয় আৰু এই শাস্ত্ৰ অ-মায়ামৰাসকলেতো বাদেই মায়ামৰাসকলৰো উচ্চ পৰ্যায়ৰ ভকতেহে এই শাস্ত্ৰ দেখা আৰু শুনাৰ অধিকাৰ লাভ কৰে। এই গোপনীয়তাক লৈয়ে পুথিভাগৰ ওপৰত অনেক মুখৰোচক কাহিনীৰ প্ৰচাৰ

হ'ল। কোনো কোনোৰ মতে আনকি দুই-এখন চৰিত পুথিতো প্ৰকাশ হ'ল যে গোপালদেৱৰ হাতত এখন তাম্ৰক্ষৰী পুথি আছে যিখন শঙ্কৰদেৱৰ পৰা পোৱা আৰু সেই পুথিকে বিদায়পৰত অনিৰুদ্ধক দিলে। আৰু ৰাতি গোপনে পঢ়া পুথি সেইখনেই। আদি চৰিত নামৰ জাল পুথিখনৰ মতে আকৌ অনিৰুদ্ধই তাম্ৰক্ষৰী পুথি চুৰ কৰিছিল আৰু সেইখনেই ৰাতি আন্ধাৰত পঢ়া হয়।

এনে বিভ্ৰান্তিমূলক কথাবোৰ নিৰাময়ৰ বাবে ড° ডম্বৰুধৰ নাথদেৱে এটি আলচ প্ৰস্তুত কৰিছে। উদ্দেশ্য জনমানসত বৰ্তি থকা এই ভ্ৰান্তিবোৰ দূৰ কৰি এইভাগ শাস্ত্ৰৰেযে বৈষ্ণৱ ধৰ্মশাস্ত্ৰসমূহৰ সাৰভাগ সংগ্ৰহ কৰি অনিৰুদ্ধদেৱে এখন পাৰমাৰ্থিত তত্বসম্পন্ন গদ্য পুথিহে কৰিছে তাক যুক্তি সহকাৰে প্ৰতিপন্ন কৰাটো। প্ৰসঙ্গতঃ শ্ৰীযুত নাথদেৱ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ আসন, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক।

'কহে অনিৰুদ্ধ' ভণিতাৰে এভাগী শাস্ত্ৰ আছে যিভাগ মায়ামৰা সমাজত ভক্তসকলে "নিজশাস্ত্ৰ" নামেৰে মানি আহিছে। অসমীয়া গদ্য আৰু সংস্কৃত শ্লোকৰ সমাহাৰ এইখন ব্যতিক্ৰমী শ্ৰেণীৰ ধৰ্মগ্ৰন্থ। অসমীয়া গদ্যৰ মাজে মাজে সংস্কৃত শ্লোকে শোভাবৰ্ধন কৰা এইখনেই বোধহয় অসমীয়া ভাষাৰ একমাত্ৰ ভক্তিধৰ্মৰ গদ্যগ্ৰন্থ। মায়ামৰা পন্থৰ বিশ্বাসীসকলে কয় যে মহাপুৰুষ অনিৰুদ্ধদেৱে নিজে এই শাস্ত্ৰভাগ অভকতক আৰু পাৰমাৰ্থিক তত্বজ্ঞান নথকা সকলৰ পৰা আঁতৰত ৰাখিবলৈ দঢ়াই দঢ়াই কৈ গৈছে যাৰ ফলত শাস্ত্ৰভাগ আজিও প্ৰকাশিত হোৱা নাই।

বিচাৰ কৰি চালে বুজা যায় যে এইখন শাস্ত্ৰ মূলতঃ ভাগৱত-পুৰাণৰ সাৰ কঢ়া শ্লোকৰ গদ্য সংকলন মাথো। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে মাধৱদেৱে তেওঁৰ ভক্তি ৰত্নাৱলী গ্ৰন্থত ইয়াৰ ত্ৰয়োদশ খণ্ডত ভাগৱত পুৰাণক কৃষ্ণৰ মুখৰ বচন বুলি উল্লেখ কৰিছে।

বৈকুণ্ঠৰ শাস্ত্ৰ ইটো চাৰিও বেদৰ সাৰ
কৃষ্ণৰ মুখৰ নিজ বাণী।
ভাগৱত সাৰ তুলি বিষ্ণুপতি মহামতি
কৰিলন্ত সংগ্ৰহ প্ৰণামি।।- (ভক্তি ৰত্নাৱলী- ১২০৪)